জৰ্জ্জ এলিয়টৰ

# চাইলাচ্ মাৰ্ণাৰ

MAR 1958

শ্ৰীমুক্তিনাথ বৰদলৈ

Please handle the book carefully.

লয়াৰ্চ বুক ষ্টল
গুৱাহাটী : অসম

প্ৰকাশক :
শ্ৰীবিচিত্ৰনাৰায়ণ দত্ত বৰুৱা, বি-এল
লয়　　　ষ্টল
ভৱ　　　দম।

ছবি আঁকিছে :
শ্ৰীশচীনাথ বৰদলৈয়ে

অনুবাদকৰ দ্বাৰা
সৰ্ব্বস্বত্ব সংৰক্ষিত

প্ৰথম প্ৰকাশ—১৯৫৭

মূল্য—৩৷৷০ টকা

মুদ্ৰক :
শ্ৰীকালীচৰণ পাল
নবজীৱন প্ৰেছ
[illegible]গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

THE NABIN BARDOLOI HALL
-1 MAR 1958
G...

# জৰ্জ্জ এলিয়ট

জন্ম—১৮১৯ মৃত্যু—১৮৮০

জৰ্জ্জ এলিয়ট ছদ্মনামৰ ইংৰাজ লেখিকা মেৰি এন্ ইভানচ্—ঊনবিংশ শতাব্দীৰ লেখক-লেখিকা সকলৰ মাজত অন্যতম শ্ৰেষ্ঠ লেখিকা। পৃথিবীৰ শ্ৰেষ্ঠ ঔপন্যাসিক সকলৰ মাজত আজিকোপতি তেওঁ আসন লাভ কৰি আহিছে।

তেওঁৰ জন্মস্থান ইংলণ্ডৰ ওৱাৰউইকশ্বায়ৰত। তাৰে কলটন অঞ্চলৰ আৰবাৰি ফাৰ্ম বোলা ঠাইখনত পিতাক ৰবাৰ্ট ইভানচে সেই জমিদাৰিৰ পৰিচালকৰূপে কাম কৰিছিল। সৰুৰে পৰা সেই গাৱঁলীয়া অঞ্চলত ডাঙৰ দীঘল হোৱাত তেওঁৰ সৰহভাগ উপন্যাসৰ চৰিত্ৰ আৰু পটভূমিত গাৱঁৰ জীৱনৰ বিশেষ প্ৰভাৱ পৰিছে।

মৃত্যুৰ পাছত তেওঁ ধৰ্মনিষ্ঠ পিতাকৰ লগত থাকিবলৈ যায়। য়তে তেওঁ ইউৰোপীয় কেইবাটাও ভাষা শিক্ষা কৰে আৰু ীয়, জাৰ্ম্মেণ ভাষাত পাৰ্গত হৈ উঠে।

পাছলৈ তেওঁ লণ্ডনৰ বিখ্যাত আলোচনী 'ওৱেষ্টমিনষ্টাৰ ৰিভিউ'ৰ সহকাৰী সম্পাদিকা নিযুক্ত হয়। প্ৰায় এই সময়তে 'ব্লেকউড্ মেগেজিন'ত জৰ্জ্জ এলিয়ট নামত প্ৰকাশিত হোৱা গল্পবোৰে তেওঁৰ খ্যাতি আনে; কিন্তু বহুদিনলৈ ইংৰাজ পাঠকে তেওঁক পুৰুষ-লেখক বুলি ভাবিছিল; তেওঁৰ অন্যতম বিখ্যাত গ্ৰন্থ 'আডাম বীড' প্ৰকাশ হোৱাৰ লগে লগে এই ঔপন্যাসিকাৰ স্বৰূপ সকলোৱে জানিবলৈ পায়।

'চাইলাচ মার্ণাৰ' জৰ্জ্জ এলিয়টৰ আগ বয়সৰ ৰচনা। মানৱ চৰিত্ৰৰ সূক্ষ্ম জ্ঞান, অসামান্য নিপুণ চৰিত্ৰ অঙ্কন, ৰচনা-শৈলীৰ শক্তি আদিৰ পৰা তেওঁৰ শ্ৰেষ্ঠ ৰচনা কোনখন—সেই বিষয়ে সমালোচকসকল একমত হব পৰা নাই। নিসন্দেহে 'চাইলাচ মার্ণাৰ' জৰ্জ্জ এলিয়টৰ অন্যতম শ্ৰেষ্ঠ উপন্যাস। সমালোচকসকলৰ মতে তাঁতী চাইলাচ মার্ণাৰৰ কাহিনী জৰ্জ্জ এলিয়টৰ ৰচনা-শিল্পৰ অনবদ্য নিদৰ্শন।

**জৰ্জ্জ-এলিয়টৰ শ্ৰেষ্ঠ ৰচনা বোৰ ঃ—**

"চিন্‌চ্‌ ফ্ৰম ক্লেৰিকেল লাইফ", "আডাম বীড", "মিল অন্‌ দি ফ্লচ্‌", চাইলাচ মার্ণাৰ", "ৰমলা", "ফেলিক্স হল্ট", "মিড্‌ল্‌ মার্চ," "ডেনিয়েল ডেৰণ্ডা"।

—— × ——

THE NAB... LIBRARY
1 MAR 1958
GAUHATI

# 'চাইলাচ মার্ণাৰ'ৰ ঘাই চৰিত্ৰ সমূহ

**চাইলাচ মার্ণাৰ**—এজন তাঁতী আৰু প্ৰধান চৰিত্ৰ।

**উইলিয়ম ডেন**—চাইলাচৰ এসময়ৰ বন্ধু।

**এপি**—গড্‌ফ্ৰে কেচৰ ঔৰসজাত মলি ফেৰেনৰ জীয়েক। পাছলৈ চাইলাচ মার্ণাৰৰ তোলনীয়া জীয়েক।

**মলি ফেৰেন**—ভোজনাগাৰৰ লিগিৰী। গড্‌ফ্ৰে কেচে গুপুতভাৱে বিয়া কৰোতা ভাৰ্য্যা।

**কেচ্ ডাঙৰীয়া**—ৰেভ্‌লে গাৱঁৰ বুঢ়া জমিদাৰ। 'ৰংঘৰ'ৰ মালিক।

**গড্‌ফ্ৰে কেচ্**—কেচ্ ডাঙৰীয়াৰ ডাঙৰ পুতেক।

**ডানষ্টান বা ডান্‌চি কেচ্**—কেচ্ ডাঙৰীয়াৰ উচ্ছৃঙ্খল স্বভাৱৰ মাজু পুতেক।

**বেন্ উইনৃথ্ৰপ**—চকা মিস্ত্ৰী।

**ডলি উইনৃথ্ৰপ**—বেনৰ দয়ালু আৰু ধৰ্ম্মনিষ্ঠ ভাৰ্য্যা।

**এৰণ উইনৃথ্ৰপ**—বেন্ আৰু ডলিৰ পুতেক। পাছলৈ এপিৰ স্বামী।

**শ্ৰীযুত লেমেটাৰ**—এজন আঢ্যৱন্ত বয়সিয়াল ভদ্ৰলোক।

**নান্সী লেমেটাৰ**—লেমেটাৰৰ বৰ জীয়েক। পাছলৈ গড্‌ফ্ৰে কেচৰ পত্নী।

**প্ৰিচিলা লেমেটাৰ**—লেমেটাৰৰ সৰু জীয়েক।

**কিম্বল**—ৰেভ্‌লোৰ ডাক্তৰ; গড্‌ফ্ৰে কেচৰ পেহাক।

**শ্ৰীমতী কিম্বল**—কিম্বলৰ ভাৰ্য্যা; কেচ্ ডাঙৰীয়াৰ ভনীয়েক।

**শ্ৰীমতী অচ্‌গুড্‌**—লেমেটাবৰ খুলশালীয়েক অৰ্থাৎ নাম্নী লেমেটাকৰ মাহীয়েক ; গাওঁৰ সম্ভ্ৰান্ত মহিলা।

**স্নেল**—'ৰামধনু' আলহীঘৰৰ মালিক।

**মেচি**—বুঢ়া দৰ্জ্জি আৰু গীৰ্জ্জাৰ কাকতী।

**টুকি**—সহকাৰী কাকতী।

**ডাউলাচ্‌**—গৰু-ঘোৰাৰ ডাক্তৰ।

**ক্ৰেকেনৃথৰ্প**—গীৰ্জ্জাৰ যাজক।

**মালাম**—বেভ্‌লোৰ চৰকাৰী বিষয়া—হাকিম।

**জেম ৰড্‌নি**—বেভলোৰ এজন খেতিয়ক

ইত্যাদি।

# সূচীপত্ৰ


| | বিষয় | পৃষ্ঠা |
|---|---|---|
| ১। | তাঁতৰ যুগ আৰু বেভ্‌লোৰ তাঁতী | ১ |
| ২। | ধনগুলৈ | ২১ |
| ৩। | কেচ্ পৰিয়াল | ৩৬ |
| ৪। | ধনৰ বিলৈ | ৫৯ |
| ৫। | বিনামেঘে বজ্ৰপাত | ৭১ |
| ৬। | অনুসন্ধান | ৮১ |
| ৭। | মনৰ বাঘ | ৯২ |
| ৮। | অনুশোচনা | ১০৩ |
| ৯। | সান্ত্বনাৰ চেষ্টা | ১১৬ |
| ১০। | ৰংঘৰত ভোজ | ১৩৩ |
| ১১। | বিধিৰ নিৰ্ব্বন্ধ | ১৪৪ |
| ১২। | নতুন অধ্যায় | ১৫৫ |
| ১৩। | দুখীয়াৰ ধন | ১৬৬ |
| ১৪। | শুভ বুদ্ধি | ১৮০ |
| ১৫। | পিতা আৰু কন্যা | ১৮২ |
| ১৬। | সুখীৰ দুখ | ১৯১ |
| ১৭। | সত্যমেব জয়তে—নানৃতম্ | ১৯৭ |
| ১৮। | পিতৃত্বৰ আহ্বান | ২০৩ |
| ১৯। | বঞ্চিতৰ সান্ত্বনা | ২১৭ |
| ২০। | লেণ্টাৰ্ণ ইয়াৰ্ড | ২২১ |
| ২১। | মধুৰেণ সমাপয়েৎ | ২২৫ |

THE NABIN BARDOLAI HALL
MAR 1958
GAUHATI

# চাইলাচ্ মাৰ্ণাৰ

## (১)

## তাঁতৰ যুগ আৰু ৰেভলো-ৰ তাঁতী

সেইদিনত খেতিয়কৰ ঘৰে ঘৰে যঁতৰৰ গুণ্‌গুণনি শুনিবলৈ পোৱা গৈছিল; ডাঙৰীয়াসকলৰ পাটৰ বনকৰা সাজ-কাপোৰ পিন্ধা তিৰোতাসকলেও আন্‌কি বনচোম কাঠৰ নিমজ যঁতৰ একোটা পুতলাৰ দৰে সৰুকৈ সজাই লৈছিল। সেই কালত দূৰণিৰ ঠাইবোৰৰ বাটেপথে নাইবা পৰ্ব্বতীয়া অঞ্চলত কোনো কোনো চুটি-চাপৰ শেঁতা মানুহ দেখিলে এনেহে লাগিছিল যেন আটিল গাৱঁলীয়া মানুহবিলাকৰ তুলনাত সিহঁত কোনোবা অধঃপতিত জাতিৰ বংশধৰহে! জাৰকালি মাৰ যোৱা বেলিৰ ক্ষীণ পোহৰত ক'লা মূৰ্ত্তিৰ দৰে আচহুৱা তেনে ধৰণৰ একোটা মানুহক পৰ্ব্বতীয়া ঠাইবোৰত দেখি পথাৰৰ ভেৰা-ৰখীয়াৰ কুকুৰে ভুকিবলৈ ধৰে। পিঠিত একোটা মোনা লৈ 'ঞ'ৰ দৰে কুঁজা হৈ যোৱা আচহুৱা মানুহ দেখি কুকুৰে ভুকা অৱশ্যে একো আচৰিত কথা নহয়। এই কেহেৰাজ বৰণীয়া আচৰিত মানুহবিলাকক সাধাৰণতে

একোটা বোজা নোলোৱাকৈ বাটে পথে ওলোৱা কোনেও নেদেখিছিল। সেই মোনাটোত কটা সূতাৰ লেছা বা তাঁতত বোৱা ছবুৰি ছঅঁৰাখন কাপোৰ থকা বুলি অনুমান কৰিব পাৰিলেও—পথাৰৰ ভেৰা-ৰখীয়াটোৰ মনত এনে এটা সন্দেহ জন্মিছিল যে অতি লাগতিয়াল তাঁত বোৱা ব্যৱসায়টো দেও-ভূতৰ সহায় নহলে কৰিবই নোৱাৰি।

তেতিয়াৰ দিনত—নাভূত-নাশ্রুত কিবা বস্তু নাইবা পোহাৰী বা দা-কটাৰি ধৰোৱা মানুহৰ দৰে কেতিয়াবা কৰবাত অহা মানুহ দেখিলে সহজে নানা ধৰণৰ অন্ধবিশ্বাসৰ উৎপত্তি হৈছিল। দিহিঙে দিপাঙে ঘূৰি ফুৰা এই মানুহবিলাকৰ ঘৰ-দুৱাৰৰ সম্ভেদ নাইবা চিনাকি কোনেও দিব নোৱাৰিছিল। আন একো নহলেও অকল বংশৰ চিনাকিটো নাপালে মানুহক নো কেনেকৈ চিনিবা? সেই পুৰণি কালৰ গাৱঁলীয়া চহালোকৰ মানত নেদেখা নজনা বাহিৰৰ ঠাইবোৰ ধুৱঁলী-কুৱঁলী ৰহস্যময় দেশ যেন আছিল; সিহঁতৰ গতিহীন কল্পনাত সদায় ঘূৰি-পকি ফুৰা মানুহৰ অৱস্থাটোৱে এক অস্পষ্ট ধাৰণাহে জগাই তুলিছিল। দূৰ ঠাইৰ পৰা আহি বাস কৰা মানুহক খিলঞ্জীয়া মানুহবিলাকে অলপ নহয় অলপ সন্দেহৰ চকুৰে নোচোৱাকৈ নেৰিছিল; কোনো নতুন বাসিন্দাই বিশেষকৈ পঢ়াশুনা কৰা নাইবা বোৱা-কটা আদি হাতৰ কামত নিপুণ হ'লে বহুদিন ভালেৰে থাকি শেহত কোনো গুৰুতৰ অপৰাধ কৰিলেও সেই অবিশ্বাসৰ কাৰণে

মানুহবিলাক হঠাৎ আচৰিত নহৈছিল। মুখ চলোৱাতেই হওক বা যি কোনো আচহুৱা হাতৰ কামতেই হওক, কোনো কামত পাৰ্গতালি দেখুৱা লোকেই সন্দেহৰ পাত্ৰ হয়। সেই দিনত মানুহবিলাকে ভাবিছিল যে ভাল মানুহ হব লাগিলে সকলোৰে চকুৰ আগত ডাঙৰ-দীঘল হব লাগিব আৰু বৰ বেচি কথা জনা নাইবা পাৰ্গতালি থকা হব নালাগিব; জ্ঞানৰ ভিতৰত অতি বেচি—নানা চিন চাই কেতিয়া কেনে বতৰ হব—কব পাৰিলেই যথেষ্ট। নিচেই কম সময়ত পাৰ্গতালিৰে কোনো কাম কৰাৰ ধৰণটো সেই কালৰ মানুহৰ কাৰণে ইমান গুপুত যে তেনে ধৰণৰ ক্ষিপ্ৰ আৰু নিপুণ কামক ভোজবাজিৰ দৰে বুলি ভবা হৈছিল। এনেকৈয়ে নগৰৰ পৰা আহি গাৱঁে-ভুঞে সিঁচৰতি হৈ বাস কৰা তাঁতীবিলাকক গাৱঁৰ আন নিগাজী লোকে পৰদেশী বুলি ভাবিবলৈ ধৰিলে আৰু তাঁতীবিলাকেও লগ-সঙ্গ নোহোৱাকৈ থাকি থাকি সাধাৰণতে একাচেকা প্ৰকৃতিৰ হৈ পৰিল।

উনৈচ শতিকাৰ আগছোৱাত ইংলণ্ডৰ বেড্‌লো নামৰ গাওঁখনৰ কাষত চাইলাচ্ মাৰ্ণাৰ নামৰ এটা তাঁতীয়ে থাকিবলৈ লৈছিল। বেড্‌লো গাৱঁৰ কাষত কেতবোৰ কোট্‌কোৰা গছেৰে বেৰি থোৱা সেই শিলেৰে বন্ধোৱা ঘৰটোৱেই চাইলাচ্ মাৰ্ণাৰৰ বাসস্থান; তাৰ কিছু আঁতৰত শিলেৰে বন্ধোৱা এটা খাল। সেই আওহতীয়া শিলৰ ঘৰত চাইলাচে তাঁত বয়; সদায় শুনি থকা খৈছধান খুন্দা কলৰ মাতভকৈ

বেলেগ—তাঁতৰ খটাখট্ শব্দই গাৱঁৰ ল'ৰাজাকক টানি অনাদি আনিছিল; সিহঁতে গছৰ পকা গুটি নাইবা চৰাই-বাহৰ চৰাই-পোৱালী বিচাৰিবলৈ এৰি ভয়ে ভয়ে ঘৰটোৰ খিৰিকিয়েদি ভুমুকি মাৰেহি। তাঁতখনৰ চেৰে চেৰে মৰা খটাখট্ মাতে আৰু পিঠি কুজাকৈ তাঁতবোৱা চাইলাচ্ মাৰ্ণাৰৰ ঠেও-থমক দেখি ৰঙত ল'ৰাহঁতৰ মনৰ ভয় শাম কাটে। পিছে কেতিয়াবা ছিগা সূতা যোৰাবলৈ ৰওঁতে চাইলাচে সেই টটাটিঙা ল'ৰাজাকৰ সঁহাৰি পালে তাঁতপাটৰ পৰা নামি দুৱাৰ মেলি সিহঁতলৈ এনেকৈ ৰ লাগি চাবলৈ ধৰে যে ল'ৰাবিলাকে ভয়ত পলাই পত্ৰং দিয়ে; তাৰ কাৰণ হৈছে যে চাইলাচে কামৰ মাজত তেনে ধৰণৰ ভুমুকা ভুমুকি কৰিলে বৰ আমনি পায়।

চাইলাচ্ মাৰ্ণাৰে তাৰ পিতলবৰণীয়া অমৰাগুটীয়া চকু-হালেৰে চাই পঠিয়ালে এনে বিশ্বাস হয় যেন সি সমুখৰ ল'ৰাবিলাকক নেদেখি পিছৰ শাৰীৰ ল'ৰাটোক তাৰ চাৱনিৰে থৰ কৰি পেলাবলৈ বিচাৰিছে। সিহঁতে মাক-বাপেকৰ মুখত শুনিছিল যে চাইলাচে মন কৰিলে গাঁঠি-বিষ ভাল কৰিব পাৰে আৰু দেও-ভূতৰ শৰণ লোৱা লোকৰ নৰিয়া ভাল কৰি বেজৰ ধনো ৰাহি কৰাই দিব পাৰে। তেনে ধৰণৰ দেও-ভূত পূজা কৰা আচৰিত কিছুমান পুৰণি বিশ্বাস এতিয়াও কেতিয়াবা বুঢ়া-মেথাৰ মুখত শুনিবলৈ পোৱা যায়, কাৰণ চহালোকে এতিয়াও বেমাৰ ভাল কৰি উপকাৰ কৰা

কথাটোক সহজতে বুজিবলৈ টান পায়। সেই দিনৰ মানুহবিলাকক আদিম যুগৰ খোৱা-থকাৰ অভাৱ-অভিযোগবোৰে বৰকৈ হেঁচি ৰাখিছিল আৰু সিহঁতৰ কঠোৰ জীৱন-প্ৰণালীক একান্ত ধৰ্ম্মবিশ্বাসে সহজ কৰিব পৰা নাছিল। গতিকে এক অদৃশ্য শক্তিৰ বিষয়ে অনুমান কৰি সেই পুৰণিকলীয়া মানুহবিলাকে ভাবিছিল যে সিহঁতে বুজিব নোৱাৰা কোনো শক্তি বা ক্ষমতাই বৰ কাকুতি-মিনতি কৰিলেহে অপকাৰ নকৰাকৈ থাকে। সিহঁতৰ মানত সন্তোষ বা ৰং-ধেমালিতকৈ দুখ-বিপদৰ সম্ভাৱনাহে বেচি। সিহঁতৰ কল্পনাত আশা-আকাঙ্ক্ষাৰ ঠাই নাই ; বৰং সদায় এক অজান ভয়ৰ চিন্তাৰে সিহঁতৰ কল্পনা ভৰিহে থাকে। শকত নৰিয়াৰ পৰা উঠা কোনো বুঢ়া খেতিয়কক যদি সোধা যে সি কি জুতি লগা বস্তু খাবলৈ ভাল পায়, সি ততালিকে উত্তৰ দিব, "ভাত-পানীৰ বাহিৰে মই কেতিয়াও আন বস্তু মুখত দিয়া নাই আৰু এতিয়া মুখৰ অৰুচিৰ কাৰণে ভাত-পানীও খাব নোৱাৰোঁ।" ইয়াৰ পৰাই বুজা যায় যে দেখিশুনিও তেনে লোকে কোনো বস্তুলৈ হেপাহ কৰিবলৈ শিকা নাই আৰু সেই কাৰণে জিভাৰ জুতিৰ হেপাহো তাৰ নাই।

নতুন যুগৰ পোহৰত জাহ নোযোৱা কিছুমান পুৰণি ধৰণ-কৰণ তেতিয়াও বেভ্‌লো গাৱঁত বৰ্ত্তি আছিল। বেভলো গাওঁখন যে একেবাৰে আওহতীয়া আৰু পিছ পৰা এনে নহয়। কেউকালে কাঠনিৰে বেৰি থোৱা, পৰ্ব্বতীয়া অঞ্চলৰ

মাজৰ কুকুঙৰ নিচিনা ঠাইখনত বেভ্‌লো গাওঁ। চাৰি আলিৰ পৰা বৰ দূৰত নহলেও ঘোৰা-গাড়ীৰ ধুম্‌ধুমনি নাইবা মানুহৰ হাই-উৰুমিয়ে বেভ্‌লো গাওঁক স্পৰ্শিব নোৱাৰিছিল। দেখাত সমৃদ্ধিশালী গাওঁ—বেভ্‌লোৰ আহল-বহল বাৰীবে এটি পুৰণি ধুনীয়া ধৰ্ম্ম-মন্দিৰ, দুই-তিনিটা ইটা-শিলৰ ডাঙৰ টুপ লগোৱা পকী ঘৰ, কাঁড় মাৰিলে কাঁড় নসৰকা বাৰী আদিয়ে গাওঁখনৰ উন্নত অৱস্থাৰ চিনাকি দিছিল। অৱশ্যে ভালকৈ চালে দেখা গৈছিল যে বেভ্‌লোত ডা-ডাঙৰীয়াৰ শইচৰ ভঁৰাল নাইবা ৰাজহুৱা ফুলনি নাই, আৰু তাৰ চহকী মুখিয়াল মানুহ কেইজনমানে জধেমধে মাটী-বাৰী চলাই ৰায়তৰ পৰা পাৰে-মানে খাজানা আদায় কৰিছিল আৰু তেতিয়াৰ মহঙা দিনতো বজাৰ হালত থাকি পৰ্ব্বদিনবোৰ বৰ ধুম্-ধামকৈ পাতিছিল।

পোন্ধৰ বছৰ আগতে চাইলাচ্ মাৰ্ণাৰ যেতিয়া পোনতে বেভ্‌লোলৈ আহে, তেতিয়া সি পিতলবৰণৰ অমৰাগুটীয়া চকুযোৰেৰে দেখাত সাধাৰণ তৰপৰ ডেকা ল'ৰা; কিন্তু তাৰ ওচৰচুবুৰীয়া গাৱঁৰ মানুহৰ মনত তাঁতৰ আচৰিত ব্যৱসায় কৰা চাইলাচৰ বিষয়ে অদ্ভুত অদ্ভুত এৰোটা ধাৰণা জাগি উঠিছিল। চাইলাচ্ মাৰ্ণাৰেও তেনেকৈ ঘৰলৈ কোনো আলহী-অতিথি নামাতিছিল আৰু ৰাজহুৱা ঠাইবোৰলৈকো খোৱা-পিয়া কৰিবলৈ বা কথা-বতৰা পাতিবলৈ কেতিয়াও নোলাইছিল। কাপোৰ-সূতা বেচা নাইবা লাগতিয়াল বস্তু অনাৰ বাহিৰে সি কোনো মানুহক লগ নধৰিছিল।

ৰেভ্‌লোৰ আবিষ্কাৰে গাভৰুবিলাকেও বুজি উঠিছিল যে চাইলাচে নিজে তেওঁলোকৰ এগৰাকীক বিয়া সোমাবলৈ নাখাটেগৈ; গাভৰুহঁতেও হেনো চাইলাচক শুনাই কৈছিল বোলে জীয়াতে মৰা তেনে এটা মানুহক কেতিয়াও বিয়া কৰাব নোৱাৰি।

চাইলাচ্‌ মাৰ্ণাৰৰ সম্বন্ধে এই ধাৰণাটোৰ কাৰণ অকল তাৰ শেঁতা মুখখন আৰু অসাধাৰণ চকুযোৰেই নহয়! তাত বাজেও আৰু এটা কাৰণ আছে। জেম্‌ ৰড্‌নি নামৰ চিকাৰীজনে ডাঠি কৈছিল বোলে এদিন সাঁজ লগাৰ পৰত ঘৰলৈ ওভতোঁতে সি পিঠিত এটা মোনা লৈ চাইলাচক এখন জপনাত আউজি থকা দেখা পাইছিল। সাধাৰণতে সজ্ঞানে থকা লোকে তেনে অৱস্থাত মোনাটো জপনাখনৰ ওপৰত হেঁচা দি ধৰি থাকিলহেতেন। জেম্‌ ৰড্‌নিয়ে চাইলাচৰ ওচৰ চাপি মাতিলেহে মাতিলে। পাছে দেখে যে চাইলাচৰ চকুযোৰ মৰামানুহৰ চকুৰ দৰে থিৰ; গা-ত ধৰি জোকাৰি দিলত দেখে যে হাত-ভৰিবোৰ ঠৰঙা। কিন্তু সেই অৱস্থাতো চাইলাচে নপৰাকৈ লো-ৰ চেপেনাৰ দৰে হাতেৰে মোনাটো খামুচি ধৰি আছিল! জেমে ভাবিলে যে তাঁতী চাইলাচৰ ধাতু গ'ল; তেনে সময়ত চাইলাচে চকুৰ পঁচাৰতে জ্ঞান পাই জেম্ ৰড্‌নিক মাত লগাই খোজ ললে। এই কাহিনীটো সাক্ষী-প্ৰমাণেৰে জেমে ন-দি কোৱাত এজনে ক'লে বোলে মাৰ্ণাৰৰ মূৰ্চ্ছা হৈছিল; অৱশ্যে এই ব্যাখ্যা একপ্ৰকাৰ

সন্তোষজনক ; কিন্তু গাৱঁৰে কথাচহকী কেৰাণীবাবুজনে অবিশ্বাসত মূৰ জোকাৰি তৰ্ক আৰম্ভ কৰিলে—মূৰ্চ্ছা যোৱা মানুহ লুটি খাই নপৰি ঠিয় হৈ থকা কথা কোনে কব পাৰেহেঁ ? আঁৰৰীয়া মানুহৰ হ'লে হাত ভৰি জঠৰ হৈ আধ্যা পৰে ! ওঁহো, ছুফালে নঙলাৰ চেপত ঠিয় কৰি থোৱা ঘোৰাৰ দৰে আঁৰৰীয়া মানুহ এটা কিছুপৰ ঠিয় হৈ থাকি খোজ লোৱা কথা কৈছানে ? ওঁহো—অসম্ভৱ !

লোক-বিশ্বাসত—চৰায়ে বাহৰ পৰা গৈ ঘূৰি অহাৰ দৰে—মানুহৰ জীৱটো দেহাৰ পৰা আঁতৰি যায়। যি জ্ঞান মানুহে দেখি-শুনি নাইবা ধৰ্ম্মোপদেশৰ পৰা নাপায়, সেই জ্ঞান মানুহে দেহাৰ পৰা আঁতৰি গৈ লাভ কৰি আহে। নহ'লে নো মানুহ একোটা পৰমজ্ঞানী কেনেকৈ হয় ? নহ'লে নো চাইলাচ্ মাৰ্ণাৰে বন-দৰব, জৰা-ফুকা-মন্ত্ৰ আদিৰ জ্ঞান ক'ৰ পৰা পালে ? এবাৰ বেভ্‌লো গাৱঁৰ ছোৱালী এজনীৰ ছমাহতকৈও সৰহ কাল এনে বুকুৰ ধৰ্ফৰণি হৈছিল যে বেজ-জ্ঞানীৰ নানা দৰব-জাতিয়েও একোকে গুণ কৰিব নোৱাৰিলে। আচৰিত কথা যে চাইলাচৰ দৰৱ কেইপালিমান খায়েই ছোৱালীজনীৰ বুকুৰ সেই ধৰ্ফৰণি ভাল হ'ল। কথাটো হৈছে এই যে চাইলাচে মন কৰিলে যি কোনো বেমাৰকে ভাল কৰিব পাৰে ; সঁচা কথা কবলৈ গ'লে সি পাৰিলে ভাল কৰে, 'নহ'লে যাছ-মন্ত্ৰেৰে মানুহক অপকাৰ' কৰিব নোখোজে।

মার্ণাৰৰ একা-চেকা স্বভাৱৰ কাৰণে সি হয়তো বহুত লাঞ্ছনা ভুগিলেহেঁতেন; কিন্তু তাৰ বিষয়ে গাৱঁৰ মানুহৰ এটা অজান ভয় থকাৰ কাৰণে তাৰ গা-ত হাত দিবলৈ কোনেও সাহ নকৰিছিল। তদুপৰি ওচৰৰ গাৱঁৰ তাঁতীজন মৰাত কাপোৰ আৰু সূতাৰ যোগানৰ কাৰণে সেই গাৱঁৰ চহকী লোকৰ তিৰোতাবিলাক আৰু মজলীয়া অৱস্থাৰ লোকে একমাত্র তাঁতী চাইলাচৰ তাঁতখনৰ ওপৰতেই নির্ভৰ কৰিব লগা হৈছিল। গতিকে বেভ্‌লো গাৱঁত চাইলাচৰ বসবাস কৰাটোত কবলৈ কাৰো একো নাছিল। কাপোৰ-কানি বোৱা বেয়া হোৱা হ'লেও গাৱঁৰ মানুহৰ বেয়া ভাৱ আৰু অবিশ্বাসে হয়তো চাইলাচৰ আৱশ্যকতা কমালেহেঁতেন।

এইদৰে বছৰৰ পাছত বছৰ পাৰ হৈ যাবলৈ ধৰিলে। গাৱঁৰ লোকৰ চাইলাচৰ বিষয়ে ধাৰণাৰ একো সলনি নহ'ল, যদিও পোন-প্রথমৰ আচৰিত ভাৱটো কালক্রমত অভ্যাস-গত অবিশ্বাস হৈ পৰিল। পোন্ধৰ বছৰৰ পাছতো বেভ্‌লোৰ মানুহে আগৰ নিচিনাকৈয়ে চাইলাচৰ বিষয়ে কোঁৱাকুই কৰিছিল। সিহঁতে ঘনাই চাইলাচৰ চর্চ্চা নকৰিলেও সিহঁতৰ সন্দেহৰ খুটি আগতকৈ বেচি গজ্‌গজীয়াহে হ'ল। কিন্তু চাইলাচৰ সম্পর্কে এই কেইবছৰৰ ভিতৰত এটা নতুন জনশ্রুতিৰ উদ্ভৱ হ'ল। সেইটো হৈছে—চাইলাচৰ কৰবাত লুকাই সাঁচি থোৱা এগাল ধন আছে আৰু বোলে সি বহুত ভা-ভাগুৰীয়া সেই ধনেৰে কিনি পেলাব পৰা হৈছে।

চাইলাচৰ বিষয়ে জনমত আৰু তাৰ দৈনিক জীৱনৰ কোনো বিশেষ সালসলনি নঘটিলেও—অজ্ঞাতবাস কৰা একা-চেকা প্ৰকৃতিৰ সকলো মানুহৰ দৰে তাৰ ভিতৰুৱা জীৱনৰ কথাবোৰ এক বুৰঞ্জী আৰু তাৰ পৰিবৰ্ত্তনৰ কাহিনী। বেভ্‌লোলৈ অহাৰ আগতে চাইলাচৰ জীৱন-কাম, চিন্তা আৰু সঙ্গ-সুখেৰে ভৰপূৰ আছিল। তাৰ পুৰণি আওহতীয়া নগৰ লেণ্টাৰ্ণ ইয়াৰ্ডৰ ধৰ্ম্ম-সম্প্ৰদায়ৰ মাজত তাৰ সজ নাম আছিল। সকলোৱে তাক সাধু আৰু ধৰ্ম্মপ্ৰাণ ডেকা বুলি জানিছিল। এবাৰ উপাসনাত চাইলাচে এঘণ্টাতকৈও বেচি সময় আচৰিতভাৱে মৰাৰ দৰে সংজ্ঞাহীন হৈ থাকি পুনৰ জ্ঞান পোৱাত সকলোৰে চকু তাৰ ওপৰত পৰিল। সেই ধৰ্ম্মবিশ্বাসৰ দিনত এই সমাধিস্থ অৱস্থাৰ বৈজ্ঞানিক অৰ্থ কৰিবলৈ গ'লে তেতিয়াৰ ধৰ্ম্মবিশ্বাসী লোকে তাৰ পাৰমাৰ্থিক মূল্য নষ্ট কৰা বুলি ভাবিলেহেতেন।

বিধাতাই চাইলাচক এক অদ্ভুত যৌগিক শক্তি দান কৰিছিল। যদিও সমাধিস্থ অৱস্থাত চাইলাচৰ অন্তৰত কোনো ঐশ্বৰিক অনুভূতিৰ আবিৰ্ভাৱ হোৱা নাছিল, তথাপি সেই সমাধিৰ পাছত তাৰ অন্তৰত আনন্দ আৰু জ্ঞান জাগি উঠা বুলি চাইলাচে নিজে আৰু আন মানুহেও বিশ্বাস কৰিছিল। চাইলাচৰ বাহিৰে আন কোনোৱে হোৱা হ'লে দিব্যদৰ্শন হোৱা বুলি ক'লেহেতেন নাইবা বিশ্বাসো কৰিলেহেতেন। বহুত সাধু আৰু অকপট স্বভাৱৰ লোকে

দিব্যজ্ঞানৰ সহায়ত ৰহস্য উদ্‌ঘাটন কৰিবলৈ নিবিচাৰে; বৰং তাৰ দ্বাৰাই স্বাভাৱিক গতিত জ্ঞানহে আহৰণ কৰে। চাইলাচো স্থিৰ বুদ্ধিৰ সাধু ডেকা আছিল বাবে তাৰ জ্ঞান আহৰণ স্বাভাৱিক প্ৰণালীত চলিছিল। শাক-বন গোটাই দৰব কৰাৰ গুণটো মাকে তাক বাপতীসাহোন হিচাবে দি গৈছিল; কিন্তু কিছুদিনৰ পৰা বন-দৰব দি নৰিয়া ভাল কৰা কথাটো কিমান উচিত—সেই বিষয়ে তাৰ মনত সন্দেহ হৈছিল। সি বিশ্বাস কৰিছিল যে ঈশ্বৰক প্ৰাৰ্থনা নজনোৱাকৈ দিয়া বন-দৰবৰ গুণ নাই আৰু দৰব নিদিয়াকৈও অকল প্ৰাৰ্থনাৰেই বেমাৰ ভাল হয়। তেতিয়াৰ পৰা চাইলাচৰ মনত পথাৰে পথাৰে দৰবৰ কাৰণে শাক-পাত, ফুল-মূল-গুটি বিচাৰি ফুৰা হেপাহটো প্ৰলোভনৰ বস্তু যেন হৈ পৰিল।

চাইলাচৰ পুৰণি ঠাইত থকা ধৰ্ম্ম-মন্দিৰৰ শিচ্‌বিলাকৰ ভিতৰত এজন ডেকা তাৰ এনে নলে গলে লগা আছিল যে সেই গাওঁৰ মানুহবিলাকে সিহঁত দুয়োকো 'অভিন্ন আত্মা' বুলি মাতিছিল। চাইলাচৰ সেই বন্ধু উইলিয়াম ডেন আদৰ্শ ধাৰ্ম্মিক ডেকা। নীতি আৰু ধৰ্ম্মৰ বাটৰ পৰা চুলি-ডালমান আঁতৰ হোৱাবিলাকৰ ওপৰত ডেন খড়্গহস্ত আৰু নিজৰ ধৰ্ম্মজ্ঞানৰ গৰ্ব্বত সি গুৰুজনতকৈও নিজকে বেচি জ্ঞানী বুলি ভাবিছিল। আনে যি খুঁতেই আছে বুলি নকওক, চাইলাচৰ মনত বান্ধ উইলিয়ম হ'লে একেবাৰেই নিৰ্দ্দোষ, নিষ্কলঙ্ক। যি অপৈণত চেমনীয়া বয়সত সাধাৰণতে

মানুহে বলী মতবাদক প্ৰশংসা কৰে আৰু হয়তো কেতিয়াবা প্ৰায় ভুলো কৰে, তেনে বয়সৰ ডেকা-মাৰ্ণাৰৰ প্ৰকৃতি—সহজেই বিশ্বাস কৰা আৰু নিজৰ মনক সন্দেহ কৰা বিধৰ আছিল। মাৰ্ণাৰৰ মুখৰ সেই সৰল ভাব, তীক্ষ্ণতা নাইকিয়া বহল চকুযুৰিৰ সেই অসহায় চাৱনিৰে সৈতে, উইলিয়াম ডেনৰ মইবৰ ভাৱ জিলিকি উঠা সৰু চকুহুটা আৰু চেপামৰা ওঁঠ বিজালে বিপৰীত যেন লাগে। শাস্ত্ৰত লিখা মুক্তিৰ আশ্বাসৰ সম্বন্ধে হুই বন্ধুৰ মাজত প্ৰায়ে কথা-বতৰা হৈছিল। চাইলাচে স্বীকাৰ কৰিছিল যে মৃত্যুৰ পাছত মুক্তিৰ আশ্বাসত তাৰ আশাৰ মাজত ভয়ৰ সঞ্চাৰ হয়। আনহাতে উই-লিয়ামে বুকু ডাঠি কৈছিল যে তাৰ অটল বিশ্বাস চিৰকাল আছে আৰু সি দীক্ষা লবৰ সময়ত মুক্তিৰ আশ্বাসৰ সেই কথা ফাকি, শাস্ত্ৰৰ পাত এখিলাৰ ওপৰত জিলিকি থকা সপোন দেখিছিল। দৰাচলতে সন্দেহ আৰু বিশ্বাসৰ দোমোজাত ধৰ্ফৰাই থকা বহুতো অশিক্ষিত তাঁতী ডেকাৰ মাজত তেনে ধৰণৰ কথা-বতৰা হৈ থাকে।

চাইলাচৰ বৈবাহিক ঘনিষ্ঠতাত সিহঁত হুয়োৰো বন্ধুত্ব ক্ষুণ্ণ হোৱা নাই বুলি চাইলাচে ভাবিছিল। কথাটো হৈছে এই যে কেমাহমানৰ পৰা চাৰা নামৰ একনী গাভৰু জিগিৰীৰ লগত চাইলাচৰ প্ৰণয় জন্মে আৰু হুয়োৰে সাঁচনীয়া ধন বাঢ়িলেই বিয়াখন পাতিব বুলি হুয়ো বাট চাই আছিল। প্ৰতি দেওবাৰে চাইলাচে চাৰাৰ লগত দেখা কৰোঁতে

উইলিয়াম থাকিলে চাবাই আপত্তি নকৰাত চাইলাচে বৰ ৰংহে পায়; কিন্তু এনে সময়তে উপাসনাৰ সময়ত চাইলাচৰ মূৰ্চ্ছা হবলৈ ধৰে। লগৰ বিলাকে চাইলাচক আগ্ৰহেৰে নানাৰকম কথা সোধোঁতে অকল উইলিয়াম ডেনৰ আও-কথীয়া কথাই—বিশেষ যোগাৱস্থা আৰ্জ্জন কৰা চাইলাচৰ প্ৰতি এটাইৰে পুতৌ জন্মাইছিল। উইলিয়ামে কৈছিল যে চাইলাচৰ সেই সংজ্ঞাহীন অৱস্থা ঐশ্বৰিক অনুগ্ৰহ হওক চাবি চয়তানৰ কাৰ্য্য যেনহে লাগে আৰু সি চাইলাচকো অন্তৰত লুকাই ৰখা পাপবোৰ স্বীকাৰ কৰিবলৈ যিমান পাৰে টানি কৈছিল। সেই নিন্দা আৰু পৰামৰ্শ—বন্ধুৰ কৰ্ত্তব্য বুলি ভাবি চাইলাচে খং নকৰিছিল সঁচা, কিন্তু তাৰ বন্ধুৱেও তাৰ আন্তৰিকতাক সন্দেহ কৰাত সি মনত দুখ পাইছিল। চাবায়ো তাক কেতিয়াবা ভয়-সন্ত্ৰমৰ চকুৰে, কেতিয়াবা বিৰাগ আৰু ঘিণৰ ভাৱেৰে চোৱা দেখি লগে লগে চাইলাচ উদ্বিগ্ন হৈ উঠিল। বিয়াৰ বন্দবস্ত ভাঙিবলৈ মন কৰেনে বুলি সি চাবাক সোধাত তাই অমান্তি হ'ল; কাৰণ সিহঁত দুয়োৰে বিয়াৰ যো-জা উপাসনা সভাবোৰে মানি লৈছিল। সেইবাবে বিয়াখন ভঙা কাৰণৰ ভাল অনুসন্ধান নকৰাকৈ বিয়া ভঙাটো টান, আৰু চাবাই নিজে বিয়া ভাঙিলেও সিহঁতৰ সমাজখনে মানি লোৱা কাৰণ তাই দেখুৱাব নোৱাৰিলেহেতেন।

হেন সময়তে ধৰ্ম্মমন্দিৰৰ বুঢ়া যাজকজন শকত নৰিয়াত

পৰিল। বুঢ়াৰ ল'ৰা-ছোৱালী-তিৰোতা নোহোৱাত ডেকা-গাভৰুবিলাকে তেওঁক দিনে-ৰাতিয়ে পাল পাতি পৰ দিবলৈ ধৰিলে। চাইলাচে উইলিয়মৰ লগত পাল পাতি ৰাতি দুই বজালৈকে পৰ দিছিল। ভাল হবৰ আশা না-থাকিলেও, দেখাত বুঢ়া লাহে লাহে ভাল হৈ আহিছিল; কিন্তু এদিন ৰাতি কাষত বহি পৰ দিওঁতে চাইলাচে দেখে যে তেওঁৰ উশাহ-নিশাহৰ শব্দ নাই। চাকিগছ মুমাওঁ মুমাওঁ হোৱাত চাকি হাতত লৈ চাইলাচে নৰিয়া মুখখন ভালকৈ চালে। বহুত পৰ চাই ঠৰঙা হাত-ভৰিবোৰ দেখি চাইলাচে বুজিলে যাজকজনৰ মৃত্যু হোৱা কিছু সময় হ'ল। চাইলাচ জানোচা টোপনিয়েই গৈছিল? ঘড়ি চাই দেখে যে নিশা চাৰিটা বাজিলেই; কিন্তু উইলিয়াম ডেন তেতিয়াও নাহিল কিয়? বৰ উদ্বিগ্ন হৈ চাইলাচে মানুহ বিচাৰি গ'ল আৰু কম সময়ৰ ভিতৰতে তাৰ সমনীয়া ভালেমান ডেকা ঘৰটোত গোট খালেহি। চাইলাচে সিহঁতক তাতে এৰি নিজ কামলৈ গ'ল; কিন্তু তাৰ ইচ্ছা হ'ল যে উই-লিয়ামক লগ ধৰি—নহাৰ কাৰণটো জানি লয়। পুৱা ছয় বজাত লগত পুৰোহিতজনক লৈ উইলিয়াম ওলালহি। দুয়ো আহিছিল চাইলাচক লেণ্টাৰ্ণ ইয়াৰ্ডলৈ মাতি নিবলৈ; কাৰণ ধৰ্ম্মমন্দিৰৰ সকলো শিষ্যই হেনো তাক লগ পাব খোজে। আহ্বানৰ কাৰণ সোধাত সি উত্তৰ ইয়াকে দিলে, "সময়ত শুনিবা।" কোনো মাত-বোল নকৰাকৈ তিনিও

ধৰ্ম্মমন্দিৰৰ এটা সৰু কোঠালিলৈ গ'ল ; ঈশ্বৰ-ভক্ত লোকৰ প্ৰতিনিধি পুৰোহিতজনে একে থৰে চাইলাচলৈ চাবলৈ ধৰিলে। পুৰোহিতবাপুৱে এখন ছুৰি-কটাৰি উলিয়াই চাই-লাচক দেখুৱাই সুধিলে, "এই ছুৰি-কটাৰিখন ক'ত এৰিছিলা ? মনত পেলোৱাচোন।" জেপৰ পৰা ছুৰিখন উলিয়াই আন ঠাইত থোৱা মনত নপৰে বুলি চাইলাচে ক'লে ; কিন্তু এই আচৰিত প্ৰশ্নত সি এক অজান ভয়ত কঁপি উঠিল।

চাইলাচক তেওঁ মাথোন পাপ লুকাই নাৰাখি দোষ স্বীকাৰ কৰি অনুতাপ কৰিবলৈহে উপদেশ দিলে। চাইলাচৰ ছুৰিখন হেনো মৃত যাজকজনৰ বিচনাৰ কাষৰ মেজখনত আছিল। সেই ঠাইতে ধৰ্ম্মমন্দিৰৰ ধন ৰখা এটা সৰু মোনা আছিল আৰু আগদিনা সেই ধনৰ মোনাটো পুৰোহিতে দেখিছিল বোলে ; কিন্তু কোনোবাই মোনাটো আঁতৰালে। গতিকে দোষী—ছুৰি-কটাৰিখনৰ মালিক নহৈ কোন হব ? কিছুপৰ চৰগ পৰা মানুহৰ দৰে চাইলাচ্ স্তম্ভিত হৈ ৰ'ল ; পাছত ক'লে, "ঈশ্বৰেই মোক এই দোষৰ পৰা মুক্ত কৰিব। ছুৰিখন তাত থকাৰ কথা নাইবা ধন নাইকিয়া হোৱা কথাৰ মই একোকে কব নোৱাৰোঁ। মোৰ মানুহটো আৰু মোৰ ঘৰ-দুৱাৰত বিচাৰি চাওক, মোৰ যোৱা ছমাহে সঁচা ছকুৰি পাঁচটকি ৰূপৰ বাহিৰে আৰু একোকে নাপায় আৰু মোৰ এই সাঁচনীয়া ধন থকাৰ কথা উইলিয়াম ডেনে জানে।" চাইলাচৰ কথাত উইলিয়ামে মাথোন কেকনি মৰাৰ দৰে

'ওঁহ্'কৈ উঠিল; কিন্তু পুৰোহিতজনে মাত লগালে, "মাৰ্ণাৰ ভাইটি, তেও বুলি তোমাৰ বিৰুদ্ধে যথেষ্ট প্ৰমাণ আছে। ধনখিনি যোৱা ৰাতি চুৰ হৈছে আৰু মৃত যাজকদেউৰ কাষত তোমাত বাজে আন কেও নাছিল। উইলিয়াম ডেনে মোৰ আগত ডাঠি কৈছে যে হঠাৎ অসুখ হোৱাত তেওঁ আগৰ দৰে পৰ দিবলৈ আহিব নোৱাৰিলে আৰু তুমি নিজেও কৈছা যে যোৱা ৰাতি উইলিয়াম অহা নাছিল। তোমাৰ আৰু এটা ডাঙৰ অপৰাধ যে তুমি মৃতদেহাটোৰ কোনো যত্ন লোৱা নাই।"

"তেন্তে মই টোপনি গৈছিলোঁ হবলা" বুলি চাইলাচে ক'লে। অলপ পৰ বৈ আকৌ ক'লে, "আপোনালোকে আগেয়ে দেখাৰ দৰে হয়তো মই মূৰ্চ্ছা গৈছিলোঁ আৰু মোৰ সেই সংজ্ঞাহীন অৱস্থাতেই চোৰে আহি ধন লৈ গ'ল। যি হওক, মই দুনাই কৈছোঁ, মোৰ মানুহটো আৰু ঘৰদুৱাৰত বিচাৰক, কাৰণ মই আৰু কলৈকো যোৱা নাই।"

চাইলাচৰ ঘৰত বিচাৰি চোৱা হ'ল। শেহত উইলিয়াম ডেনে চাইলাচৰ কোঠালিৰ বাকচৰ পিছফালে গোঁজা মাৰি থোৱা হেৰোৱা ধনৰ শুদা মোনাটো পালে। উইলিয়ামে চাইলাচক পাপ লুকাই নথৈ নিজ দোষ স্বীকাৰ কৰিবলৈ পাৰেমানে উপদেশ দিবলৈ ধৰিলে। উইলিয়ামৰ ফালে চকু ঘোপাকৈ চাই চাইলাচে ক'লে, "উইলিয়াম, যোৱা ন বছৰে আমি একেলগে উঠা-বহা কৰিছোঁ; কিন্তু কেতিয়াবা

মোক তুমি এষাৰ মিছা কথা কোৱা বুলি কব পাৰানে? যি হওক, ঈশ্বৰে মোক দোষৰ পৰা মুক্ত কৰিব।"

তেতিয়া উইলিয়ামে ক'লে, "ভাই, তুমি তোমাৰ অন্তৰৰ নিভৃত কোণত চয়তানক আসৈ দিবলৈ কি কুচিন্তা কৰিছিলা মই কেনেকৈ জানিম?"

চাইলাচে উত্তৰ দিলে, "অ' মোৰ এতিয়া মনত পৰিছে— ছুৰিখন মোৰ জেপত নাছিল।"

উইলিয়ামে ক'লে, "কি কৈছা মই যে একো বুজিব পৰা নাই।" ছুৰিখন তাৰ জেপত নথকা কথাটো ভাঙি কবলৈ উপস্থিত সকলোৱে চাইলাচক নানা ধৰণৰ প্ৰশ্ন কৰিবলৈ ধৰিলে; বহলাই একো নকৈ চাইলাচে মাথোন ক'লে, "মোৰ মাজ মূৰত সাপে খালে, ধৰণী ধৰিবৰ ঠাই নাই। মই একো কথা কব নোৱাৰোঁ। ঈশ্বৰে মোক দোষমুক্ত কৰিব।"

ধৰ্ম্মমন্দিৰৰ কোঠালিত সকলোৱে গোট খাই আলোচনা কৰিবলৈ ধৰিলে। লেণ্টাৰ্ণ ইয়াৰ্ডৰ ধৰ্ম্ম-সম্প্ৰদায়ৰ এটা নীতি আছিল যে সমাজৰ কলঙ্ক হ'লেও আদালতত গোচৰ দি তেওঁলোকে দোষীৰ দণ্ডবিধান নকৰায়; কিন্তু সমাজত প্ৰতিজন লোকে যেনে তেনে সত্য নিৰূপণ কৰিবই লাগিব। সেই কাৰণে এই ক্ষেত্ৰতো তেওঁলোকে উপাসনা কৰিবলৈ আৰু মণ্ডল চোৱাবলৈ স্থিৰ কৰিলে। নগৰ-বোৰৰ চুকে-কোণে থকা মানুহৰ অখ্যাত ধৰ্ম্ম-জীৱনৰ লগত চিনাকি

নথকা লোকৰ মনত এই নিয়মবোৰ আচৰিত যেন লাগিব পাৰে। চাইলাচে লগৰীয়াবিলাকৰে সৈতে আঠু কাঢ়ি উপাসনা কৰিবলৈ ধৰিলে; তাৰ মনত ভৰসা এয়ে যে ঈশ্বৰে তাৰ নির্দ্দোষিতাৰ প্রমাণ দেখুৱাই ততালিকে তাৰ দোষ স্খালন কৰিব; তাৰ মনত এয়ে ভাৱ হ'ল নির্দ্দোষী বুলি প্রমাণিত হ'লেও তাৰ কাৰণে সকলোৱে তুখ-বেজাৰ কৰি থাকিব; কিন্তু তাৰ ইমান দিনৰ মানুহৰ ওপৰত বিশ্বাস একেবাৰেই মৰিমুৰ হৈ গ'ল। তাৰ পাছত মণ্ডল চোৱালতো চাইলাচ্ মার্ণাৰ দোষী বুলি মণ্ডলে ক'লে। তেতিয়া তাক বিধিমতে ধর্ম্ম-সমাজৰ পৰা বাহিৰ কৰি দি চুৰ কৰা ধনখিনি ঘূৰাই দিবলৈ কোৱা হ'ল। অনুতপ্ত হৈ দোষ স্বীকাৰ কৰিলেহে আকৌ চাইলাচক সমাজত লোৱা হব বুলি ৰাইজে বিধান দিলে।

বিচাৰৰ অন্তত সকলো ঘৰাঘৰি যাবলৈ ওলালত, চাইলাচে উইলিয়ামৰ ওচৰলৈ গৈ উত্তেজনাত ঠোকাঠুকি মাতেৰে ক'লে—"মোৰ মনত পৰিছে—ছুৰি-কটাৰিখন জেপৰ পৰা উলিয়াই মই তোমাক এডাল জৰী কাটি দিছিলোঁ; তাৰ পাছত ছুৰিখন জেপত সুমুৱা কথা মোৰ মনত নপৰে। তুমিয়েই ধনখিনি চুৰ কৰিলা, আৰু মোক চোৰ পাতিবলৈ কৰা চক্রান্তও তোমাৰে। সেইবোৰ কৰিও ইয়াৰ পাছত হয়তো তোমাৰ দিনবোৰ ভালে-কুশলে যাব। সেই কাৰণে মই কওঁ—সাধুৰ পৰিত্রাণৰ হকে সংসাৰ চলোৱা ন্যায়-বিচাৰক

ঈশ্বৰ নাই। যদি ঈশ্বৰ আছে তেন্তে মিছাক প্ৰশ্ৰয় দিয়া সেই ঈশ্বৰে নিৰ্দ্দোষী নিৰপৰাধীক হে দণ্ড দিয়ে।"

এই ঈশ্বৰ-নিন্দাত সমাজ ভয়ত কঁপি উঠিল। উইলিয়ামে নিৰ্জ্জু মানুহৰ দৰে মাত লগালে, "এই মাতকথা চয়তানৰ হয় নে নহয়—তাক ৰাইজে বিচাৰ কৰক। চাইলাচ্, মই তোমাৰ হকে ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা জনোৱাৰ বাহিৰে আৰু কি কৰিব পাৰোঁ?"

অসহায় চাইলাচে ঈশ্বৰ আৰু মানুহৰ ওপৰত আস্থা হেৰুৱাই নিৰাশাত অন্তৰ ভাঙি বলিয়াৰ দৰে সেই ঠাইৰ পৰা ওলাই আহিল। ভগা অন্তৰৰ নিৰাশাত সি আপোনা-আপুনি কৈ উঠিল, "চাৰায়ো মোক ত্যাগ কৰিব।" সি ভাবি চালে যে তাৰ বিৰুদ্ধে দিয়া প্ৰমাণবোৰ চাৰাই বিশ্বাস নকৰিলে চাৰা অৱশ্যে তাৰ দৰেই উত্তেজিত হৈ পৰিব। ধৰ্ম্মবিষয়ক লৌকিক ক্ৰিয়াকাণ্ড আৰু আচাৰবোৰ যুক্তি-তৰ্কেৰে চালিজাৰি চোৱা মানুহৰ কাৰণে—লৌকিকতাই মনত চামনি বন্ধোৱা সবল ভাৱধাৰাবোৰ বুজি পোৱা টান। গতিকে আমি ভাবিব পাৰোঁ যে সেই অৱস্থাত পৰি মাৰ্ণাৰে হয়তো মণ্ডল চাই ঈশ্বৰৰ ন্যায়বিধান স্থিৰ কৰাৰ বিষয়ে সন্দেহ কৰিছিল; কিন্তু চিন্তাৰে এনেকৈ বিদ্ৰোহ কৰাৰ কথা তাৰ অন্তৰত জাগি উঠা নাছিল। মাৰ্ণাৰে তাৰ বিশ্বাস ব্যৰ্থ হোৱা দেখি অতি দুখত সম্ভৱতঃ বিদ্ৰোহৰ চেষ্টা কৰিছিল। কোনোৱা চিত্ৰগুপ্তই যদি মানুহৰ দুখ-বেজাৰ আৰু পাপবোৰ

লিখি থয়, তেন্তে ভুল বিশ্বাসৰ পৰা স্বাভাৱিকতে ওপজা দুখ-বেজাৰবোৰ কিমান সৰহ আৰু গভীৰ সেই কথা তেওঁৰ নজনা নহয়।

বিচাৰৰ পাছত মাৰ্ণাৰে ঘৰলৈ গৈ গভীৰ নিৰাশাত গোটেই দিনটো অকলে বহি থাকিল; চাৰাৰ ওচৰলৈ গৈ নিজৰ নিৰ্দ্দোষিতা প্ৰতিপন্ন কৰিবৰ তাৰ অকণো হেপাহ নহ'ল। তাৰ পাছদিনাও সেই মৰ্ম্মঘাতী অবিশ্বাসৰ পৰা ৰক্ষা পাবৰ কাৰণে তাঁতত বহি সি আগৰ দৰেই তাঁত বোৱাত লাগিল। কিছু সময়ৰ পাছতে পুৰোহিত বাপু আৰু এজন ধৰ্ম্মাচাৰ্য্যই তাৰ ওচৰত বাতৰি দিলেহি বোলে চাৰাই সিহঁতৰ বিয়াৰ বন্দবস্ত তাতে ওৰ পৰিল বুলি কৈ পঠিয়াইছে। এষাৰো মাত নমতাকৈ চাইলাচে সেই বাতৰিটো শুনিলে আৰু মুখ ঘূৰাই আকৌ তাঁত ববলৈ ধৰিলে।

সেই ঘটনাৰ প্ৰায় এমাহৰ পাছত চাৰাৰ লগত উইলিয়াম ডেনৰ বিয়া হৈ গ'ল। কিছু দিনৰ মূৰত লেণ্টাৰ্ণ ইয়াৰ্ডৰ মানুহবিলাকে গম পালে যে চাইলাচ্ তাৰ পৰা কৰবালৈ গুচি গৈছে।

( ২ )

## ধনগুলৈ

অভিজ্ঞতাই যিবিলাক মানুহৰ জীৱন-প্ৰৱাহক পৰিবৰ্ত্তন কৰে তেনে লোকে জীৱনৰ সৰ্ব্বসাধাৰণ মতবোৰক আঁকোৱালি থাকিবলৈ টান পায়। অদৃষ্টক বিশ্বাস কৰাও তেনে লোকৰ কাৰণে দুৰূহ কথা। যেতিয়া তেনে মানুহ নতুন ঠাইলৈ আহে, তেওঁৰ অতীত কাহিনী সেই নতুন ঠাইত কোণেও নাজানে আৰু তেওঁৰ ভাৱৰাশিৰ লগতো কাৰো চিনাকি নাই; আনকি তেতিয়া আই বসুমতীৰ কোলাখনিও তেওঁৰ মানত নতুন হৈ পৰে। সেই আচহুৱা ঠাইৰ ধৰণ-কৰণ তেওঁ তেওঁৰ পুৰণি জীৱন-ধাৰাতকৈ বেলেগ পায়। সেই অৱস্থাত তেনে লোকৰ কাৰণে পুৰণি জীৱনৰ সুখ-দুখবোৰক বাস্তৱ অভিজ্ঞতা বুলি ভাবিবলৈকো টান হয়; পুৰণি বিশ্বাস আৰু মৰমৰ পৰা সেই মানুহৰ মন স্থলকি পৰে। সেই কাৰণেই হয়তো তেওঁৰ অন্তৰে সেই অজ্ঞাতবাসৰ নিৰ্জ্জনতা বিচাৰি লয়, যি নিৰ্জ্জনতাৰ মাজত পুৰণি সোঁৱৰণিবোৰ মচি গৈ অতীতক স্বপ্নময় কৰি তোলে আৰু অপৰিচিত অভিজ্ঞতাবৰ্জ্জিত বৰ্ত্তমানো সপোনৰ দৰে অস্পষ্ট হৈ পৰে। আনকি এনেকুৱা অভিজ্ঞতা থকা লোকেও—দেশান্তৰী হৈ ৰেভ্‌লোত বাস কৰিবলৈ যোৱা সবল তাঁতী—চাইলাচ্ মাৰ্ণাৰৰ মনৰ কথা হয়তো বুজিব নোৱাৰিব।

আঁতৰত সৰু সৰু পৰ্ব্বতৰ শাৰী জিলিকি থকা— চাইলাচৰ জন্মভূমিৰ নিচিনা কোন ঠাই হব ? হাবিবনেৰে বেৰি থোৱা চাপৰ ৰেভ্‌লো গাওঁখন তাৰ সম্পূৰ্ণ বিপৰীত। ডাঠ গছ-গছনিৰে ঢাক খোৱা ৰেভ্‌লোত থাকি চাইলাচৰ এনে লাগিছিল যেন সি ঈশ্বৰৰ আগৰ পৰা লুকাই আছেহি। কাঁহ পৰি জীণ যোৱা নিজান বাতিপুৱা শুই উঠি সি যেতিয়া নিয়ৰেৰে চাটি থোৱা ঘাঁহ-বনবোৰ দেখে, তাৰ এনে লাগে যেন—পৰমেশ্বৰৰ করুণা অজস্ৰ ধাৰাই পৰি পুণ্য হোৱা লেণ্টাৰ্ণ ইয়াৰ্ডৰ জীৱন-ধাৰাতকৈ এই ঠাই বহুত বেলেগ। তেতিয়া লেণ্টাৰ্ণ ইয়াৰ্ডৰ পুৰণি স্মৃতিবোৰ এটা এটাকৈ চাইলাচৰ মনত জাগি উঠে—তাৰ ধৰ্ম্মমন্দিৰৰ বগা দেৱালবোৰ ; ঠেক বুলনিয়েদি অহা-যোৱা কৰা চিনাকী মানুহবিলাকৰ কাপোৰ-কানিৰ ঘঁহনি খাই উঠা সৰ্ সৰ্ শব্দ ; বুকৰ আমঠুত লাগি যোৱা কাৰোবাৰ আকুল প্ৰাৰ্থনা, কাৰোবাৰ হয়তো চিনাকী মাত ; ধৰ্ম্ম-মন্দিৰৰ ভেটীৰ ওপৰত হালি-জালি ধীৰে-সুস্থে শাস্ত্ৰপুথিখন হাতত লৈ যাজকদেউৰ পুণ্য ধৰ্ম্ম-কথা ; ধৰ্ম্মগীতৰ শাৰীবোৰৰ মাজে মাজে বোৱা সেই সময়খিনি আৰু গীত গাওঁতে উঠা মিলিত কণ্ঠস্বৰ......! এইবোৰেই এসময়ত মাৰ্ণাৰৰ অন্তৰ স্বৰ্গীয় জ্যোতিৰে উদ্ভাসিত কৰিছিল, এইবোৰেই তাৰ ঈশ্বৰ-পৰায়ণতা জগাই দিছিল, এইবোৰেই তাৰ মানত ধৰ্ম্ম আৰু পৃথিবীত স্বৰ্গৰাজ্য প্ৰতিষ্ঠা যেন আছিল। এটি শিশুৱে যিদৰে মাতৃ-স্নেহ

কল্পনা কৰিব নোৱাৰে আৰু মাতৃ-স্নেহ বুলিলে অকল তাৰ শান্তি-সুখৰ আশ্ৰয়স্থল মাকৰ মুখখনি আৰু কোলাখনিকেহে জানে—তেনেকৈ এটা অশিক্ষিত তাঁতীয়েও শাস্ত্ৰৰ দুৰ্ব্বোধ্য শব্দবোৰৰ পৰা নিৰাকাৰ ধৰ্ম্মৰ কথা একো নুবুজে।

লেণ্টাৰ্ণ ইয়াৰ্ডৰ জগৎখন সঁচাকৈয়ে ৰেভ্‌লোতকৈ বহুত বেলেগ। ৰেভ্‌লোত ডাল ভৰি অযতনত গুটিবে দোঁ খাই থকা গছবোৰৰ বাৰীবোৰ উকা যেন লাগে। আহল-বহল বাৰীখনেৰে ডাঙৰ ধৰ্ম্মমন্দিৰত প্ৰাৰ্থনাৰ সময়ত ৰেভ্‌লোৰ মানুহে দুৱাৰ-মুখত বহি ধৰ্ম্ম-কথা শুনে; তেজগোৰা চেহেৰাৰ খেতিয়কবিলাকে ঠেক বাটটোৰেদি অহা-যোৱা কৰি থাকে, নাইবা 'ৰাম-ধনু' নামৰ আলহী-ঘৰলৈ খোজ লয়; ৰেভ্‌লোত মানুহবিলাকে পেট পূৰাই খাই-পি গধূলি জুহালৰ পোহৰত শুই পৰে; তিৰোতাবিলাকে সূতা কাটি পৰ্ব্বতাকাৰ কৰি পেলায়। চাইলাচৰ সুপ্ত বিশ্বাস—বিশ্বাসৰ ভাৱত পৰিণত কৰি তুলিব পৰাকৈ ৰেভ্‌লোত তেনে কোনো ধৰ্ম্ম-জ্ঞানী মানুহ নাছিল। পৃথিবীৰ আদিম অৱস্থাত হেনো মানুহে বিশ্বাস কৰিছিল যে প্ৰতি অঞ্চলৰ কাৰণে বিশেষ বিশেষ দেৱ-দেৱতা আছে আৰু নিজৰ অঞ্চল এৰি গ'লে মানুহক তাৰ দেৱ-দেৱতাই ঢুকি নাপায়। সেই কালত হেনো প্ৰতি ঠাইৰ নৈ-নিজৰা, হাবি-বননি-পৰ্ব্বতে-পাৰণে একো একোজন দেৱতা আছিল। দুখী চাইলাচৰ মনৰ ভাৱো অসন্তুষ্ট দেৱতাৰ পৰা ভয়ত বা খঙত পলাই আঁতৰি যোৱা প্ৰায়

আদিম মানুহবিলাকৰ দৰে হৈছিল। পুৰণি লেণ্টাৰ্ণ ইয়াৰ্ডৰ বাট-পথ, উপাসনা-সভাবোৰত সি যি স্বৰ্গীয় শক্তিৰ অস্তিত্বক বিশ্বাস কৰিছিল, সেই শক্তি যেন তাৰ এই নতুন বসতিৰ পৰা বহু আঁতৰত! এই ৰেভ্‌লোত মানুহে প্ৰচুৰ ভোগৰ মাজতো ধাম্‌খুমীয়া জীৱন পাৰ কৰে; যি বিশ্বাস চাইলাচৰ মানত এতিয়া অতি তিতা হৈ উঠিছে, সেই বিশ্বাসৰ কথাও ইহঁতে নাজানে বা জানিবৰ অকণ হেপাহো নকৰে। তাৰ উমি-উমি জ্বলা বিশ্বাসৰ পোহৰো এনে ক্ষীণ হৈ পৰিছিল যে তাৰ ব্যৰ্থতাই চাইলাচৰ অন্তৰ—ৰাতিৰ ঘোপমৰা আন্ধাৰৰ দৰে নিশাৰ আন্ধাৰেৰে ঢাকি পেলাইছিল।

সেই মানসিক আঘাতৰ পাছত ৰেভ্‌লোলৈ আহি চাইলাচ তাঁত বোৱাত লাগিল। সি একেৰাহে তাঁত বৈ যাবলৈ ধৰিলে; কিন্তু শ্ৰীমতী অচ্‌গুডৰ মেজৰ কাপোৰখন নিৰ্দ্দিষ্ট সময়ৰ আগতে বৈ পেলাবলৈ সি নো কি কাৰণে ইমান ৰাতিলৈকে কাম কৰিছিল সি কবই নোৱাৰে আৰু শ্ৰীমতী অচ্‌গুডে তাৰ বানচৰ বাবে যি ধন দিব তাৰ কথাও সি আগতে ভৱা নাছিল। প্ৰতি মানুহে ধৈৰ্য্যেৰে সাধনা কৰিলে সেই সাধনা সিদ্ধিত ৰূপান্তৰিত হৈ জীৱনৰ প্ৰীতি-হীন শূন্যতাক পৰিপূৰ্ণ কৰি তোলে। একেৰাহে মাকোটি চলাই, বৈ যাওঁতে কাপোৰখনত হৈ পৰা সক চাকবোৰ দেখি সিও সন্তোষ পাইছিল। তদুপৰি ভোক-পিয়াহ নিবাৰণৰ প্ৰয়োজন তো আছেই। সেই অকলশৰীয়া জীৱনত নিজ

হাতে বন্ধা-বঢ়া কৰি, নাদৰ পৰা পানী আনি, ভাত-পানী সিজাই আৰু তাঁত বৈ বৈ চাইলাচ জাল গোঁঠা মকৰাৰ দৰে হৈ পৰিছিল। অতীতৰ চিন্তাক সি ঘিণ কৰিবলৈ ধৰিলে; ৰেভ্লোৰ আচহুৱা মানুহবিলাকৰ কোনো তাৰ মৰমৰ পাত্ৰ বা লগৰীয়া হোৱা নাছিল। এক অদৃশ্য স্নেহৰ পৰশ পোৱা নাছিল বাবে তাৰ ভৱিষ্যৎ—তাৰ কাৰণে একেবাৰে আন্ধাৰ হৈ পৰিল। এটা কিংকৰ্ত্তব্যবিমূঢ় ভাৱে তাৰ চিন্তাৰ গতি-ৰোধ কৰি পেলালে; চিন্তাৰ সেই পুৰণি স্মৃতিটিও এতিয়া শুকাই গ'ল; আৰু তাৰ মৰ্ম্মস্থলীৰ সেই দাৰুণ আঘাতত অন্তৰৰ স্নেহো মৃতপ্ৰায় হ'ল।

শ্ৰীমতী অচ্গুডৰ মেজৰ কাপোৰখন বোৱা হ'ল। কাপোৰখনৰ বেচ—চাইলাচে সোণৰ মোহৰ পালে। আগতে লেণ্টাৰ্ণ ইয়াৰ্ডত চাইলাচে মহাজনৰ হৈ কাপোৰ বৈ কম বানচ পাইছিল; সপ্তাহৰ মূৰত সি যি বানচ পাইছিল তাৰ সৰহ ভাগ দান-ধৰ্ম্ম কৰোঁতেই খৰচ হৈছিল। জীৱনত এইবাৰ পোনপ্ৰথম সি হাতে হাতে পাঁচোটা সোণৰ মোহৰ পালে আৰু এতিয়া তাৰ ভাগো সি কাকো দিব নালাগে, কাৰণ তাৰ মৰমৰ পাত্ৰ কোনো নাই। যি লোকে তাঁত বৈ বৈ লেখজোখ নোহোৱা দিনবোৰ কটায় আৰু যি লোকৰ তাঁত বোৱাৰ বাহিৰে কোনো আশা-আকাঙ্ক্ষা নাই, সেই চাইলাচে সেই সোণৰ মোহৰ কেইটাৰে কি কৰিব? চাইলাচৰ মনত সেই প্ৰশ্নৰ কোনো আৱশ্যক নাই, কাৰণ তাৰ নিজৰ ধন—

সোণৰ মোহৰ কেইটা হাতত লৈ তাৰ চিক্‌মিকীয়া ৰৰণলৈ চাই সি আনন্দ পাইছিল। তাঁত-বোৱা, খোৱা-বোৱা আদিৰ দৰে ধনৰ এই আনন্দ তাৰ জীৱনৰ এক মূল অঙ্গ আৰু ইয়াকে লৈ বিশ্বাস আৰু স্নেহৰ পৰা বঞ্চিত তাৰ বৰ্ত্তমান জীৱনটো। আগেয়েও সি তাৰ উপাৰ্জ্জনৰ ধন হাতেৰে ছুইছিল। একুৰি বছৰ ধৰি এই আচৰিত ধন তাৰ মানত সাংসাৰিক সুখৰ চিন আৰু পৰিশ্ৰমৰ পুৰস্কাৰ হৈ আহিছে। আগেয়ে তাৰ উপাৰ্জ্জনৰ ধনৰ প্ৰতিটি পইচাৰ আৱশ্যক আছিল আৰু তেতিয়া ধনৰ সেই প্ৰয়োজনক সি ভাল পাইছিল। কিন্তু এতিয়া তাৰ কাৰণে সেই প্ৰয়োজনৰ অন্ত পৰিছে; হেপাহেৰে ধন চাই, হাতেৰে ছুই সি এতিয়া তৃপ্তি পায়। সেইদিনা মুনিচুনি বেলিকা ধনখিনি লৈ পথাৰৰ মাজেদি ঘৰমুৱা হৱৰ সময়ত ধনখিনি দেখি চাইলাচৰ এনে লাগিছিল যেন সাঁজৰ আন্ধাৰত মোহৰ কেইটাৰ উজ্জ্বলতা দুগুণে বাঢ়ি উঠিছে।

এই সময়ত এটা ঘটনাই চাইলাচৰ ওচৰ-চুবুৰীয়াৰ লগত ঘনিষ্ঠতাৰ বাট মুকলি কৰি দিলে। এদিন জোতাযোৰ মেৰামতি কৰাবলৈ নিওঁতে—বুকৰ ধৰ্‌ফৰণি আৰু শোথ-বেমাৰত ভোগা মুচিয়াৰৰ ঘৈণীয়েকক জুহালৰ কাষত বহি থকা দেখি চাইলাচৰ মনত পৰিল যে এই একে বেমাৰতে তাৰ মাকো মৰিছিল। চেলি ওঁচ্ বোলা মুচিয়াৰণীজনীৰ এই অসুখ দেখি চাইলাচৰ পুতৌ জন্মিল; তাৰ মনত পৰিল

—মাকে বন-দৰব খাই সেই একে বেমাৰত অলপ সকাহ পাইছিল। গতিকে ডাক্তৰি দৰবে গুণ নধৰাত চেলি ওটৃচক বন-দৰব কেইপালিমান দিবলৈ সি গাত ললে। এই দয়াৰ কামত—বেভ্‌লো গাৱঁলৈ অহাৰ পাছত এইবাৰ পোন প্ৰথম—তাৰ অতীত আৰু বৰ্ত্তমান জীৱনৰ মাজত এটি সম্পৰ্ক ঘটি উঠা চাইলাচে অনুভৱ কৰিলে। তাৰ পোক-পৰুৱাৰ দৰে এই অভ্যস্ত নিমাখিত জীৱন-প্ৰণালীৰ পৰা হয়তো সি নিজকে মুক্ত কৰিবলৈ আৰম্ভ কৰিব পাৰিলে-হেতেন। অসুখটোৰ কাৰণে চেলি ওটৃচ্‌ ওচৰ-চুবুৰীয়াৰ বিশেষকৈ চকুত পৰিছিল আৰু চাইলাচৰ দৰৱ কেপালি খাই তাই অলপ ভাল পোৱা কথাটো মানুহে মুখে মুখে কৰলৈ ধৰিলে। ডাক্তৰে দিয়া ঔষধত গুণ পোৱা স্বাভাৱিক কথা; কিন্তু অজ্ঞাত-কুলশীল তাঁতী এটাই দিয়া বঙা দৰবে আচৰিত গুণ ধৰা কথাটো দেখাতে যাদুৰ কাম।

ওচৰৰ গাঁৱৰ জৰা-ফুকা আৰু দৰবজনা বেজিনী গৱাকী মৰাৰ পাছৰপৰা তেনে ধৰণৰ আচৰিত দৰবৰ কথা কোনেও নাজানিছিল। বেজিনী থাকোঁতে ল'ৰা-ছোৱালীৰ বেমাৰ-আজাৰত সকলোৱে তাইৰ ওচৰলৈ গৈছিল। তেন্তে চাইলাচ্‌ নিশ্চয় ডাঙৰ বেজেই হব; নহলেনো গা-ত বিশেষ মন্ত্ৰ নাথাকিলে চেলি ওটৃচৰ 'বাজ হওঁ-হওঁ' যোৱা ধাতুটো সি কেনেকৈ ঘূৰাই আনিলে? আগেয়ে বেজিনীবায়ে মুখৰ ভিতৰতে কোনেও নুশুনাকৈ মন্ত্ৰ মাতিছিল আৰু এডোখৰ

ৰঙা ফটাকানি ভৰিৰ আঙুলিত বান্ধি তাই মূৰৰ কফ্-দোষ হেনো ভাল কৰিব পাৰিছিল। সেই বেজিনীবায়ে দিয়া ফটাকানিৰ টোপোলা ডিঙিত এতিয়াও বান্ধি থোৱাৰ কাৰণে বোলে বেভ্লো গাওঁৰ কোনো কোনো তিৰোতাৰ অকৰা ল'ৰা-ছোৱালী জন্ম হোৱা নাই। মানুহৰ বিশ্বাসত, চাইলাচে মন কৰিলে তেনেকুৱা আৰু তাতোকৈ আচৰিত গুণ দেখুৱাব পাৰে। অজান ঠাইৰ পৰা অহা চাইলাচ্ মাৰ্ণাৰৰ এই 'বহইচ'ৰ কথাৰ সম্ভেদ সিহঁতে এতিয়াহে ভালকৈ বুজিলে। কিন্তু চেলি ওট্‌চে যেন ডাক্তৰক এই বন-দৰবৰ আচৰিত গুণৰ কথা নকয়; নহলে মাৰ্ণাৰৰ ওপৰত ডাক্তৰ অগ্নিশৰ্ম্মা হৈ উঠিব। আগেয়ে বেজিনীবাইৰ নামতো ডাক্তৰে জুইত খেৰ নিদিছিল; কোনোবাই বেজিনীৰ ওচৰলৈ গ'লেও ডাক্তৰে ভবিষ্যতে দৰব বিচাৰি তেওঁৰ ওচৰলৈ নাহিবলৈ খাতাংকৈ কৈ দিছিল।

সেই ঘটনাৰ পাছত—লেংকাহ বা পিয়াহ ওলোৱা দৰব বিচাৰি অহা মাইকী মানুহ, আৰু গাঁঠি-বিষ আদিৰ দৰব বিচাৰি অহা মতাৰে চাইলাচৰ ঘৰ ভৰি পৰিল। জানোচা চাইলাচে দৰব নিদিয়ে, সেই কাৰণে সকলোৱে হাতত দক্ষিণাও লৈ আহিছিল। মন কৰা হ'লে চাইলাচে সেই কেইটা দৰবেৰেই ভাল কাৰবাৰ কৰিব পাৰিলেহেতেন; কিন্তু নবিয়া ভাল কৰি ধন লোৱাৰ হেপাহ তাৰ নাছিল। চাইলাচৰ মিছা-প্ৰবঞ্চনা নাছিল কাৰণে সি খঙেৰে মানুহ-

বিলাকক খেদাই পঠিয়ালে। আন কি হেনো দূৰৰ গাৱঁৰ পৰা বহুত দিনলৈকে দৰব বিচাৰি অহা মানুহে গালি পাৰিছিল। শেহান্তৰত মানুহবিলাকৰ মনৰ আশা-ভৰসা গুচি ভয়হে হ'লগৈ। চাইলাচে জৰা-ফুকা বা দৰব নাজানে বুলি ন-দি কলেও কোনেও বিশ্বাস যে নকৰিছিলেই, আনকি চাইলাচৰ ওচৰৰ পৰা ঘূৰি অহা মানুহৰ কাৰোবাৰ অসুখ-বিসুখ হ'লে বা বেমাৰে উক্ দিলে মানুহে ভাবিছিল যে মাৰ্ণাৰৰ কোপদৃষ্টিতহে তেনে হৈছে। পাছত এনে হ'লগৈ যে চেলি ওট্‌চক কৰা উপকাৰৰ ফলত ওপজা ক্ষন্তেকীয়া পৰোপকাৰৰ ভাব গুচি ওচৰ-চুবুৰীয়াৰ লগত চাইলাচৰ অহি-নকুল সম্বন্ধ জন্মিল আৰু সেই কাৰণে তাৰ অকলশৰীয়া জীৱনটো একেবাৰে অকলশৰীয়া হৈ পৰিল।

লাহে লাহে মোহৰ, পাউণ্ড, ছিলিং গোট খাই এদ'ম হৈ পৰিল। মাৰ্ণাৰে দিনৌ ষোল ঘণ্টা খাটিবৰ কাৰণে যিমান কম খৰচত পাৰে উপযুক্ত খোৱা বস্তু আদিৰে নিজকে টনকিয়াল কৰি ৰাখিবলৈ সাঁচনীয়া ধনৰ পৰা ক্ৰমাৎ কমাই খৰচ কৰিবলৈ ধৰিলে। নিজান ফাটেকত পৰা বন্দীয়ে তাৰ অকলশৰীয়া জীৱনৰ প্ৰতিটো মুহূৰ্ত্ত দেৱালত একোটা আঁচমাৰি চিন দি যাওঁতে যাওঁতে শেহত সেই আঁচবোৰে একোটা আকৃতি লৈ একোটা বিৰাট উদ্দেশ্যত পৰিণত হয়গৈ; আমি কেতিয়াবা বিনা কামে থাকোঁতে বা ভাগৰ জুৰাওঁতে একেবাৰে এনেকুৱা কিছুমান সৰু সৰু কাম কৰোঁ

বা মাত মাতোঁ যে সি শেষত অভ্যাস হৈ পৰি তাৰ প্ৰয়োজন বঢ়াই তোলে। ইয়াৰ পৰা বুজিব পাৰি যে পোনতে ধন সাঁচোঁতে কোনো উদ্দেশ্য নাথাকিলেও অন্তত ধন সাঁচি থোৱা হেপাহটো মানুহৰ হাড়ে-হিমজুৰে সোমাই কামনা হৈ পৰে। তেনেকৈ পোনতে মাৰ্ণাৰে দহ পাউণ্ড গোটাই এটা থুপ কৰিলে; পাছত লাহে লাহে সি একোটা ডাঙৰ থুপ হ'লগৈ; তাৰ লগত একোটাকৈ মোহৰ হেপাহত সাঁচোঁতে সাঁচোঁতে শেহত তাৰ মনত ধন সাঁচিবলৈ এক নতুন ধাউতি জন্মিল। যি সংসাৰ তাৰ মনত এটা ভাঙিব নোৱাৰা সাঁথৰ যেন হৈ পৰিছে, সেই সংসাৰত থাকি কোমল প্ৰকৃতিৰ হোৱা হ'লে সি তাঁত বৈ, কাপোৰৰ ফুল-জালিলৈ চাই চাই সংসাৰৰ জীয়াতুৰ কথা—আনকি সকলোকে পাহৰিব পাৰিলেহেতেন; তাৰ মনত আহি গৈ থকা ভাববোৰ সি কেনেকৈ পাহৰিব? একোটা সময়ৰ মূৰে মূৰে তাৰ হাতলৈ ধন অহাত সেই ধন তাৰ জীৱনবোৰৰ একোটা অধ্যায় হৈ পৰিছিল। যি ধন তাৰ হাতত পৰিছিল, সি যে অকল পোৱালী মেলি বাঢ়ি উঠিছিল এনে নহয়—সেই লখিমী অচলা হৈ তাৰ হাতত খিলাপি হৈ পৰিছিল।

তাৰ এনে লাগিল যেন তাৰ তাঁতখনৰ দৰে—তাৰ ধনখিনিও তাৰ চিনাকী! সেই চিনাকী ধনগালৰ সলনি অচিনাকী আন এগাল ধন সি ভঙাই নলয়। হাতেৰে ছুই সি ধনখিনি লেখি পেলাইছিল আৰু লেখোঁতে লেখোঁতে

মোহৰবোৰৰ বৰণবোৰ তাৰ সাধনাৰ সিদ্ধিৰ দৰে হৈ পৰিছিল! ৰাতি কামৰ অন্তত সি মোহৰবোৰ আগত লৈ সিহঁতৰ সঙ্গসুখ অনুভৱ কৰে। তাৰ তাঁতখনৰ তলত কেচটামান ইটা তুলি এটা গাঁত খানি সি লো-ৰ চক এটাত মোহৰ, পাউণ্ড, ছিলিং, পেনি খিনি ভৰাই পুতি-তাৰ ওপৰত বালি দি ইটা কেডোখৰ জোৰাই গাঁতটো ঢাকি থৈছিল। তাৰ মনত চোৰ বা ডকাইতৰ ভয় নাছিল; কাৰণ সেইদিনত গাৱঁলীয়া মানুহে সাধাৰণতে ধন সাঁচিছিল। বেভ্‌লো অঞ্চলৰ বুঢ়া চহালোকে ঢাৰিপাটীৰ তলত ধন থোৱা বুলি জনা যায়; পুৰণিকলীয়া লোকৰ দৰে সাধু নহলেও ওচৰ-চুবুৰীয়া হালোৱা শ্ৰেণীৰ মানুহবিলাকৰ মগজুত নানা কৌশলেৰে চুৰ কৰা কথা কেতিয়াও নেখেলাইছিল। গাৱঁৰ ভিতৰত থাকি চুৰ কৰা ধন খৰচ কৰোঁতে ধৰা পৰাৰ সম্ভাৱনাই যথেষ্ট আৰু চুৰ কৰা ধন লৈ দেশান্তৰী হোৱা কথা সেই গাৱঁলীয়া মানুহবিলাকৰ মনত আলাসত চাং পতাৰ দৰে বিপদ্‌জনক আৰু সন্দেহপূৰ্ণ।

বছৰবোৰ এটা এটাকৈ পাৰ হৈ যোৱাৰ লগে লগে চাইলাচ্‌ মাৰ্ণাৰৰ অকলশৰীয়া জীৱনটো বাগৰি যাবলৈ ধৰিলে; লগে লগে তাৰ চকৰ মোহৰবোৰো বাঢ়ি বাঢ়ি উপচি পৰিল আৰু তাৰ জীৱনটো ক্ৰমাৎ ঠেক আৰু কঠোৰ হৈ গৈ ধনৰ হেপাহ আৰু ধনসঞ্চয়ৰ সুখতেই আবদ্ধ হৈ ৰ'ল; সেই কামনা আৰু আনন্দৰ লগত আন কাৰো সম্পৰ্ক নাথাকিল। তাৰ জীৱনত বললৈ মাথোন দুটা কাম—তাঁত

বোৱা আৰু ধন সঁচা ; কিন্তু তাৰ কি উদ্দেশ্য—সেই কথা চাইলাচে ভবা নাছিল। আন জ্ঞানী লোকে বিশ্বাস-ঘাতকতাত পৰি বা মৰম-চেনেহৰ পৰা বঞ্চিত হৈ—চাইলাচৰ দৰে তাঁত বোৱা আৰু ধন সঁচা কাম নকৰি—জ্ঞান-চৰ্চ্চাত, সাধনাত নাইবা তত্ত্ব-অন্বেষণত কটোৱা কথা শুনা যায়। সেই অদ্ভুত সাধনাত লিপ্ত থাকি চাইলাচৰ চেহেৰা আৰু গা-টো এনেকৈ ভাঙি পৰিছিল যে তাক দেখিলে ধেনুভিৰীয়া কোনো বস্তুলৈহে মনত পৰা হ'ল। এসময়ৰ—তাৰ অমৰা-গুটীয়া যি চকুযোৰ বিশ্বাস আৰু চিন্তাৰে গধুৰ আছিল, সেই চকুযোৰৰ চাৱনি এতিয়া এনে তীব্ৰ হৈ পৰিল যে সৰু সৰু বস্তুবোৰ জুমি জুমি বিচাৰি উলিয়াবৰ কাৰণেহে যেন তাৰ চকুযোৰ দিয়া হৈছে। তুকুৰি বছৰৰ দুৱাৰদলি পাৰ নহওঁতেই সি এনে নিস্তেজ আৰু বুঢ়া হৈ পৰিল যে গাৱঁৰ ল'ৰা-ছোৱালীবিলাকে তাক 'মাৰ্ণাৰ বুঢ়া' বুলি মতা হ'ল।

জঁয় পৰি যোৱা এই সময়তেই এটা ঘটনা ঘটি দেখুৱাই দিলে যে চাইলাচৰ হেপাহ-মৰমৰ সুঁতিটো একেবাৰে শুকাই যোৱা নাই। এদিন আঁতৰত থকা এটা নাদৰ পৰা আনদিনৰ দৰে পানী লৈ আহোঁতে খট্‌খটিত উজুটি খাই পৰিলত—তাৰ বৰ্ত্তমান জীৱন-ধাৰণৰ অন্যতম প্ৰধান সঁজুলি মাটি-কলহটো শিলত ঠেকেচা খাই তিনিডোখৰ হৈ ভাগিল। মাটি-কলহটো তাৰ কুৰি বছৰৰ সংগীয়া ; কলহটোৰ কাণত



"……মি আলবত মতলীবা দেহ পাব !"

ধৰি নাদৰ সেই একেডোখৰ ঠাইতে পুৰা আগেয়ে সদায় পানী ভৰায়; হাতত কলহৰ কাণটো লাগি নিৰ্ম্মল চেচা পানীৰ পৰশে তাৰ মনত অপূৰ্ব্ব সন্তোষৰ সঞ্চাৰ কৰিছিল। মৰমৰ কলহটো ভঙাত চাইলাচে ভগা অংশকেইটা তুলি লৈ গধুৰ মনেৰে ঘৰলৈ উভটিল। ভগা মাটি-কলহটো আৰু কামত নালাগিলেও সি ভগা অংশ তিনিটা যোৰা লগাই কলহটো স্মৃতিচিনস্বৰূপে আগেয়ে থোৱা ঠাইত সজাই থৈ দিলে।

ৰেভ্‌লোৱৈ অহাৰ পোন্ধৰ বছৰলৈকে চাইলাচ্ মাৰ্ণাৰৰ এয়ে কাহিনী। ওৰেও দিনটো সি তাঁতত বহি লানি নিছিগা মাকোৰ খটাখট্ শব্দ শুনি, মুগাবৰণীয়া কাপোৰৰ দীঘ-বাণিবোৰনলৈ চকু দি, উশাহ-নিশাহ লোৱাৰ দৰে যন্ত্ৰৰ নিচিনাকৈ হাত-ভৰি চলাই থাকে; সাঁজ লগাৰ লগে লগে দুৱাৰ খিৰিকি জপাই ধনখিনি উলিয়াই লৈ সি আনন্দত মতলীয়া হৈ পৰে। লো-ৰ চকটোত মোহৰবোৰ উপচি পৰাত সি ছালৰ দুটা ডাঠ মোনা সাজি তাত ধন ভৰাই গাঁতটোৰ এটা চুকত গুঁজি থৈ দিছিল। কাপোৰ বোৱাৰ বানচ সি ঘাইকৈ সোণৰ মোহৰ পাইছিল। সোণৰ মোহৰবোৰ মোনাত ভৰাই, ৰূপৰ টকা, আধলিবোৰ তাৰ লাগতিয়াল বস্তু কিনাত খৰচ কৰিছিল কাৰণে তাৰ সাঁচনীয়া ধনৰ ভিতৰত সোণৰ মোহৰতকৈ ৰূপৰ টকা, আধলি কম আছিল। মোনাৰ মুখ খুলি মোহৰবোৰ ঢালি দিওঁতে

চল্‌চল্‌কৈ পৰি তিৰ্‌বিৰাই উঠা দৃশ্যটোৱে চাইলাচৰ চকু-মন জুৰাই পেলাইছিল।

সোণৰ মোহৰ ভাল পালেও চাইলাচে তাৰ দুখৰ ধন টকা, আধলিবোৰ সলোৱা নাছিল। সোণৰ মোহৰৰ লগতে সি ৰূপৰ টকা-আধলিবোৰো সমানে ভাল পাইছিল। মেজৰ ওপৰত সি মোহৰ, টকা, আধলিবোৰ ঢালি দি ধনৰ দ'মটোৰ পৰা আঁজলিয়ে আঁজলিয়ে ধন লৈ চায়; তাৰ পাছত লেখি লেখি মোহৰ, টকা, আধলিৰ বেলেগ বেলেগ 'থাক্' কৰি আঙুলিৰ আগবোৰ মোহৰ-টকাৰ ঘূৰণীয়া বেৰবোৰৰ চাৰিওফালে চলাই দিয়ে। তাৰ তাঁতখনৰ উপাৰ্জ্জন সোণৰ মোহৰবোৰলৈ চাই চাই মাকে গৰ্ভত থকা সন্তানৰ কথা ভবাৰ দৰে সি চিন্তাত মগ্ন হৈ যায়। তাৰ ভবিষ্যতৰ লেখ-জোখ নাইকিয়া উদ্দেশ্যবিহীন দিনবোৰৰ মাজেদি গোটেই জীৱন যিবোৰ সোণৰ মোহৰ আৰ্জ্জিব তাৰ কথা সি ভাবি বিভোৰ হয়। পথাৰৰ মাজেদি বা বাটেদি সূতা আনিবলৈ যাওঁতে নাইবা কাপোৰ বৈ গিৰিহঁতক দিবলৈ যাওঁতে চাইলাচৰ মন সদায় তাৰ তাঁত আৰু তাৰ ধনত এনেকৈ লাগি থাকে যে সি আগৰ অভ্যাসমতে কেতিয়াও দৰবৰ শাক-বন বিচাৰিবলৈ নাযায়। বৈ-অহা জুৰিটোৱে ঘাঁহ-ৱনেৰে চাটি থোৱা পুৰণি বাট এৰি শুকান বালিৰ মাজেদি সোঁৰ কাটি ৰূপালী সূতাডালিৰ দৰে বৈ যোৱাৰ নিচিনাকৈ চাইলাচেও অতীতৰ জীৱনৰ

পৰা আঁতৰি আহি ধনৰ নতুন বাগীত নিজৰ মন-প্ৰাণ বোৱাই দিলে।

কিন্তু পোন্ধৰ বছৰ পূৰ হওঁতেই বৰদিনৰ সময়ত মাৰ্ণাৰৰ জীৱনত দ্বিতীয় ডাঙৰ পৰিবৰ্ত্তন ঘটিল আৰু এই পৰিবৰ্ত্তনৰ ফলত তাৰ নিঃসঙ্গ জীৱন-কাহিনী ওচৰ-চুবুৰীয়াৰ জীৱনৰ লগত অদ্ভুত ধৰণে কেনেকৈ আকৌ মিলি গ'ল তাক পিছৰ আন এটা অধ্যায়ত কোৱা হৈছে।

( ৩ )

## কেচ্ পৰিয়াল

ৰেভ্‌লো গাৱঁৰ ধনী-মানী লোকসকলৰ ভিতৰত এটাইতকৈ ডাঙৰ আছিল শ্ৰীযুত কেচ্‌ ডাঙৰীয়া। ধৰ্ম্ম-মন্দিৰৰ সমুখত থকা আহল-বহল 'ৰংঘৰ' বোলা ৰঙা শিলৰ ঘৰটোত তেওঁ থাকে। ঘৰটোৰ মুখত শাৰী পতা ধুনীয়া খট্‌খটিবোৰ; ঘৰটোৰ পাছফালে ওখ ঘোৰা-শালবোৰ। গাৱঁৰ কেবাজন চহকী মানুহৰ ভিতৰত এজন হ'লেও অকল তেওঁকহে মানুহে 'ডাঙৰীয়া' বুলি মান দেখুৱাইছিল। শ্ৰীযুত অচ্‌গুডৰ পৰিয়ালটো অতি পুৰণিকলীয়া হ'লেও ৰেভ্‌লোৰ মানুহবিলাকে সেই পুৰণি দিনৰ কথা মনলৈ নানিছিল আৰু কেচ্‌ ডাঙৰীয়াই তেওঁৰ খাট-পামৰ মালিক হৈ নিৰ্ব্বিবাদে দিন কটাইছিল। যি দুই এটা ৰায়ত তেওঁৰ আছিল, সিহঁতে ৰজা-ঘৰত গোচৰ দিয়াৰ দৰে নানা গোচৰ তেওঁৰ ওচৰলৈ আনিছিল।

যুদ্ধ-বিগ্ৰহৰ সেই সোণালী দিনবোৰ জমিদাৰবিলাকৰ কাৰণে যেন ঈশ্বৰৰ অনুগ্ৰহ হৈ হে আহিছিল! ডা-ডাঙৰীয়াৰ ধুঁৱাখুলীয়া স্বভাৱ আৰু চেগা-চোৰোকা খেতি-বাতিৰ কাৰণে সৰু-সুৰা জমিদাৰ আৰু খেতিয়ক শ্ৰেণীৰ ধ্বংসৰ বাটক তেতিয়াও বস্তু-বাহানিৰ দাম-দৰ কমি গৈ সুগম কৰি তোলা

নাছিল। নানা ঘটনাচক্ৰই, বেলেগ অৱস্থাৰ ঘাত-প্ৰতিঘাতে সাধাৰণ জীৱন-প্ৰণালীৰ পৰিসৰ বঢ়াই তোলাৰ দৰে সেই সময়ৰ পুৰণিকলীয়া গাৱঁলীয়া জীৱনতো নানা ধৰণৰ ৰূপ দেখা গৈছিল। জোপোহা গছ-গছনিয়ে চাটি থকা, গাড়ীৰ চকাই খানি পেলোৱা বাট-পথেৰে চাপৰ বেভ্‌লো গাওঁখন তেতিয়াও কল-কাৰখানাৰ ধুমধাম আৰু ধৰ্ম্মৰ কঠোৰতাৰ পৰা আঁতৰি আছিল। তাৰ ধনীলোকে ইচ্ছামতে মদ-ভাত খাই, ধনীলোকৰ বেমাৰ বাত-বিষ-বায়ু-বিকাৰত ভুগি জীৱন কটাইছিল আৰু দুখীয়া তৰপৰ লোকেও ওভতগোৰে নাচি জীৱন কটোৱাটো ধনীলোকৰ জন্মস্বত্ব বুলি বিনা ওজৰে মানি লৈছিল। তাত বাজেও ধনী মানুহৰ ভোজ-ভাতত পোৱা অসংখ্য নিমন্ত্ৰণবোৰ দুখীয়া মানুহৰ কাৰণে অস্থায়ী সম্পত্তিৰ দৰে হৈ পৰিছিল।

সেই গাৱঁৰে বেটী জে নামৰ তিৰোতা-গৰাকীয়ে কেচ্ ডাঙৰীয়াৰ ঘৰত মঙহৰ আঞ্জা বন্ধাৰ গোন্ধ পালে; কিন্তু আঞ্জাৰ গোন্ধতকৈ মঙহ সিজোৱা, জুতি লগা ফটিকাৰ ফুৰ্‌ফুৰীয়া গোন্ধত তেওঁৰ খোৱাৰ হেপাহ বাঢ়ি উঠিল। যেতিয়া ফৰ্‌কাল বতৰত আমোদ-প্ৰমোদ আৰম্ভ হয়, তেতিয়াৰ সময়খিনিক দুখীয়াবিলাকে ভোগৰ কাল বুলি ভাবে। বেভ্‌লোত জাৰকালি হোৱা উৎসৱবোৰত প্ৰচুৰ মঙহ আৰু পিপাই পিপাই ফটিকাৰ আমদানি হয় আৰু খোৱা-পিয়া বহুত সময়লৈ চলি থাকে। যেতিয়া তিৰোতা-

বিলাকে কাপোৰ-কানি অয়-অলঙ্কাৰ সক একোটা বাকচত ভৰাই বাৰিষা বা খৰালি বাকচটো লৈ ঘোৰাত নৈ পাৰ হবলৈ ধৰে, তেতিয়া বুজিব নালাগিব যে তেওঁবিলাকে দুদিনৰ বাবে আমোদ কৰিবলৈ পলাইছে। এই কাৰণেই গোমাল বতৰত দিন দীঘল হ'লে আৰু হাতত কাম-কাজ নাথাকিলে ওচৰ-চুবুৰীয়াবিলাকৰ একো ঘৰত পাল পাতি আলহী শুধিবলৈ দিহা কৰোৱা হয়। কেচ্ ডাণ্ডৰীয়াৰ ঘৰত ভোজৰ খোৱা-বস্তুবোৰ ঢুকোৱাৰ লগে লগে একো কাম নথকাত আলহীবিলাকে গাৱঁৰ ওখ ভাগত থকা শ্ৰীযুত অচ্ গুডৰ ঘৰলৈ খোজ লয়; তাত তেওঁলোকে জুইৰ পৰা নমোৱা মণ্ডহৰ নানাৰকমৰ সুখাদ্য, মাখন আদি জুতি লবলগীয়া বস্তু সাজু কৰি খোৱা পায়গৈ। কেচ্ ডাণ্ডৰীয়াৰ ঘৰৰ দৰে খোৱাবস্তুৰ তাত ওৱাদানি নহলেও বস্তুখিনিক সম্ভৱতঃ সুন্দৰকৈ বন্ধা নুবুলি নোৱাৰি।

কেচ্ ডাণ্ডৰীয়াৰ ঘৈণীয়েক ঢুকোৱা বহুদিন হ'ল; গতিকে তেওঁৰ বৰঘৰ-বান্ধনিঘৰৰ অলঙ্কাৰস্বৰূপা মাক বা ঘৈণীয়েকৰ অবিহনে তেওঁৰ সেই বঙা শিলৰ অট্টালিকা 'ৰংঘৰ' শূন্যপুৰী যেন হৈ পৰিছিল। সেই কাৰণেই পৰ্ব্বদিনৰ ভোজত তেওঁৰ ঘৰত সুখাদ্যতকৈ প্ৰচুৰ খাদ্যৰ আমদানি হৈছিল সৰহকৈ, আৰু 'ৰামধনু' বোলা আলহীঘৰত সঘনে অভিমানী কেচ্ ডাণ্ডৰীয়াই ভোজ-ভাত খুৱাই নিজে ভোজসভাৰ সভাপতিত্ব কৰিছিল; সেই কাৰণেই তেওঁ নিজ ঘৰৰ আন্ধাৰ চাৰিবেৰৰ

ভিতৰত ভোজ দিবলৈ ভাল নাপাইছিল। তেওঁৰ ল'ৰা দুটা অধঃপাতে যোৱাৰ কাৰণেও সম্ভৱতঃ তেওঁ ঘৰৰ বাহিৰতেই ভোজ পাতিছিল। বেভ্লো গাৱঁত মানুহে নৈতিক অধঃ-পতনৰ বাবে তেনেদৰে চোকাকৈ গৰিহণা নিদিলেও ভাবিছিল যে দুটাকৈ ডেকা ল'ৰাক ঘৰত ধোদৰ পচলা কৰি বহুৱাই থৈ কেচ্ ডাঙৰীয়াই দুৰ্ব্বলতাহে দেখুৱাইছে। ধনী-লোকে নিজৰ পুতেকহঁতক মূৰে ভৰি কাঢ়িবলৈ এৰি দিলে বিশেষ কৰবলৈ একো নাথাকে সঁচা; কিন্তু কেচ্ ডাঙৰীয়াৰ সৰু পুতেক ডান্‌ষ্টান্ ওৰফে—ঘৰুৱা নামত—ডান্‌চি কেচৰ বস্তু বেচি খোৱা আৰু জুৱাখেলা স্বভাৱটোৰ কাৰণে কোনোবা দিনা জাহান্নমতকৈও বেয়া ঠাইলৈ যোৱাৰ সম্ভাৱনা হোৱাত মানুহবিলাকে ডান্‌চি বোপাৰ কাণ্ড-কাৰখানা দেখি মূৰ জোকাৰিছিল। ওচৰ-চুবুৰীয়া লোকে বুকু ডাঠি কৈছিল যে হিংসাকুৰীয়া, আনক পেংলাই কৰি কথা কোৱা, সাধুসন্তৰ মাজত অতিপাতকৈ মদ খোৱা ডান্‌চিৰ কিবা অঘটন হ'লে একো কথা নাই; কেচ্ ডাঙৰীয়াৰ পুৰণিকলীয়া মানী পৰিয়ালটোক সি দুষ্কৰ্ম্মৰ ফলত বিপদত নেপেলালেই হ'ল।

কিন্তু তেওঁৰ ভবিষ্যৎ উত্তৰাধিকাৰী বৰ পুতেক—সৰল, খোলা স্বভাৱৰ চফল ডেকা—গড্‌ফ্ৰে বোপাই যদিহে ভায়েকৰ বাট ধৰে, তেন্তে বৰ পৰিতাপৰ কথা হব; অৱশ্যে কিছুদিনৰ পৰা গড্‌ফ্ৰে কেচৰ অধঃপাতে যোৱাৰ চিন দেখা গৈছে। গড্‌ফ্ৰে-ই যদি সেইদৰে বেয়াৰ ফালে নামি গৈ থাকে, তেন্তে

তেওঁৰ ভাবী পত্নী নান্সী লেমেৰ্টাৰক যে তেওঁ হেৰুৱাব তাত কোনো সন্দেহ নাই। যোৱা বছৰ তেওঁ বহুদিন একেৰাহে ঘৰৰ পৰা আঁতৰি কৰবাত থকাত মানুহে নানা কথা কোৱা-কুই কৰিছিল; তেতিয়াৰ পৰা হেনো নান্সী লেমেৰ্টাৰে গড্‌ফ্ৰেক দেখিলেই যে চুচুক্-চামাক্ কৰে—এই কথা ৰজনজনা হৈ পৰিল। এই ঘটনাত যে কিবা ডাঙৰ কেৰোণ লাগিছিল—সি দেখা কথা; কাৰণ ঘূৰি অহাৰ পাছত গড্‌ফ্ৰে ৰোপাৰ আগৰ তেজগোৰা চেহেৰা আৰু সৰবৰহী প্ৰকৃতিৰ বোলে হীন-ডেৰি দেখা গৈছিল।

আগেয়ে গাৱঁৰ মানুহে কোৱাকুই কৰিছিল বোলে গড্‌ফ্ৰে আৰু নান্সী লেমেৰ্টাৰ—ভাল যোৰ হব; যদি ‘ৰংঘৰ’লৈ নান্সী লেমেৰ্টাৰ বোৱাৰী হৈ আহে তেন্তে ঘৰখনৰ উদ্‌গতি হব, কাৰণ লেমেৰ্টাৰ-পৰিয়ালৰ শিক্ষা-দীক্ষা বৰ ভাল; লেমেৰ্টাৰ-পৰিয়ালত এচিকুট লোণো কোনেও অবাবতে পেলাব নোৱাৰে আৰু পদমৰ্য্যাদা অনুসৰি সেই পৰিয়ালৰ প্ৰতিজন লোকে উচিত যত্ন-আদৰ পায়। লগত এটা ফুটাকড়ি যৌতুকস্বৰূপে নানিলেও তেনে এগৰাকী বোৱাৰী ঘৰত সোমালে বুঢ়া কেচ্ ডাঙৰীয়াৰ খৰচ বাহি হব; কাৰণ ইমান উপাৰ্জ্জন থকা সত্বেও তেওঁৰ ঘৰত ধন-ভগনৰ বাট সৰহ হৈ পৰিছিল। মানুহবিলাকৰ মতে গড্‌ফ্ৰে ৰোপা যদি সজ বাটলৈ নাহে, তেন্তে নান্সী লেমেৰ্টাৰৰ আশাত তেওঁ জলাঞ্জলি দিয়াই ভাল।

চাইলাচ মাৰ্ণাৰ ৰেভ্‌লোলৈ অহা পোন্ধৰ বছৰ পূৰ হোৱা বছৰত এদিন আঘোনমহীয়া গধূলি বহল চ'ৰা-ঘৰত জুহালৰ ফালে পিঠি দি ঠেঙাৰ জেপত হাত ভৰাই আগৰ আশাধাৰী ডেকা গড্‌ফ্ৰে ঠিয় হৈ আছিল। পুৰণিকলীয়া হিলৈ, চমটা আদি চ'ৰা-ঘৰৰ দেৱালত সজাই থোৱা আছে; কোঠালিৰ চকীবোৰৰ ওপৰত টুপি, চোলা যেনে তেনে পৰি আছে; মেজৰ ওপৰৰ পিয়লাবোৰত চোকা মদৰ গোন্ধ; পৰি থকা আধাপোৰা কাঠ; ধপাত খোৱা 'পাইপ'বোৰ জুহালৰ ওপৰৰ চুকত আওজাই থোৱা; কোঠালিটোৰ কেইফালে শ্ৰী নাইকিয়া সংসাৰ এখনৰ চিনবোৰ। তাৰ মাজত গড্‌ফ্ৰেৰ তেজগোৰা মুখত বিষাদ আৰু বিৰক্তিৰ চিনে কোঠালিটো নিৰানন্দময় কৰি তুলিছিল। গড্‌ফ্ৰে-ই কোনোবা অহালৈ বাট চাই কাণ পাতি আছিল। অলপ পাছত জনহীন দুৱাৰ মুখৰ কোঠালিটোৰেদি স্থুহুৰি মাৰি অহা কোনোবা মানুহৰ গধুৰ ভৰিৰ খোজ শুনা গ'ল।

দুৱাৰ মেলি শকত, আটিল, গা-গাৰি থকা এজন ডেকা সোমাই আহিল; মদৰ ৰাগীত তেওঁৰ মুখখন ৰঙা, আৰু খোজ-কাটলত অকাৰণতো ফুৰ্ত্তিৰ চিন ফুটি উঠিছে। এৱেঁই ডান্‌চি কেচ্। ডান্‌চিক দেখা পাই গড্‌ফ্ৰেৰ মুখত বেজাৰৰ চিন আঁতৰি ঘিণভাৱে দেখা দিলে। চকীত শুই থকা মুগা বৰণীয়া কুকুৰটোৱে আগন্তুকৰ আগমনত নামি জুহালৰ ওচৰত থকা চকীখনৰ তলত সোমালগৈ।

ডান্‌চিয়ে বিদ্রূপৰ সুৰত মাত লগালে, "গড্‌ফ্রে ককাইদেউ, মোৰ সৈতে তোমাৰ কি কাম আছে-হোঁ? তুমি যেতিয়া মোৰ গুৰুজন, তুমি মাতি পঠিয়ালে মই নহাকৈ থাকিব পাৰোঁনে?"

গড্‌ফ্রে-ই অভ্যাসতকৈও সেইদিনা সৰহকৈ ফটিকা খাই মনৰ দুখ-বেজাৰ আঁতৰাই ৰুদ্ৰমূৰ্ত্তি ধৰিবলৈ চেষ্টা কৰিছিল। ডান্‌চিৰ কথাত তেওঁ খঙেৰে ক'লে, "মোক কি লাগে কওঁ শুন—তই গা-মূৰ জোকাৰি মদৰ ৰাগী দূৰ কৰি —কি কওঁ, কাণ পাতি শুন। মোক লাগে যে—ফাউলাৰৰ পৰা অনা খাজনাৰ ধনখিনি মই দেউতাক যেনে তেনে দিবই লাগিব; সেয়ে নহলে মই দেউতাক কৈ দিম যে ধনখিনি তই মোৰ পৰা নিছ। দেউতাই খাজনাৰ কাৰণে ফাউলাৰৰ সম্পত্তি কোৰোক কৰিব বুলি হুমিয়াই আছে; মই নক'লেও কথাটো ওলাই পৰিবই। এইমাত্ৰ ফুৰিবলৈ যোৱাৰ আগতে দেউতাই টেকেলাক হুকুম দি গৈছে যে ফাউলাৰে এই সপ্তাহতে আহি বাকী খাজনাখিনি নিদিলে তাৰ বস্তু-বাহানি কোৰোক কৰি আনিব। দেউতাৰ হাত শুদা হ'লে কোনো সৰু কথাকে সহ্য নকৰে আৰু দেউতাৰ ধনত হাত দিলে তোক কি কৰিব—জানই নহয়? এতিয়া কথাটো বুজি তৎক্ষণাৎ ধনখিনি দি পেলা—বুজিছনে নাই?"

ডান্‌চিয়ে ককায়েকৰ ওচৰ চাপি চকুলৈ চাই পেংলাই কৰি ক'লে, "অ'......এইটোৱেই কথা নে? ধৰা, ধনখিনি

যদি তুমিয়েই আনি দি পেলাই মোক কষ্টৰ পৰা ৰক্ষা কৰা তেন্তে কেনে হয়……বাৰু……হোঁ? তুমি মৰমত ধনখিনি যেতিয়া এবাৰ দান কৰিলাই……এতিয়া মোৰ হৈ ধনখিনি ঘূৰাই দি নো অনুগ্ৰহ নকৰা কিয়……হোঁ? ভায়েৰাৰ মৰমত জানো ধনখিনি দিয়া নাছিলা……হোঁ?"

গড্‌ফ্ৰে-ই অসহ্য খঙত ওঁঠ কামুৰি ঘোচা দাঙি কৈ উঠিল, "হেই……মোৰ ফালে তেনেকৈ চাই ওচৰ চাপি আহিলে……একে ঘোচাই তোক……বগৰাই পেলাম।"

পিছ হুহকি গৈ ডান্‌চিয়ে ক'লে, "এহ্ এহ্……মোৰ গা-ত হাত লগাবানে……হোঁ? জানাই নহয়, মই তোমাৰ শান্তশিষ্ট ভায়েৰা। পাছে……মই মন কৰিলে যেতিয়াই তেতিয়াই তোমাক এই ঘৰৰ পৰা বাজ কৰাই সম্পত্তিৰ এটকি কাপো পোৱা বন্ধ কৰিব পাৰোঁ…বুজিছা? মই ইচ্ছা কৰিলেই দেউতাক কৈ দিব পাৰোঁ যে তেওঁৰ দেখনিয়াৰ বৰবোপাই মনে মনে শ্ৰীমতী মলি ফেৰেনক বিয়া কৰাই এতিয়া মদাহী ঘৈণীয়েকৰ লগত সংসাৰ কৰিব নোৱাৰি বৰ দুখত পৰিছে…; আৰু তাৰ পাছত মহা আৰামত তোমাৰ ঠাইখন দখল কৰি মই দিন কটাব পাৰোঁ…বুজিছা? পাছে…মই হ'লে সেই কাম নকৰোঁ…বুজিছা? জানাই নহয়…মই ভাল স্বভাৱৰ সাধু মানুহ…হোঁ? পাছে…এতিয়া মোৰ মনে ধৰিছে যে তুমি যেনে তেনে সেই ধন যোগাৰ কৰিবাই…।"

ডান্‌চিৰ কথা শুনি গড্‌ফ্ৰে-ই অধীৰ হৈ ক'লে, "ধনখিনি মই কেনেকৈ যোগাৰ কৰোঁ? মোৰ হাতত খৰচ কৰিবলৈ এটা পেনিও নাই। আৰু তই মোক খেদোৱাই মোৰ ঠাই দখল কৰা কথাটো একেবাৰেই মিছা; বৰং তইহে ঘৰৰ পৰা খেদা খাবি। তই দেউতাক কথা লগাব লাগিলে ময়ো তাকেই কৰিম। দেউতাই তেওঁৰ মহৰী ৰবাৰ্টক ভাল পায় আৰু ৰবাৰ্টেও তোক দেখিব নোৱাৰে। সুবিধা পালেই সি তোক ঘৰৰ পৰা খেদোৱাব।"

খিৰিকিয়েদি বাহিৰলৈ চাই মূৰ দুপিয়াই ডান্‌চিয়ে উত্তৰ দিলে, "তাত একো কথা নাই। তুমি খেদা খালে ময়ো তোমাৰ লগত যাবলৈ পালে ভাল পাম। তুমি এনেয়ে মোৰ মৰমৰ ককাইদেউ; তাতে আকৌ আমি দুয়ো খুন্দাখুন্দে কাজিয়া কৰি ভাল পাওঁ। তুমি খেদা খালে তোমাক নেদেখি মই কেনেকৈ থাকিম···হোঁ? পাছে·· আমি দুয়ো ঘৰত থাকিলেই তুমি ভাল পাবা···নহয়? বোলোঁ সেই কাৰণেই কওঁ তুমি কিবা উপায়ে সেই এমুঠি ধন যোগাৰ কৰিবা···বুজিছা? তোমাৰ সঙ্গ এৰি যাবলৈ বেয়া লাগিলেও ···পাছে ··মই আহিলোঁহে দেই।"

ডান্‌ষ্টানে যাবৰ উপক্ৰম কৰোঁতেই গড্‌ফ্ৰেই চোচা মাৰি গৈ ডান্‌চিৰ হাতখনত ধৰি শপত-শাতি খাই ক'লে, "মই কৈছোঁৱেই নহয়—মোৰ ধন নাই! টকা মই যোগাৰ কৰিব নোৱাৰোঁ।"

"তেন্তে কিম্বল্ বুঢ়াৰ পৰা ধাৰ কৰা।"

"সি আৰু মোক টকা ধাৰলৈ নিদিয়ে আৰু ময়ো নোখোজোঁ।"

"তেন্তে···তোমাৰ ঘোৰাটো বেচি দিয়া।"

"এৰা, কথাটো বেয়া নহয়। তেতিয়া হ'লে টকাখিনি মই তৎক্ষণাৎ পাম।"

"এটা কাম কৰা, ককাইদেউ। তুমি কাইলৈ ঘোৰাটোত উঠি চিকাৰলৈ ওলাই যোৱাঁ। চিকাৰলৈ ব্ৰাইচ্ আৰু কিটিং অহাটো ঠিক। গতিকে তুমি নীলামত সৰহ ডাক পাবা···বুজিছা?"

"কথাটো ঠিকেই; ৰাতি ঘৰলৈ আহোঁতে টেট্টুলৈকে বোকা-পানীত পোত খাই আহিব লাগিব। বাৰু···এতিয়া মই যাওঁ। শ্ৰীমতী অচ্গুডৰ জন্মতিথিৰ নাচত মোৰ নিমন্ত্ৰণ আছে।"

কথাষাৰ শুনি ডান্চিয়ে মূৰটো কাতি কৰি মিহি সুৰত কোৱাৰ দৰে ক'লে, "অ'···তেন্তে তালৈ সুন্দৰী শ্ৰীমতী নান্সী আইদেউ আহিব নহয়? তেন্তে···আমি তেওঁৰ লগত নাচ কৰিবলৈ পাম···হোঁ? আইদেউৰ আগত আমি প্ৰতিজ্ঞা কৰিম যে আমি আৰু ছুষ্টালি নকৰোঁ···নহয়? তেওঁ যেন আমাৰ ওপৰত কৃপাদৃষ্টি কৰে···হোঁ?"

গড্ফ্ৰে-ই খঙত ৰঙা পৰি কৈ উঠিল, "হেৰ গোট গৰু! নান্সীৰ চৰ্চ্চা কৰিলে তোক টেটু চেপি মাৰিম।"

ডান্‌চিয়ে মেজৰ ওপৰত পৰি থকা বেতডাল তুলি নিজৰ হাতৰ তলুৱাত কোবাই কোবাই কৃত্রিম সুৰত ক'লে, "কিয় ৰাক মোক মাৰা···হোঁ ? তোমাৰ কাৰণে এয়ে সোণালী সুযোগ। মোৰ উপদেশ শুনা; তুমি আকৌ নান্সী আইদেউৰ অনুগ্ৰহ লাভৰ চেষ্টা চলোৱাঁ। সি গৰাকী··· মলিয়ে যদি কোনোবা দিনা সৰহলৈ মদ গিলি তোমাক ৰবলা কৰি থৈ যায় তেন্তে সময়ো বাহি হব; আৰু কথাটো নাজানিলে নান্সী আইদেৱে তোমাৰ দ্বিতীয় পক্ষ হবলৈ আপত্তি কৰিব কিয়···হোঁ ? তুমি যেতিয়া ভাইটিয়েৰাক ইমান মৰম কৰিছাই, সেই সাধু ভায়েৰাই নো সেই গুপুত কথা নৰখাকৈ থাকিবনে···হোঁ ?"

গড্‌ফ্ৰে-ই আকৌ বিবৰ্ণ হৈ কঁপি কঁপি ক'লে, "তেনেহলে মই কথাটো ভাঙি কওঁ, শুন। মোৰ ধৈৰ্য্য প্ৰায় শেষ হৈ আহিছে। তোৰ বুদ্ধিটো আৰু অলপ চোকা হোৱা হ'লে বুজিলিহেতেন যে তই মানুহক জ্বলাই জ্বলাই মাৰিব পাৰ আৰু ঠেকত পেলাই যি কোনো কামকে কৰোৱাটো তোৰ পক্ষে সম্ভৱ। মই এতিয়া এটা কাম কৰিম; দেউতাক সকলো কথা মই নিজ মুখে কমগৈ। সম্পত্তিৰ পৰা বঞ্চিত হলেও এই কথা ঠিক যে মই তোৰ হাতৰ পৰা ৰক্ষা পাম। যিয়েই হওক, এদিন নহয় এদিন দেউতাই কথাটো জানিবই। মলিয়ে দেউতাৰ ওচৰলৈ আহি কৈ দিব বুলি মোক ভয় দেখুৱাই আছেই। সেই কাৰণে এই গুপ্ত কথাটোৰ সলনি

মোৰ পৰা ইচ্ছা মতে তাৰ দাম আদায় কৰিবঁ পাৰিবি বুলি কেতিয়াও নাভাবিবি। যি ধনেৰে মই মলিৰ মুখ বন্ধ কৰিলোঁহেতেন সেই ধনখিনি তই নি অস্ত কৰিছ। মলিয়ে ভয় দেখুৱাইছে আৰু এদিন কথাটো উলিয়াই দিবই। কথা যেতিয়া একেটাই হ'ল, মই নিজে দেউতাক সকলো কথা কম গৈ। গতিকে তই ৰসাতললৈ যা।"

ডান্‌চিয়ে দেখিলে যে তাৰ গুলিটো লক্ষ্যভ্ৰষ্ট হ'ল। সি ভাবিলে যে আগেয়ে ভয় কৰি থকা গড্‌ফ্ৰে-ই হয়তো এতিয়া নিজেই গুপ্ত কথাটো কবলৈ স্থিৰ কৰিব। কিন্তু সি সহজভাবে ক'লে, "তোমাৰ যেনে ইচ্ছা···ককাইদেউ। পাছে ···মোৰ অণ্ঠেকণ্ঠে শুকাই নিছে; এটোপা ফটিকা পাওঁনে চাওঁচোন।" এই বুলি চাকৰটোক মাতি ডান্‌চিয়ে দুখন চকী যোৰা দি ভৰি মেলি বহি পৰিল আৰু হাতৰ বেত-ডালেৰে খিৰিকিত টুকৰিয়াবলৈ ধৰিলে।

গড্‌ফ্ৰে-ই তেতিয়াও জুইৰ ফালে পিঠি দি ঠেঙাৰ ভেপৰ বস্তুবোৰ অস্থিৰভাৱে আঙুলিৰে লাৰি-চাৰি মজিয়াৰ ফালে চাই ৰ'ল। তেওঁৰ বলী দেহাটোত হিংস্ৰ জন্তুৰ সাহ আছিল সঁচা, কিন্তু বিপদত পৰিলে তাত মৰিমুৰ কৰিবলৈ সেই সাহে তেওঁক কোনো ৰকমৰ উপায় যোগাব নোৱাৰিছিল। বৰ্ত্তমান অৱস্থাত পৰি ভবিষ্যৎ ফলাফলৰ আশঙ্কাটো—তেওঁৰ স্বাভাৱিক সঙ্কোচ আৰু মানসিক কাপুৰুষালিয়ে বঢ়াই কেউফালৰ পৰা তেওঁক চেপি ধৰিছিল। অসহ্য .খণ্ডত

ডানৃষ্টানক নেওচি যি কোনো বিপদৰ কাৰণে সাজু হবলৈ আগ বাঢ়োঁতে গড্‌ফ্রে-ই ভাবিছিল যে নিজমুখে স্বীকাৰ কৰিলে যি বিপদ নিজে চপাই আনিব, সি হয়তো বৰ্ত্তমান অৱস্থাতকৈ বেচি সাঙ্ঘাতিক হব। নিজে স্বীকাৰ কৰাৰ ফলাফলৰ বিষয়ে তেওঁৰ কোনো সন্দেহ নাছিল ; আনহাতে আনে প্ৰকাশ কৰি দিয়াৰ সম্ভাৱনা হ'লে অনিশ্চিত। সেই অনিশ্চিত সম্ভাৱনাৰ কাৰণে তেওঁ দুশ্চিন্তা আৰু সঙ্কোচেৰেও একৰকম স্থিৰ হৈ থাকিল। যি জোপা গছ মাটিত গজি মাটি আৰু বতাহৰ পৰা জীৱনৰ উপাদান গোটায়, সেই জোপা গছ উভালি পৰিলে যেনেকৈ জীৱন ধাৰণৰ উপায় কৰিব নোৱাৰি অসহায় হৈ পৰে,—সেই দৰে ধনী জমিদাৰৰ ত্যাজ্য পুত্ৰ হ'লে—ভিক্ষা কৰি নাইবা বন্নুৱাৰ কাম কৰি জীৱন ধাৰণ কৰিব নোৱাৰা তেৱোঁ অসহায় হৈ পৰিব।

বন্নুৱাৰ দৰে মাটি খানি নান্সী লেমেটাৰক লাভ কৰিব পৰা হ'লে গড্‌ফ্রে-ই আনন্দেৰে মাটি খানিলেহেতেন। কিন্তু নিজৰ সাধুতা প্ৰমাণিত কৰিবলৈ গৈ নিজকে হীন আৰু অসহায় কৰি তেওঁ সকলো পাৰ্থিব ভোগৰ পৰা বঞ্চিত হব লাগিব ; দোষ স্বীকাৰ কৰি এহাতে নান্সী লেমেটাৰ, আন হাতে পৈত্ৰিক সম্পত্তি হেৰুৱাৰ লগা হোৱাত তেওঁৰ নিজৰ ভবিষ্যৎ সংস্থানৰ কোনো উপায়কে ভাবিব নোৱাৰিলে ; অগত্যা 'চিপাহী ভৰ্ত্তি' হ'লেও সম্ভ্ৰান্ত পৰিয়ালবোৰৰ চকুত সেই কাম আত্মহত্যাৰ দৰে দেখাৰ। গতিকে তেনে কথা

হবই নোৱাৰে ; বৰং তেওঁ স্বীকাৰ কৰা সঙ্কল্প এৰি ঘটনা-চক্ৰৰ ওপৰত ভৱিষ্যৎ এৰি দিব। আগন্তুক এটা বিপদ আক্ৰমনত ভয় লৈও বৰং তেওঁ আগৰ দৰে ভোজ-সভালৈ গৈ হেপাহেৰে খাই-পি আনন্দ কৰি থাকিব ; কিন্তু আন্ধাৰত জঁপিয়াই পৰি তেওঁ কেতিয়াও আনন্দৰ পৰা নিজকে বঞ্চিত নকৰে। ডান্‌ষ্টানে প্ৰকাশ কৰি দিব বুলি যি ভয় দেখুৱাইছে তাৰ তুলনাত ঘোৰাটো দি দিয়া কথাটো সহজ যেন লাগিল ; কিন্তু অভিমানত তেওঁ ভায়েকৰ লগত সেই বিষয়ে কথা নাপাতি আগৰ কাজিয়াখনকে চলাবলৈ ধৰিলে। বৰ বিৰক্তিৰে তেওঁ কৈ উঠিল, "মোৰ শেষ সম্পত্তি বুলিবলৈ এই ঘোৰাটো বেচি দিয়াৰ কথা তেনেদৰে সহজভাৱে কোৱা তোৰ দৰে মানুহৰ কাৰণেহে সম্ভৱ। তোৰ লেশমাত্ৰও আত্মাভিমান থকা হ'লে আমাৰ ঘোৰাশাল শুদা কৰি দহজনৰ বিদ্ৰূপ সহ্য কৰিবলৈ লাজ পালিহেতেন। আনৰ ক্ষতি কৰি আনন্দ পাবলৈ হ'লেও যে তই ঘোৰাটো বেচিবি, সেই কথা মই ভালকৈ বুজিছোঁ।"

ডান্‌ষ্টানে শান্ত ল'ৰাৰ দৰে ক'লে, "এৰাতো। এতিয়া দেখিছোঁ তুমি মোৰ প্ৰতি সদয় হৈছা। জানাই নহয়, মই মানুহক ফুচুলাই পইচা আদায় কৰাত বৰ পাকৈত। সেই বাবেহে কৈছোঁ—মোক ঘোৰাটো বেচি দিবলৈ দিয়া। কাইলৈ 'ঘোৰাত চৰিয়া মহাৰঙ্গ মনে' মই চিকাৰলৈ ওলাওঁ··· কি বোলা, ককাইদেউ ? হওঁতে ঘোৰাৰ পিঠিত তোমাৰ দৰে

দেখিবলৈ ধুনীয়াটি নহওঁ; পাছে কিনিলে ঘোৰাহে কিনিব; 'চোৱাৰী'টোক নিকিনে নহয়···হয়? হোঁ?"

"মোৰ ঘোৰা তোক কি বিশ্বাসত এৰি দিম?"

আকৌ খিৰিকিত টুকুৰিয়াই সহজভাবে ডান্‌ষ্টানে ক'লে, "যেনে ভাল দেখা কৰা। পাছে মই হ'লে কৈছোঁ— ফাউলাৰৰ টকাগাল তুমিহে দিব লাগিব; সেই কামৰ লগত মোৰ একো সম্বন্ধ নাই। তুমিয়েই তাৰ পৰা ধন আনিছিলা আৰু তুমিয়ে ধন নাই দিয়া বুলি দেউতাক কৈছিলাহি। মই জানো তাৰ মাজত সোমাইছিলোঁ·· হোঁ? তুমি মাথোন অনুগ্ৰহকৈ ধনখিনি মোক দিছিলা; সেয়ে কথা···নহয় জানো? এতিয়া যদি ধন নিদিয়া—নাই; তাতো মোৰ একো নাই। তুমি কাইলৈ ইমান দূৰলৈ যাবলৈ তোমাৰ অসুবিধা দেখি তোমাৰ সুবিধাৰ কাৰণেহে মই নিজে গৈ ঘোৰাটো বেচিবলৈ ওলাইছিলোঁ।"

গড্‌ফ্ৰে অলপ পৰ মনে মনে থাকিল। ডান্‌ষ্টানক ধৰি তাৰ হাতৰ বেতডালেৰে আধামৰা কৰিবলৈ গড্‌ফ্ৰে-ৰ মন গৈছিল। নিজলৈ ভয় নাথাকিলেও তেওঁৰ মনত আন ধৰণৰ এনে এটা ভয় সোমাল যে সেই ভয়ে তেওঁৰ অসহ্য খঙকো তল পেলাই দিলে; তেওঁৰ মনত নানা ৰকমৰ ভাব জাগি উঠিল। ডান্‌ষ্টানৰ কথাৰ উত্তৰ দিওঁতে তেওঁ অলপ শান্ত সুৰ ধৰিলে।

"তেন্তে ঘোৰাটো নি বেচিবলৈ ইচ্ছা কৰ···নহয়?

তেনেহ'লে উচিত মতে ঘোৰাটো বেচি ধনখিনি মোৰ হাতত দিবিহি। তাকে যদি নকৰ, তেন্তে সকলো ছাৰখাৰ হব; মোৰ হ'লে ভৰসা কৰিবলৈ আৰু একো নাই। তই নিজৰ মূৰটো ভাঙিবলৈ মোৰ সৰ্ব্বনাশ কৰি যে বিশেষ আনন্দ পাবি মই কব নোৱাৰোঁ।"

ডান্‌ষ্টানে ঠিয় হৈ ক'লে, "এৰাতো, এয়ে ঠিক কথা। মই ভাবিছিলোঁৱেই যে তুমি আকৌ বাটলৈ আহিবা। বুঢ়া ব্ৰাইচক ধৰি ধন আদায় কৰিব পাৰোঁ অমুকাই···বুজিছা? মই যদি ধন আনি দিব লাগে, তেন্তে নগদ ছকুৰি পাউণ্ড আনি দিম···বুজিছা?"

"কিন্তু যদি কাইলৈ যোৱাকালিৰ দৰে ধাৰাসাৰে বৰষুণ দিয়ে, তেন্তে তই তো যাব নোৱাৰ!"—এই বুলি গড্‌ফ্ৰে-ই উত্তৰ দিলেও সেই অসুবিধা হোৱা বা নোহোৱাৰ কথা তেওঁ ভবাই নাছিল।

ডান্‌ষ্টানে ক'লে, "হবই নোৱাৰে। মই হ'লে বতৰৰ বিষয়ে বৰ ভাগ্যবান। তুমি যোৱা হ'লে বৰষুণ দিলেহেঁতেন। তুমি জানাই নহয়, ককাইদেউ—তোমাৰ ভাগ্য য'তে ত'তে বেয়া; কিন্তু তুমি জানাই নহয়—তুমি ৰূপবান আৰু মই ভাগ্যবান। গতিকেই তোমাৰ ধন-আদায়ৰ কামত মোক তুমি সাৰথি কৰি লবই লাগিব···বুজিছা? মই নহ'লে তুমি যে চলিবই নোৱাৰা!"

গড্‌ফ্ৰে-ই চোকাকৈ ক'লে, "তোৰ মুখ বন্ধ কৰ। সাৱধান,

যাতে কাইলৈ তই ঠাণ্ডা হৈ থাক; নহলে উলটি আহোঁতে পৰি হবি আধামৰা হবি, আৰু ঘোৰাটোও ঘুণীয়া হব।"

ডান্‌ষ্টানে ছুৱাৰখন মেলি ক'লে, "এস্! তুমি ভায়েৰাৰ কাৰণে চিন্তা নকৰিবাচোন, ককাইদেউ! কাৰবাৰ কৰোঁতে মোক গণ্ডগোল কৰা কেতিয়াবা দেখিছানে? নহলে যে কাৰবাৰৰ 'মজাটোৱেই' মাটি হয়! আকৌ···যদিহে পৰোঁ ··তেন্তে তললৈ ভৰি কৰিহে পৰোঁ···বুজিছা?"—কথাষাৰ হৈ ছুৱাৰখন জপাই ডান্‌ষ্টান ওলাই গ'ল।

গড্‌ফ্রে-ই নিজৰ বৰ্ত্তমান অৱস্থাৰ কথা গুণিগাঁথি তাতে থাকিল। আজিকালি সেই দুশ্চিন্তাত গড্‌ফ্রে-ৰ দিনৰ পাছত দিন পাৰ হৈ যায়; তাৰ মাজে মাজে চিকাৰ কৰা, তাচ্ খেলা, মদ খোৱা নাইবা কেতিয়াবা কাচিৎ নাম্নী লেমে-টাৰক লগ ধৰা আদি আনন্দৰ উত্তেজনাই একোটা ছেদ আনে। চহা মানুহৰ মনৰ দুখ-বিপত্তি পাহৰাবলৈ আনন্দ আৰু সন্তোষৰ অভাৱ ঘটে; কিন্তু শিক্ষিত মানুহৰ ভাৱপ্ৰৱণ মনৰ নানাৰূপ—দুখবোৰৰ তীব্ৰতা কিছু কম কাৰণে সেই দুখত সিমান পুতৌ নজন্মে। গোটেই জীৱন পথাৰলৈ অহা-যোৱা কৰি, দিনকদিনে গায়ে-গাৰিয়ে শকত হৈ, নতুনত্ব নাইকিয়া ইন্দ্ৰিয় সম্ভোগত কটাই আগৰ দিনৰ চহা উপৰি পুৰুষবিলাকে জীৱনটোক একপ্ৰকাৰে দুখময় কৰি তুলিছিল। তেওঁলোকৰ জীৱনতো বিপদ আহিছিল; তেওঁলোকেও কৰ্ম্মফল ভুগিছিল; তেওঁলোকৰ কোনোবাজনৰ জীৱনক

পৱিত্ৰতা, শান্তি আৰু সুখৰ আধাৰস্বৰূপা একো গৰাকী গাভৰুৰ প্ৰণয়ে হয়তো অলপ দিনলৈ হলেও ভবিষ্যৎ সুখৰ কল্পনাৰে মধুৰ কৰি তুলিছিল। সেই গাভৰুৰ প্ৰণয়ৰ পৰা বঞ্চিত হৈ যেতিয়া তেওঁৰ সুখৰ সপোন ভাগি গৈছিল, তেতিয়া হয়তো সেই ব্যৰ্থ প্ৰেমিকৰ কাৰণে—জীৱনত, বিশেষকৈ শেষ বয়সত অৱলম্বন একো নাছিল ; হয়তো জীৱনৰ বিচিত্ৰতাৰ পৰা ৰক্ষা পাবলৈ পান-ভোজন, ফুৰ্ত্তি, আনন্দ, কাজিয়া কৰি নাইবা আগেয়ে কৈ অহা কথাবোৰকে ঘূৰাই ঘূৰাই কৈ তেওঁ জীৱনৰ শেষ দিন কেইটা কটাই দিছিল।

এই শ্ৰেণীৰ তেজগোৰা, বিবৰ্ণ চকুৰ মানুহবিলাকৰ ভিতৰত এনে কিছুমান মানুহ আছিল যিবিলাকৰ স্বাভাৱিক মৰমিয়াল প্ৰকৃতিৰ কাৰণে বিশৃঙ্খলাই পশুৰ দৰে নিষ্ঠুৰ কৰিব নোৱাৰিছিল। এইবিলাক মানুহৰ এটা সময় আছিল যেতিয়া দুখ-শোকৰ তীব্ৰতাই তেওঁবিলাকৰ অন্তৰ স্পৰ্শ কৰিছিল, আশা-কামনা-ব্যৰ্থতাৰে ভৰি পৰিছিল নাইবা ছিঙিব নোৱাৰা বান্ধোনত নিজকে বান্ধি ৰাখিছিল। এই অৱস্থাত পৰি তেওঁলোকে নিজৰ বিচিত্ৰতাহীন জীৱন-কাহিনীৰ বাহিৰে আন একোতে আশ্ৰয় কৰি নিজৰ চিন্তাক নিযুক্ত ৰাখিব নোৱাৰিছিল।

একুৰি ছবছৰ বয়সত গড্‌ফ্ৰে কেচবো এই একে অৱস্থাই হ'ল। কোমল প্ৰকৃতিৰ মানুহৰ সাংসাৰিক বন্ধনে যি সকসুৰা অৱস্থাৰ সৃষ্টি কৰে, তেনে অৱস্থাত পৰি তেওঁ নিতান্ত

দয়াপৰবশ হৈ গোপনে বিয়া কৰালে আৰু এই বিয়াই তেওঁৰ জীৱনৰ ব্যাধি যেন হৈ পৰিল। এই বিয়াৰ ইতিবৃত্ত—কামুকতা, মোহ আৰু তাৰ পাছত সেই মোহময় সপোন ভাগি যোৱা এটি কাহিনী। সি গড্ফ্ৰেৰ মনত দুখৰ সোঁৱৰণি হৈ থাওক; গতিকে তাক প্ৰকাশ কৰাৰ আৱশ্যক নাই। গড্ফ্ৰে-ই বুজি উঠিছিল যে ভায়েক ডান্‌ষ্টানে এই নীচ বিয়াৰ সুযোগ লৈ তাৰ হিংসা আৰু লোভ পূৰ্ণ কৰিব; আংশিক ভাৱে হ'লেও ডান্‌ষ্টানৰ কূটকৌশলৰ কাৰণে গড্ফ্ৰে-ৰ মনত যে এই ধৰণৰ মোহৰ সৃষ্টি হ'ল—তাকো গড্ফ্ৰে-ই বুজিছিল। কেৱল নিজকে দুৰ্ভগীয়া বুলি ভাবিব পৰা হ'লেও তেওঁক ভাগ্যৰ এই আঘাতে কম পীড়া দিলেহেতেন। অকলশৰে আধাফুটাকৈ পৰা গালি-শপনিৰ লক্ষ্য কূট ডান্‌ষ্টানৰ বাহিৰে আন কোনোবা হোৱা হ'লেও তেওঁ গুপ্ত কথা প্ৰকাশৰ ফলাফলৰ বিষয়ে কম ভয় কৰিলেহেতেন। কিন্তু এতিয়া নিজৰ সেই হীন ভ্ৰমটোক উদ্দেশ্য কৰি তেওঁ নিজকে তিৰস্কাৰ কৰিব লগা হ'ল। ভ্ৰম সংশোধনৰ চেষ্টাৰ সময় পাৰ হৈ যোৱাৰ পাছত আমাৰ জীৱনৰ ভুল আৰু পাপবোৰে বুজিব নোৱৰা হৈ যিদৰে বলিয়াৰ নিচিনা কৰি তোলে, গড্ফ্ৰে-ৰ সেই ভুলটোৱেও তেনেকৈ তেওঁক বিভ্ৰান্ত কৰি তুলিলে।

আগেয়ে চাৰি বছৰ ধৰি নান্সী লেমেটাৰৰ চিন্তাত তেওঁ মগ্ন আছিল; ভৱিষ্যৎ সাংসাৰিক সুখৰ লগৰীয়া বুলি কল্পনা কৰি তেওঁক ধৈৰ্য্যেৰে গোপনভাৱে পূজা কৰি জয় কৰিবলৈ

চেষ্টা কৰি আহিছিল। নান্সী লেমেটাৰে তেওঁৰ পত্নী হৈ তেওঁৰ শূন্য গৃহস্থালিখনক সজাই তুলিব—এয়ে তেওঁ কল্পনা কৰিছিল। তেওঁ ভাবিছিল যে আনন্দ নাপালেও যিবোৰ বেয়া অভ্যাস তেওঁ কৰিছে, সেই কু-অভ্যাসবোৰো তেওঁ নান্সীৰ সঙ্গত এৰি পেলাব পাৰিব; তেওঁৰ সেই সংস্কাৰে হয়তো তেওঁৰ জীৱনটোক পূৰ্ণ কৰি তুলিব। কোনো সাংসাৰিক আনন্দ নাইকিয়া, গৃহস্থালিৰ শৃঙ্খলাই শিক্ষা দিব নোৱাৰা এখন ঘৰত ডাঙৰ-দীঘল হৈও গড্ফ্ৰেৰ প্ৰকৃতিটো মূঠতে সাংসাৰিক হৈ পৰিছিল। সহজ প্ৰকৃতিৰ কাৰণেই তেওঁ নিৰ্ব্বিবাদে ঘৰুৱা জীৱনৰ লগত নিজকে মিলাই দিব পাৰিছিল। কিন্তু তেওঁৰ মনে সংসাৰৰ মাজত এখনি চেনেহী মুখ, এৰাৰি সাদৰী মাতৰ কাৰণে হাবাথুৰি খাইছিল; তেওঁ মনে মনে এনে এক আৰাম আৰু মঙ্গলকৰ অৱস্থা কামনা কৰিছিল যাতে সহজ স্বভাৱেৰে এজনা চেনেহী লগৰীয়াৰ প্ৰভাৱত নিজকে সদায় সজবাটত ৰাখিব পাৰে। এইবোৰৰ লগত ৰিজাই লেমেটাৰৰ গৃহস্থালিখনৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা, উদাৰ শৃঙ্খলা আৰু পৱিত্ৰতা—বিশেষকৈ নান্সীৰ হাঁহিৰে জিলিকি থকা সেই ঘৰখন—উষাকালৰ সেই উজ্জ্বল শুভ মুহূৰ্ত্তবোৰ যেন লাগে, যেতিয়া মনৰ প্ৰলোভন আঁতৰি যায়, অন্তৰ স্বৰ্গীয় ভাৱেৰে পূৰ্ণ হয় আৰু প্ৰাণত কৰ্ম্ম, নিষ্ঠা আৰু শান্তিৰ কামনা জাগি উঠে।

তথাপিও কল্পনাৰ এই স্বৰ্গই গড্ফ্ৰেক কুকৰ্ম্মৰ পৰা

আঁতৰাই ৰাখিব নোৱাৰিলে; বৰং সেই স্বৰ্গ তেওঁৰ কৰ্ম্মফলত চিৰকাললৈ হেৰাই গ'ল। নান্সীক লাভ কৰি তেওঁৰ প্ৰেমৰ বলত হয়তো গড্ফ্ৰে-ই মুক্তি পালেহেতেন; কিন্তু তেওঁ কোনো উদ্ধাৰৰ চেষ্টা নকৰাকৈ নিজকে এনে কুকৰ্ম্ম আৰু অশান্তিৰ মাজত ডুবাই দিলে যে তাৰ পৰা আৰু উদ্ধাৰ পোৱা অসম্ভৱ। তেওঁ নিজহাতে এনে বান্ধোনত নিজকে বান্ধি পেলালে যে তেওঁৰ আগৰ শুভ লক্ষ্য ভ্ৰষ্ট হোৱাৰ লগে লগে তেওঁৰ অশান্তি-উত্তেজনাও আঁতৰ নোহোৱা হ'ল।

তথাপিও বৰ্ত্তমান অৱস্থাতকৈ আৰু এক হীন অৱস্থা তেওঁৰ হব, যদি হে কেনেবাকৈ তেওঁৰ গুপ্তকথা প্ৰকাশ হৈ পৰে। সেই ভয়ঙ্কৰ দিনটো কেতিয়াও নাহক—এয়ে তেওঁৰ প্ৰধান কামনা; তেতিয়া হয়তো বংশগৰ্ব্বত আঘাত দিয়াৰ কাৰণে দেউতাক বুঢ়া কেচ্ খণ্ডত ঘৃতাহুতি হৈ উঠিব; তেতিয়া হয়তো সুখ আৰু আৰামৰ জীৱন এৰি অনাহকত পৈত্ৰিক সম্পত্তিৰ আশা জলাঞ্জলি দিব লাগিব আৰু তেতিয়া হয়তো তেওঁ চিৰকালৰ কাৰণে নান্সী লেমেটাৰৰ চকুত ঘৃণনীয় হৈ আঁতৰি যাব লগা হব। সেই ভয়ঙ্কৰ দিন আৰু বৰ্ত্তমানৰ মাজত দূৰত্ব যিমানে বেচি হয়, সিমানে কিবা উপায়ে উদ্ধাৰৰ আশা থাকে, সিমানেই নান্সীৰ দৰ্শন সুখৰ আশা থাকে আৰু সিমানেই নান্সীৰ শ্ৰদ্ধা লাভ কৰাৰ ক্ষীণ আশা থাকে। কেবা সপ্তাহ ধৰি সেই বিচিত্ৰ পুৰস্কাৰ স্বৰূপ নান্সীৰ পৰা আঁতৰত থাকি কেতিয়াবা কাচিৎ তেওঁৰ সঙ্গ-

সুখৰ কাৰণে গডফ্ৰে লালায়িত হৈ উঠি অনুভৱ কৰে যে তেওঁ যিমানে হাত মেলিছে সিমানেই নিজৰ কৰ্ম্মফলৰ কটকটীয়া বান্ধোন যন্ত্ৰণাদায়ক হৈ উঠিছে।

এনে ধৰণৰ কামনাই এই সময়ত গডফ্ৰেক মতলীয়া কৰি তুলিছিল। পাছদিনৰ চিকাৰৰ আমোদলৈ অনিচ্ছা হোৱাৰ আন কাৰণ নাথাকিলেও নান্সীক লগ পোৱাৰ হেপাহ বিফল হোৱাতকৈ তেওঁ নিজৰ মৰমৰ ঘোৰাটো ডানষ্টানক গতাই দিয়াকে স্থিৰ কৰিলে আৰু নান্সীৰ দৰ্শন-সুখৰ কামনাই প্ৰধান কাৰণ হৈ তেওঁক এই কাৰ্য্য কৰালে। অৱশ্যে চিকাৰলৈ যাব নোখোজাৰ আন এটা কাৰণ আছিল এয়ে যে যিখন ঠাইত চিকাৰীবিলাক গোট খোৱাৰ কথা—তাতে মলি ফেৰেন থাকে ; গডফ্ৰেৰ মানত সেই তিৰোতাজনী দিনক দিনে ঘিণ লগা হৈ উঠিছিল আৰু সেই কাৰণে সেই ঠাইখন যেন তাইৰ ঘৃণনীয় অস্তিত্বই কলুষিত কৰি তুলিছিল। কুকৰ্ম্মৰ বন্ধনে অতি উদাৰ প্ৰকৃতিৰ লোকৰো ঘৃণা জন্মায়। গতিকে মনৰ ঘৃণাৰ পৰা ওপজা সেই তিক্ততাই—এৰাবাৰী এখনত ভূত-প্ৰেতৰ অহা-যোৱাৰ দৰে—তেওঁৰ মনতো ভুমুকি মাৰিছিল আৰু কেতিয়াবা অলপ সময়ৰ বাবে আঁতৰিও গৈছিল। সেই তিক্ততাৰ পৰা ওপজা নানা ভাৱে সৰবৰহী গডফ্ৰে কেচক ক্ৰমাৎ কঠোৰ কৰি তুলিছিল।

গডফ্ৰে-ই ভাবিলে—গধূলিটো কেনেকৈ কটোৱা যায়? তেওঁ এবাৰ ভাবিলে—'ৰামধনু' বোলা আলহী-ঘৰলৈকে গৈ

কুকুৰা-যুজৰ বিষয়ে শুনা যাওক। তাত সকলো মানুহ গোট খাবহি; তাত কৰিব লগীয়াও একো নাই। অৱশ্যে কুকুৰা-যুজত তেওঁৰ লেশমাত্ৰও ৰাপ নাছিল। এই চিন্তাসূত্ৰত আঘাত কৰি তেওঁৰ আগত চকুলৈ চাই শুই থকা কুকুৰটোৱে গিৰিহতৰ হাতৰ আদৰ পোৱাৰ আশাত জ্যাঁপ মাৰি উঠিল। গড্‌ফ্ৰে-ই কুকুৰটোলৈ নোচোৱাকৈ তাক হাতেৰে আঁতৰাই দি কোঠালিটোৰ পৰা বাহিৰ ওলাল। কুকুৰটোৱে সম্ভৱতঃ উপায়ান্তৰ হৈয়ে নম্ৰভাৱে তাৰ গৰাকীৰ পাছ ললে।

( ৪ )

## ধনৰ বিলৈ

ডান্‌ষ্টান কেচে পাছদিনা দোকমোকালিতে ঘোৰাত উঠি ধীৰ খোজত বাটেদি গৈ আছিল। বাটটোৰ এমূৰত 'শিলৰ খাল' বোলা মুকলি ঠাইখনত এসময়ৰ কোনোবা শিলাকুটীৰ সেই শিলৰ ঘৰটো ; তাতে যোৱা পোন্ধৰ বছৰ ধৰি চাইলাচ্‌ মাৰ্ণাৰ আছে। কেউফালে পানী-বোকা লাগি, সেই নিৰ্জন শিলৰ খালটোত ৰঙচুৱা বোকাপানী বন্ধ গৈ ঠাইখন দেখিবলৈ এই পুৱাৰ বতৰত অতি শূন্য হৈ পৰিছিল। ঠাইখন দেখি ডান্‌ষ্টানৰ মনত সেই ভাৱটো খেলালে। দ্বিতীয় ভাৱটো হৈছে—খট্‌খটাই তাঁত বৈ থকা সেই অজগৌ তাঁতীটোৰ এগাল ধন কৰবাত লুকাই থোৱা আছে। ডান্‌ষ্টানে ভাবিলে —মাৰ্ণাৰৰ কৃপণালিৰ কথা শুনিও সি নো মাৰ্ণাৰক ভয় খুৱাই বা ফুচুলাই ভৱিষ্যৎ সম্পত্তিৰ মালিক হোৱাৰ আশাৰে জামিন দি গড্‌ফ্ৰে-ৰ হতুৱাই মাৰ্ণাৰৰ পৰা ধন ধাৰে অনাৰ কথা উন্নকিয়াব নাপায়নে? ডান্‌ষ্টানে ভাবিলে—মাৰ্ণাৰৰ ধনৰ দ'মটো পালে গড্‌ফ্ৰে-ই নিজৰ বাবে খৰচ কৰি তেওঁৰ অনুগত ভায়েকৰ কাৰণেও ধন দিব পাৰিব। ভাৱটো তাৰ মনত এনে সহজ আৰু সুবিধাজনক যেন লাগিল যে সি ঘোৰাটো ঘূৰাই ঘৰমুৱা হবলৈকে স্থিৰ কৰিলে। গড্‌ফ্ৰে-ই

এই সু-পৰামৰ্শ টপৰাই লব—তাত সন্দেহ নাই; নিজৰ ঘোৰাটো বেচাৰ পৰা ৰক্ষা পাবলৈ গড্ফ্রে-ই যে এই বুদ্ধিটো লব—ই ঠিক।

কিন্তু ডান্ষ্টানৰ চিন্তাৰ গতিটো এইখিনি পাওঁতেই সেই ইচ্ছা প্রবল হৈ পৰিল। গড্ফ্রেই ইমান সহজ এটা উপায় পাই আনন্দ পাব—এইটো তাৰ ইচ্ছা নাছিল; গড্ফ্রে-ই আমনি পাওক—ইয়াকে সি বিচাৰিছিল। তদুপৰি ঘোৰাটো বেচিব, দাম-দৰ কৰিব, আৰু কাৰোবাক ঠগি সৰহ দাম আদায় কৰিব—এই আত্মতুষ্টিৰ আনন্দত ডান্ষ্টান বিভোৰ হ'ল। ককায়েকৰ ঘোৰাটো বেচাৰ আনন্দ, লগতে গড্ফ্রে-ক লগাই দি মাৰ্ণাৰৰ পৰা ধন ধাৰ কৰাৰ আনন্দ সি পাব। গতিকে সি—চিকাৰীবিলাকক লগ ধৰিবলৈ ঘোৰা চেকুৰাই দিলে।

ব্ৰাইচ্ আৰু কিটিং তাতে আছিল। ডান্ষ্টানেও ভাবিছিল যে তাৰ ভাগ্য সুপ্রসন্ন; তেওঁলোকক সেই ঠাইতে লগ পাব। বহুদিনৰ পৰা ঘোৰাটোৰ ওপৰত চকু দি থকা ব্ৰাইচে মাত দিলে, "আহাঁ, আহাঁ। আজি দেখোন ককায়েৰাৰ ঘোৰাত উঠি আহিলা……কথাটো কি?"

ডান্ষ্টানৰ মিছা কথা কৈ ধৰা পৰাৰ ভয় নাই; গতিকে সি মিছা মতাৰ আনন্দতে উত্তৰ দিলে, "ঘোৰাটো তেওঁৰ পৰা হাত কৰিলোঁ……বুজিছেনে? এতিয়া ঘোৰাটোৰ মালিক —মই।"

ডান্‌ষ্টানে আকৌ মিছা মাতিব বুলি জানি শুনিও ব্ৰাইচে সুধিলে, "তোমাৰ সেই হাড়-ছাল যেন ঘোঁৰাটোকে লগত এই ঘোৰাটো সলালানে ?"

ডান্‌ষ্টানে গা-ত নলগাকৈ ক'লে, "এ, কিনো কম্ ? আমাৰ ভিতৰত অলপ হিচাব কৰিব লগীয়া আছিল। পাছে ঘোৰাটোৱে হিচাবৰ মকা-বিলা কৰা হ'ল……বুজিছেনে ? মোৰ জৰ্টিনৰ তেজাল ঘোৰাটোহে লবৰ মন আছিল ; পাছে ……বুজিছেনে…বৰ অনিচ্ছাত হে ককাইদেউৰ ঘোৰাটো লব লগা হ'ল। কিন্তু এই ঘোৰাটো হ'লে হাতৰ পৰা এৰি নিদিওঁ। সিদিনা……কিবা বোলেনে…সেই লৰ্ড ক্ৰমেনকৰ মানুহটোৱে—সেই যে চকুত ফুল পৰা……সেউজীয়া চোলা পিন্ধা মানুহটো……এই ঘোৰাটোৰ কাৰণে এশ পঞ্চাচ পাউণ্ড যাচিছিল। পাছে…ফুঃ। এনে ঘোৰা সতকাই আৰু নাপাওঁ। বুজিছেনে……ঘোৰাটো বৰ তেজী……পাছে পাছ ঠেং দুখনতহে অলপ বল কম…।"

ব্ৰাইচে বুজিলে যে ডান্‌ষ্টানৰ ঘোৰাটো বেচিবৰ মন আৰু (ঘোৰাৰ এনে চতুৰ বেপাৰ কৰা মানুহ জাতিৰ যে ডাঙৰ কাৰবাৰ তাক নকলেও হব) ডান্‌ষ্টানেও বুজিলে যে তাৰ মতলব ব্ৰাইচে বুজি উঠিছে। দাম-দৰৰ এয়ে আৰম্ভণি বুলি দুয়ো গম পাইছিল। ব্ৰাইচে তেতিয়া ক'লে, "আচৰিত! তুমি ঘোৰাটো হাতৰ পৰা এৰি নিদিয়াটোহে আচৰিত! ঘোৰাৰ ডবল দাম পায়ো ঘোৰা নেবেচা কত শুনিছা বাৰু ?

এই ঘোৰাৰ দাম এশ পাউণ্ড পালেও তোমাৰ ভাগ্য বুলি জানিবা।”

কিটিঙো আগ বাঢ়ি আহিল আৰু ঘোৰাৰ দাম-দৰ আউল লগা হৈ পৰিল। শেষত ছকুৰি পাউণ্ডত ব্ৰাইচে ঘোৰাটো লোৱা থিৰ কৰিলে, এই চৰ্ত্তত যে ঘোৰাটো নি তেওঁৰ ঘোৰা-শালত নিঘুণী অৱস্থাত দিবগৈ লাগিব। ডান্‌চিয়ে ভাবিলে যে সেইদিনা চিকাৰলৈ নগৈ ব্ৰাইচৰ ঘৰলৈ গৈ তাতে বাট চাই থাকি ঘোৰাটো গতাই ধনখিনি জেপত লৈ সি আন এটা ভেৰোণীয়া ঘোৰাত উঠি ঘৰলৈ যাব। কিন্তু দাম-দৰৰ অন্তত সি জেপৰ বটলটোৰ পৰা এসোহা ফটিকা খাই, এই সৌভাগ্যৰ আনন্দত চিকাৰলৈ যোৱা ইচ্ছা দমাব নোৱাৰিলে; চিকাৰত ওখ বেৰ অনায়াসে জাঁপ মাৰি পাৰ হব পৰাকৈ ঘোৰা চেকুৰাই বাহাদুৰি পোৱাৰ হেপাহত তাৰ আগৰ ইচ্ছা ভঙ্গ পৰিল। চিকাৰত ওখ বেৰৰ ওপৰেদি জঁপিয়াওঁতে এডাল খুটিত ঘোৰাটো শালি ধৰিলে। ডান্‌ষ্টানৰ দাম নোহোৱা পপীয়া দেহাটো কোনোমতে ৰক্ষা পৰিল। ঘোৰাটো বাগৰি পৰি চাটি-ফুটিকৈ শেষত মৰি থাকিল।

চিকাৰৰ সময়ত বেকাবডাল ঠিক কৰি লওঁতে পিছ পৰি ডান্‌ষ্টানে ঘোৰাটোক গালিশপনি পাৰি কণামুনাকৈ ঘোৰাৰে জঁপিয়াই বেৰ পাৰ হবলৈ চেষ্টা কৰিছিল যাতে সোনকালে চিকাৰী বিলাক আৰু কুকুৰজাকৰ লগ ধৰিব পাৰে। যেতিয়া সেই দুৰ্ঘটনাটো ঘটিল, ডান্‌ষ্টান চিকাৰীবিলাকৰ

পৰা বহুত পিছত আৰু ইফালেও পিছত অহা মানুহবিলাক সেই দুৰ্ঘটনাৰ ঠাইৰ পৰা আঁতৰত থকাত মৰা ঘোৰাটো থকা ঠাইলৈ কোনো নাহিবও পাৰে। হৈ যোৱা ঘটনাতকৈ বৰ্ত্তমান বিপদৰ ফালে বেচিকৈ মন কৰা ডানষ্টানে মাটিৰ পৰা উঠি যেতিয়া দেখিলে যে ঘোৰাটো মৰিল, সি ওচৰত সেই দুৰ্ঘটনাৰ কোনো সাক্ষী নেদেখি স্বস্তিৰ নিশ্বাস পেলালে; হয়তো কোনোবাই দেখা হ'লে কথা বিষমেই হ'লহেতেন।

পৰাৰ পাছত গা-মূৰ জোকাৰি উঠি জেপৰ বটলৰ ফটিকাৰে গা-টো টঙাই গালি-শপনি পাৰি ডানষ্টানে সোঁহাতৰ এটা জোপোহাৰ ফালে যিমান পাৰে বেগাই খোজ ললে। সি ভাবিছিল যে জোপোহাটোৰ মাজেদি চিকাৰী-দলৰ কাকো লগ নোপোৱাকৈ ত্ৰাইচৰ ঘৰৰ ফালে যাব পাৰিব। সি পোনতে ভাবিলে যে তাতে এটা ঘোৰা ভাৰালৈ লৈ ঘোৰাত উঠি ঘৰলৈ যাব, কাৰণ তাৰ দৰে উগ্ৰ প্ৰকৃতিৰ ডেকাৰ পক্ষে হাতত বন্দুকটো লৈ বাটেদি বাটকুৰি বাই যোৱা কথাটো উঠিবই নোৱাৰে। এই দুৰ্ঘটনাৰ বাতৰিটো গডফ্ৰে-ক জনোৱাত তাৰ আপত্তি নাছিল, কাৰণ লগতে সি মাৰ্ণাৰৰ পৰা ধন ধাৰ কৰাৰ উপায়টোও দিব পাৰিব। হুঁওতে গডফ্ৰে-ই আগে পাছে কৰাৰ দৰে নতুনকৈ ধাৰ লগাবলৈ পালে হাত-ভৰি আচাৰিব; কিন্তু সৰহ পৰলৈ তো হাত-ভৰি আচাৰি নাথাকে! ডানষ্টানে জানিছিল যে সি যি কোনো কথাতে গডফ্ৰে-ক আমনি কৰিব পাৰে। ভাবোঁতে

ভাবোঁতে মার্ণাৰৰ ধনৰ চিন্তা সাকাৰ মূৰ্ত্তি ধৰি তাৰ মানস-পটত জিলিকি উঠিল আৰু লগে লগে সেই ধন নোপোৱাৰ কথাটো লাগতিয়াল হৈ পৰিল। বোকা লগা জোতাৰে ব্ৰাইচৰ ঘৰলৈ গৈ, বাটৰুৱাৰ চকুত পৰি, চহিচবিলাকৰ দাঁত চেলোৱা হাঁহিৰ সমুখ হোৱাৰ সম্ভাৱনাই তাৰ মন ঘূৰাই দিলে আৰু সি ৰেভ্লোলৈ ঘূৰিগৈ সেই সজ উপায়টোক কামত লগাবলৈ স্থিৰ কৰিলে। জেপটো লুককি দুই তিনিটা বিবর্ণ পেনি পিটিকি সি ভাবিলে যে সেই ধনেৰে উভতি গৈ সিহঁতৰ ঘোৰাশালৰ চহিচৰ ধাৰটো মাৰিবলৈ নাটিব আৰু ধাৰ মাৰিব নোৱাৰিলে চহিচটোৱে তো ভৱিষ্যতে ডান্‌চি কেচৰ লগত কাৰবাৰ নকৰে বুলি খাতাংকৈ কৈছেই!

ঘোৰা চেকুৰাই ডান্‌ষ্টানে যি ডোখৰ ঠাই পাইছিলহি সি ৰেভ্লোৰ পৰা যিমান আঁতৰত, ব্ৰাইচৰ ঘৰৰ পৰাও সিমান আঁতৰতেই; কিন্তু পৰিষ্কাৰ মগজু নথকাত ডান্‌ষ্টানে শেষত গৈ আন আন কাৰণত সেই অদ্ভুত বাটেদি ঘৰলৈ খোজ লোৱাৰ সিদ্ধান্ত কৰিলে। তেতিয়া আবেলি চাৰি বাজিলেই; কুঁৱলীও পৰিবলৈ আৰম্ভ কৰিছে। গতিকে সোনকালে বাট ওলাব পাৰিলেই মঙ্গল। ঘোৰাটো মৰাৰ অলপ আগতে বাটটো পাৰ হৈ তিনি আলিৰ মূৰৰ খুটাটো দেখা তাৰ মনত পৰিল। কোটৰ বুতামবোৰ মাৰি ঘোৰাৰ বেতডালৰ মুঠিটো ভালকৈ ধৰি—যেন একো হোৱা নাই—এনে ভাৱেৰে জোতাযোৰত কোবাই কোবাই এনেকৈ খোজ ললে যেন

সি কিবা আচৰিত কুস্তিহে কৰিবলৈ ওলাইছে। তাৰ ভাৱত— এই দুঃসাহসিক ঘটনাটো তিলকে তাল কৰি 'ৰামধনু'ত বহি থকা ৰাছকবনীয়া শ্ৰোতাসকলক সি অবাক্ কৰি দিব।

ডান্‌চিৰ দৰে ডেকাৰ কাৰণে এনে ধৰণে হাতত এডাল বেত লৈ খোজ কঢ়াই—অনভ্যাসৰ কাৰণে ওপজা বিবুদ্ধিৰ ভাৱটো আঁতৰাব পাৰিলেহেতেন; কিন্তু কুঁৱলীৰ মাজেদি গৈ থাকি ডানষ্টানে য'তে ত'তে কোবাই গৈছিল। বেতডালৰ গৰাকী গড্‌ফ্ৰে; ডানচিয়ে তেওঁক নোকোৱাকৈয়ে বেতডাল আনিছিল—কাৰণ বেতডালৰ মুঠিটো সোণৰ আৰু তাতে গড্‌ফ্ৰে কেচৰ নামটো কটা আছিল। অৱশ্যে হাতত লোৱা বেতডালৰ আখৰ কেইটা মানুহে দেখা নাপায়; পাছে বেতডাল যে ধুনীয়া বুলিব তাত সন্দেহ নাই। ডানষ্টানৰ ভয়ো লাগিছিল জানোচা কুঁৱলীৰ মাজতো কোনো চিনাকী মানুহৰ ওচৰাওচৰি হলে বেতডাল চিনি পায়; কিন্তু বেডলোৰ বাটত যেতিয়া সি চিনাকী কাকো লগ নাপালে। ই যে আৰু স্বাভাৱিক সৌভাগ্যৰে ফল—সেই কথা তাৰ মনত খেলালে। তথাপি সাঁজ পৰৰ আন্ধাৰ আৰু কুঁৱলীয়ে বাট-পথ ঢাকি ধৰিলে; ইফালে খালে-ডোঙে ভৰি পিছলি পৰিবৰো ভয়। সেই কাৰণে কণাৰ লাখুটি কৰি জোপাবোৰৰ ওপৰেদি যাওঁতে বেতডাল চোচোৰাই সি যাবলৈ ধৰিলে। সি ভাবিলে —কাঁইটীয়া জোপোহাবোৰৰ শাৰীটো পাৰ হৈয়ে সেই শিলৰ খালটো পোৱা যাব।

আচম্বিত পোহৰৰ ভিৰ্ বিৰণি দেখি সি অনুমান কৰিলে যে চাইলাচ মাৰ্ণাৰৰ পঁজাৰ সেয়া চাকিৰ পোহৰ। তথাপিও বাটটো খোজকাঢ়ি আহোঁতে তাৰ মনত সেই পঁজাটো, তাৰ ভিতৰত লুকাই থোৱা ধনগালৰ কথা খেলাই আছিল আৰু আলাসত চাংপতাৰ দৰে সি মনতে তাঁতী মাৰ্ণাৰক ডাবি-হুকি দি প্ৰলোভন দেখুৱাই সুদ দিব বুলি ধনখিনি দিবলৈ মান্তি কৰোৱাৰ কথাকে ভাবি আহিছিল। ডানষ্টানৰ কাৰবাৰী বুদ্ধিৰে সুদ পোৱাৰ সুবিধাৰ কোনো গা-ৰ বল দেখুৱা উপায় উদ্ভাৱন কৰিব নোৱাৰাত ভাবিলে যে টকা আদায় কৰোঁতে ভয় আৰু ফুচুলনি দুয়োটা প্ৰয়োগ কৰিব লাগিব। জামিনৰ তো কথাই নাই; ধাৰে দিয়া টকা ঘূৰাই পাব বুলি ছলাহী কথা কৈ মানুহক ঠগিব পাৰি—এই কথা ডানষ্টানে অস্পষ্টকৈ হ'লেও ভাবিছিল। গড্‌ফ্ৰে-ই যে সেই কৰাইচ্ তাঁতীটোৰ মন ভুলোৱা কামটো তেওঁৰ বাঘৰ আগভেল খোৱা শিয়াল-টেঙৰ ভায়েকৰ হাতত দিব—এই কথা ডানষ্টানে ভাবি গৈছিল আৰু ডানষ্টানেও সেই কাম হাতত লব বুলি ঠিক কৰিছিল; মাৰ্ণাৰৰ খিৰিকিৰ জলঙাইদি বিৰিঙি ওলোৱা পোহৰ দেখাৰ লগে লগে ডানষ্টানৰ মনত মাৰ্ণাৰৰ সৈতে হুৰলগীয়া কথা-বতৰা ইমান স্পষ্ট হৈ উঠিল যে সি তৎক্ষণাৎ গৈ মাৰ্ণাৰৰ লগত চিনাকী হোৱাৰ প্ৰস্তাৱটো সাধাৰণ কথা বুলি ভাবিবলৈ ধৰিলে।

এই কাম কৰাত কেবাটাও সুবিধা ওলাব পাৰে; তাঁতী-

টোৰ ঘৰত লেম এটা থাকিব পায়; ইফালে ডানৃষ্টানৰো আন্ধাৰত খপিয়াই আমনি লাগিছে। ঘৰৰ পৰা তেতিয়াও প্ৰায় কৈবা নলো আঁতৰ; বাট-পথো কুঁৰলীয়ে আৰু তাৰ পাছত বৰষুণে ঠেকেচা খোৱা কৰি পিছল কৰিছে। পোহৰটো সমুখৰ ফালে নে পঁজাটোৰ ফালে—একো উমান কৰিব নোৱাৰি সি শিলৰ খালটোৰ পাৰেদি গ'ল; মনে মনে ভয়ো লাগিছিল জানোচা আচল বাট বিচাৰি নাপায়! বেতডালৰ মুঠিটোৰেদি মাটিত খপিয়াই সন্তৰ্পণে গৈ শেষত সি পঁজাটোৰ ছুৱাৰমুখত ওলাল। ছুৱাৰত ডাঙৰকৈ টক্‌টকাই দি বগুঁথা তাঁতীটোৰে শব্দ শুনি ভয় খোৱা বুলি কল্পনা কৰি সি আমোদ পালে; কিন্তু উত্তৰত ভিতৰৰ পৰা ভৰিৰ খোজৰ শব্দ শুনা নগ'ল। পঁজাৰ ভিতৰত নিমাত-নিতাল। ডানৃষ্টানে ভাবিলে—তাঁতীটো তেনেহলে কলৈ গ'ল? যদি কৰবালৈ গৈছেও, তেন্তে চাকি জ্বলাই গৈছে কিয়? সম্ভৱতঃ সেই ধনগুলৈটোৰ পাহৰা মন। সি আকৌ বেচি ডাঙৰকৈ টুকুৰিয়াই দিলে আৰু উত্তৰলৈ বাট নাচাই ছুৱাৰখন জোকাৰি দিবলৈ সি ছুৱাৰ-ডাংমৰা ফুটাটোৰেদি আঙুলি সুমাই দিলে আৰু ছুৱাৰখন সঁচাৰ-মৰা আছে বুলি ভাবি ছুৱাৰ-ডাঙৰ জৰীডাল জোকাৰি দিলে। কিন্তু আচৰিত কথা যে এই হেচা-ঠেলাত ছুৱাৰখন মেল খাই গ'ল আৰু ডানৃষ্টান গৈ জুলি থকা জুইকুৰাৰ কাষ পালে; জুইৰ পোহৰত চাৰি-পাচি, তাঁতখন, চকীমেজবোৰকে আদি কৰি পঁজাটোৰ চুকটো

কট্‌ফটীয়াকৈ দেখা গ'ল ; কিন্তু মাৰ্ণাৰ যে পঁজাৰ ভিতৰত নাই, বুজা গ'ল।

সেই মুহূৰ্ত্তত ইটাবে সজা জুহালৰ জ্বলি থকা জুইকুৰাই যেন ডান্‌চিক তাপ লগাবলৈ মাতিহে আছিল। সি গৈ জুহালৰ কাষত বহিল ; জুইৰ সমুখৰ ফালে ভোকে-পিয়াহে জৰ্জ্জৰিত হৈ থকা মানুহৰ ভোক পলুৱাব পৰা এডোখৰ মঙহ এডাল জৰীৰ আগত ওলোমাই থোৱা আছিল ; কিন্তু মঙহডোখৰ জুইৰ পৰা ইমান আঁতৰত ওলোমাই ৰখা আছিল যাতে গৰাকী নাথাকিলেও জুইৰ তাপত দেই নাযায়। ডান্‌ষ্টানে মনতে ভাবিলে—সেই অঁকৰাটোৱে তেন্তে খৰিকাত দিয়া মঙহহে খায় ; মানুহবিলাকে কয় বোলে মাৰ্ণাৰে গেলা-পচা পিঠা চোবাই ভোক নলগাকৈ ৰাখে। পাছে, এনে সময়ত জাবকালি গধূলি এনে সুন্দৰকৈ মঙহ খৰিকাত দিয়াৰ দিহা কৰি হুৱাৰ নজপোৱাকৈ তাঁতীটো কলৈ গ'ল ? আন্ধাৰত অহা অভিজ্ঞতাৰ পৰা ডান্‌ষ্টানে ভাবিলে হয়তো মাৰ্ণাৰে খৰি আনিবলৈ বা কিবা সৰু-সুৰা কামত গৈছে আৰু হয়তো শিলৰ খালত পিছলি পৰিবও পাৰে।

তাঁতী মাৰ্ণাৰ শিলৰ খালটোত পৰা ধুনীয়া ভাবটো ডান্‌ষ্টানৰ কাৰণে বৰ সুফলদায়ক যেন লাগিল। যদি মাৰ্ণাৰ শিলৰ খালত ডুবি মৰিছে তেন্তে তাৰ ধনসোপা কাৰ হব ? আৰু তাৰ ধন লুকাই থোৱা ঠাইখন কোনে জানিব ? কোনে বা জানিব যে কোনোবাই তাৰ ধন চুৰ কৰি নিবলৈ

আহিছিল ? ডান্‌ষ্টানে সাক্ষী-প্ৰমাণৰ আউলৰ মাজলৈ নগৈ মাথোন ভাবিলে—তাৰ ধনখিনি ক'ত আছে ? এই প্ৰশ্নটোৱে তাক এনেদৰে অভিভূত কৰি তুলিলে যে সি মাৰ্ণাৰ মৰাৰ কথাটো অসম্ভৱ হব পাৰে বুলি ভাবিবলৈকো পাহৰি গ'ল। বুদ্ধিহীন লোকে নিজৰ কামনাৰ ইন্ধন যোগোৱা এটা যুক্তি এবাৰ কৰিলে সেই যুক্তিৰ মূলত অসম্ভৱ কিবা থাকিব পাৰে বুলি ভাবিব নোৱাৰে। পাষণ্ড বুদ্ধিৰ মানুহৰ মনৰ দৰে ডান্‌ষ্টানৰ মনটোও তেনেকৈ চালিজাৰি চাব নোৱাৰা বিধৰ ভোটা আছিল। গতিকে সাধাৰণ গাৱঁলীয়া লোকৰ ধন লুকাই থোৱা ঠাই—শুনা মতে—হয় খেৰৰ চালখন, নহলে ঢাবিপাটী, নাইবা মজিয়াত খনা গাঁত হব। কিন্তু মাৰ্ণাৰৰ পজাঁটোৰ চালখন খেৰৰ নাছিল ; গতিকে অতিলোভৰ পৰা ওপজা চিন্তাৰ পম খেদি ডান্‌ষ্টান প্ৰথমতে বিচনাখনলৈ গ'ল। লগে লগে তাৰ চকুৰ লোভী দৃষ্টি গ'ল মজিয়ালৈ ; জুইৰ পোহৰত ওপৰত বালি চটিওৱা ইটা কেচটাৰ ওপৰত তাৰ চকু পৰিল। কোঠালিটোৰ আন ঠাইত ইটা নাই ; কেৱল এঠাইতহে ইটা কেচটা ; তাৰ ওপৰত বালি চটিওৱা আছে ; বালিৰ ওপৰত আঙুলিৰ সাঁচ ; কালিখিনি এঠাইত মেলি দিওঁতে সেই সাঁচ বহিছে ; ঠাইডোখৰ তাঁতৰ গৰকা কেডালৰ ওচৰতে।

একে চাটেই ডান্‌ষ্টান ঠাইডোখৰলৈ গৈ বেতডালৰ আগেৰে বালিখিনি গুচাই বেতডালৰ ক্ষীণ মূৰটো ইটাৰ মাজত সুমাই লৰাই দেখিলে যে ইটা কেচটা ঢিলা হৈ আছে।

তভাতৈয়াকৈ দুচটা ইটা দাঙি বিচৰা বস্তুটো তাৰ পোৱা যেন লাগিল; ভিতৰৰ দুটা ছালৰ মোনাত ধনৰ বাহিৰে আন কি থাকিব পাৰে? গধুৰলৈ চাই মোনাদুটাত সোণৰ মোহৰেৰে খুন্দ্ খাই আছে যেন লাগিল। হাত ভৰাই গাঁতটোৰ ভিতৰত খপিয়াই সি বুজিলে যে তাত আৰু মোনা নাই আৰু বেগাবেগিকৈ ইটা কেচটা পাৰি তাৰ ওপৰত বালি মেলি দিলে। তেতিয়াও পঁজাটোলৈ অহা ডান্‌ষ্টানৰ পাঁচ মিনিট মানহে হৈছিল; কিন্তু সেইকণ সময় তাৰ মানত বৰ দীঘল যেন লাগিল। মাৰ্ণাৰ যে জীয়াই আছে আৰু পঁজাত যে সশৰীৰে তাৰ আবিৰ্ভাৱ হব তাৰ সম্ভাৱনা ভালকৈ ভাবিব নোৱাৰিলেও—হাতত মোনা দুটা লৈ ঠিয় হওঁতেই ডান্‌ষ্টানৰ মন এক অজান আতঙ্কেৰে ভৰি পৰিল। সি ভাবিলে—বেগাই বাহিৰৰ আন্ধাৰলৈ ওলাই গৈও মোনা দুটাৰ কি দিহা হয় তাক সি স্থিৰ কৰিব। উজ্জল পোহৰত সি তৎক্ষণাৎ দুৱাৰখন জপাই বাহিৰ ওলাল। আৰু কেইখোজমান গ'লেই খিৰিকিৰ জলঙা আৰু দুৱাৰৰ ফুটাইদি ওলোৱা পোহৰত ধৰা পৰাৰ পৰা সি ৰক্ষা পাব। তাৰ ভাল লাগিল যে বৰষুণ আৰু কুঁৱলী ক্ৰমাৎ বেচি হৈ আহিছে, যদিও দুহাতে দুটা গধুৰ মোনা আৰু এহাতে মোনাটোৰ লগতে বেতডাল লৈ তাৰ বিজুতি লাগিছিল। এনেকৈ সি আন্ধাৰৰ কালে খোজ ললে।

---

## (৫)

# বিনামেঘে বজ্ৰপাত

ডান্‌ষ্টান কেচ্‌ পঁজাটোৰ পৰা ওলাই যোৱাৰ সময়ত চাইলাচ্‌ মাৰ্ণাৰে তাৰ পৰা কেইনলমান আঁতৰত খনিয়া লোৱাৰ দৰে কান্ধত এটা মোনা কটিয়াই আৰু হাতত এটা চাকি লৈ গাৰ্ৰৰ মাজেদি আহি আছিল। ভাৰ-ত টন্‌টননি ধৰিলেও তাৰ মনটো নতুন পৰিৱৰ্ত্তনৰ ভাৱত পাতল লাগিছিল। মনৰ নিৰাপদ ভাৱ—বিশ্বাসতকৈ অভ্যাসৰ পৰাহে ওপজে, গতিকে খুহুৰনি লাগি থকা অৱস্থাৰ পাছৰ পৰিবৰ্ত্তনৰ পৰা এনে পাতল ভাৱ হোৱা দেখা যায়। অভ্যাসৰ এই যুক্তিৰে চালে, কিছু সময়ৰ ভিতৰত কোনো নিৰ্দ্দিষ্ট ঘটনা নঘটিলেও এনেকৈও কোৱা হয় যে সময় পাৰ হৈ যোৱাৰ লগে লগে এটা নিৰ্দ্দিষ্ট ঘটনা অৱশ্যম্ভাৱী হৈ পৰাতো সেই সময়েই এটা ঘটনা ঘটিবৰ যথেষ্ট কাৰণ হয়। দুকুৰি বছৰ ধৰি খনিৰ কামত দুৰ্ঘটনা নোহোৱা বন্ধুৱাই মূৰৰ ওপৰৰ কয়লাৰ দ'মটো ভগাৰ উপক্ৰম হলেও দুকুৰি বছৰৰ সময়খিনিক তাৰ মনৰ নিৰ্ভয় অৱস্থাৰ কাৰণ বুলি কৰ। দেখিলে বুজিব পাৰি যে যিমানেই মানুহ বুঢ়া হয়, সিমানেই নিজৰ আসন্ন মৃত্যুত বিশ্বাস কৰা তাৰ কাৰণে টান হৈ পৰে। বিচিত্ৰতাহীন জীৱন যাপন কৰা, নতুন মানুহৰ মুখ নেদেখা

পৰিবৰ্ত্তন আৰু নতুনত্বৰ ভাৱ সজাগকৈ ৰাখিব পৰা নতুন বাস্তৱিৰ গম নোপোৱা মাৰ্ণাৰক অভ্যাসৰ কট্‌কটীয়া বান্ধে বান্ধি পেলাইছিল। নিজৰ ঘৰ মেলি থৈ ধনখিনি এনেকৈ হাতে পোৱাতে এৰি আহিও যে তাৰ মনটো পাতল লাগিল তাৰ কাৰণ হৈছে এই অভ্যাসৰ বল। আহি থাকোঁতে মনৰ সন্তোষত সি গধূলিৰ খোৱাৰ কথা ভাবিছিল; জুইৰ কাষত ওলোমাই থোৱা মঙহ খাবলৈ গৰম আৰু জুতি লগা হ'ব; দ্বিতীয়তে, এই আপুৰুগীয়া মঙহ সি বিনা পইচাই পোৱা। সেইদিনা সি শ্ৰীমতী প্ৰিচিলা লেমেটাৰৰ বোৱা কাপোৰখন দিবলৈ যাওঁতে তেৰেঁই মৰম কৰি মঙহডোখৰ দিছিল। আগে-পাছেও বিনামূলীয়া মঙহ পালে সি খৰিকাত দিয়া মঙহ দৰনি পিটি খাবলৈ পায়। গধূলি যেতিয়া সি ধনখিনি আগত মেলি লৈ আনন্দত ডুবি থাকে, সেই সময়ৰ খোৱা-বস্তুখিনি তাৰ জিভাত সোৱাদ লগা হৈ পৰে। সেই কাৰণে মঙহ পালেই খৰিকাত দি খাবলৈ সি ৰাতিলৈ থৈ দিয়ে।

কিন্তু সেইদিনা গধূলি সি কৌশলেৰে জুহালৰ ওপৰত ৰচী এডালত মঙহডোখৰ ওলোমাই, দুৱাৰৰ ডাংডাল জৰীৰে বান্ধি থাকোঁতেই তাৰ মনত পৰিল যে পাছদিনা পুৱা তাঁতৰ কাৰণে অলপমান মিহি সূতা লাগিব। লেমেটাৰৰ ঘৰৰ পৰা ওভতোঁতে গাৰ্‌ৰৰ মাজেদি নহাত কথাটো তাৰ মনত নপৰিল; ইপিনে পুৱা এই সৰু কথাটোৰ বাবে একোপধ্যে কাম খতি কৰিব নোৱাৰি। হওঁতে বাহিৰৰ ভাঠ কুঁৱলীত


যোৱা বৰ টান; কিন্তু নিজৰ সুখ-সুবিধাতকৈ চাইলাচে দৰকাৰী কাম ততালিকে কৰি পেলাবলৈ ভাল পাইছিল। সেই কাৰণে ওলোমোৱা মণহডোখৰ জুইৰ পৰা আঁতৰত হাকুঁটিডালত লগাই মোনা আৰু চাকিটো লৈ সি ওলাই গ'ল; ভাল বতৰত যোৱা হ'লে তাৰ সময় তাকৰ লাগিলহেঁতেন; তুৱাৰখন সঁচাৰ মাৰি যোৱা হ'লে সি মণহডোখৰ খুলি খোৱাত পলম কৰিব লাগিলহেঁতেন। চাইলাচে সেই কাম নকৰিলে; কাৰণ তাৰ ভয়ো নাছিল। এই জাৰকালিৰ ৰাতি চোৰে শিলৰ খালৰ ফালে আহিবলৈ বাট বিচাৰি নাপায়; আৰু চোৰ আহিলেও, যোৱা পোন্ধৰ বছৰে এদিনো নাহি আজিহে আহিবনে? এই কথাবোৰ চাইলাচৰ মনত স্পষ্টকৈ নেখেলালেও তাৰ মনৰ আজিৰ নিৰাপদ পাতল ভাৱটো এই প্ৰশ্নবোৰৰ ভেটি হৈ পৰিছিল।

কামটো হৈ যোৱাত মনৰ সন্তোষত চাইলাচে ঘূৰি ঘৰৰ তুৱাৰমুখ পালেহি। তুৱাৰ মেলি সি কেউফালে চাই পঠিয়ালে; চকুৰ দৃষ্টি বৰ চোকা নাছিল বাবে তাৰ চকুত ঘৰৰ বস্তুবোৰ এৰি থৈ হোৱাৰ দৰেই থকা যেন লাগিল। মাথোন জুইকুৰা বৰ বেচিকৈ জ্বলি তাপ বঢ়াই তুলিছিল। হাতৰ চাকিটো, মূৰৰ টুপিটো আৰু মোনাটো যথাস্থানত থৈ সি কোঠালিটোত ইফাল সিফালকৈ ফুৰিবলৈ ধৰিলে আৰু তাৰ খোজত ডান্‌টানে বালিৰ ওপৰত এৰি থৈ যোৱা ভৰিৰ গজাল লগোৱা জোতাৰ চিনবোৰ লাহে লাহে মচা গ'ল।

তাৰ পাছত মণ্ডহডোখৰ জুইৰ কাষলৈ ওলোমাই দি মণ্ডহ খৰিকাত দিয়া আৰু জুইৰ তাপ লোৱা ছুয়োটা আৰামজনক কাম কৰাত লাগিল।

জুইৰ ৰঙা পোহৰত মাৰ্ণাৰৰ শেতা মুখ, অদ্ভুত তীক্ষ্ণ চকু-যোৰ আৰু ক্ষীণ দেহাটো দেখা মানুহে বুজিলেহেতেন—কি কাৰণে বেভ্‌লোৰ মানুহবিলাকে তাক ঘৃণা, পুতৌ, ভয় আৰু সন্দেহৰ এক মিহলি ভাৱেৰে চাইছিল। সি যি নহওক, মাৰ্ণাৰ অতি নিৰীহ-নিপানী মানুহ আছিল; তাৰ সৎ সৰল অন্তৰত ধনৰ বৰ্দ্ধমান লোভ থাকিলেও আনৰ অপকাৰ কৰা কোনো পাপমূলক ভাৱ নাছিল। যেতিয়া তাৰ ধৰ্ম্মবিশ্বাসৰ বস্তিটি মুমাই গ'ল আৰু তাৰ অন্তৰৰ মৰম-চেনেহ জঁয় পৰিল, তেতিয়া সি তাৰ কাম আৰু ধনক অভ্যাসৰ বলেৰে আঁকোৱালি ধৰিলে। কামৰ ধৰণ অনুসৰি মানুহৰ প্ৰকৃতি হোৱাৰ দৰে চাইলাচৰ কাম আৰু ধনে তাৰ স্বভাৱ-টোও সেইবোৰৰ ধৰণত গঢ়ি পেলালে। অবিৰামভাৱে তাঁত চলোৱাত তাঁতৰ বৈচিত্ৰ্যহীন গতিয়ে তাৰ মনটোকো বৈচিত্ৰ্য-হীন প্ৰতিক্ৰিয়াৰ ফালে ঢাল খুৱাই দিলে। আন হাতে লাহে লাহে বাঢ়ি উঠা তাৰ হেপাহৰ ধনৰ দ'মটোৰ নিচিনাকৈ তাক কঠোৰ নিৰ্জ্জনতাৰ মাজত বেলেগ আৰু অকলশৰীয়া কৰি তুলিলে।

হাত-ভৰিবোৰত তাপ লগাই সি ভাবিলে যে খোৱা হয় মানে পলম আছে আৰু খাই থাকোঁতে মোহৰবোৰ. মেজৰ



"...... সি চাকিটোৰ পোহৰ গাঁতৰ ভিতৰত পেলাই চালে।"

ওপৰত উলিয়াই লওঁতেও কিছু সময় লাগিব। আনন্দই ৰাগী লগায়—সঁচা; চাইলাচৰ ধনৰ আনন্দৰ ৰাগীও যে বৰ চোকা আছিল, তাত সন্দেহ নাই।

কোনো সন্দেহ নকৰাকৈ সি উঠি গৈ তাঁতৰ ওচৰৰ মজিয়াত চাকিটো থলে আৰু বালিখিনি গুচাই ইটাকেচটা দাঙি পেলালে; তেতিয়া তাৰ ওপৰত কোনো পৰিবৰ্ত্তন সি লক্ষ্য নকৰিলে। শুদা গাঁতটো দেখি তাৰ বুকুখন ধৰ্ ফৰাই উঠিল; ধনখিনি যে নাইকিয়া হ'ল এই ভাবটো সেইসময়ত তাৰ মনত নেখেলালে;—তাৰ ঠাইত এক অজান আতঙ্ক আৰু সেই আতঙ্ক দূৰ কৰিবৰ চেষ্টাই তাৰ মনত ঠাই পালে। চকুৰ ভুলো হব পাৰে বুলি সি গাঁতটোৰ চাৰিওফালে হাত ফুৰাই চালে, কঁপি কঁপি সি চাকিটোৰ পোহৰ গাঁতৰ ভিতৰত পেলাই চালে। শেষত কঁপনিত তাৰ হাতৰ চাকিটো সৰি পৰিল আৰু নিজকে শান্ত কৰি চিন্তা কৰিবলৈ সি দুয়োহাতে মূৰটো ধৰিলে। কিজানি বা সি হঠাৎ আগনিশা ধনখিনি কৰবাত থৈ পাহৰিলে? অথাই পানীত পৰা মানুহে সোঁতত বাগৰি যোৱা শিলত খোপনি পুতি পাৰত উঠিবলৈ চেষ্টা কৰাৰ দৰে—এই মিছা আশা কৰি চাইলাচে অলপ সময়লৈ মনৰ নিৰাশ ভাৱ আঁতৰাই পেলালে। সি চুকে-কোণে পিত্ পিত্কৈ বিচাৰিলে, বিচনাখন লুটিয়াই জাৰিজোকাৰি পেলালে; লাখুটিডাল থোৱা ইটাকেডোখৰ দাঙি পাৰি চালে। যেতিয়া বিচাৰিবলৈ আৰু ঠাই নাই যেন লাগিল,

সি আকৌ আঠুকাঢ়ি গাঁতটোৰ ভিতৰত হাতেৰে ভালকৈ খপিয়াই চালে। এতিয়া চাইলাচৰ কাৰণে সেই বাস্তৱ ভয়ঙ্কৰ সত্যৰ পৰা আত্মৰক্ষা কৰিবলৈ একমুহূৰ্ত্তৰ আশ্ৰয়ো নাইকিয়া হ'ল।

তীব্ৰ উত্তেজনাৰ পাছত মনৰ ভাৱৰ দুৰ্ব্বলতাৰ লগত কেতিয়াবা আশ্ৰয়স্থল ওলায়; একোটা অসম্ভৱ আশা, বলিয়ালি নহ'লেও একো একোটা অদ্ভুত বিকদ্ধভাৱে তেতিয়া জুমুৰি দি ধৰেহি; তাৰ কাৰণ বাস্তৱ সত্যই তেনে ভাৱক খণ্ডন কৰি পেলাব পাৰে। কঁপি কঁপি ঠিয় হৈ চাইলাচে মেজখনৰ চাৰিওফালে চকু ফুৰাই চালে; কিজানিবা তাৰ সোণৰ মোহৰগাল তাতে পৰি আছে! কিন্তু মেজখন শুদা! ঘূৰি পকি পঁজাটোৰ কেউফালে সি জুমি জুমি চাবলৈ ধৰিলে; কিজানিবা আগেয়ে বিচাৰি নোপোৱা ঠাইত ধনৰ মোনা-কেইটা ওলাই পৰেই! পঁজাটোৰ সকলো বস্তু ঠায়ে ঠায়ে আছে; মাথোন তাৰ ধনখিনি তাত নাই।

আকৌ সি দুহাতেৰে মূৰটো ধৰি তীব্ৰ নিৰাশাত বিকট চিঞৰ মাৰি উঠিল। অলপ সময় সি অলৰ-অচৰ হৈ ৰ'ল; চিঞৰটোৱে তাৰ বাস্তৱতাৰ নিষ্ঠুৰ আঘাতটো অলপ লাঘৱ কৰা যেন লাগিল। সি থৰক্ বৰকৃকৈ গৈ তাঁতপাটত বহিল; অভ্যাসগত প্ৰবৃত্তিৰ বলত সি তাৰ চিনাকী তাঁতখনত বহি জীৱনৰ বাস্তৱতাৰ আশ্ৰয় ললে।

[illegible] আশাৰোৰ আৰু প্ৰথম আঘাতটো [illegible]

আঁতৰাৰ লগে লগে তাৰ মনত খেলালে—কিজানিবা চোৰ ধৰিলে ধনখিনি ঘূৰাই পোৱা হব! এই ভাৱটো সি হেপাহেৰে আদৰি ললে; ভাৱটোৱে তাৰ মনত যেন বল দিলে। সি উঠি দুৱাৰ খনৰ ফালে আগ বাঢ়িল। তেতিয়া বাহিৰত ধাৰাসাৰে বৰষুণ। দুৱাৰখন মেলি দিয়াত বৰষুণৰ আচাৰকণিয়ে তাক তিয়াই পেলালে। সেই ৰাতি ভৰিৰ খোজ বিচাৰি পোৱা অসম্ভৱ। চোৰ আহিলেও কোন সময়ত চোৰ আহিছিল—সেইকথাই সি ভাবিবলৈ ধৰিলে। দিনত গুলাই যাওঁতে সি দুৱাৰত তলা মাৰি গৈছিল আৰু দিনৰ পোহৰত সি ভিতৰলৈ মানুহ অহাৰ খোজ দেখা নাই। পুলিও ঘূৰি আহি সি সকলো বস্তু এৰি থৈ যোৱাৰ দৰে পাইছে। বালি আৰু ইটাকেচটাত লৰোৱাৰ কোনো চিন সি পোৱা নাই। তেন্তে কোনোবা চোৰেই তাৰ ধনৰ মোনা-কেইটা নিলে নে কোনোবা অলৌকিক নিষ্ঠুৰ নিয়তিয়ে তাক দ্বিতীয়বাৰ সৰ্ব্বহাৰা কৰি আনন্দ পাইছে? সি এই অসম্ভৱ সম্ভাৱনা মনৰ পৰা আঁতৰাই—মাথোন চোৰৰ কথা ভাবিবলৈ ধৰিলে, যাতে সেই চোৰক ধৰিব পাৰি। তেতিয়া সি ওচৰ-চুবুৰীয়া মানুহখিলাকক মনতে এটা এটাকৈ গণি চাবলৈ ধৰিলে—সিহঁতৰ কোনোবাই ধনৰ কথা কিবা কৈছিল নে নাই আৰু কোনোবাই সন্দেহ জন্মিব পৰা প্ৰশ্ন তাক কৰিছিল নে নাই। অৱশ্যে জেম্ ৰড্নি বোলা সেই দগাবাজ গজাইতৰ ট্ৰোৰে এদিন মাৰ্ণাৰক পথাৰৰ মাজেদি যোৱা দেখি

তাৰ ধনৰ বিষয়ে ইতিকিং কৰি কেইটামান কথা কোৱা তাৰ মনত পৰিছে। অ'! মনত পৰিছে, এবাৰ ধোঁৱাখোৱা পাইপৰ কাৰণে জুই বিচাৰি আহি মাৰ্ণাৰৰ জুহালৰ কাষতে সি অকাৰণত ভালেখিনি পৰ আছিল আৰু তেনেকৈ গাত পৰি ঘনিষ্ঠ হব খোজাৰ কাৰণে তেতিয়া মাৰ্ণাৰৰ খঙো উঠিছিল। তেন্তে কামটো জেম্ বড্‌নিয়েই কৰিছে। এই ভাৱ অহাৰ লগে লগে মাৰ্ণাৰৰ মনটো পাতলিল।

জেমক বিচাৰি তাক ধনখিনি ঘূৰাই দিবলৈ বাধ্য কৰিব পাৰি। মাৰ্ণাৰে তাক দণ্ড বিহিব নোখোজে; মাথোন যি ধনে তাক পথভ্ৰষ্ট পথিকৰ দৰে অসহায় কৰি গ'ল, সেই ধনখিনি সি ঘূৰাই পালেই হ'ল। চোৰ ধৰিবই লাগিব। মাৰ্ণাৰৰ আইনৰ জ্ঞান সিমান নাথাকিলেও সি স্থিৰ কৰিলে যে সি গৈ তাৰ এই ক্ষতিৰ কথা সকলোকে জনাব। গাঁৱৰ যাজক বাপু, দাৰোগা বাবু, কেচ্‌ ভাণ্ডাৰীয়া আদি গণমান্য লোকসকলে ধৰি জেম্ বড্‌নি বা কোনো চোৰক ধনখিনি ঘূৰাই দিবলৈ বাধ্য কৰিব। ইয়াকে ভাবি সি আশাত বুকু বান্ধি মূৰটো ঢাকিবলৈ পাহৰি মেলা দুৱাৰ নজপোৱাকৈ বৰষুণত বাহিৰ ওলাল। তাৰ হেকৱাবলৈ আৰু একো বাকী নাই —এই কাৰণেই সি দুৱাৰ নজপোৱাকৈ লৰ মাৰিলে। লৰি লৰি শেষত কোপাই-জোপাই সি বেগাবেগিকৈ 'ৰামধনু' আলহী-ঘৰৰ ওচৰৰ আলিয়েদি ঘূৰি গাওঁখনত সোমাল।

মাৰ্ণাৰে ভাবিছিল যে সূতাৰ যোগাৰ থকা ধনী ভিতৰুৱা

বিলাকৰ ধনী স্বাস্থ্যৱান গিৰিয়েকহঁতে 'ৰামধনু'ত আড্ডা মাৰে। সি তাত গাৱঁৰ গণ্যমান্য সকলোকে লগ পাই কম সময়তে তাৰ এই লোকচানৰ কথা জনাজাত কৰিব পাৰিব। সি 'ৰামধনু'ৰ দুৱাৰৰ সঁচাৰ খুলি সৰ্ব্বসাধাৰণ গ্ৰাহকবিলাক বহা সোঁহাতৰ ৰন্ধা আৰু ফটিকা বেচা কোঠালিটোৰ ফালে গ'ল; বাওঁহাতে চ'ৰা ঘৰটো বচা বচা ধনী-মানী লোকৰ কাৰণে। তাতে কেচ্ ডাঙৰীয়াই আনন্দ পোৱা আৰু দিয়া কামটো মাজে সময়ে সমাধা কৰিছিলহি। আজি হ'লে চ'ৰা-ঘৰটো আন্ধাৰ; কাৰণ গড্‌ফ্ৰে কেচৰ দৰে সকলো ভব্য-গব্য লোকে আজি শ্ৰীমতী অচ্‌গুডৰ জন্মতিথিৰ নাচত গোট খাই-ছিলগৈ। সেইকাৰণেই, যিবিলাক মানুহে সাধাৰণতে চ'ৰা-ঘৰত বহি গুৰুজনক নিন্দা বা তোষামোদ কৰি ফুৰ্ত্তি কৰে, সেই মানুহবিলাকৰ সৰহ ভাগেই আজি বান্ধনি-ঘৰৰ কাপোৰ মেৰোৱা চকীত বহি—চ'ৰা-ঘৰৰ ফুৰ্ত্তি আৰু উত্তম ফটিকালৈ পিঠি দি—সন্তোষ মনেৰে ফটিকা আৰু পানী খাই নতুন পৰিৱৰ্ত্তনৰ আনন্দ উপভোগ কৰিছিলহি।

( ৬ )

## অনুসন্ধান

সেইদিনা 'ৰামধনু'ত বহুত মানুহ গোট খাইছিল পোনতে কথা-বতৰাৰ গতিটো মন্থৰ আৰু নানাবিধৰ হৈ পৰিলেও চাইলাচে 'ৰামধনু'ৰ দুৱাৰৰ ওচৰ চপাৰ সময়ত সেই কথন-মথনে—ৰসাল হৈ পৰি উত্তেজনাৰ সঞ্চাৰ কৰিছিল। সেই মেলৰ সভ্যসকলৰ কোনোৱে গহীন-গম্ভীৰ হৈ চেলেউ হুপি ধোঁৱা উৰাইছিল; ভব্য-গব্যসকলে জুইৰ কাষত বহি পিয়লাৰ পৰা এসোহা এসোহাকৈ ফটিকা খাই ট-টকৈ দুজনে সিজনৰ মুখলৈ চাই থকা দেখিলে এনে লাগে যেন তেওঁ-লোকে চকুৰ পঁচাৰ নামাৰি কোনে থাকিব পাৰে—তাৰেহে খেল কৰিছে; লাওপানী খোৱা বিলাসী লোকসকলে এঢোকা দুঢোকাকৈ লাওপানী গিলি তলমূৰকৈ হাতেৰে মুখবোৰ মোহৰা দেখিলে অনুমান হয় যেন কাৰোবাৰ শোকতহে তেওঁ-বিলাকে বাধ্যত পৰি তাত লাওপানী পিব লগা হৈছে।

সেই সমাজত উল্লেখযোগ্য হৈছে 'ৰামধনু'ৰ মালিক শ্ৰীযুত স্নেল; তেওঁৰ প্ৰকৃতিটো অলপ কোমল; কোনো তৰ্কত সোমোৱা বিধৰ নহয়। আনজন ৰঙা চুলিৰে হাঁহিমুৱা ৰঙিয়াল আনজন মানুহ—গাৰঁৰ মঙহ-বেপাৰী; তেওঁৰ স্বভাৱটো মিলিজুলি থকা বিধৰ। তেওঁৰ ওচৰতে জন সেই ঠাইৰ গৰু-

ঘোৰাৰ ডাক্তৰ ; 'তৈলাধাৰ পাত্ৰ নে পাত্ৰাধাৰ তৈল' আদিৰ দৰে কথা লৈ তুমুল তৰ্ক কৰাত তেওঁ পাকৈত ; তেওঁৰ স্বভাৱ আনৰ কথাত আসোঁৱাহ উলিওৱা ধৰণৰ ; পাছে তেওঁৰ নিজৰ কথাত কোনোৱে দোষ ধৰিলেই তেওঁ 'তপত তেলত চেচা পানীৰ চাঁট্'।

কথা-বতৰা কোনোমতেই গোট নমৰা দেখি স্নেলে মঙহ-বেপাৰী বৰ-কৃ সিদিনা কিনা গৰুজনীৰ কথা সুধিলে। ওলাল গৰুৰ বৰণৰ কথা। এই সুবিধাতে মুখ-চতুৰ গৰু-ডাক্তৰজনৰ মুখ মেল খালে। তেওঁ মেলিলে কথাৰ ঠুনুপাক, "মই নকৈছোঁ, মই লেমেটাৰৰ গৰু প্ৰতিজনীকে মূৰৰ পৰা ভৰিলৈকে চিনি পাওঁ। এই গৰুজনী লেমেটাৰৰ পৰা কিনিছা। যদি নহয় বোলা তেনেহলে তুমি মিছা কথাৰ বাহ......।" বপুৰা বৰে শলাগে হে শলাগে, গৰু-ডাক্তৰৰ 'ফাঁই' কোবত কোৱে চৰে।

কথাৰ গতি বিষম দেখি গীৰ্জ্জাৰ কাকতী আৰু গাৱঁৰ দৰ্জ্জি মেচি নামৰ বাত-ৰুগীয়া ওচৰৰ মানুহজনক স্নেলে সাক্ষী মানিলে ; তেওঁৰ ইচ্ছা ইমানতে উখনা-উখনিখনৰ ওৰ পৰে যদি পৰক। কথাটো এতিয়া আৰম্ভ হ'ল লেমেটাৰ বংশই বেভ্‌লোলৈ অহাৰ আঁতিগুৰি লৈ। আলোচনাত যোগ দিলে এইবাৰ মেচি, গীৰ্জ্জাৰে সৰু-কাকতী টুকি নামৰ জেকাজন আৰু গাৱঁৰ চকা-বেপাৰী উইনথ্ৰপে। এইবাৰো টুকি আৰু উইনথ্ৰপৰ মাজত খেলিমেলি লৈ কথা বিষম হোৱা

দেখি মালিক স্নেলে দুয়োপক্ষকে মিলাই দিবৰ কাৰণে মাত মাতিলে। আকৌ লেমেটাৰ বংশৰ কথা উঠিলত বুঢ়া মেচিয়ে কবলৈ ধৰিলে—কেনেকৈ উত্তৰৰ কোনোবা ঠাইৰ পৰা লেমেটাৰৰ পিতাকে কিছুমান ভাল সঁচৰ ভেৰা-ছাগলি লৈ এই গাৱঁত থাকিবলৈ আহিল; মানুহজন এতিয়াৰ পুতেকৰ দৰেই সৰবৰহী আছিল; কেনেকৈ ডেকা লেমেটাৰে অচ্ গুড্ পাৰয়ালৰ ছোৱালী শ্ৰীমতী অচ্ গুডক বিয়া কৰালে। বিয়াৰ সময়ত গীৰ্জ্জাত পুৰোহিতে কি কৈছিল, কি কৰিছিল তাকো ফঁহিয়াই গৈ গ'ল; শেহত লেমেটাৰৰ ঘৈণীয়েকে তেওঁৰ ছোৱালীকেজনীক মাউৰী কৰি থৈ চকু মুদিলে—তাকো ক'লে। কথাৰ পাকত লেমেটাৰৰ আদ্যোপান্ত কওঁতে ওলাল লেমেটাৰৰ ঘোৰাশালৰ ভূতৰ কথা। তাৰ পাছত 'ভূত আছেনে নাই' লৈ তৰ্কৰ জাউৰি উঠিল। কিন্তু এক্ৰাৰো কথা-গৰকা গৰু-ডাক্তৰে একেষাৰ কথাতে সামৰি পেলালে; "থোৱাঁ হে .....ভূতে নো কিটো কৰিব পাৰে হে? ভূতক বিশ্বাস কৰিব লাগে যদি সিহঁতে আন্ধাৰত ফুৰিবলৈ এৰি দেখোন মানুহ থকা পোহৰ ঠাইত ওলাই দেখুৱাব পাৰে! তোমালোকৰ কথাবোৰো ..বাক!" বুঢ়া মেচিয়ে—গৰু-ডাক্তৰৰ এনে অবিশ্বাসত তিতা লাগি—কৈ উঠিল, "নজনা-নুশুনা মানুহৰ আগত ওলাই বিশ্বাস জন্মাবলৈ ভূত নো কিয় আহিব?......"

ঠিক এই সময়তে চাইলাচ্ মাৰ্ণাৰ—বিবৰ্ণ, ক্ষীণ [illegible]

তাৰ অদ্ভুত চকুযোৰেৰে সমজুৱাবিলাককৈ চাই ঠিয় হ'লহি; তাৰ মুখত মাত নাই। ভূতৰ নাম ওলাওঁতেই ভূত ওলাল বুলি সমজুৱাসকলৰ মুখৰ চেলেউবোৰ গা-ৰ নোম শিয়ৰি উঠাৰ দৰে দাং খাই উঠা দেখা গ'ল; সমজুৱাসকলৰ মাজৰ আনকি ভূত নমনা গৰু-ডাক্তৰেও ভাবিলে যে দুৱাৰ মুখত সেইটো চাইলাচ্ মাৰ্ণাৰৰ ভূতহে। চুকত নিৰাপদ হৈ বহি মেচিয়ে ভাবিলে—কেনে? এতিয়া চকুৰে দেখিও বিশ্বাস নকৰানে? চাইলাচ্ মাৰ্ণাৰৰ জীৱটো মাজে সময়ে দেহাৰ বাজ ওলাই, ঘূৰি ফুৰে বুলি মই সদায় কৈ থকা নাইনে? বুঢ়াৰ কথা সুশুন ডেকা, টানত পৰি কিয় কেঁকা? কিন্তু কাৰো মুখত মাত নাই; মাৰ্ণাৰো নিৰ্ব্বাক্।

'ৰামধনু'ৰ গিৰিহতজনে এই অদ্ভুত আলহীক অভ্যৰ্থনা নকৰাকৈ পঠিয়াবলৈ মন নকৰি আৰু বিশেষকৈ নিজৰ নিৰপেক্ষ স্বভাৱৰ গুণত কোনো অপকাৰ নহব বুলি ভাবি মিঠাকৈ মাত লগালে, "মাৰ্ণাৰ, কি হৈছে? কি সকামতনো আহিলা?"

চাইলাচে ঠোকাঠুকিকৈ কলে, "চোৰ···চোৰ! মোৰ ঘৰত চোৰ! দাৰোগা···হাকিম···কেচ্···ক্ৰেকেনথ পক মোক লাগে।"

ভূতৰ ভয় শাম কাটি অহাত গিৰিহত গ্ৰেলে ক'লে, "জেম্ বড্নি, ধৰা, ধৰা। তেওঁৰ মূৰৰ বিকাৰ হৈছে। তেওঁ তিৰি-বুৰি জুকলি-মুপুৰি হৈ আহিছে।"

মাৰ্ণাৰ ঠিয় হৈ থকাৰ ওচৰতে জেম্ বড্নি আছিল ; কিন্তু সি আগবাঢ়ি আহিবলৈ মান্তি নহৈ ক'লে, "ধৰিবৰ মন আছে যদি নিজেই নো নধৰাহি কিয়? চোৰে চুৰ যে কৰিছেই লগতে খুনো কৰি গৈছে···"

সন্দেহৰ পাত্ৰ জেমলৈ অদ্ভুত চকুযোৰেৰে চাই চাইলাচে মাত দিলে, "জেম্ বড্নি ··"

হাতত পিয়লাটো আত্মৰক্ষাৰ অস্ত্ৰস্বৰূপে লৈ অলপ কঁপি জেমে ক'লে, "হেঁ, কি চাইলাচ্ মাৰ্ণাৰ? মোৰ লগত আকৌ তোমাৰ কি কাম?"

কাকূতি কৰাৰ দৰে হাত দুখন যোৰ কৰি মাতটো অসম্ভৱ ডাঙৰকৈ চাইলাচে কবলৈ ধৰিলে, "জেম্ বড্নি, তুমি মোৰ ধনখিনি নিছা। মোৰ ধন ঘূৰাই দিবা, তোমাক একোকে নকৰোঁ; তোমাৰ ওপৰত পুলিচ লগাই নিদিওঁ। মোৰ ধন ঘূৰাই দিয়াঁ; মই তোমাক···মই তোমাক এটা সোণৰ মোহৰ দিম।"

জেমৰ খং উঠিল। সি খঙেৰে ক'লে, "কি? মই তোমাৰ ধন চুৰ কৰিছোঁ? দেখিছা এই পিয়লাটো ··মোক ধন-চোৰ ধৰিলে পিয়লাটো মাৰি চকু ফুটাই দিম হ'লে···"

এইবাৰ গিবিহত স্নেলে বুকু ডাঠকৈ উঠি গৈ মাৰ্ণাৰৰ কান্ধত ধৰি ক'লে, "এহ্ এহ্ মাৰ্ণাৰ, তোমাৰ যদি কিবা কবলগীয়া আছে খুব ঠাণ্ডা কৰি কোৱাঁহে! আমি যদি তোমাৰ কথালৈ কাণ দিব লাগে তেন্তে সুস্থ মানুহৰ দৰে

কোৰাঁচোন ! ইস্…তুমি তিতি-বুৰি একেবাৰে পানীত পৰা নিগনিটো যেন হৈ আহিছা। বহি লোৱাঁ, গা-টো শুকোৱাঁ, তাৰ পাছত কি কবা খুলি কৈ দিয়াঁ।"

গৰু-ডাক্তৰে দেখিলে যে এনে এটা কথাত নমতা তেওঁৰ ঠিক হোৱা নাই ; গতিকে তেওঁ টপৰাই মাত দি উঠিল, "এৰা তো, হয় তো। এইদৰে ট-ট কৰে চাই চিঞৰ-বাখৰ নকৰিবা হে ; নহলে…নহলে বলিয়া বুলি বান্ধি পেলাম তোমাক। সেয়েহে মই ইমান পৰে মতা নাছিলোঁ তেও ; ভাবিছিলোঁ— মানুহটো বলিয়া হ'ল নেকি !"

ভূতৰ অস্তিত্ব প্ৰমাণিত নোহোৱাত মেলুৱৈ সকলে নিৰ্ভয়ে একেলগে ক'লে, "হয়, হয়, তেওঁক বহিবলৈ দিয়া।"

মালিক স্নেলে মাৰ্ণাৰৰ কোটটো খহোৱাই মানুহবিলাকৰ মাজত তাক—আঁতৰকৈ জুইৰ কাষত বহুৱাই দিলে। ধন উদ্ধাৰৰ উপায়কে সাৰোগত কৰি অহা নিৰুপায় মাৰ্ণাৰেও হুকা-বধা নকৰিলে। সমাজৰ আগৰ ভূতৰ ভয়ে এতিয়া কৌতূহলৰ ৰূপ ধৰিলে। সকলোৰেই কৌতূহলত মুখ ঘূৰাই মাৰ্ণাৰলৈ চাই ৰ'ল। এনেতে মালিকজনে বহি লৈ মাত দিলে, "মাৰ্ণাৰ, এতিয়া তোমাৰ কেনেকৈ চুৰ হ'ল কোৱাঁ।"

তেনেতে জেম্ বড্ নিয়ে টপৰাই ক'লে, "কিন্তু তেওঁ যেন ময়ে ধন চুৰ কৰিছোঁ বুলি নকয় হ'লে…। মই নো ধনগাল নি কিটো কৰিলোঁগে ? মই দেখোন তাতকৈ পুৰোহিত বাপুৰ জাপোৰখনকে চুৰ কৰি আনি পিন্ধিবহি পাৰিলোঁহেতেন !"

গিৰিহত স্নেলে তেতিয়া ক'লে, "জেম, মুখ বন্ধ কৰাচোন হে। তেওঁনো কি কয় শুনি লওঁচোন। ওঁ, মাৰ্ণাৰ কি কৰা-কোৱাঁ।"

প্ৰশ্নৰ জাউৰিৰ মাজত চাইলাচে ধন-চুৰিৰ ঘটনাটো বিৱৰি ক'লে আৰু ঘটনাটোৰ ৰহস্যটো তেতিয়া সকলোৱে বুজিব পাৰিলে।

এই ক্ষতিৰ কথাতে মগ্ন হৈ থাকিলেও—নিজৰ দুখৰ কাহিনী লোকৰ জুহালৰ কাষত বহি কোৱাত সহানুভূতিশীল ৰেভ্‌লোৰ ইমানবিলাক মানুহৰ মনবোৰ আৰু কথাই তাৰ মনত আশাৰ সঞ্চাৰ কৰিলে আৰু ই তাৰ অন্তৰ স্পৰ্শ নকৰাকৈ নোৱাৰিলে। দেখা যায় যে আমাৰ মনত নতুনত্বই সচৰাচৰ সাঁচ থৈ নাযায়; সেইবুলি গজালি মেলাৰ উপক্ৰম হোৱাৰ আগতে গুটিৰ ভিতৰ যে জীৱনৰ প্ৰক্ৰিয়া চলি থাকে তাক দুই কৰিব নোৱাৰি।

পোনতে মাৰ্ণাৰৰ কথাত শুনোতাবিলাকৰ মনত যি কণ সন্দেহ উপজিছিল, সিও তাৰ দুখময় কাহিনীৰ যথাৰ্থতাৰ আগত পমি যাবলৈ ধৰিলে। মাৰ্ণাৰৰ কাহিনীৰ সত্যতাত সমজুৱাবিলাকে যে সন্দেহ কৰিব নোৱাৰিলে, ই তেওঁলোকে যুক্তি-তৰ্কেৰে ঘটনাটো চালি-জাৰি চাব পৰাৰ বাবে নহয়। যেতিয়া বুঢ়া মেচিয়ে ক'লে বোলে চয়তানৰ সহায় লোৱা চাইলাচৰ দৰে মানুহৰ তেনেকুৱাই হোৱা সম্ভৱ, তেতিয়াই এই দুৰ্ঘটনাটো আটায়ে ধ্ৰুৱ সত্য বুলি ধৰি ললে। তোমাক

কোনো চিন-মোকাম ধৰিব নোৱাৰাৰ পৰা, আৰু দ্বিতীয়তে মাৰ্ণাৰ নথকাৰ সুযোগতে ধন চুৰ কৰি নিয়াৰ পৰা তেওঁ-বিলাকৰ মনেৰে এই সিদ্ধান্তলৈ আহিব পৰা যায় যে চয়তানৰ লগত মাৰ্ণাৰৰ সম্বন্ধ ছিগিছে আৰু সেই কাৰণে চোৰ ধৰিবলৈ দাৰোগা-পুলিচ লগোৱাটো পানীত কোবোৱাহে হব। এই নাভূত-নাশ্ৰুত চোৰে যে ডুৱাৰখন মেলা পাবলৈ কৰবাত খাপ লৈ আছিল—এই প্ৰশ্নটো অৱশ্যে কাৰো মনত নেখেলালে।

মালিকজনে ক'লে, "মাৰ্ণাৰ, জেম্ বড্‌নিয়ে এই কাম কৰা নাই। গতিকে জেমৰ গাত চোভা নেপেলাবা। হওঁতে চিকাৰৰ কথা লৈ জেমৰ বিৰুদ্ধে তোমাৰ কৰ লগা থাকিব পাৰে; কিন্তু গাৱঁৰ আন সজ লোকৰ দৰে গধূলিৰ আগৰ পৰা তেওঁ ইয়াত ফটিকাৰ পিয়লা লৈ বহি আছে আৰু তোমাৰ কথা মতে তুমি সাঁজ লাগোঁতেহে ঘৰৰ পৰা ওলাইছা, নহয় জানো?" বুঢ়া মেচিয়েও তাতে জেমৰ নির্দ্দোষিতাৰ বিষয়ে কোৱাত মাৰ্ণাৰে নিজৰ ভুল ধাৰণাটো বুজিব পাৰিলে; অৱশ্যে এই বিপদতো তাৰ মনৰ ক্ষমতা অৱশ হৈ পৰা নাছিল। এই নতুন পৰিস্থিতিৰ দৰে এটা নতুন আচৰিত অনুশোচনা তাৰ অন্তৰত জাগি উঠিল আৰু তাৰ মুখত অনুতাপৰ চিন বিৰিঙি ওলাল। সি উঠি জেমৰ ওচৰলৈ গৈ কৰলৈ ধৰিলে, "মোৰ ভুল হৈছিল। সঁচা, মোৰ ভুলেই হৈছিল। মই আগেয়ে ভাবি চাব লাগিছিল। জেম্, সঁচাকৈয়ে তোমাৰ বিৰুদ্ধে কোনো প্ৰমাণ নাই। এটা সময়

আছিল যেতিয়া তুমি আন মানুহতকৈ বেচি সঘনে মোৰ ঘৰলৈ অহা-যোৱা কৰিছিলা। সেই কাৰণেহে হঠাৎ তোমাৰ কথাটো মোৰ মূৰত খেলালে।” এই বুলি দুয়োখন হাতেৰে মৰটো ধৰি অসহায়ৰ দৰে বেজাৰেৰে কৈ উঠিল, “ৰবাচোন, মই ভাবি চাওঁ মোৰ মোহৰবোৰ তেনেহলে কলৈ গ’ল!”

মেচিয়ে ক’লে, “ওঁ, ওঁ—য’ত সেইবোৰ গলাই পেলাব পাৰি সেই তপত খোলালৈকে গ’ল। আৰু কলৈ যাব?”

গৰু-ডাক্তৰে বিজ্ঞ উকিলে আচামীক জেৰাৰ কৰাৰ সুৰত ক’লে, “হেহ্! সেইবোৰ কথা থোৱাঁ। পাছে, মাৰ্ণাৰ, মোনা কেইটাত কিমান ধন আছিল হে?”

চাইলাচে আকৌ বহি বেজাৰত এটা অফুট শব্দ কৰি ক’লে, “যোৱা ৰাতি মেলি চাওঁতে দুশ তিনিকুৰি বাৰ পাউণ্ড, বাৰ চিলিং, ছয় পেনি আছিল।”

গৰু-ডাক্তৰ—“ফুঃ। তেন্তে নিবলৈ বৰ গধুৰ নহৰ। কোনোবা গভাইত্ সোমাইছিল, সি ঠিক। ভবিৰ খোজ নোহোৱা, ইটো আৰু বালি আগৰ দৰে থকা কথা যে তুমি কৈছা, পৰুৱাৰ দৰে তুমি চকুৰে ওচৰৰ পৰা চালেহে দেখা আৰু এবাৰ চালেই বহুত কথা তোমাৰ চকুত নপৰে—মই এনেকৈহে কওঁ। মই কওঁ যে তুমিয়েই হোৱা বা ময়েই হওঁ, ঘৰ সোমায়েই তুমি সকলো বস্তু আগৰ দৰে পাবা বুলি ভাবিব নোৱাৰিলাহেঁতেন। মই কওঁ যে আমাৰ ভিতৰৰ দুজন তোমাৰ লগত দাৰোগা বাবুৰ ঘৰলৈ যাওঁ,—মই জানো

যে দাৰোগা বেমাৰ হৈ পৰি আছে—দাৰোগাই যাকে তেওঁৰ হৈ প্ৰতিনিধি কৰি দিয়ে,—অৱশ্যে আইনেও তাকেই কয়—(এই কথা কাৰ সাধ্য মিছা বোলক চাওঁচোন)—আৰু মোক যদি প্ৰতিনিধি মনোনীত কৰে তেন্তে মই তোমাৰ লগত গৈ তোমাৰ ঘৰত তদন্ত কৰি আহিব পাৰোঁ। এই কথাত যদি কাৰোবাৰ আপত্তি থাকে—চাওঁচোন বুকু ডাঠি ঠিয় দিয়ক!"

এই সাৰগৰ্ভ বক্তৃতা দি গৰু-ডাক্তৰে আত্ম-গৌৰৱেৰে যেনিবা নিজকে জাহিৰ কৰিলে আৰু তেওঁকেই সমজুৱা-বিলাকৰ ভিতৰত জ্ঞানত প্ৰবীণ বুলি নিৰ্ব্বাচিত কৰিবলৈ অলপ টলকা মাৰিলে।

এই প্ৰস্তাৱত নিজৰ সম্বন্ধ থকা বুলি গিৰিহত স্নেলে ক'লে, "চোৱা যাওকচোন ৰাতি কিমান হ'ল! পাছে বাহিৰত যে এতিয়াও ধাৰাসাৰে বৰষুণ!"

গৰু-ডাক্তৰ—"মই বৰষুণক ভয় কৰা বিধৰ মানুহ নহওঁ হে! এনে এটা দুৰ্ঘটনাৰ গম পায়ো হাত সাবটি বহি থকা শুনিলে হাকিম মালাম ডাণ্ডৰীয়াই কি বুলিব হে?" মালিকে তাতে হুঁয়ভৰ দি সমজুৱাৰ মত লোৱাৰ পাছত দাৰোগাৰ ওচৰলৈ যোৱাৰ ভাৰ ললে; আৰু গৈ কি কৰিব তাৰো আখৰা কৰি পেলালে। লেঠা লগালে মেচিয়ে; গৰু-ডাক্তৰকো বিৰূপ কৰি তুলিলে তেৱেঁই। মেচিয়ে ক'লে স্নোলে তেওঁৰ গভীৰ আইন-জ্ঞানৰ মতে (অৱশ্যে সেই জ্ঞান

তেওঁৰ স্বৰ্গীয় পিতৃ-দেৱতাৰ পৰা লাভ কৰা) কোনো ডাক্তৰেই দাৰোগাগিৰি কৰিব নোৱাৰে, কাৰণ মাখি বুলিলে মাখি; সৰু-মাখিয়েই হওক বা ভেনা-মাখিয়েই হওক; গতিকে তেওঁ গৰু-ডাক্তৰ যেতিয়া ডাক্তৰেই।

এই কথালৈ লাগিল গৰু-ডাক্তৰ আৰু মেচিৰ মাজত এখন কথাৰ কুৰুক্ষেত্ৰ—থৈয়া নথৈয়া বাক্‌যুদ্ধ। শেষত মেচিৰ 'অকাট্য যুক্তি'ৰ খুন্দাত চেপাখাই—ভোৰ্-ভোৰাই তোৰ্-তোৰাই—গৰু-ডাক্তৰ দাৰোগাৰ তালৈ নোযোৱা হ'ল। গিৰিহত স্নেহলে যেনিবা মিট্‌মাট্ কৰি আন এজনক লৈ যাবলৈ ওলাল। পুৰণি কাপোৰ এডোখৰ মূৰত লৈ চাইলাচে তুজন লগৰীয়াৰে সৈতে বাহিৰৰ বৰমুণত ওলাই গ'ল। তেতিয়া চাইলাচে ভাবিছে আগত দীঘল বাতিটোৰ কথা —জিৰণিৰ কাৰণে নহয়, পাছদিনাৰ বাতিপুৱাৰ আশা কৰি বাতিটো বঞ্চিবলৈহে।

## (৭)

# মনৰ বাঘ

মাজনিশা শ্ৰীমতী অচ্‌গুডৰ ঘৰত জন্মতিথিৰ নিমন্ত্ৰণ খাই ঘূৰি আহি গড্‌ফ্ৰে-ই যেতিয়া শুনিলে যে ডান্‌চি ঘৰলৈ অহা নাই, তেওঁ আচৰিত নহ'ল। এনেও হব পাৰে যে সি ঘোৰাটো বেচিব নোৱাৰি গ্ৰাহক পোৱাৰ সুযোগলৈ বাট চাইছে; নাইবা চিকাৰলৈ যাওঁতে ব্ৰাইচৰ ঘৰৰ ওচৰ পাই আবেলিৰ কুঁৱলীয়ে ঢকা গধূলি ব্ৰাইচৰ ঘৰতে ৰাতিটোলৈ আলহী হ'ল; ককায়েক গড্‌ফ্ৰে-ই যে চিন্তা কৰিব সেইকথা সি সম্ভৱাই সম্ভৱ। ইফালে নাস্নী লেমেটাৰক দেখাৰ পৰা তেওঁৰ মনটো নাস্নীৰ চাৱনি আৰু কাৰ্য্য-কলাপেৰে ইমানকৈ ভৰি আছিল আৰু নিজৰ দুৰ্ভাগ্যৰ কাৰণে নিজৰ ওপৰত আক্ৰোশেৰে তেওঁৰ মন ইমান উগুল-থুগুল হৈ পৰিছিল যে তেওঁৰ মৰমৰ ঘোৰাটো বা ডানষ্টানৰ ব্যৱহাৰৰ কথালৈ তেওঁ মন ঘূৰাব পৰা নাছিল।

পাছদিনা পুৱা ধন-চুৰিৰ কাহিনীয়ে গোটেই গাওঁত উথল-মাথল লগালে। আন মানুহৰ দৰে গড্‌ফ্ৰেয়ো তাৰে আলোচনা কৰি আৰু শিলৰ খাললৈ গৈ দিনটো ব্যস্ত থাকিল। আগ ৰাতিৰ বৰষুণে ভৰিৰ খোজৰ চিন ধুই মচি পেলাইছিল; কিন্তু ভালকৈ চাওঁতে গাওঁৰ বিপৰীত দিলে

বোকাত পোত খাই থকা টিঙিৰি শিলেৰে সৈতে জুইচলাৰ বাহ পোৱা গ'ল। চাইলাচৰ জুইচলাটো তাৰ ঘৰতে আছিল; গতিকে সেইটো চাইলাচৰ নহয় ই ঠিক। খালত পোৱা জুইচলাটোৰ লগত যে চুৰিৰ সম্পৰ্ক আছে শেষত সেই সিদ্ধান্তকে সকলোৰে কৰিলে। কোনো কোনোৱে বেলেগ মত দি ক'লে বোলে চাইলাচৰ অদ্ভুত কাহিনীৰ পৰা কৰ পাৰি যে গিৰিহতে কামটো নিজে কৰি পুলিচ আদালতক আজুৰি অশান্তি কৰিবও পাৰে। তৰ্ক লাগিলত কথা ওলাল যে তাৰ পৰা চাইলাচৰ কোনো লাভ নাই; সেই এমুঠি মানুহে তথাপিও 'কি লাভ তাক সতকাই কোৱা টান' বুলি মূৰ জুপিয়াই মোখনি মাৰিলে; পাছে সকলোৰে এটা নিজৰ মত আছে আৰু তাকে প্ৰকাশ কৰিব লাগিলে কব লাগিব যে মাৰ্ণাৰৰ অলপ-অচৰপ মূৰৰ বিকাৰ আছিল। মেচিয়ে হ'লে মাৰ্ণাৰৰ ফলীয়া হৈ জুইচলাৰ সিদ্ধান্তটো উৰাই দিবলৈ টুকিয়ে ৰহস্যজনক চুৰিৰ তদন্ত কৰাৰ বিপক্ষে মত দিয়াত মেচিয়ে মুখ পাতি ধৰিলে। এইদৰে বাক্-বিতণ্ডা চলিল।

ওপৰত কোৱা আলোচনা 'ৰামধনু'ৰ বাহিৰত চলি থকাৰ সময়ত ঘৰৰ ভিতৰত কেচ্ ডাঙৰীয়া, ফ্ৰেকেনথ্ৰপ আদি গণ্যমান্য লোকৰ বৈঠক বহিছিল। মালিক স্নেলে দুৰলীয়া দাৰোগাৰ ক্ষমতা পাই তদন্ত কৰোঁতে এটা কেৰিৱালাই জেবে এটা জুইচলা উলিয়াই চেলেউ জ্বলাই 'ৰামধনু'ত অগ্নিকাণ্ড কৰিবা থাবলৈ সোমোৱা মনক পেলালে। আৰু

পাছত সমজুৱাৰ প্ৰশ্নত তৎ নাপাই স্নেলে পাছৰ্ষা কথা সুঁৱৰি সুঁৱৰি ফেৰিৱালাটোৰ বৰ্ণনা দিলে যে সি কাণত একোৰ ডলুৱা পিন্ধিছিল। কথাষাৰৰ সাক্ষী-প্ৰমাণ বিচাৰোঁতে গাৰ্ঁৰ ছুই একে কাণত ডলুৱা পিন্ধা বুলি ফেৰিৱালাৰ বৰ্ণনা সমৰ্থন কৰিলে। জুইচলাৰ বিষয়ে অধিক তথ্য সংগ্ৰহৰ কাৰণে ফেৰিৱালাৰ পৰা কিনা বস্তুবোৰ 'ৰামধনু'ত গোটাই প্ৰদৰ্শন কৰা হ'ল। কিন্তু যেতিয়া চাইলাচ্ মাৰ্ণাৰৰ জবান-বন্দিত কোৱা হ'ল যে ফেৰিৱালাটোৱে মাৰ্ণাৰৰ দুৱাৰমুখত মাত লগাইছিল, ভিতৰ সোমোৱা হ'লে নাছিল—তেতিয়া তদন্তকাৰীবিলাকৰ চাইলাচৰ ওপৰত অলপ অসন্তোষ আৰু বিৰাগ জন্মিল। চাইলাচে ফেৰিৱালাৰ চেহেৰা মনত পেলাব নোৱাৰিলেও তাৰ মোহৰ গাল যে লুকোৱা ঠাইৰ পৰা কৰবাত থোৱা আছে তাক মনত পেলাবলৈ ধৰিলে। গাৰ্ঁৰ মানুহে ক'লে যে ফেৰিৱালাক—চকুৰে ভালকৈ নমনা চাইলাচে নেদেখিলেও সি যে চাইলাচৰ ঘৰৰ ওচৰ-কাষৰে ঘৰি ফুৰিছিল, সেইকথা এৰি থৈ যোৱা জুইচলাৰ পৰাই ধৰিব পাৰি; ভাগ্যৰ কথা যে সেই চেৰাবলিয়া ধনগুলে ঁডাভীটোৰ টেটুটোত ফেৰিৱালাই ৰেপ দি নগ'ল! মানুহ-বোৰীয়েহে যে তেনেকৈ কাণত ডলুৱা ওলোমাই লটংপটংকৈ ফুৰে তাক দেখোন আদালতত সিদিনা দেখা ডলুৱা পিন্ধা আচামীবোৰলৈ চালেই বুজিব পাৰি। এইবোৰ কথন-মথনৰ মাজত গডফ্ৰে কেচ্ 'ৰামধনু'ত সোমাই—ফেৰিৱালাটোক

দেখি যে তেনে ভয়ঙ্কৰ মানুহ যেন তেওঁৰ লগা নাছিল, সেই কথা কৈ স্নেল আৰু মানুহবিলাকৰ যুক্তি চেচা পেলাই দি গ'ল। গড্ফ্রে-ই ঘোৰাত উঠি আবেলি ওলাই যাওঁতে বহুতে সন্দেহ কৰিছিল যে তেওঁ হয়তো হাকিম মালামৰ ওচৰলৈ গৈ ফেৰিৱালাৰ বিৰুদ্ধে ওৱাৰেণ্ট জাৰি কৰোৱা বন্ধ কৰিবলৈহে গৈছে।

পাছে ইতিমধ্যতে চুৰিৰ তদন্তৰ কথাৰ পৰা গড্ফ্রে-ৰ মনোযোগ আঁতৰি যাবলৈ ধৰিলে; শেষত ডানষ্টান আৰু তেওঁৰ ঘোৰাটোৰ বিষয়ে চিন্তা লাগিলত সেইদিনা আবেলি তেওঁ দৰাচলতে ব্ৰাইচৰ ঘৰৰ ফাললৈহে ওলাইছিল। ডানষ্টানে হয়তো ঘোৰাটো বেচি ধনখিনি জুৱাত উৰাই এমাহমানৰ মূৰত ওলাবহি এই সন্দেহ গড্ফ্রেৰ মনত প্ৰবল হৈ উঠিল; তাৰ যে ঘোৰাৰে সৈতে কোনো জখম হব পাৰে এই সন্দেহ তেওঁৰ মনত ওপজা নাছিল। শ্ৰীমতী, অচ্গুডৰ ঘৰৰ নিমন্ত্ৰণৰ পাছত তেওঁৰ যেতিয়া মনত পৰিল যে ঘোৰাটো ডানষ্টানক গতাই তেওঁ ভাল কাম নকৰিলে, তেতিয়া নিজৰ মূৰ্খামিৰ বাবে নিজৰ ওপৰতে তেওঁৰ খং উঠিল। যাওঁতে বাঘৰ ভয়, ত'তে ৰাতি হয়—বোলাৰ দৰে ঘোৰাৰ লগতে ধনো হেৰোৱা আশঙ্কাটো কমক চাবি বাঢ়িবলৈ তেওঁ এৰি দিলে। আঁতৰত ঘোৰাৰ খুৰাৰ মাত শুনি নাইকা ঘোৰা-চোৰাৰীৰ মূৰৰ টুপি দণ্ডা দেখা পাই তেওঁৰ মনৰ সেই ভয়-সন্দেহ-মূৰ দাঙি উঠিল। পাছে ঘোৰাটো ওলালত দেখিলে

যে ঘোৰাটো যে তেওঁৰ ঘোৰা নহয়েই, 'চোৰাৰী'জনো ডান্‌ষ্টান নহয়—ব্রাইচহে।

ব্রাইচে সুধিলে, "গড্‌ফ্রে বোপা, ডান্‌চি বোপাটি বৰ ভাগ্যৱান—নহয়নে ?"

গড্‌ফ্রে-ই ক'লে, "কি কৈছে মই বুজা নাই !"

ব্রাইচে ক'লে, "কিয়, তেওঁ ঘৰ পোৱাহি নাই নেকি ?"

গড্‌ফ্রে—"ঘৰ ? ওহোঁ। কিবা ঘটনা ঘটিল নেকি ? কি হৈছে ? বেগাই কওক।. সি মোৰ ঘোৰাটো কি কৰিলে ?"

ব্রাইচ—"হয়তো। মই হওঁতে ভাবিছিলোঁ যে যদিও ডান্‌চিয়ে তুমি ঘোৰাটো তেওঁক দিছা বুলি কৈছিল—তথাপি ঘোৰাটো তোমাৰহে।"

খন্তেক অলিপকি গড্‌ফ্রে-ই সুধিলে, "ঘোৰাই পেলাই তাৰ আঠু ভাঙিলে নেকি ?"

ডান্‌ষ্টানে কেনেকৈ ছকুৰি পাউণ্ডত ঘোৰা কিনাৰ বন্দবস্ত কৰিলে আৰু কেনেকৈ জাপ মাৰোঁতে শালি ধৰি মৰি থকা ঘোৰাটো পোৱা গ'ল—ব্রাইচে ভাঙি ক'লে।. ডান্‌ষ্টান নথকা দেখি ব্রাইচে ভাবিছিল যে সি কিজানি ঘৰ গুলাইছেগৈ।

গড্‌ফ্রে-ই ক'লে, "সি ঘৰলৈ যোৱা নাই। ঘৰৰ পৰা সি আঁতৰি থাকিলেই ভাল। অঃ! মই যে কি গণ্ডমূৰ্খ ! এনে হ'ব বুলি মই আগতে জানিব লাগিছিল।"

ব্ৰাইচে ক'লে, "সঁচা কৰলৈ হ'লে বন্দৰস্ত কৰাৰ পাছত মই ভাবিলোঁ যে তুমি নজনাকৈ হয়তো ডানষ্টানে তোমাৰ ঘোৰাটো বেচিবলৈ আনিছে। ডান্‌চি ৰোপাটিৰ সেই দুৰ্ব্বুদ্ধিবোৰৰ কথা মই জানো। পাছে তেওঁনো গ'ল কলৈ ? আমাৰ তাত তো তেওঁক দেখা নাই! জখম হোৱাতো নায়েই ; কাৰণ তেওঁ ঘোৰা এৰি গুচি গৈছে।"

গড্‌ফ্ৰে—"জখম ? তাৰ জখম নহয়। সি আনক জখম কৰিবলৈহে জনম ধৰিছিল !"

ব্ৰাইচে সুধিলে, "তেন্তে তুমি তেওঁক ঘোৰাটো বেচিবলৈ দিছিলা !" জানোচা পইচাৰ দৰকাৰত ঘোৰাটো বেচিবলৈ দিয়া বুলি ব্ৰাইচে সন্দেহ কৰিছে ইয়াক ভাবি গড্‌ফ্ৰেই ক'লে "ঘোৰাটো মুখৰ ফালে অসুবিধা পাইছিলোঁ কাৰণেই ঘোৰাটো বেচি দিবৰ মন কৰিছিলোঁ। কিবা দুৰ্ঘটনা হৈছে বুলিহে মই চাবলৈ ওলাই আহিছিলোঁ।" এইবুলি ঘোৰাৰ মুখখন ঘূৰাই গড্‌ফ্ৰেৰ মনত ভয় জন্মিল—যে তেওঁৰ সদায় ভয় কৰি থকা বিপদ তেওঁৰ সমুখত। তথাপি ব্ৰাইচক সুধিলে, "আপুনি জানো বেভ্‌লোৰ ফালে নাযায় ?"

ব্ৰাইচে উত্তৰ দিলে, "এতিয়া আৰু নাযাওঁ। এইকালে কামত যাওঁতে ভাবিলোঁ যে তোমাৰ ঘোৰাটোৰ খবৰটো তোমাক লগ পাই দি যাওঁ। ডান্‌চি ৰোপাটিয়ে এই দুৰ্ঘটনাৰ উথল-মাথল পাতলিলেহে দেখা দিব [illegible]

পাইছোঁ। হয়তো তেওঁৰ প্ৰিয় পানাগাৰ 'তিনি মুকুট'লৈ তেওঁ গৈছে।"

গডফ্ৰে-ই অন্যমনস্ক হৈ ক'লে, "এৰা, হব পাৰে।" পাছত কথাটো উৰাই দিয়াৰ সুৰত ক'লে, "ঠিক জানিব, ডান্‌চিৰ খবৰ আমি সোনকালে পাম।"

গড্‌ফ্ৰে-ক মন-মৰা দেখিও আচৰিত নহৈ ব্ৰাইচে ক'লে, "মই এইখিনিতে ঘূৰোঁ। গড্‌ফ্ৰে বোপাটি, মই আহোঁহে দেই। আশাকৰোঁ আন এসময়ত তোমাৰ কাৰণে সু-খবৰ আনিব পাৰিম।"

পিতাকৰ ওচৰত অনিবাৰ্য্য স্বীকাৰ কৰা সেই ভয়ঙ্কৰ দৃশ্যটো মনতে কল্পনা কৰি কৰি গড্‌ফ্ৰে ঘোৰাত যাবলৈ ধৰিলে। তেওঁ পাছ দিনাই ধনখিনিৰ কথা প্ৰকাশ কৰিব লাগিব। বাকীখিনি নকলেও ডান্‌চিয়ে অলপ সময়ৰ ভিতৰতে দেখা দি গোটেই কাহিনীটো কৈ প্ৰতিশোধ লোৱা সম্ভৱ। ডান্‌ষ্টানৰ মুখ বন্ধ কৰি বিপদ পিছুৱাই ৰাখিবৰ উপায় আছে; পিতাকক তেওঁ নিজ মুখে ৰায়তৰ খাজনা আনি নিজে খৰচ কৰি পেলোৱা বুলি কব পাৰে; আগে পাছে তেওঁলে দোষ নকৰাৰ কাৰণে পিতাকেও তৰ্জ্জন-গৰ্জ্জন কৰি পাছত কথাটো পাতলাই দিবও পাৰে। কিন্তু গড্‌ফ্ৰে-ই এই কাম কৰিবলৈ আগ নাবাঢ়িলে। তেওঁ বুজিলে যে ডান্‌চিক টকাখিনি উৰাবলৈ দি তেওঁ নিজে খৰচ কৰাতকৈ গুৰুতৰ দোষ কৰিছে।" সেই দুটা কামৰ ভিতৰত [illegible]

দোষ যিমান গুৰুতৰ তেওঁৰ দোষো তেওঁৰ নিজৰ কাৰণে তেনে অসহ্য। সেই কাৰণে তেওঁ এনেদৰে ভাবিবলৈ ধৰিলে—"মই নিজকে ভাল বুলি নেদেখুৱাওঁ; সেই বুলি মই তো পাষণ্ড নহয়! মোৰ দোষৰ মাজতে শুধৰণি কৰিমেই; নকৰা কাম কৰিছোঁ বুলি বুজোৱাতকৈ কৰা কামৰ ফল মই ভুগিম। ধনখিনি মই নিজৰ ফুৰ্ত্তিৰ কাৰণে খৰচ কৰা নাই; কিন্তু মোৰ কৃতকৰ্ম্মৰ ফলস্বৰূপেহে মই বাধ্য হৈ খৰচ কৰিছোঁ।"

সেইদিনা পাছবেলা নানাৰকমে চিন্তা কৰি গড্ফ্ৰে-ই পিতাকৰ ওচৰত কথাবোৰ প্ৰকাশ কৰিবলৈ মন বান্ধিলে। গুৰুতৰ কথা কৰৰ পাতনিস্বৰূপে তেওঁৰ ঘোৰা মৰাৰ বাতৰিটো পাছদিনালৈ স্থগিত ৰাখিলে। বুঢ়া কেচে আগে-পিছেও ডান্চি ঘৰৰ পৰা আঁতৰি থকাৰ কথা জানিছিল; গতিকে ডান্চিৰ অনুপস্থিতি আৰু ঘোৰাটো নথকাত তেওঁ কোনো কথা সোধা নাছিল। গড্ফ্ৰে-ই ভাবিলে যে স্বীকাৰোক্তিৰ এই ছেগটো হেৰুৱালে তেওঁ আৰু সুবিধা নাপাবও পাৰে। কথাটো স্বীকাৰ কৰিলে হয়তো সি ডান্ষ্টানৰ উৎপাততকৈ বেচি গুৰুতৰ যেন হব; হয়তো এনেও হব পাৰে যে সেই তিৰোতাজনীয়ে ভয় দেখুৱাৰ পৰে নিজে কথাবোৰ প্ৰকাশ কৰি দিবহি। সেই কাৰণে গড্ফ্ৰে-ই ভাবিলে যে তেওঁ স্বীকাৰ কৰোঁতে কব যে প্ৰথমতে [illegible] নিজৰ দুৰ্ব্বলতাৰ কাৰণে ডান্ষ্টানক ধনখিনি [illegible]

দ্বিতীয়তে কৰ যে ডান্‌ষ্টানে তেওঁৰ গুপ্ত কথাৰ সুযোগ লৈ তেওঁক বশ কৰি লৈছিল আৰু তেওঁৰ প্ৰতিবাদৰ ক্ষমতাও নাছিল। আচল কথাটো কোৱাৰ আগতে তেওঁ পিতাকক এইদৰে পাতনি মেলি সাজু কৰি লবলৈ স্থিৰ কৰিলে। এনেকৈ তেওঁ মনতে স্বীকাৰোক্তিৰ আখৰা কৰিবলৈ ধৰিলে। পিতাকৰ স্বভাৱ তেওঁ জানে। বুঢ়া কেচ্ কঠুৱা মনৰ মানুহ; প্ৰচণ্ড খঙত তেওঁ একোটা প্ৰতিজ্ঞা কৰি পেলায় আৰু খং মাৰ নগ'লে তেওঁক শান্ত কৰাও টান; ঠিক যেন এটা আগ্নেয়-গিৰিৰ নিচিনা; যিমান পৰ উদগীৰণ হব সিমান পৰে ভয়ঙ্কৰ; আৰু সময়তহে গলিত পদাৰ্থ চেচা হবগৈ পাৰে—তেওঁৰ খঙো তেনেবিধৰ। তেওঁ—নিজৰ আওকাণৰ বাবে বহুত বেয়া কাম বা কথা কাটিবলৈ এৰি দিয়ে আৰু শেষত সেই দুষ্কাৰ্য্যৰ চিটিকনি তেওঁৰ গা-ত'পৰিলেই সাধাৰণ কঠুৱা আৰু খঙাল মানুহৰ দৰে তেৰোঁ অগ্নিশৰ্ম্মা হৈ ৰুদ্ৰমূৰ্ত্তি ধৰে।

ৰায়তবিলাকৰ ক্ষেত্ৰতো তেওঁ তেনেকুৱাই। পোনতে তেওঁ মন নকৰি সিহঁতক খাজনা নিদিয়াকৈ মাটি-বাৰী চন পেলাই থবলৈ এৰি দিয়ে; কিন্তু যেতিয়াই এই আওহেলাৰ বাবে তেওঁৰ ধনৰ নাটনি হয়, তেওঁ অলপো দয়া নেদেখুৱাই কঠোৰ প্ৰতিবিধান লয়। গড্‌ফ্ৰে-ই পিতাকৰ এই স্বভাৱটো জানিছিল আৰু পিতাকৰ কঠোৰতাৰ কাৰণে তেওঁ মাজে মাজে মনত দুখো পাইছিল; নিজৰ প্ৰকৃতিগত ঢিলা স্বভাৱৰ কাৰণেও তেওঁ পিতাকৰ এনেবোৰ কামত সহানুভূতি দেখে-

খুৱাইছিল। মনলৈ এনেবোৰ ভাব অহাৰ আগতে তেওঁৰ পৰিয়ালটোৰ এনেকুৱা সোপাটিলা প্ৰকৃতিৰ কথা তেওঁ মনতে বিচাৰ নকৰিছিল। পাছে, গড্‌ফ্ৰে-ই ভাবিলে যে এনেকুৱাও হব পাৰে যে পিতাকে বংশ-গৌৰৱৰ বিবেচনাৰ পৰা এই গুপ্ত বিবাহৰ কথা বিবেচনা কৰি কথাটো লুকাবলৈও ইচ্ছা কৰিব আৰু তেওঁৰ বৰ পুতেকক ঘৰৰ বাজ কৰি দি ওচৰৰ গাৱঁ-ভূঁয়ে মানুহৰ মুখে মুখে তেওঁৰ পৰিয়ালৰ ঘটনা হোৱাটোও ইচ্ছা নকৰিব।

মাজনিশালৈকে গড্‌ফ্ৰে-ই এই চিন্তাকেই মনত প্ৰশ্ৰয় দিলে আৰু শুৱৰ সময়ত ভাবিলে যে আৰু চিন্তাৰ আৱশ্যক নাই। কিন্তু পাছদিনা আন্ধাৰে পোহৰে সাৰ পাই আগদিনা ৰাতিৰ চিন্তাবোৰ তেওঁ কৰিব নোৱাৰিলে। তেওঁৰ এনে লাগিল যেন সেই চিন্তাৰ বিষয়বোৰো অৱসন্ন হৈ পৰিছে। সাৰ পোৱাৰ লগে লগে স্বীকাৰোক্তিৰ সিদ্ধান্তকৈ তেওঁ তাৰ বিষময় ফলৰ কথাহে ভাবিবলৈ ধৰিলে। আকৌ তেওঁৰ মনত আগৰ লাজ-অপমানৰ ভয়, নান্সী আৰু তেওঁৰ মাজত হব লগীয়া আসন্ন বিচ্ছেদৰ প্ৰতি বিমুখ ভাৱ, আৰু এইবোৰৰ পৰা উদ্ধাৰ পাবৰ কোনো আকস্মিক ঘটনাৰ সম্ভাৱনাৰ সেই পুৰণি চিন্তাই তেওঁৰ মনত ঠাই পালে। তেওঁ ভাবিলে—নিজৰ হাতৰ কুঠাৰ ভৰিত মাৰি নিজে কিয় নিজৰ আশা ছেদ কৰিব? আগদিনা তেওঁ কথাবোৰ ভৱাত নিশ্চয় ভুল হৈছে; ডানষ্টানৰ ওপৰত খং উঠি ক্ৰোধান্ধ হৈ তেওঁ তাৰ

লগত সম্পৰ্ক ছিঙিবলৈ ওলাইছিল। এতিয়া জ্ঞানীৰ কাম হব ডান্‌চিৰ ওপৰত পিতাকৰ খং শাস্ত কৰা আৰু আগৰ দৰে চলি থকা। বহুদিন ঘৰৰ বাহিৰত ফুৰ্ত্তি কৰি কটাবলৈ ডান্‌চিৰ হাতত ধন আছে—মাত্ৰ এই কথাটোকে অনুমান কৰি তেওঁ ভাবিলে যে কিছুদিন যদি ডান্‌চি ঘৰলৈ নাহে, খং-ৰাগ, অশান্তি, সকলো সময়ত উৰি যাব।

## ( ৮ )

# অনুশোচনা

পাছদিনা ৰাতিপুৱা গড্‌ফ্ৰে-ই উঠি আগদিনাতকৈ সোনকালে চাহ-জলপান খাই লগে আৰু আন কেজন ভায়েক খাই উঠি ওলাই যোৱালৈকে চ'ৰাঘৰত পিতাকৰ কাৰণে বাট চাই থাকিলগৈ। পিতাকৰ সদায় অভ্যাস এয়ে আছিল যে পুৱা তেওঁ জা-জলপান খোৱাৰ আগতে মহৰীজনৰ লগত এপাক মাৰি ফুৰি আহে। 'ৰং-ঘৰ'ত প্ৰতিজনেই বেলেগ সময়ত পুৱা আহাৰ কৰে আৰু পুৱাৰ আভোকৰ নমুঠি ভোক লগাই খাবলৈ কেচ্‌ ডাঙৰীয়াই আটাইতকৈ শেহত খায়। মেজত প্ৰচুৰ খাদ্য-সম্ভাৰ সজাই থোৱা প্ৰায দুঘণ্টাৰ পাছত কেচ্‌ ডাঙৰীয়া উপস্থিত হ'লহি। তেওঁ দেখাত ওখ, শকত, তিনি কুৰি বছৰীয়া বুঢ়া; চেলাউৰিৰ থোপা আৰু চকুৰ কঠোৰ চাৱনিৰ লগত দুৰ্ব্বলতা বুজোৱা সক মুখখনে বিপৰীত গুণৰ ঈঙ্গিত দিছিল। মানুহজনৰ গা-টোলৈ চালে অযত্নৰ চিন দেখা গৈছিল আৰু সাজ-পোচাকো জধলা বিধৰ; কিন্তু বুঢ়া জমিদাৰজনৰ চেহেৰা-পাতিত—সেই ঠাইৰ আন ভদ্ৰলোক খেতিয়কসকলৰ গা-ত নেদেখা—গাম্ভীৰ্য্য আৰু মাতকথা, খোজ-কাটলৰ গহীন গতি ফুটি ওলাইছিল; কাৰণ সম্ভ্ৰান্ত খেতিয়কসকলে সদায় 'ওপৰৱালা'সকলৰ ওচৰত

থকাৰ বাবে আত্ম-দৈন্যৰ ভাৱ-গতি পাব নোৱাৰিছিল আৰু কেচ্ ডাঙৰীয়াৰ দৰে গম্ভীৰ গধুৰ লোকে তেওঁতকৈ ওখ স্তৰৰ মানুহৰ কথা নিজৰে সৈতে ৰিজাই সাধাৰণ ভাৱে ভাবিবই নোৱাৰিছিল। গোটেই জীৱন গাওঁখনৰ পৰা সম্মান পাই থকা আৰু তেওঁৰ নিজৰ পৰিয়ালবৰ্গ, পান-পাত্ৰবোৰ আৰু আন বিষয়-সম্পত্তি যে পুৰাতনীয়া আৰু উৎকৃষ্ট—এই বিশ্বাস কৰি অহা কেচ্ ডাঙৰীয়াৰ নিজৰ মতামতক কেতিয়াও তুলনাই কলুষিত কৰিবলৈ নাপাইছিল ; কাৰণ তেওঁতকৈ ওখ কোনো সম্ভ্ৰান্ত লোকৰ সঙ্গ তেওঁ কেতিয়াও নলৈছিল।

কোঠালিত সোমাই বৰ পুতেকলৈ চাই তেওঁ ক'লে, "পাছে বোপা, তোমাৰ পুৱাৰ আহাৰ হোৱাই নাই নেকি ?" ইয়াত বাজে তেওঁলোকৰ মাজত কোনো সম্ভাষণ দেখা নগ'ল; তাৰ কাৰণ যে পিতা-পুত্ৰৰ অমিল এনে নহয়; 'বংঘৰ'ৰ দৰে এঘৰত প্ৰীতি-ব্যৱহাৰৰ পাৰিজাত-ফুল পাহি ঠন্ ধৰি উঠিব নোৱাৰাহে তাৰ কাৰণ।

গড্ফ্ৰে-ই ক'লে, "দেউতা, মোৰ খোৱা হ'ল। আপোনাৰ লগত কথা হবলৈ হে বাট চাই আছিলোঁ।"

কেচ্ ডাঙৰীয়াই চকীখনত উদাসীনভাৱে বহি ৰৰলোকৰ চিন স্বৰূপে ডাঙৰকৈ কাহ মৰাৰ দৰে কথা ( বেড্লোত ৰুৰাচলতে মানুহে তাক ৰৰলোকৰ চিন বুলি ভাবিছিল ) আৰম্ভ কৰিলে আৰু লগত অহা চিকাৰী কুকুৰটোক অলপ পিজোৱা মঙহ কাটি আগ বঢ়াই দিলে—"মোৰ কাৰণে

ফটিকা আনিবলৈ ঘণ্টাটো বজাই দিয়াঁচোন; বোলোঁ, পাবিবানে? দেখিছোঁ, তোমালোকে ডেকাবিলাকৰ চিন্তা প্ৰায়ে নিজৰ ফূৰ্ত্তিৰ কাৰণে; তোমালোকৰ নিজৰ কাম নাথাকিলে কাৰো হৈ খৰখেদা কৰা তোমালোকৰ অভ্যাস নাই দেখিছোঁ।"

বুঢ়া জমিদাৰৰ জীৱনটো পুতেকহঁতৰ দৰে এলেহুৱা হ'লেও বেভ্‌লো গাৰঁত কেচ্‌ আদি বুঢ়ালোকে এই প্ৰবাদটো জীয়াই ৰাখিছিল যে ডেকা বয়সত মানুহে ভুল-ভ্ৰান্তি কৰে আৰু তেওঁলোকৰ দৰে প্ৰবীণৰ জ্ঞান-বুদ্ধি ঠাট্টা-মস্কৰাৰে কোমলাই ৰখা সহনশীলতাৰ আধাৰ।

ইতিমধ্যতে খানচামাই ফটিকা আনি দি দুৱাৰ জপাই গ'লগৈ; চিকাৰী কুকুৰটোৱে থালত থকা গোটেই চপৰা মঙহ (যিখিনি মঙহ এটা দুখীয়া মানুহে পৰৱৰ দিনৰ ভোজ বুলি খালেহেঁতেন) খাই অন্ত কৰিলে। সেই পৰ সময় বৈ থাকি গড্‌ফ্ৰে-ই কবলৈ ধৰিলে, "পৰহি মোৰ ঘোঁৰাটোৰ এটা দুৰ্ঘটনা হ'ল।"

এসোহা ফটিকা খাই কেচ্‌ ডাঙৰীয়াই ক'লে, "কি! তাৰ ঠেঙৰ ঘোৰা লৰিল নেকি? মই হ'লে ভাবিছিলোঁ যে তুমি ভালকৈ ঘোৰা চেকুৰাব জানা। গোটেই জীৱন মই উঠা ঘোৰা কেতিয়াও পৰা নাই; আৰু পৰা হ'লেও মোৰ পিতৃদেৱতাই আন পিতাকৰ দৰে ধনৰ মোনা মেলি নতুন ঘোৰা কিনিবলৈ ধন নোযোগালেহেঁতেন। দেখিছোঁ, পিতাক-

হঁতে ন-পাতনি নেমেলিলে নচলাত পৰিল! মই হ'লে বন্ধক আৰু আদায় নোহোৱা খাজনাৰ কাৰণে বাটৰ ভিকহুৰ দৰে পইচা এটাৰ মুখ নেদেখা হ'লোঁ। সেই গণ্ডমূৰ্খ কিম্বলে কয় বোলে বাতৰি-কাকতত ৰণৰ অন্তত শান্তিস্থাপনৰ কথা ওলাইছে। দেখিছোঁ, তেতিয়া হ'লে দেশখন নিগমে মৰিল। বস্তুৰ দাম-দৰ কমি যাব; মোৰ আদায় নোহোৱা খাজনা বায়তবোৰ বেচিলেও উচল নহয়। আৰু……সেই '……ৰ পুত্তেক' কাউলাৰক আৰু ক্ষমা নকৰোঁ। সেই মিছলীয়া দগাবাজে যোৱা মাহতে এশ পাউণ্ড খাজনা আদায় কৰিব বুলি খাতাংকৈ কৈছিল। সি ভাবিছে, সি এমুৰীয়া হৈ থাকি সুবিধা পাব আৰু ইফালে ময়ো তাক পাহৰিম।"

ঘেঁহাই ঘেঁহাই কাহু মাৰি বুঢ়া কেচে কথাবোৰ ক'লেও শঙ্কুৰ্ক্ৰেৰ কাৰণে কথাৰ মাজতে মাত মাতিবলৈ সুবিধা নোলাল। তেওঁ ভাবিলে যে ঘোৰাৰ দুৰ্ঘটনাৰ কথা শুনি ধন-বিতৰ কাৰণে অনুৰোধ কৰে বুলি ওফৰাবলৈহে তেনেকৈ কৈছে; ইফালে নোতোলা খাজনা, ধনৰ নাটনিৰ কথা টানি লৈ পিতাকে নিজৰ মনক এনে অৱস্থালৈ আনিছে যে সেই অৱস্থা স্বীকাৰোক্তিৰ কাৰণে কোনোমতেই অনুকূল নহয়; কিন্তু এবাৰ আৰম্ভ কৰিছে যেতিয়া তেওঁ কৈ অন্ত কৰিব লাগিব।

দেউতাকে কথা বন্ধ কৰি সিজোৱা মণ্ডহডোখৰ কাটিবলৈ ধৰা মাত্ৰকে তেওঁ কৱলৈ ধৰিলে, "ই ঘোৰাৰ আঠু ভাঙাতকৈও

ডাঙৰ কথা, দেউতা ; ঘোৰাটো বেৰাৰ ওপৰেদি জপিয়াওঁতে মৰিল! অৱশ্যে মই আপোনাক এটা নতুন ঘোৰা কিনি দিয়াৰ কথা কব খোজা নাছিলোঁ ; মই ভাবিছিলোঁ যে মই ইচ্ছা কৰা মতে ঘোৰাটোৰ দামখিনি দিয়াৰ উপায় মোৰ নাই। ডান্‌চিয়ে ঘোৰাটো বেচিবলৈ নিওঁ বুলি চিকাৰলৈ লৈ গ'ল আৰু এশ কুৰি পাউণ্ডত ব্ৰাইচক বেচাৰ বন্দবস্ত কৰি চিকাৰলৈ যাওঁতে ঘোৰাটোৰ সেই দশা কৰিলে। সেয়ে নোহোৱা হ'লে আপোনাৰ এশ কুৰি পাউণ্ড আজি পুৰাতে দিলোঁহেতেন।"

কেচ্ ডাঙৰীয়াই কাটা-চামুচযোৰ থৈ আচৰিত হৈ পুতেকৰ মুখলৈ চাই ৰ'ল ; তেওঁৰ পুত্ৰই এশকুৰি পাউণ্ড দিয়াৰ প্ৰস্তাৱ তুলি পিতা-পুত্ৰৰ সম্বন্ধত নতুন পৰিবৰ্ত্তন কি কাৰণে ঘটাব খুজিছে, সেই কথা তেওঁৰ মন্থৰ বুদ্ধিৰে ভালকৈ তেতিয়াও অনুমান কৰিব পৰা নাছিল।

গড্‌ফ্ৰে-ই ক'লে, "সঁচা কথা কবলৈ গ'লে—দেউতা—বৰ দুখৰ কথা—মোৰ গাতেই দোষ। ফাউলাৰে এশ কুৰি পাউণ্ড আদায় কৰিলে। যোৱা মাহত তাৰ তালৈ যাওঁতে সি মোক ধনখিনি দিলে। ডান্‌চিয়ে ধনৰ কাৰণে আমনি কৰাত টকাখিনি মই তাক দিলোঁ কাৰণ মই আশা কৰিছিলোঁ যে সোনকালে মই আপোনাক ধনখিনি দিব পাৰিম।"

পুত্ৰেকৰ কথা শেষ নৌ হওঁতেই বুঢ়া কেচ্ খঙত কজা-চঙা হৈ, কি কব কি নকৰ—একো থিৰ কৰিব নোৱাৰিলে ;

"তুমি তেনেহলে ধনগাল ডান্‌চিক দান কৰিছিলা? পাছে—তুমি ডান্‌চিৰ লগত কিমান দিনৰ পৰা সনা পিঠাগুৰি হৈ তাৰ লগত চক্ৰান্ত কৰি মোৰ ধন গ্ৰাস কৰিলা ··হোঁ? কি, তুমি জুৱাচুৰিত ধৰিছা নেকি হেঁ? মই হ'লে কৈছোঁ—মই সহ্য নকৰোঁ। মই গোটেই জাক অকাল-কুষ্মাণ্ড ল'ৰাকে ঘৰৰ পৰা খেদাই আকৌ বিয়া কৰাম। মনত ৰাখিবা মোৰ সম্পত্তিত কোনো দাবি নাখাটিব; ককাদেউতাৰ দিনৰ পৰা কেচ্ বংশৰ লোকে ইচ্ছামতে মাটি-বাৰীৰ ব্যৱস্থা কৰি আহিছে ···বোলোঁ বুজিছানে? মনত ৰাখিবা! পাছে, তুমি ডান্‌চিক ধন কি কাৰণে দিছিলা? তাৰ তলিত নিশ্চয় কিবা মিছা কথা আছে।"

গড্‌ফ্ৰে-ই ক'লে, "দেউতা, একো মিছা কথা নাই। মই ধনখিনি খৰচ নকৰিলোঁহেতেন। ডান্‌চিয়ে বৰকৈ আমনি কৰাত মূৰ্খৰ দৰে তাক ধনখিনি দি দিলোঁ। সি টকা নিদিলেও মই আপোনাক টকা দিলোঁহেতেন। কথা এয়েই। টকা গ্ৰাস্ কৰিবৰ মোৰ ইচ্ছা নাছিল আৰু মই সেই স্বভাৱৰ মানুহো নহওঁ। দেউতা, আপুনি জানে মই কেতিয়াও ঠগামি, অসৎ কাম কৰা নাই।"

"পাছে ডান্‌চি গ'ল ক'লৈ? তাত ঠিয় হৈ কি কৰিছা? মোৰ হুকুম—এতিয়াই গৈ ডান্‌চিক মাতি আনা। সি আহি আৰু টকা লগাৰ কাৰণ আৰু টকা কি কৰিলে তাৰ কৈফিয়ৎ দিবক। সি এই কামৰ বাবে অনুতাপ কৰিব! মই তাক

ত্যাজ্যপুত্র কৰিম! তাৰ ইমান সাহ! যোৱা, তাক মাতি আনা।”

“ডান্‌চি এতিয়াও অহা নাই, দেউতা।”

“কি? তাৰো অপঘাত মৰণ হ’ল নেকি?” (কথাষাৰ কওঁতে কেচে অলপ বিৰক্তিৰে কৈছিল কাৰণ ডান্‌চিৰ ডিঙি ভাঙিলে তেওঁ তাক ত্যাজ্যপুত্র কৰিব নোৱাৰিব।

“মোৰ অনুমান—তাৰ একো হোৱা নাই। ঘোৰাটো মৰা অৱস্থাত পোৱা গৈছে; সম্ভৱতঃ সি ঘোৰা পেলাই গুচি গৈছে। মই ডাঠি কব পাৰোঁ সি অলপ পাছতে ওলাবহি। অৱশ্যে সি এতিয়া ক’ত মই নাজানো।”

ডান্‌চিক নাপাই বুঢ়াই এতিয়া গড্‌ফ্রে-ৰ ওপৰত আক্রমণ চলালে, “তুমি মোৰ ধন কিয় ডান্‌চিক দিছিলা? সেই কথাটোৰ কৈফিয়ৎ মোক দিব লাগে।”

গড্‌ফ্রে-ই মিছা কবলৈ ভাল নাপাইছিল; মিছা কথা কৈ আকৌ মাতিলে কুট্‌-বুধীয়া কথা সৰহ দিন টিকিব নোৱাৰে বুলি ভালকৈ নাজানিলেও তেওঁ মিছা কাৰণ এটা সাজিবলৈ সাজু নাছিল; তথাপি তেওঁ ইতস্ততঃ কৰি ক’লে, “দেউতা, তেনে কাৰণ যে আছিল কব নোৱাৰোঁ।”

বুঢ়া কেচে চোকাকৈ কৈ উঠিল, “কি? কব নোৱাৰা? মই হ’লে কব পাৰোঁ। তুমি কিবা গুপ্ত দুষ্কৰ্মত লাগিছা আৰু মুখ বন্ধ কৰিবলৈ তুমি তাক ধনখিনি ভেটি বুলি দিছা।”

কথাষাৰত গড্‌ফ্রে-ৰ বুকুখন ধৰ্‌ফৰাই উঠিল; ভয় হ’ল যে

দেউতাকৰ অনুমান আচল কথাটোৰ নিচেই ওচৰ পালেহি। ভয়ত হঠাতে নিজক বিপদত পেলাই তেওঁ এক নতুন উপায় কৰিলে। যেন বিশেষ গা-ত লগা নাই—এনেদৰে গড্ফ্ৰে-ই ক'লে, "দেউতা, হওঁতে ডান্চি আৰু মোৰ মাজত এটা গুপুত কথা আছিল। অৱশ্যে আন কাৰো লগত সেই কথাৰ সম্বন্ধ নাই। ডেকা ল'ৰাৰ মূৰ্খালিৰ কথা জানি একো লাভ নাই। মোৰ ঘোৰাটো লোকচান নোহোৱা হ'লে আপুনি কথাটো মন নকৰিলেহেতেন। ময়ো ধনখিনি দিলোঁহেতেন।"

কেচে পুতেকলৈ খঙেৰে চাই চকু থোপাকৈ ক'লে, "মূৰ্খালি ? হোঁঃ ! তোমাৰ মূৰ্খালি এৰিবৰ হ'ল। মই তোমাক জানিবলৈ দিওঁ যে তুমি তোমাৰ মূৰ্খালি এৰিব লাগিব। তোমাৰ দুষ্কৰ্মৰ কাৰণে মই আৰু ধন যোগাব নোৱাৰোঁ। মই জানোতে, দুৰ্দ্দিনৰ মাজতো ককাদেউতাৰ ঘোৰাশাল ঘোৰাৰে ভৰি আছিল আৰু ঘৰদুৱাৰো ভালমতে চলিছিল। মোৰ গা-ত জোৰকৈ দৰে চাৰিটাকৈ তেজখোৰা ল'ৰা নথকা হ'লে ময়ো তেনে অৱস্থাত থাকিব পাৰিলোঁহেতেন। ইমান দিন মই মৰমিয়াল পিতাৰ দৰে চলিলোঁ। ইয়াৰ পাছত মই আৰু মৰম নকৰোঁ।"

গড্ফ্ৰে নিমাত হৈ ৰ'ল। তেওঁৰ বিচাৰ-বুদ্ধি বৰ গভীৰ হ'লেও তেওঁ জানিছিল যে পিতাকৰ সেই টিলা ব্যৱহাৰ সেহে আছিল। তেওঁ আশা কৰিছিল যে তেওঁক সংযত কৰি ৰাখি স্বাভাৱিক দুৰ্বলতাক দমাই তেওঁৰ ভাল বুদ্ধি পিতাকে

জগাই তুলিব। কেচ্ ডাঙৰীয়াই কটি-মগুহ খৰধৰকৈ খাই এসোহা মদ খাই ল'লে আৰু চকীখন ঘূৰাই আকৌ কবলৈ ধৰিলে, "মোক বিষয়-সম্পত্তিবোৰ চলাবলৈ তোমালোকে সহায় কৰিব লাগিব। নহলে এটাইকেউটাৰে বেয়া হব, মনত ৰাখিবা।"

"দেউতা, বিষয়-সম্পত্তি চলোৱাৰ ভাৰ মই লবলৈ প্ৰায়ে আপোনাক জনাইছোঁ; কিন্তু আপুনি জানে আপুনি সদায় মোৰ কথা বেয়া ভাৱত লয়। বোধকৰোঁ আপুনি ভাবে যে মই আপোনাৰ ক্ষমতা কাঢ়ি লব খুজিছোঁ।"

কেচৰ মনত পুৰণি কথাবোৰ ঠালে-ঠেঙুলিয়ে দকৈ নথকাৰ কাৰণে তেওঁ মাত লগালে, "তোমাক বিষয়-সম্পত্তি চলাবলৈ কোৱা নাই বা বেয়া ভাৱ লোৱা কথাৰ মই একো নাজানো। কিন্তু এইটো কথা জানো যে তুমি যেতিয়া বিয়া কৰাবলৈ মন মেলিছিলা মই আন বাপেকৰ দৰে তাত হকা-বধা কৰা নাছিলোঁ। মই ভাবোঁতে তুমি লেমেটাৰৰ জীয়েৰক বিয়া কৰাব লাগিছিল। মই বাধা দিয়া হ'লে তুমি বিয়াৰ প্ৰস্তাব চলাই থাকিলাহেতেন; কিন্তু বাধা নিদিয়া দেখি এতিয়া দেখিছোঁ তুমি মন ঘূৰাই পেলাইছা। তুমি…এটা অপদাৰ্থ। ঠিক তোমাৰ মাৰাৰ দৰে; তেওঁৰো নিজৰ ইচ্ছা বোলা কথা এটা নাছিল। তিবোতাই মনোমত স্বামী পালে নিজৰ হেৰুৱাই পেলায়. তোমাৰ ভাবী পত্নীৰ হ'লে নিজৰ আছে যেন লাগিছে; পাছে কোন বাটে যাবা তুমি…দেখিছোঁ

নিজেই ভালকৈ কব নোৱাৰা। লেমেটাৰৰ জীয়েকে তোমাক বিয়া নকৰাৰ বুলি কৈছে জানো···হোঁ ?"

বৰ অস্বস্তিত গড্‌ফ্ৰে-ই কলে, "কোৱা নাই আৰু মই ভাবোঁতে নকৰও।"

"মই ভাবোঁতে! বিয়াৰ প্ৰস্তাৱটো মুখেৰে ফুটাই কৰলৈ তোমাৰ সাহ নাই কিয়? তুমি বিয়া কৰাব খোজানে? লেমেটাৰৰ জীয়েকক পাব খোজানে নোখোজা হোঁ ?"

গড্‌ফ্ৰে-ই কথাটো এৰাবলৈ ক'লে, "আন ছোৱালী বিয়া কৰাব নোখোজোঁ।" "তেন্তে ময়ে তোমাৰ হৈ বিয়াৰ প্ৰস্তাৱ কৰিম; কাৰণ তোমাৰ সেইফেৰা সাহ নাই। মই ভাবোঁতে লেমেটাৰে মোৰ বংশলৈ জীয়েকক বিয়া দিবলৈ অনিচ্ছা নকৰিব। সেই শুৱনী ছোৱালীটীয়ে আন কাকো বিয়া নকৰায়; গতিকে দেখিছোঁ তোমাৰ বাট নিষ্কণ্টক।"

গড্‌ফ্ৰে-ই ভয় খাই কৈ উঠিল, "দেউতা, কথাটো এতিয়া থাওক। মই ভাবোঁতে তেওঁ মোক অলপ বেয়া পাইছে। গতিকে প্ৰস্তাৱটো মই নিজ মুখে কৰিম। এনেকুৱা কাম মানুহে নিজে কৰিলেহে ভাল।"

"তেন্তে কৈ মেলি কাম কেৰা হোৱাটো কৰিবা; তেহে যদি তুমি নতুন মানুহ হব পাৰা। বিয়া কৰাবলৈ মন মেলিলে মানুহে তেনেকুৱা কৰিবই লাগে।"

"দেউতা, এতিয়া যে বিয়াৰ কথা ভাবিব পাৰিম, কব নোৱাৰোঁ। আপুনি আমাৰ পাম এখনত গৈ আনি ছুয়ো

থকাটো ইচ্ছা নকৰিব আৰু মোৰ তিৰোতায়ো মোৰ ভাই-হঁতেৰে সৈতে এই ঘৰত থাকিবলৈ নাহিব পাৰে। তেৰোঁ সকৃৰ পৰা অকলশৰীয়াকৈ আন ৰকমে জীৱন কটাই আহিছে।"

কেচ্ ডাঙৰীয়াই এটা বিদ্রূপপূর্ণ কাঠ হাঁহি মাৰি ক'লে, "কি? এই ঘৰত থাকিবলৈ নাহিব? সেই কথা মোক নকবা। মই কৈছোঁ, তুমি কবা—সেয়ে কথা।"

"দেউতা, মোৰ মতে সেই কথা এতিয়া থাওক। মই আশা কৰোঁ যে আপুনি কিবা কৈ বিয়াখন বেগাবেগিকৈ পাতিবলৈ চেষ্টা নকৰিব।"

কেচে কলে, "মোৰ যি ইচ্ছা মই তাকে কৰিম। তুমি মনত ৰাখিবা যে ঘৰৰ মুৰুব্বি মই। নহলে তুমি ঘৰৰ বাহিৰ ওলাই গৈ মাটি-বাৰী কৰবাত পৰাগৈ দেখা পাবা। এতিয়া তুমি গৈ মহৰীক কবা যে সি যাব নালাগে; মোৰ কাৰণে বাট চাব। মোৰ ঘোৰাটোত জিন লগাবলৈ কোৱাঁ। অ' ৰবা, ডান্চিৰ ঘোৰাটো নি বেচি টকাখিনি মোক আনি দিবা, বুজিছা? সি মোৰ ধন ভাঙি আৰু ঘোৰা ৰাখিব নোৱাৰে। ডান্চি ক'ত লুকাই আছে তুমি জানা; তাক কবা যেন সি মোৰ ঘৰত আৰু ভৰি নিদিয়েহি। সি লাগে ঘোৰাৰ চহিচ কাম কৰি খাওক। মোৰ অন্ন ধ্বংস কৰিবলৈ তাক আৰু নিদিওঁ।"

গড্‌ফ্রে-ই দুৱাৰৰ ফালে গৈ ক'লে, "সি ক'ত আছে মই

নাজানো, দেউতা ; আৰু জানিলেও তাক ঘৰলৈ নাহিবলৈ ক'বৰ মোৰ এক্তিয়াৰ নাই।"

বুঢ়া কেচে মুখত পাইপটো তুলি লৈ হুকি মাৰি ক'লে, "থোৱাঁ, থোৱাঁ ! মই যেনেকৈ কৈছোঁ—মোৰ ঘোৰা সজাবলৈ কোৱাঁগৈ।"

পিতাকৰ লগত সাক্ষাৎ হোৱাৰ ফলত তেওঁৰ অৱস্থাৰ পৰিবৰ্ত্তন হ'ল নে নাই ভালকৈ বুজিব নোৱাৰি আৰু নানা ছলাহী কথা কৈ নিজকে প্ৰবঞ্চনাত পেলোৱা বুলি ভাবি মনটো গধুৰ কৰি গড্ফ্ৰে কোঠালিৰ পৰা ওলাই গ'ল। নান্সীৰ ওচৰত বিয়াৰ প্ৰস্তাৱ কৰাৰ কথাটোৱে তেওঁৰ মনত এটা নতুন ভয় আনি দিলে, জানোচা পিতাকে কথা-বতৰাত লেমেটাৰক সেই বিষয়ে কিবা কৈ পেলায় আৰু তেৱোঁ সেই অৱস্থাত নান্সীক হাতৰ মুঠিত পায়ো এৰি দিবলৈ বাধ্য হয়। আগৰ দৰে তেওঁ ভাগ্যক ধিয়াই বিপদ আৰু লাঞ্চনাৰ পৰা উদ্ধাৰ পাব পৰা নতুন ঘটনাৰ আশাত আকৌ মগ্ন হ'ল ; আকৌ তেওঁ আশাকে সাৰোগত কৰি নিজৰ দুৰ্ব্বলতাক প্ৰশ্ৰয় দিলে।

ভাগ্যক ধিয়াই আসন্ন বিপদৰ পৰা কিবা উপায়ে ৰক্ষা পাবলৈ আশা কৰাৰ কাৰণে গড্ফ্ৰেক দুষিব নোৱাৰি। প্ৰকৃতিৰ বিধানক বিশ্বাস কৰি পালন কৰা দূৰৰ কথা ; মানুহমাত্ৰেই কৰ্ম্ম কৰি সুযোগলৈ বাট চায়। আজিৰ দিনৰ যি কোনো সুৰুচিসম্পন্ন লোকে যদি অবাঞ্ছনীয় কোনো

অৱস্থাত পৰিব লগা হয় তেন্তে সেই অৱস্থাৰ কুফলৰ পৰা মুক্তি পাবৰ সকলোৰকম উপায় তেওঁ চিন্তা কৰিব। সেই লোকে যদি আৰ্জ্জনতকৈ সৰহ ভগন কৰে, আৰ্জ্জনলৈ যদি পিঠিও দিয়ে, তেনে অৱস্থাতো কোনোবা অসম্ভাৱিত উপকাৰী লোকৰ কথা কল্পনা কৰিব, নাইবা কোনো অজলা মানুহক বঞ্চনা কৰি স্বাৰ্থসিদ্ধি কৰাৰ কথা ভাবিব, নাইবা আন মানুহৰ সম্ভৱপৰ মনৰ অৱস্থা এটা চিন্তা কৰি তেওঁ দিঠকৰ সপোন দেখিব। যদি সেইজন মানুহে নিজৰ কৰ্ত্তব্যত আওহেলা কৰে তেন্তে তেওঁ ভাগ্যৰ ওপৰত নিৰ্ভৰ কৰি ভাবিব যে সেই অ-কৃত কৰ্ত্তব্য হয়তো ঘটনাচক্ৰত সিমান মূল্যবান হৈ নুঠিব। যদি তেওঁ কোনো বন্ধুক বিশ্বাসঘাতকতাও কৰে, তেতিয়াও তেওঁ ভাগ্যৰ ওপৰত এৰি দি সান্ত্বনা লভিব যে হয়তো বিশ্বাস-ঘাতকতাৰ কথা বন্ধুজনে নাজানিব। যদি কোনো লোকে তেওঁৰ সজ ব্যৱসায় এৰি কেতিয়াও নোহোৱা নোপজা ডাঙৰীয়াৰ শাৰীত উঠিবলৈ চায়, সেই অৱস্থাতো তেওঁ ভাগ্য-চক্ৰ সৃষ্টি কৰি ভাগ্যকেই আলিঙ্গন কৰিব। দুষ্কৰ্ম্ম কৰি কৰ্ম্মফল এৰাবলৈ ভাগ্যৰ ওপৰত এৰি দিলেও চিৰন্তন নীতি এয়ে যে যেনে কঠীয়া তাৰ শস্যও তেনেকুৱাই—'পৰিণতিৰেব কৰ্ম্মণাং চিৰং কৰ্ম্মানুসাৰিণী'।

( ৯ )

## সান্ত্বনাৰ চেষ্টা

হাকিম মাল্লাম ডাণ্ডৰীয়া বেভ লো গাৱঁত আৰু ওচৰে কাষৰেও বুদ্ধিমান মানুহ বুলি জনাজাত আৰু তেওঁৰ 'ৰায়'-বোৰো তেওঁৰ ওচৰচুবুৰীয়া নিকৃষ্ট মানুহবিলাকৰ বুদ্ধিয়ে ঢুকি নোপোৱা উৎকৃষ্ট বিধৰ। ফেৰিৱালাৰ টিঙিৰি-জুইচলাৰ তদন্ত কৰি সেই চুৰিৰ ৰহস্য উদ্‌ঘাটনৰ তেওঁ নানা চেষ্টা কৰিলেও তদন্তৰ মন্থৰ গতি আৰু সেই ফেৰিৱালাৰ ক্ষিপ্র-গতি আৰু অন্তৰ্দ্ধানৰ কাৰণে চুৰিৰ কাহিনীটোৰ সম্পৰ্কে বেভ্‌লো গাৱঁত হোৱা উত্তেজনা লাহে লাহে শাম কাটি আহিল। ইফালে ডানষ্টান কেচ্ ঘৰলৈ নহা কথাটোত কোনোৱেই মন্তব্য নকৰিলে। আগেয়ে এবাৰ ডান্‌ষ্টানে পিতাকৰ লগত কাজিয়া কৰি ওলাই গৈ আকৌ ছ-সপ্তাহৰ মূৰত ভাল ল'বাৰ দৰে ঘৰ সোমাইছিলহি। ডান্‌চিৰ পৰিয়ালৰ লোকেও—এই অনুপস্থিতিত অভ্যস্ত হোৱাৰ বাবে ডান্‌চি নোহোৱাৰ কথা মুলিয়াইছিল; হওঁতে বুঢ়া কেচে ডান্‌ষ্টানক ঘৰ সোমাবলৈ নিদিয়ে বুলি মাজে মাজে দম্‌দমাই আছিল। ঘোৰাটো মাৰি পিতাকৰ খং তুলি ঘৰলৈ নহাকৈ থকাত আচৰিত হবৰো একো নাছিল। ডান্‌চিৰ অন্তৰ্দ্ধান আৰু সেই একে ৰাতিয়ে চুৰি—এই দুয়োটা ঘটনাৰ যে

সম্পৰ্ক আছে সেই কথা কাৰো মনত খেলোৱাও নাছিল ; আনকি ভায়েকৰ দুষ্কৰ্ম্মৰ কথা জনা গড্‌ফ্ৰেয়ো সেই কথা ভবা নাই। তেওঁলোকৰ দুয়োৰে মাজত তাঁতী মাৰ্ণাৰৰ বিষয়েও যোৱা বাৰ বছৰে একো কথা উত্থাপন হোৱা নাছিল। ডানষ্টান তেওঁৰ কাৰণে এটা অপগ্ৰহ। তেওঁ কল্পনাত দেখিছিল যে ডানষ্টানে মৰা ঘোৰাটো থৈ কোনোবা আড্ডাত ফুৰ্ত্তি কৰিছেগৈ, নাইবা কোনোবা চিনাকী লোকক ঠগি ধন আদায় কৰিছে, নাইবা ঘৰলৈ ঘূৰি আহি সি ককায়েকৰ ওপৰত হয়তো নিৰ্য্যাতন কৰাৰ কথা ভাবিছে। কোনো মানুহে ডানষ্টানৰ নিৰুদ্দেশ আৰু চুৰিৰ সম্পৰ্ক থকা বুলি ভাবিলেও কেচ্‌ বংশৰ আড়ম্বৰ আৰু মৰ্য্যাদালৈ চাই যে সেই অনুমান মানুহে অমূলক বুলি উৰাই নিদিব— তাত সন্দেহ হয় ; কিন্তু আগন্তুক বৰদিনৰ উপলক্ষে কৰা পিঠা-পনা, প্ৰচুৰ ফটিকা তেনে অনুমানৰ যে প্ৰতিকূল তাত কোনো সন্দেহ নাই।

ৰেভ্‌লো আৰু ওচৰৰ ঠাইবোৰত চুৰিৰ বিষয়ে কোৱা-কুই কৰোঁতে মানুহে টিঙিৰি জুইচলাৰ যুক্তিৰ পৰা—তদন্তৰ অতীত গোপন ৰহস্যলৈকে কথন-মথন কৰিছিল। তাতে কেবাটাও দল হৈ দলবোৰে পৰস্পৰৰ অনুমানৰ কাৰণে পৰস্পৰক ইতিকিং কৰিবলৈও নেৰিছিল।

যি সময়ত চাইলাচৰ ক্ষতিৰ কাহিনীয়ে ৰেভ্‌লো গাৱঁত মনুৰ জল্পনা-কল্পনাৰ সৃষ্টি কৰিছিল, তেতিয়া চাইলাচে সেই

ৰিক্তুতাৰ মৰ্ম্মঘাতী যাতনা তিলে তিলে ভোগ কৰিছিল; ইফালে সেই ক্ষতিৰ বিষয়ে ৰেভ্‌লোবাসীয়ে আৰামেৰে আলোচনা কৰি কটাইছিল। ধন চুৰিৰ আগেয়ে চাইলাচক জনা লোকৰ কাৰণে অনুমান কৰা টান যে তাৰ দৰে এটা অকলশৰীয়া আৰু নীৰস জীৱন কটোৱা মানুহে তেনে এটা আঘাত অনুভৱ কৰিব পাৰে; বৰং এনে ভবা হে সম্ভৱ যে সি সেই জীৱনৰ ওৰ পেলাব।

কিন্তু দৰাচলতে চাইলাচৰ জীৱনত কৰ্ম্মব্যগ্ৰতা আৰু নিৰ্দ্দিষ্ট এক উদ্দেশ্য আছিল কাৰণে বাহিৰৰ নিৰানন্দ ভবিষ্যতৰ পৰা তাৰ জীৱন মুক্ত আছিল। তাৰ জীৱনটোৱে এটা নিৰ্দ্দিষ্ট লক্ষ্য অৱলম্বন কৰি গৈছিল আৰু যদিও তাৰ জীৱনৰ প্ৰতি শাখা-প্ৰশাখাই এক প্ৰাণহীন, বিশৃঙ্খল অৱলম্বনক আশ্ৰয় কৰি গৈছিল তথাপিও তাৰ জীৱনৰ সেই অৱলম্বনেই আছিল সন্তোষ। এই ৰিক্তুতাৰ পাছত সেই অৱলম্বনৰ আশ্ৰয় নাইকিয়া হ'ল আৰু তাৰ সেই কোঁঠৰ দেৱালবোৰ খহি পৰিল। মাৰ্ণাৰৰ চিন্তাৰ গতিয়ে সেই পুৰণি বাট ধৰি আগুৱাব নোৱাৰা হ'ল। অৱশ্যে তাৰ তাঁতখন, তাঁতবোৱা কাম, ফুলজালি বছা কাম হাতত আছিল; কিন্তু ভৰিৰ তলৰ গাঁতটোত থকা ধনখিনি নাইকিয়া হ'ল; ধন হাতেৰে চুই দেখি আনন্দ পোৱাৰ আশাৰ অন্ত পৰিল; আগৰ দৰে গধূলিৰ লগে লগে তাৰ ভগা অন্তৰ আগন্তুক আনন্দৰ কল্পনাত নাচি নুঠা হ'ল। কাম কৰি

আকৌ ধন সঁচাৰ চিন্তাই তাক আৰু আনন্দ নিদিয়ে, কাৰণ সেই চিন্তাৰ সূত্ৰত তাৰ ক্ষতিৰ চিন্তা জাগি উঠে। আকৌ অলপ ধনৰ পৰা নতুনকৈ ধনৰ দ'ম কৰাৰ চিন্তা সি কৰিব নোৱাৰা হ'ল ; কাৰণ সেই আকস্মিক আঘাতত তাৰ অন্তৰৰ আশা-ভৰসা চূৰমাৰ হৈ গৈছে।

গতিকে মাৰ্ণাৰে সেই শূন্যতা দুখেৰে ভৰাই পেলালে। তাঁত বৈ থাকোঁতে মাজে মাজে সি অফুটভাৱে আহত পশুৰ দৰে বিনাই উঠে ; বুজা যায় যে গধূলি হোৱাৰ লগে লগে তাৰ চিন্তা অকস্মাতে আকৌ ঘূৰি সেই শূন্যতাৰ মাজত পৰিছেহি। গধূলি জুহালৰ কাষত বহি আঠুত হাত দুখন থৈ মূৰটো হাতেৰে ধৰি সি অফুটভাৱে বিনাবলৈ ধৰে—তাৰ বিননি ইমান অস্পষ্ট যে ই কাৰো কাণত নপৰে।

এই বিপদত মাৰ্ণাৰক যে সকলোৱে লগ এৰিছিল এনে নহয়। এই বিপদত নতুন সহানুভূতিৰ ভাৱে ওচৰ-চুবুৰীয়া-বিলাকৰ মনৰ আগৰ বেয়া ভাৱ আঁতৰাই পেলালে। সামাজিক বুদ্ধি নথকা চাইলাচৰ যে নিজকে চলাই যোৱাৰ বুদ্ধি নাই সেই কথাও এতিয়া সকলোৱে বুজিব পাৰিলে। সি কাৰো লগ-সঙ্গ নোলোৱাৰ কাৰণে আগেয়ে তাক দুষ্ট প্ৰকৃতিৰ আৰু কুসঙ্গত থকা মানুহ বুলি ভবা লোকে এতিয়া তাৰ স্বভাৱটোক চেৰা-বলিয়ালি বুলি কোৱা হ'ল আৰু মাৰ্ণাৰক পুতৌ কৰি সকলোৱে 'আই ঐ দেহি' বুলিবলৈ ধৰিলে।

ওচৰ-চুবুৰীয়াৰ মৰম-পুতৌ চাইলাচৰ ওপৰত এতিয়া নানাৰকমে পৰিবলৈ ধৰিলে। আগন্তুক বৰদিনৰ কাৰণে বন্ধা-বঢ়া, পিন্ধা-পনা, জলপানৰ গোন্ধ বতাহত ফুৰ্ ফুৰ্ কৈ ওলাবলৈ ধৰিলে। ধনীলোকে এই সময়তে বাঢ়ি থকা মঙহ, পৰমান্ন দান কৰাৰ ৰীতি আছে। চাইলাচৰ বিপদত শ্ৰীমতী অচ্ গুডৰ দৰে গৃহস্থনীয়ে চাইলাচক পাহৰা নাছিল। গীৰ্জ্জালৈ নোযোৱা কাৰণে আক্ৰোহী কৰাইচ্ বুলি চাইলাচৰ নামত জুইতো খেৰ নিদিয়া ক্ৰেকেন্থৰ্পেও মঙহৰ পিঠা চাইলাচক উপহাৰ নিদিয়াকৈ নাথাকিল। গাৱঁৰ লোকে গাৱঁত লগ পালেই চাইলাচক বেঢ়ি কুৰি পুতৌ দেখুৱাই সান্ত্বনা দিয়ে; আনকি ঘৰলৈ গৈও চাইলাচৰ মুখে চুৰিৰ বিষয়ে আত্মোপান্ত শুনাৰ পাছত সান্ত্বনাৰ সুৰত কয়, “মাৰ্ণাৰ ভাই, তোমাৰ অৱস্থা তো আন দুখীয়া মানুহতকৈ হীন নহয়! তুমি কাম-কাজ কৰিব নোৱাৰা হ'লে আমাৰ পঞ্চায়তৰ পৰা তোমাক খোৰাকি যোগোৱা হব।”

ৰেভ্‌লো গাৱঁৰ মানুহে যথেষ্ট পুতৌ দেখুৱাইছিল সঁচা, কিন্তু সেই পুতৌ প্ৰায়ে বিশুদ্ধ ভাৱে অন্তৰৰ পৰা নাহি কেৱল মুখৰ কথা স্বৰূপেহে ওলাইছিল। গাৱঁৰে মেচি ডাকতীয়ে এদিন গধূলি চাইলাচৰ পঁজালৈ আহি নিজৰ বকলা মেলি চাইলাচক বুজাই গ'ল যে তেওঁৰ দৰে এজন গণ্যমান্য জ্ঞানী মানুহৰ মনত চাইলাচৰ বিষয়ে এই বিপদৰ পাছত ভাল ধাৰণা জন্মিছে। মেচিৰ সেই আত্মগৌৰৱৰ

থৌকি-বাথৌৰ মাজত চাইলাচক নিমাত দেখি—জানোচা চাইলাচে তেওঁক প্ৰশংসা কৰেই বুলি—মেচিয়ে সুধিলে, “ভাই চাইলাচ্, মোৰ কথা শুনি তোমাৰ একো কব লগা নাইনে ?” চাইলাচে মাথোন মূৰটো হাতেৰে ধৰি ক’লে, “অশেষ ধন্যবাদ, ডাঙৰীয়া, অশেষ ধন্যবাদ।” তাৰ পাছতো মেচিয়ে সেইদৰে কথাৰ ঠুনুপাক মেলি চাইলাচৰ পঁজাত বহুত সময় কটাই গ’ল।

মেচিৰ বাহিৰে চকা-মিস্ত্ৰীৰ ঘৈণীয়েক শ্ৰীমতী ডলি উইন্থ্ৰপো চাইলাচক সান্ত্বনা দিবলৈ আহিছিল। তেওঁ গৃহস্থনীৰূপে আদৰ্শ; তিৰোতা হিচাবেও মৃদু, কোমল স্বভাৱৰ; চেহেৰা-পাতিতো সুগঢ়িত; প্ৰকৃতিতো গহীন, শান্ত, ধাৰ্ম্মিক আছিল। চাইলাচক বিপদত পৰা যেন বুজি তাৰ দুখত দুখী হৈ শ্ৰীমতী উইন্থ্ৰপে এদিন দেওবাৰে সৰু পুতেক এৰণ-ক লগত লৈ হাতত এটা পিঠাৰ টোপোলাৰে সৈতে চাইলাচৰ পঁজাত ওলালহি। পকা আপেলৰ দৰে ভৰপূৰ টুলটুলীয়া ৰঙা মুখখনেৰে সাতবছৰীয়া এৰণে নিকা কানি-কাপোৰ পিন্ধি বুকত সাহ বান্ধি মাকৰ আঁচলত ধৰি আহিছিল; বপুৰাৰ পেটে পেটে ভয় জানোচা সেই শাল-চকুৰা তাঁতীয়ে কিবা অপঘাত কৰে। শিলৰ খালৰ ওচৰ চাপি চাইলাচৰ তাঁতৰ খটাখট্ মাত শুনি তাৰ সাহ আৰু ভয়ৰ দোমোজাটো ডাঙৰ হবলৈ ধৰিলে।

চাইলাচে শুনাকৈ তেওঁলোকে দুৱাৰত টুকুৰিয়াই দিলে।

ডুৱাৰ মেলি চাইলাচে আগৰ অসহিষ্ণু ভাৱ নেদেখুৱালে। আগেয়ে তাৰ অন্তৰ—বহুমূলীয়া মাণিক এডোখৰ থকা এটা সঁফুৰাৰ দৰে আছিল; এতিয়া সেই মাণিক হেৰাল; সেই অন্তৰ-সঁফুৰাও শুদা আৰু হিয়াৰ সঁচাৰো ভাগি গ'ল। আন্ধাৰত খপিয়াই ফুৰা মানুহৰ দৰে আশ্ৰয়হীন হৈ চাইলাচৰ মনত খেলালে যে এতিয়া সি বাহিৰৰ পৰা সহায় পাব লাগিব। এতিয়া লগৰ মানুহ দেখিলে তাৰ মনত ৰিণিৰিণিকৈ আশাৰ সঞ্চাৰ হয়, মানুহৰ শুভেচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিবৰ এক অস্পষ্ট কামনা মনত জাগি উঠে। কোনো সম্ভাষণ নজনোৱাকৈ চাইলাচে ডুৱাৰ মেলি ডলি উইন্‌থ্ৰপক আগ বঢ়াই নিলে আৰু চকীখন বহিবলৈ দিবৰ কাৰণে টানি আনিলে। চকীত বহি ডলিয়ে পিঠাৰ টোপোলাটো মেলি গহীনকৈ ক'লে, "মাৰ্ণাৰ ককাইটি, কালি পিঠা কেইটামান ভাজিছিলোঁ। কি জানিবা ভাল পোৱা, তাকে ভাবি কেইটামান পিঠা লৈ আহিছোঁ। কটী ওৰেও বছৰে খাই পিঠা-পনা মই ভাল নোপোৱা হৈছোঁ। পাছে মতা মানুহৰ পেট—শিল খালেও জীণ যায়; আৰু জুতিও সলাব লাগে নহয়?"

চাইলাচে পিঠা কেইটা হাত পাতি লৈ ডলি উইন্‌থ্ৰপক ধন্যবাদ জনালে আৰু ৰঙামুৱা এৰণলৈ চাবলৈ ধৰিলে আৰু এৰণেও মাকৰ চকীৰ পিছত আশ্ৰয় লৈ ভুমুকি মাৰি চাইলা-চলৈ চাই থাকিল। কথা-বতৰাৰ মাজত পুতৌৰে চাইলা-

চলৈ চাই ডলিয়ে ক'লে, "যদি কৰবাত কিবা ভাল থাকে, সেই ভাল কথা, ভাল মাত আমাৰ সকলোকে লাগে। আজি জানো গীৰ্জ্জাৰ ঘণ্টা তুমি শুনা নাছিলা, মাৰ্ণাৰ ককাইটি ? আজি দেওবাৰ বুলি পাহৰিলা হবলা। অকলে থাকি থাকি দিনৰ লেখবোৰো পাহৰিছা, দেহি ! তাঁতখনৰ মাতত গীৰ্জ্জাৰ ঘণ্টা তুমি নুশুনা ; তাতে ডাঠ কুঁৱলীৰ মাজেদি মাতো ফুটি নোলায়।"

দেওবাৰে গীৰ্জ্জাৰ ঘণ্টা চাইলাচৰ মানত সাধাৰণ ঘটনা যেন আৰু আগেয়েও লেণ্টাৰ্ণ ইয়াৰ্ডত গীৰ্জ্জাৰ ঘণ্টা নাছিল। চাইলাচে ক'লে, "হয় ; গীৰ্জ্জাৰ ঘণ্টা মোৰ কাণত পৰিছিল।"

অলপ বৈ ডলিয়ে মাত লগালে, "আই ঐ দেহি ! গীৰ্জ্জালৈ নগলেও দেওবাৰে কাম কৰা কেনে যেন লাগে ; তাতে দেওবাৰে গা-পা ধুই শুদ্ধ হব লাগে নহয় ! দেওবাৰে তোমাৰ দৰে অকলশৰীয়া মানুহে ৰন্ধা-বঢ়াৰ কাম বন্ধ কৰিব নোৱাৰে। মন কৰিলে তুই চাৰি অনা ভাঙি মাজে-সময়ে আলহী-ঘৰতে খাই আহিবগৈ পাৰা ? মই হ'লে নাখাওঁ গৈ সঁচা ; নহলে খোৱা বস্তু খিনি নি তুমি তাতে খাবগৈ পাৰা। দেওবাৰে খোৱা মুঠি তপত হ'লে তেও শনিবাৰতকৈ বেলেগ যেন লাগে। বৰদিন আহিব লাগিছে ; বৰদিনৰ দিনা তুমি খোৱাখিনি লৈ গৈ থৈ দিবা ; গীৰ্জ্জালৈ গৈ উপাসনা কৰি মনটো শুদ্ধ কৰিবগৈও পাৰা।

সেই স্বৰ্গীয় শক্তিসমূহত মতি ৰাখিলে নিজৰ সদ্‌গতি হয় আৰু সাধ্য অনুসৰি নিজৰ কাম-কাজ শুদ্ধ চিত্তেৰে কৰিব পৰা হয়।”

নৰিয়াক বুজাই বৰাই দৰৱ খুউৱা নাইবা ভোক নথকাক আভোকৰ নমুঠি খুৱাবলৈ চেষ্টা কৰাৰ দৰে ডলিয়েও মিঠা মাতেৰে চাইলাচক এই দীঘল ধৰ্ম্মোপদেশ দি বুজনি দিবলৈ চেষ্টা কৰিছিল। চাইলাচে কেতিয়াও গীৰ্জ্জালৈ যোৱা নাই আৰু তাৰ মানুহে তাৰ একাচেকা স্বভাৱ বুলিহে তাৰ গীৰ্জ্জালৈ নোযোৱা কথাটো ভাবি লৈছিল। কিন্তু ডলিৰ উপদেশ শুনি পোনপটীয়াকৈ চাইলাচে উত্তৰ দিলে, “মই গীৰ্জ্জাৰ বিষয়ে একোকে নাজানো। মই গীৰ্জ্জালৈ কেতিয়াও যোৱা নাই।”

আচৰিত হৈ চাইলাচ্ কোনোবা অজান দেশৰ পৰা অহা বুলি ভাবি ডলিয়ে ক’লে, “তুমি গীৰ্জ্জালৈ কেতিয়াও যোৱা নাই? তুমি ওপজা ঠাইত গীৰ্জ্জা নাছিল নেকি?”

আঠুত হাত থৈ মূৰটো ধৰি চাইলাচে ক’লে, “সেই ডাঙৰ নগৰ—তাত গীৰ্জ্জা কেবাটাও আছিল। মই মঠলৈহে গৈছিলোঁ—গীৰ্জ্জাৰ কথা একো নাজানো।”

ডলি অবাক্ হৈ আৰু কথা সুধিবলৈ ভয় কৰিলে; জানোচা ‘মঠ’ মানে কিবা দুষ্ট কামৰ আড্ডা বুলি কয়। অলপ ভাবি তেওঁ ক’লে, “মাৰ্ণাৰ ককাইটি, ভাল হবলৈ সময়-অসময় নাই। কেতিয়াও গীৰ্জ্জালৈ নগৈ তোমাৰ কিবা

ভাল হব জানো? মই হ'লে গীর্জ্জালৈ গৈ উপাসনা, ধৰ্ম্মোপদেশ আৰু ধৰ্ম্ম-গীত শুনি ইমান শান্তি পাওঁ! দুখ-বিপদ আহিলেও মই সহিব পাৰোঁ কাৰণ ধাৰ্ম্মিক লোকসকলৰ পৰা উপদেশ শুনি স্বৰ্গীয় শক্তিসমূহত বিশ্বাস ৰাখি মনত বল পাওঁ।"

ডলিৰ এই ধৰ্ম্মোপদেশৰ মোল চাইলাচে বুজিব নোৱাৰিলে। ধৰ্ম্মোপদেশৰ ভাষা হেনাহুচা হ'লেও সেই ধৰ্ম্ম-কথাৰ এটি শব্দয়ো তাৰ পুৰণি ধৰ্ম্ম-সম্পৰ্কীয় সোঁৱৰণি জগাই তুলিব নোৱাৰিলে; কিন্তু ডলিৰ গীর্জ্জালৈ যোৱাৰ পৰামৰ্শ বুজি পায়ো সি মনে মনে থাকিল। কাৰবাৰত প্ৰশ্নৰ চুটি উত্তৰ দিয়াৰ বাহিৰে চাইলাচৰ কথা-বতৰা পতাৰ অভ্যাস নাছিল আৰু বিশেষ উদ্দেশ্য নাথাকিলে কবলগীয়া কথাও সি মুখেৰে ফুটাই কব নোৱাৰিছিল।

ইতিমধ্যতে এৰণৰ চাইলাচলৈ ভয় শাম কাটি অহাত সি মাকৰ কাষ চাপিল আৰু চাইলাচেও ডলিৰ প্ৰতি কৃতজ্ঞতাৰ চিনস্বৰূপে এৰণক এখন পিঠা আগ বঢ়াই দিলে। এৰণে পোনতে থেৰোগেৰো কৰি থাকি মাকৰ উচটনি-শলাগনিত আগৰ সঙ্কোচ এৰি পিঠাখন লৈ ভাল ল'ৰা হৈ পৰিল। শেহত মাকে এৰণৰ মিঠা মাতৰ কথা লৈ এৰণক গীত গাবলৈ ক'লত মিহি-সুৰীয়া মাতেৰে সি ধৰ্ম্ম-গীতৰ এফাকি গাবলৈ ধৰিলে, আৰু মাকে তাৰ হাতৰ পিঠাখন নিজৰ হাতলৈ লৈ গ'ল— •

আজি পুণ্য দিন আজি বৰদিন,
ত্ৰাতা যীচু খ্ৰীষ্টৰ জনম-দিন!
হেৰা সকলোটি আনন্দে মগন,
ঈশ্বৰে শান্তি কৰে বৰষণ,
লোৱাঁ শিৰ পাতি; থোৱাঁ আঁতৰাই
জগতৰ যত বিষাদ-চিন।

ভক্তিত গদ্গদ হৈ ডলিয়ে এৰণৰ গীত শুনিবলৈ ধৰিলে আৰু এই গীতে চাইলাচৰ মনত গীৰ্জ্জাৰ প্ৰতি আকৰ্ষণ জন্মাব পাৰিছে বুলি বিশ্বাসত চাইলাচৰ ফালে চাই থাকিল। এৰণে গীতটি শেষ কৰি মাকৰ হাতৰ পৰা পিঠাখন লোৱাৰ পাছত ধৰ্ম্মগীতৰ মহিমা আৰু গীৰ্জ্জাৰ সুৰ লগাই গোৱা গীতৰ ব্যাখ্যা কৰি ডলিয়ে আকৌ স্বৰ্গীয় শক্তিৰ কথা কবলৈ ধৰিলে, "গীৰ্জ্জাত এই গীত মিঠা সুৰেৰে গোৱা যদি শুনিলাহেঁতেন, মাৰ্ণাৰ ককাইটি! সেই স্বৰ্গীয় শক্তিয়ে মোক ওপৰলৈ যেন লৈ যায়—এনে লাগে! মই তেতিয়া হিংসা-খিয়াল, হাই-কাজিয়া, ঢুখ-মৰণ পাহৰি যাওঁ। ...পাছে ল'ৰাটিয়ে ভাল গাইছে, নহয়নে মাৰ্ণাৰ ককাইটি?"

চাইলাচে আনমনা হৈ ক'লে, "এৰা বৰ ভাল গাব পাৰে।" উঠা-নমা গীতৰ সুৰে চাইলাচৰ মন ঢাল খুৱাব নোৱাৰিলেও সি আৰু এখন পিঠা কৃতজ্ঞতাৰ চিনস্বৰূপে এৰণক যাচিলে। ডলিয়ে ধন্যবাদ দি পিঠাখন নলৈ বিদায় ল'লে; যাওঁতে মাৰ্ণাৰক ক'লে, "মাৰ্ণাৰ ককাইটি, এতিয়া আহিলোঁহে দেই।

যদি কেতিয়াবা তোমাৰ মন গধুৰ লাগে, বন্ধা-বঢ়া কৰিবৰ মন নকৰিলে—ময়ে হেপাহেৰে এমুঠি ৰান্ধি খুৱাই যামহি। পাছে তোমাক খাটিলোঁ—দেওবাৰৰ দিনটো যেন তাঁতৰ কাম নকৰা; কাৰণ ধৰ্ম্মৰ দিন এটাত সাংসাৰিক কাম কৰা শৰীৰ-আত্মা দুয়োলৈকে বেয়া। সেইদিনা অৰ্জ্জা ধনো কুৰঁলী আঁতৰাদি আঁতৰি যাব আৰু অন্তত শেষ দিনা তাৰ পৰাই পাটীত পৰি দুখ ভুগিবলৈ আছে। মই ভালৰ বাবে কৈছোঁ দেই; এনেকৈ মুখ খুলি কোৱাত বেয়া নাপাবা আকৌ। এৰণ, নমস্কাৰ দিয়ঁা।”

দুৱাৰখন মেলি দি চাইলাচে ক’লে, “ভাল, বিদায়। অশেষ ধন্যবাদ।” কিন্তু ডলি যোৱাৰ লগে লগে চাইলাচে স্বস্তিৰ নিশ্বাস পেলালে, কাৰণ এতিয়া সি অকলশৰে তাঁত বৈ বৈ বেজাৰত বিনাই থাকিব পাৰিব। ডলি উইন্থ্ৰপৰ জীৱন আৰু জীৱনৰ আৰামৰ বিষয়ে সৰল ব্যাখ্যাবোৰ তাক আনন্দ দিবলৈ কোৱা হ’লেও তাৰ মনত সেইবোৰ নজনা কথা; গতিকে তাৰ কল্পনাৰেও সেইবোৰ সি ঢুকি নাপাইছিল। মানৱ-প্ৰেমৰ উৎস আৰু ঈশ্বৰ-বিশ্বাসৰ সিংহ-দুৱাৰ তেতিয়াও মুকলি হৈ পৰা নাছিল। তাৰ আত্মাটো এখন মৰি-নৈৰ দৰে বালিৰ ভেটা পাই দিহিঙে দিপাঙে বৈ আছিল।

মেচি কাকতী আৰু ডলি উইন্থ্ৰপৰ বুজনি পায়ো বৰদিনৰ দিনা চাইলাচে ওচৰ-চুবুৰীয়া এজনৰ পৰা উপহাৰ স্বৰূপে পোৱা মঙহ এডোখৰ ৰান্ধি নিজৰ পঁজাত খাই বই

অকলে কটালে। ওৰেও পুৱা সি ঘাঁহৰ ওপৰত চাটি থকা ৰৰফ-কুঁৱলী আৰু চেঁচা ৰতাহত কঁপি থকা হিমেৰে ঢকা খালটোলৈ চাই কটাই দিলে। গধূলিৰ লগে লগে ৰৰফ ডাঠ হৈ পৰিবলৈ ধৰি আঁতৰৰ দৃশ্য ঢাকি পেলালে আৰু তাকো তাৰ নিজৰ বেজাৰত ঢাকি থৈ গ'ল। তাৰ সৰ্ব্বহাৰা পঁজাটোত মূৰটো হাতেৰে ধৰি বিনাই সি গধূলিটো পাৰ কৰিলে। দুৱাৰ-খিৰিকি মেলাতে ৰ'ল; সি জপাবলৈ মন নকৰিলে। যেতিয়া তাৰ ঠেটুৰৈ লাগিল, তেতিয়াহে সি মন কৰিলে যে জুইকুৰা মুমাই ছাই হৈ গৈছে। তাৰ বাহিৰে আন কোনেও নাজানিছিল যে এসময়তে লগৰীয়াক হিয়া উবুৰিয়াই ভাল পোৱা আৰু দৃষ্টিৰ অগোচৰ পৰম সততাত বিশ্বাস ৰখা আগৰ সেই চাইলাচেই বৰ্ত্তমানৰ চাইলাচ্ মাৰ্ণাৰ। আনকি তাৰ মানতো অতীত সোঁৱৰণিবোৰ ক্ৰমাৎ অস্পষ্ট হৈ আহিছিল।

বাহিৰত বেড্‌লো গাৱঁৰ গীৰ্জ্জাত—বৰদিনৰ জাননীস্বৰূপে ঘণ্টাধ্বনিয়ে আনন্দৰ সূচনা কৰিছিল; বছৰৰ আন সময়তকৈ গীৰ্জ্জাত মানুহৰ জুম সৰহ; পাতেৰে আন্ধাৰ কৰি ধৰা গছ-ডালবোৰৰ মাজে মাজে ৰঙা মুখৰ মানুহ বিলাকে জলপান-ফটিকা খাই গীৰ্জ্জাৰ দীঘলীয়া উপাসনাৰ কাৰণে সাজু হৈ আহিছিল। বৰদিন উপলক্ষে গীৰ্জ্জাত সজোৱা সেউজীয়া গছ-পাতবোৰৰ দৃশ্য, স্তুতি-গীত, জাতীয় গীত, ধৰ্ম্ম-কথা আৰু দীঘলীয়া আৰু সাৰগৰ্ভ বিষয়, অকল্ বৰদিনতহে উপভোগ

কৰিবলৈ পোৱা বাবে সকলোৰে মনত এনে অনিৰ্ব্বচনীয় আৰু অস্পষ্ট আনন্দ জাগি উঠিছিল যে বুঢ়া-ল'ৰা সকলোৱে তাক প্ৰকাশ কৰিবলৈ উপযুক্ত ভাষা বিচাৰি নাপাইছিল; সকলোৱে অনুভৱ কৰিছিল যে তেওঁলোকৰ কল্যাণৰ কাৰণে এক মহৎ আৰু ৰহস্যজনক শুভ চেষ্টাৰ আয়োজন সেইদিনা স্বৰ্গত আৰু পৃথিবীত হব লাগিছে আৰু সেই শুভ চেষ্টাৰ সাক্ষী স্বৰূপে তেওঁবিলাক তাত সশৰীৰে উপস্থিত হৈছেহি। উপাসনাৰ শেষত সেই ৰঙামুৱা মানুহবিলাকে আন্ধাৰ, তেজ গোট মৰা কুঁৱলীৰ মাজেদি দিহাদিহি ঘৰলৈ উভটিল; সকলোৰে মনত এক মুক্তিৰ ভাৱ যে তেওঁবিলাকে এতিয়া বাকীছোৱা দিন ইচ্ছামতে খাই পি ফুৰ্ত্তি কৰি ধাৰ্ম্মিক লোকৰ সম্পূৰ্ণ স্বাধীনতা উপভোগ কৰিব পাৰিব।

সেইদিনা কেচ্ ডাঙৰীয়াৰ ঘৰুৱা ভোজত কোনেও ডান্‌ষ্টানৰ উল্লেখ নকৰিলে; কোনেও ডান্‌ষ্টন নথকাত দুখ নকৰিলে নাইবা তাৰ অহা বৰ পলম হব বুলিও কোনেও সন্দেহ প্ৰকাশ নকৰিলে। সেই ভোজত সভাৰ্য্যে ডাক্তৰজন, দদাই আৰু খুৰী কিম্বল দম্পতী গোট খাইছিল। ৰবদিনৰ ৰসালাপ গৈ শেষত কিম্বল ডাঙৰীয়াৰ ডেৰ কুৰি বছৰ আগেয়ে লণ্ডন-যাত্ৰাৰ বিবৰণত পৰিলগৈ: তাৰ অন্তত তাচ খেলা চলিল; আগৰ কেবছৰৰ দৰে এইবাৰো খুৰী শ্ৰীমতী কিম্বলে তাচ খেলাত যোগ নিদিলে; দদাই কিম্বল ডাঙৰীয়াই তাচ খেলাৰ কৌশল দেখুৱাই সকলোকে মোহিত কৰিবলৈ

চেষ্টা কৰিবলৈ ধৰিলে। তাৰ লগে লগে পানী সহযোগে চোকা ফটিকাৰ ব্যৱহাৰ চলিল।

বৰদিনৰ সেই ভোজ একেবাৰে ঘৰুৱা ভোজ কাৰণে সৰ্ব্বসাধাৰণতে 'ৰংঘৰ'ত আন সময়ত হোৱা উৎসৱৰ বাহুল্য তাত হোৱা নাছিল। নতুন বছৰৰ উৰুকা উপলক্ষে 'ৰংঘৰ'ত পতা নাচত কেচ্ পৰিয়ালৰ অতিথি-সংকাৰ তেওঁলোকৰ উপৰি পুৰুষৰ দিনৰ পৰা চলি আহিছে। সেই নাচত বেভ্লো আৰু ওচৰৰ নগৰৰ চিনাকী, আধা চিনাকী, ওচৰসম্বন্ধীয়া, দূৰসম্বন্ধীয়া, মিত্ৰ আৰু আনকি গৰু-পোৱালী লৈ কাজিয়া লগা শত্ৰুও গোট খাইছিলহি। সেই নাচত ওচৰ—কাষৰৰ গাভৰুসকলে 'গদি' পতা ঘোৰাত উঠি সাজ-পোচাকৰ বাকচ আগতে পঠিয়াই দি যোগ দিছিলহি। সেই নাচৰ উৎসৱ—চুৰ্চ্চ্‌বীয়া উৎসৱৰ দৰে খোৱা-সামগ্ৰী বা বিচনাৰ অপ্ৰাচুৰ্য্য থকা নাছিল আৰু একে গধূলিতে শেষ হোৱা বিধৰো নাছিল। শত্ৰুৱে অৱৰোধ কৰাৰ আগতে দুৰ্গত গোটাই লোৱা উভৈনদী খোৱা-বস্তুৰ দৰে প্ৰচুৰ খাদ্য সামগ্ৰী 'ৰংঘৰ'ত নাচ উপলক্ষে গোটোৱা হৈছিল; চৰাইৰ পাখিৰ লেখজোখ নাইকিয়া তুলীবোৰ মজিয়াত পৰোৱা দেখিলে বোধ হৈছিল যেন আদিম কালৰ পৰা কেচ্ বংশৰ হাঁহবোৰ মাৰি তাৰ পাখিৰে সেই অগণন তুলীবোৰ কৰোৱা হৈছে।

আগপিছ হুঁগুণাকৈ, কোনো বিবেচনা নকৰি গড্‌ফ্ৰে কেচে সেই নতুন বছৰৰ উৰুকাৰ দিনটোলৈ হেঁপাহ কৰি

আছিল আৰু সেই হেপাহত তেওঁৰ অন্তৰৰ সেই দুৰ্দ্দান্ত সহচৰ উদ্বেগৰ সতৰ্ক-বাণীলৈ তেওঁ আওকাণ কৰিছিল। মনৰ উদ্বেগে তেওঁক কৈছিল, "ডান্‌চি অলপতে ঘৰলৈ আহিব; তেতিয়া দুৰ্ঘোৰ বিপদ; তুমি তাৰ খিলঞ্জীয়া প্ৰবৃত্তিটোক কেনেকৈ শান্ত কৰিবা?" গড্‌ফ্ৰেই নিজকে সান্ত্বনা দিলে, "ওহোঁ, সম্ভৱতঃ সি নতুন বছৰৰ উৰুকাৰ আগতে ঘৰমুৱা নহব। মই নান্সীৰ সঙ্গসুখ উপভোগ কৰি নাচ কৰিম আৰু হয়তো তেওঁ মোৰ প্ৰতি কৃপাদৃষ্টি কৰিব।"

মনৰ উদ্বেগে স্পষ্টকৈ ক'লে, "কিন্তু ধন যে লগা হৈছে, তুমি মাৰা-ৰ হীৰাৰ ফুলটো নেবেচিলে ধন কেনেকৈ গোটাবা? নহলে যে সৰ্ব্বনাশ!"

গড্‌ফ্ৰে-ৰ পানীৰ মিঠৈ বন্দা মনটোৱে ক'লে, "হয়তো ইতিমধ্যতে কিবাৰূপে ঘটনাচক্ৰত সকলো সুবিধা হৈ পৰিব; আনন্দৰ দিন সমাগত; নান্সীৰ আগমন আসন্ন।"

অবুজন উদ্বেগে তৰ্ক জুৰিলে, "ধৰা, দেউতাৰাই তোমাক এনে অৱস্থাত পেলাব যে তুমি বিয়াত অসম্মতি দিব লগা হব পাৰে; তাৰ পাছত তোমাক বিয়াত অমান্তি হোৱাৰ কাৰণ সুধিবও পাৰে! তেতিয়া?"

গড্‌ফ্ৰে-ৰ মনে অসহিষ্ণু হৈ উঠে, "উদ্বেগ নেওচা যাওক। উদ্বেগ কাতি কৰি থৈ এতিয়া মই কল্পনা কৰিছোঁ মোৰ ফালে একেথিৰে চাই থকা নান্সীৰ চকুযুৰি আৰু মোৰ হাতৰ মুঠিত তেওঁৰ ফুলৰ পাহিৰ দৰে হাত দুখনি।"

কিন্তু মনৰ বাঘটোৱে তথাপিতো তৰ্জ্জন-গৰ্জ্জন কৰিবলৈ নেৰিলে। বৰদিনৰ ভোজৰ সেই কথা-বতৰাৰ হাই-উৰুমি আৰু উগ্ৰ ফটিকাৰ অতি মাত্ৰা সোৱাদেও মনৰ বাঘৰ গৰ্জ্জন তল পেলাব নোৱাৰিলে।

---

( ৯০ )

## ৰংঘৰত ভোজ

কিছুমান তিৰোতাক গা-ত মতা সাজ আৰু মূৰত তিৰোতাৰ টুপি পিন্ধি ঘোৰাত উঠি যোৱা দেখিলে কিম্ভূত-কিমাকাৰ দেখি ; চহিচে পিন্ধাৰ দৰে গাৰ হলৌ চোলাটোৰ কাপোৰৰ জলৌ-পলৌ-ৱে গা-ৰ বান্ধৰ খুঁতবোৰ লুকোৱা দূৰৰ কথা, তাৰ বৰণটোৱেও শেতা গাল দুখনক বিপৰীত ৰিজনিত সুন্দৰ যেন নেদেখুৱায় ; কিন্তু তেনে সাজ পিন্ধাতো গাভৰু নান্সী লেমেটাৰৰ সৌন্দৰ্য্য চকু জুৰোৱা হৈ উঠিছিল। নান্সী লেমেটাৰে ঘোৰা চেকুৰোৱা তেনে সাজত পিতাকৰ জিনৰ পিছত গদীত বহি পিতাকৰ গা-ত এখন হাতেৰে ধৰি, ঘোৰাৰ খোজত চিটিকি পৰা বৰফে ঢাকি থোৱা খাল আৰু গাঁতবোৰলৈ সতৰ্কতাৰে চাই যোৱা সৌন্দৰ্য্য সঁচাকৈয়ে চকুত লগা হৈ পৰিছিল। কোনো চিত্ৰকৰে হয়তো তেওঁৰ সেই আপোন-পাহৰা মুখখনি দেখিলে আঁকি পেলালেহেতেন। 'ৰংঘৰ'ৰ ওচৰ চপাৰ লগে লগে গড্ ফ্ৰেক ঘোৰাৰ পৰা নমাই আদৰি নিবলৈ অহা দেখি তেওঁৰ পূৰ্ঠ গাল দুখনিত ফুটি উঠা ৰঙচুৱা বোলটো চাৰিওফালৰ শুকান নীৰস দৃশ্যৰ মাজত জিলিকি উঠিছিল।

গাভৰু নান্সীয়ে তেতিয়া ইচ্ছা কৰিছিল যে ভনীয়েক

প্ৰিচিলা চাকৰটোৰ পিছে পিছে অহা হ'লে গড্ফ্ৰে-ই যাতে পোনতে প্ৰিচিলাক হাতত ধৰি নমাই দিয়ে তেনে এটা বুদ্ধি পাঙিলেহেতেন ; আৰু ইতিমধ্যতে পিতাকে সৈতে ঘোৰাত গৈ তেওঁ 'ৰংঘৰ'ৰ দুৱাৰ মুখত নানামি ঘোৰাশালৰ সমুখত নামিলেগৈহেতেন। বিয়া কৰাবলৈ হেপাহ কৰা ডেকাই ভাবী কন্যাৰ নিতান্ত অসন্মতি জানিও যদি তেওঁৰ প্ৰতি বিশেষ মনোযোগ দি থাকে তেন্তে সেই অৱস্থাটো বৰ দুখ-লগা হয়। যদি ডেকাৰ আগ্ৰহ ইমানেই প্ৰবল তেন্তে মাজে মাজে তেওঁ কথা পাতিবলৈও বেয়া পোৱা যেন দেখুৱায় কিয় ? বহুদিন দেখিও ঘূৰি নাচাই হঠাৎ আকৌ কিয় চেনেহ-আদৰ যাচিবলৈ আহে ? দেখাতে গড্ফ্ৰে-ৰ তেওঁৰ প্ৰতি অনুৰাগ নাই ; নহলে মানুহবিলাকে কোৱা-কুই কৰাৰ দৰে তেওঁ নিশ্চয় প্ৰকাশ্যে অনুৰাগ দেখুৱাই তেওঁ নিজকো প্ৰণয়াসক্ত বুলি বুজাবলৈ চেষ্টা কৰিলেহেতেন। এনেকুৱাও হব পাৰে যে গড্ফ্ৰে-ৰ মনেৰে, দুষ্ট-দগাবাজ ডাঙৰীয়াই হওক বা চহাই হওক, নাৰ্দী লেমেটাৰৰ অন্তৰ যেয়ে পাৰে জয় কৰক। সেই অঞ্চলত ধীৰ-স্থিৰ প্ৰকৃতিৰ অতি সৰবৰহী লোক—পিতাকৰ আদৰ্শকে তেওঁ সদায় দেখি আহিছে ; হব পাৰে যে পিতাকে এতিয়া সময়ৰ কাম সময়ত কৰা নেদেখিলে খিতাতে জ্বলি পকি উঠে।

গড্ফ্ৰে-ক আঁতৰৰ পৰা দেখা আৰু 'ৰংঘৰ'ৰ দুৱাৰ মুখ পোৱা সময়খিনিৰ ভিতৰত এনে ভাৱবোৰে এটা এটাকৈ

নান্সীৰ মনত অহা-যোৱা কৰিবলৈ ধৰিলে। ভাগ্যক্রমে বুঢ়া কেচ্ ডাঙৰীয়া ওলাই আহি পিতাকক ডাঙৰকৈ সমিধান দি হাই-উৰুমি কৰাত তেওঁ সেই ইতস্ততঃ ভাৱ, গড্‌ফ্রে-ৰ আৰু অভ্যর্থনাৰ প্রতি বিতৃষ্ণা লুকোৱাৰ সুবিধা ওলাল; ইতিমধ্যতে গড্‌ফ্রে-ৰ সবল বাহু দুখনিয়ে নান্সীক অকণমান পুতলাৰ দৰে দাঙি ধৰি ঘোৰাৰ পৰা নমাই আনিলে। আকৌ বেচিকৈ বৰফ পৰিবলৈ আৰম্ভ কৰাত তেওঁৰ কাৰণে বেগা-বেগিকৈ ভিতৰ সোমাবলৈও সুবিধা ওলাল। পাছত অহা মতা-তিৰোতা আলহীৰ সৰু দলটোৱে বৰফত তিতিবুৰি যে নাহিব আৰু গধূলি হৈ অহাত যে তেওঁলোকে আহি এপিয়লা চাহ খাই নাচৰ কাৰণে গা টঙাবলৈ যথেষ্ট সময় পাব—সি সন্দেহজনক হৈ উঠিল। নান্সী আইদেউ সোমোৱাৰ লগে লগে চ'ৰাঘৰৰ মানুহবিলাকৰ গুণগুণনি আৰু ৰান্ধনীঘৰত বেহেলাৰ আখৰাৰ মাত স্পষ্ট হৈ উঠিল। লেমেটাৰ পৰিয়াল অহালৈ সকলোৱেই যে খিৰিকিয়েদি চাই আছিল, ('ৰংঘৰ'ৰ সকলো উৎসৱত অভ্যর্থনা সমিতিৰ সভানেত্রী) শ্রীমতী কিম্বলে নান্সীক আদৰি ওপৰলৈ নিবলৈ অহাৰ পৰা সেই কথা বুজা গ'ল। শ্রীমতী কিম্বল একালে কেচ্ ডাঙৰীয়াৰ ভনী, তাতে আকৌ ডাক্তৰ কিম্বলৰ ঘৈণী—এই দুতৰপীয়া খিতাপৰ লগত তেওঁৰ দেহাৰ আয়তনটোও বঢ়িয়াকৈ বজিতা খাই পৰিছিল। ভুলিটো যেন গা-টো লৈ শ্রীমতী কিম্বলৰ তিৰোতাসকলৰ ওপৰৰ কোঠালিটোলৈ উঠানমা কৰাটো

ভাগৰ লগা কাম ; গতিকে যেতিয়া নান্সীয়ে ওপৰৰ সাজ-পোচাকৰ কোঠালিলৈ গৈ আগতীয়াকৈ পঠিয়াই দিয়া পোচাকৰ বাকচৰ পৰা নিজে সাজ-পাৰ উলিয়াই পিন্ধিবলৈ গ'ল, শ্ৰীমতী কিম্বলে লেশমাত্ৰ আপত্তি নেদেখুৱালে।

'ৰংঘৰ'ৰ প্ৰায় প্ৰতিটো কোঠালিত তিৰোতাসকলে সাজ-পাৰ, প্ৰসাধন কৰি পৰস্পৰৰ সম্ভাষণ জনোৱাত ব্যস্ত আছিল। নান্সী আইদেউ সোমোৱা কোঠালিটোত ওচৰৰ ছগৰাকী আলহীয়ে খুঁত ধৰিব নোৱাৰাকৈ ওপৰা-ওপৰিকৈ সাজ-পোচাক পিন্ধাত লাগিছিল ; পাছে সকলোৱেই কোঠালিটোৰ একেখন দাপোণৰ ফালে প্ৰসাধন কৰিবলৈ আগ বাঢ়িলে ইগৰাকীয়ে সিগৰাকীক 'আগ বাঢ়ক, মই পিছত যাম' ইত্যাদি কথাৰে ভদ্ৰতাৰ পৰাকাষ্ঠা দেখুৱাবলৈ ধৰিলে। নান্সী সোমোৱা দেখি আদহীয়া বয়সৰ পেহীয়েক শ্ৰীমতী অচ্‌গুড আহি চুমা-চাতি খাই মৰমেৰে কুশল-মঙ্গল সুধিলে। তাৰ পাছত কোঠালিৰ তিৰোতা-আলহীসকলৰ লগত নান্সীক চিনাকি কৰাই দিয়াৰ একপৰ্ব্ব চলিল। ধুনীয়া সাজ-পোচাক পিন্ধা তিৰোতাসকলৰ মাজত নান্সীৰ ৰূপ-লাবণ্য জিলিকিবলৈ ধৰিলে। নান্সীয়ে প্ৰসাধন কৰি সাজ-পাৰ পিন্ধিবলৈ ধৰিলে, নগৰীয়া গাভৰুসকলে এই গাৱঁলীয়া গাভৰুৰ পোচাক্-প্ৰসাধন কৰা চাই কোঠালিত কিছু সময় বৈ গ'ল। মাজে মাজে নান্সীয়ে পেহীয়েকৰ লগত দুই চাৰি আষাৰ ঘৰুৱা কথা পাতিবলৈ ধৰিলে। নান্সীৰ কথাত

গাৱঁলীয়া উচ্চাৰণৰ আভাষ অনুমান কৰি, সুন্দৰী হৈও আধুনিক লাহ-বিলাহৰ কথা নজনা বুলি সন্দেহ কৰি নগৰীয়া আইদেউসকলে মিচিকিয়াবলৈ ধৰিলে। দৰাচলতে নান্সী লেমেটাৰৰ শিক্ষা গাৱঁৰ ছোৱালী-স্কুল পাৰ হোৱা নাছিল; প্ৰেমৰ উপন্যাস পঢ়া দূৰৰ কথা, তেওঁ সাধুকথা আৰু ফকৰা-যোজনাৰ কিতাপৰ বাহিৰে একো পৰা নাছিল; ঘকুৱা হিচাপত তেওঁ যিখিনি শিকিছিল সেয়ে তেওঁৰ অক্ষৰ জ্ঞান। নগৰীয়া লিগিৰীৰ শিক্ষাতকৈ সৰহ শিক্ষা নান্সীয়ে পোৱা নাছিল সঁচা; তথাপিও আদৰ্শ তিৰোতা হবলৈ সত্য-পৰায়ণতা, কামৰ শৃঙ্খলা, ভদ্ৰতা, মাৰ্জ্জিত আচৰণ আদি যি গুণ লাগে, সেই সকলো গুণ তেওঁ আৰ্জ্জি লৈছিল। অৱশ্যে চন্দ্ৰত কলঙ্কৰ দৰে তেওঁ অভিমানিনী আৰু তোষামোদ-আদৰ ভালপোৱা স্বভাৱৰ আছিল আৰু তেওঁ যদি এবাৰ এটা যুক্তিহীন কথা নাইবা এজন ভ্ৰান্ত প্ৰণয়ীৰ প্ৰতি আকৃষ্ট হয় তেন্তে তেওঁৰ মতৰ কেতিয়াও পৰিবৰ্ত্তন নহয়।

এনে সময়তে নান্সীৰ ভনীয়েক ৰঙিলী ৰচকী প্ৰিংচিলা আইদেউ সোমাই আহি পেহীয়েক শ্ৰীমতী অচ্‌গুডক নিজৰ পোচাক দেখুৱাই কথাৰ নিজৰা বোৱাবলৈ ধৰিলে। মুখ-চতুৰা প্ৰিচিলাই কথাৰ কোবত নগৰীয়া গাভৰুসকলৰ কুৰূপ চেহেৰাকো সামৰি লৈ গ'ল; পাছতহে নান্সীৰ কথাত মনত পৰিল—কথাটো বেয়া হ'ল হয়। সাজ-পাৰ কৰাৰ পাছত, দুয়ো বাই-ভনীয়ে একেলগে চ'ৰাঘৰলৈ নামি গ'ল।

ভোজৰ কাৰণে সজোৱা মেজৰ চাৰিওফালে চকীবোৰ আলহীসকলৰ কাৰণে নিৰ্দ্দিষ্ট ; লেমেটাৰ গাভৰু ছুগৰাকীৰ কাৰণে ঠাই নিৰ্দ্দিষ্ট। গড্‌ফ্ৰে কেচে নান্সীক তেওঁৰ ওচৰৰ আসনত বহুৱাবলৈ আগবঢ়াই নিয়াৰ সময়ত নান্সীৰ অন্তৰ উগুল-থুগুল লাগি পৰিল ; কিন্তু সেই সংকোচজনক ঘটনাৰ মাজতো নান্সীয়ে অনুভৱ কৰিলে যে তেওঁৰ পৰিত্যক্ত ভাবী স্বামী সেই অঞ্চলৰ ভিতৰতে শিৰফুটা উপযুক্ত ডেকা আৰু যিখন আড়ম্বৰপূৰ্ণ চ'ৰাঘৰত তেওঁ আজি বহিছেহি, এসময়ত হয়তো তেওঁ তাৰ কৰ্ত্ৰী হব আৰু ইতিমধ্যতে 'কেচ-ঘৈণী' বোলা তেওঁৰ প্ৰচলিত নামটো তেওঁৰ কাণত পৰিছেহি। গড্‌ফ্ৰেৰ গৃহিণীস্বৰূপে তেওঁৰ ভবিষ্যৎ কল্পনা কৰি আৰু গড্‌ফ্ৰেৰ শৃঙ্খলাহীন জীৱনৰ কথা ভাবি নান্সীয়ে মনতে স্বীকাৰ নকৰি নোৱাৰিলে যে ভালপোৱা কুমাৰী জীৱনত এবাৰহে হয় আৰু সেয়ে চিৰকাললৈ থাকি যায়। গডফ্ৰে-ৰ লগত তেওঁৰ বিয়া নহ'লেও গড্‌ফ্ৰেৰ স্মৃতি তেওঁৰ মনৰ পৰা একেবাৰেই মচি পেলাব নোৱাৰে।

ওচৰতে বহা ক্ৰেকেনথৰ্পৰ লগত কথা-বতৰা হওঁতে এইবোৰ ভাৱৰ উথল-মাথলত নান্সীৰ মুখ লাজত ৰঙা পৰি উঠিছিল আৰু বাহিৰত আদৰ্শ ভদ্ৰ আচৰণ দেখুৱাবৰ চেষ্টা কৰিলেও মানসিক উত্তেজনা লুকাবৰ তেওঁৰ কোনো উপায় নাছিল। নান্সীৰ আন হাতে বহি গড্‌ফ্ৰেয়ো নান্সীৰ ফালে মুখ ঘূৰাই মনে মনে আছিল। ইফালে বুঢ়া কেচে ইচ্ছা

নকৰিছিল যে গড্‌ফ্ৰে-ই তেনেদৰে মুখ ক'লা কৰি থাকিব। বুঢ়াই আলহীসকলৰ লগত সঢ়লনিকৈ কথা-পাতি ভোজৰ মেজৰ আনন্দৰ মাত্ৰা বঢ়াই তুলিবলৈ চেষ্টা কৰি আছিল, যাতে পুতেকৰ বিমৰ্ষ ভাৱৰ ক্ষতিপূৰণ সেই ৰসাল কথা-বতৰাই কিছু দূৰ কৰিব পাৰে। তেওঁ নাকত উজোৱা ধঁপাত-গুৰিৰ টেমাটো লেমেটাৰৰ ফালে সহৃদয়তাৰে আগুৱাই দি পুৰণি কালৰ কথাবোৰ উলিয়াই প্ৰকাৰান্তৰে নান্সীৰ প্ৰশংসা কৰি আছিল। গড্‌ফ্ৰেৰ লগতে আলহীসকলেও কেচ্‌ ডাঙৰীয়াৰ এই স্তুতিবাদৰ উদ্দেশ্য নুবুজাকৈ থকা নাছিল; ইফালে লেমেটাৰেও জীয়েকৰ প্ৰশংসাত 'ওফন্দি গঙ্গাটোপ' হৈ পৰিছিল। আলহীসকলেও পোনতে নান্সীৰ আৰু কথা প্ৰসঙ্গতে—ৰচকী ৰঙিলী প্ৰিচিলাৰ গুণ বৰ্ণাবলৈ ধৰিলে।

এনেতে খোৱাৰ অন্তত নাচৰ যো-জা হ'ল। ডাক্তৰ কিম্বলে নান্সীক লগত নাচিবলৈ নিমন্ত্ৰণ কৰাত বুঢ়া কেচ্‌ ডাঙৰীয়াই অৰ্থপূৰ্ণভাৱে মাত দিলে, "এঃ কিম্বল, বুঢ়া হৈ ডেকাৰ দৰে আগ নাবাঢ়িবা হে! ডেকা-গাভৰুৱে নাচক! গড্‌ফ্ৰে-ই হয়তো নান্সীৰ লগত নাচিবলৈ উদ্‌গ্ৰীৱ হৈ আছে; বোধকৰোঁ আগতে কৈ থৈছেই। নহয় জানো গড্‌ফ্ৰে বোপা?"

গড্‌ফ্ৰে-ই এই সুস্পষ্ট ইঙ্গিতটো ধৰিব পাৰি সংকোচেৰে অগত্যা নান্সীৰ ফালে চাই ক'লে, "মই হওঁতে সোধা নাই; কিন্তু আগতে আন কোনেও যদি নাচিবলৈ অনুৰোধ কৰা নাই, তেন্তে নান্সী বোধকৰোঁ অমান্তি নহব।"

নান্সীয়েও লাজকুৰীয়াভাৱে কলে, "এৰা, মই কাৰো লগত নাচিবলৈ ঠিক কৰা নাই।" সংকোচ ভাৱ পাতলি অহাত গড্‌ফ্ৰে-ই সহজ সুৰে ক'লে, "তেন্তে মোৰ লগত নাচিবলৈ বোধকৰোঁ তোমাৰ একো আপত্তি নহব।" উত্তৰত নান্সীয়ে সাধাৰণ ভাৱে ক'লে, "নাই, একো আপত্তি নাই।"

গাৱঁৰ ওস্তাদ চলোমনে তেওঁৰ বেহেলাত 'দীঘল চুলিৰ গৰখীয়া' সুৰটো বজোৱাৰ পাছত নাচ আৰম্ভ হ'ল আৰু আলহীসকলৰ লগত গড্‌ফ্ৰে-নান্সীয়েও নাচিলে। প্ৰতি বাৰেই আলহীসকলৰ 'ফৰ্ম্মাচ' মতে চলোমন ওস্তাদে নানা গীতৰ সুৰ বজাবলৈ ধৰিলে আৰু লগত নাচ চলিল। প্ৰতিটো নাচৰ অন্তত নাচ আৰু নাচনীৰ সমালোচনা আৰু প্ৰশংসা চলিবলৈ ধৰিলে; কিন্তু নান্সীৰ প্ৰশংসা সকলোৰে মুখে মুখে। এবাৰ নাচৰ মাজত গড্‌ফ্ৰে-নান্সী যে আঁতৰি গ'ল, সেই কথা আলহীবিলাকৰ চকুত নপৰাকৈ নাথাকিল; আলহীৰ কোনো কোনোৱে কৌতুহলত নানা মন্তব্য কৰিবলৈ ধৰিলে।

গড্‌ফ্ৰে আৰু নান্সীৰ আকস্মিক প্ৰস্থানৰ কাৰণটো ইমান কৌতুকজনক নাছিল। নাচৰ সময়ত গড্‌ফ্ৰে-ৰ ভৰিৰ গচকত নান্সীৰ সাজৰ এক অংশৰ সিয়নি এৰাই যোৱাত দুৰ্ঘটনাটো প্ৰিচিলাৰ চোকা দৃষ্টিত পৰিল। নান্সীয়েও প্ৰিচিলাৰ ওচৰলৈ গৈ সাজ-পাৰ ঠিক কৰি লবলৈ নাচৰ পৰা আঁতৰিল আৰু লগতে গড্‌ফ্ৰে-ও আহিল। গড্‌ফ্ৰে-ই নান্সীৰ সঙ্গ-সুখত মনৰ বিমৰ্ষ ভাৱ পাহৰি সুখত মতলীয়া হৈ আছিল

বাবে নান্সীক লগৰ আঁতৰ কৰিবলৈ মন নকৰিলে। তেওঁ ওচৰৰ কোঠালিলৈ যাবৰ প্ৰস্তাৱ কৰাত নান্সীয়ে ক'লে, "তালৈ নাযাওঁ। প্ৰিচিলাৰ নাচ হয় মানে তেওঁলৈ ইয়াতে ৰওঁ। আপোনাক নাচৰ মাজতে লৈ অহাত দুখিত।"

গড্‌ফ্ৰে-ই বুদ্ধি কৰি সহজভাৱে ক'লে, "ইয়াতে দেখোন তুমি ভাল দৰে বহি থাকিব পাৰা! ভনীটীয়েৰা আহে মানে তোমাক ইয়াতে থৈ যাওঁ।"

নান্সীয়েও ইয়াকে বিচাৰিছিল। গতিকে নান্সীয়ে ওচৰৰ কোঠালিত মেজৰ ওচৰত গড্‌ফ্ৰেৰ পৰা আঁতৰ হৈ বহিলগৈ। তেতিয়া তেওঁ ক'লে, "আপোনাক ধন্যবাদ। আৰু আমনি আপোনাক দিব নোখোজোঁ। মোৰ দৰে এনে দুৰ্ভগীয়া নাচৰ লগ হোৱাত দুখিত হৈছোঁ।"

গড্‌ফ্ৰে-ই নান্সীৰ আগত ঠিয় হৈ যাবৰ কোনো উপক্ৰম নকৰি উত্তৰ দিলে, "নান্সী, তুমি মোৰ লগত নাচি যে দুখিত হৈছা, ই সঁচাকৈয়ে তোমাৰ নিষ্ঠুৰতা।"

নান্সীয়ে নিজৰ সৌন্দৰ্য্য ঢালি ক'লে, "মই তো নিষ্ঠুৰ হোৱাৰ কথা কোৱা নাই। আপোনালোকৰ আনন্দৰ ঠাই বহুত আছে; এবাৰ নাচৰ ক্ষতিয়ে নো কি কৰিব পাৰে?"

গড্‌ফ্ৰে—"নান্সী, তুমি জানা যে কথাষাৰ সঁচা নহয়। তোমাৰ লগত এবাৰ নচা—জগতৰ সকলো আনন্দতকৈ মোৰ মানত মূল্যবান।" বহুদিন পাছত গড্‌ফ্ৰেৰ মুখত এই কথা শুনি নান্সী আচৰিত হ'ল; কিন্তু তেওঁৰ স্বাভাৱিক গাম্ভীৰ্য্য

আৰু বিতৃষ্ণাৰে নিজৰ মনৰ ভাৱ দমাই ক'লে, "নহয় নে কি? মই নাজানিছিলোঁ; কিন্তু মই বেলেগ ধৰণে ভবাৰ কাৰণ আছে আৰু যদি সঁচাই হয়, মই শুনিবলৈ ইচ্ছা নকৰোঁ।"

গড্‌ফ্রে-ই ক'লে, "নান্সী, তুমি মোক ক্ষমা নকৰিব নে? তুমি মোক ভাল চকুৰে নাচাবানে? মোৰ বৰ্ত্তমানত যে অতীতৰ প্ৰায়শ্চিত্ত কৰিছোঁ সেইকথা এবাৰ ভাবি নোচোৱানে? যদি মই সৎপথলৈ আহোঁ, তোমাৰ অপ্ৰিয় কামত আৰু হাত নিদিওঁ, তেনেহলে মোৰ ওপৰত ভাল ভাব নহবনে?" নান্সীক নিৰ্জ্জনে কোৱাৰ সুবিধা পাই যে তেওঁ আপোন পাহৰি ভাৱৰ উচ্ছ্বাসত মুখ খুলি কথা কৈছে, সেই কথা গড্‌ফ্রে-ই সম্পূৰ্ণভাৱে অনুভৱ কৰা নাছিল। গড্‌ফ্রে-ৰ ভাষাৰ ইঙ্গিতত উত্তেজিত হৈ এই মানসিক আবেগ দমাবলৈ নান্সীয়ে সম্পূৰ্ণ আত্মদমনৰ চেষ্টা কৰি অলপ বেলেগ সুৰত ক'লে, "যি কোনো মানুহৰ সজ পৰিবৰ্ত্তন হ'লে মই ভাল পাম; কিন্তু পৰিবৰ্ত্তনৰ প্ৰয়োজন নহলেই ভাল।"

উত্তৰত গড্‌ফ্রে-ই তিৰস্কাৰৰ ভাষাত ক'লে, "নান্সী, তুমি অতি নিষ্ঠুৰ; তুমি মোক সৎপথলৈ আহিবৰ কাৰণে প্ৰেৰণা দিব পাৰিলাহেঁতেন। মই বৰ দুখী; তথাপি তোমাৰ সহানুভূতি ওপজা নাই।"

আত্মদমনৰ চেষ্টা কৰিও অলপ চোকাকৈ নান্সীয়ে ক'লে, "মোৰ মতে—যেয়ে আৰম্ভণিতে ভুল কৰে, সেইবিলাকৰহে অনুভূতি নাই।" নান্সীৰ এই তীব্ৰতাত গড্‌ফ্রে-ই আনন্দ

পালে ; অচল-অটল নাৰীৰ লগত কাজিয়া কৰিবৰো তেওঁৰ প্ৰবৃত্তি জন্মিছিল ; কিন্তু তেওঁৰ প্ৰতি নান্সীৰ বিৰাগ যে তেতিয়াও ওপজা নাই, তেওঁ বুজিছিল ।

এই সময়ত প্ৰিচিলাই আহি তেওঁলোকৰ এই বাক্‌যুদ্ধৰ ওৰ পেলাই দিলে । নান্সীয়ে যাবৰ ইচ্ছা কৰাত চকুলৈ চাই গড্‌ফ্ৰে-ই সুধিলে, "ময়ো যাম নে ?" নান্সীয়ে তলমূৰকৈ ক'লে, "আপোনাৰ যেনে ইচ্ছা ।" পাছদিনালৈ নভবা বৰ্ত্তমানৰ আনন্দত মগ্ন হবলৈ মন বান্ধি গড্‌ফ্ৰে-ই উত্তৰ দিলে, "তেন্তে মোৰ ইয়াতে থাকিবৰ ইচ্ছা ।"

( ১২ )

## বিধিৰ নিৰ্ব্বন্ধ

যিখিনি সময়ত গড্ফ্ৰে কেচে নান্সীৰ সঙ্গসুখত বুৰ গৈ তেওঁৰ গুপ্ত প্ৰণয়ৰ স্মৃতিৰে যাতনাদায়ক বৃশ্চিক দংশন আৰু আশাৰ মোহ পাহৰি আছিল, ঠিক তেনে সময়তে গড্ফ্ৰেৰ বিবাহিতা পত্নীয়ে কোলাত কেচুৱাটি লৈ ৰেভ্লোৰ ৰবফে ঢকা বাটেদি থৰক্-বৰক্কৈ লাহে লাহে খোজ কাঢ়ি গৈছিল। নৱবৰ্ষৰ আগ দিনা তেওঁ গুপ্ত বিবাহৰ কথা প্ৰকাশ কৰি প্ৰতিশোধ লোৱাৰ সিদ্ধান্ত আগেয়েই কৰি আহিছিল; তাৰ কাৰণ এয়ে যে গড্ফ্ৰেই এবাৰ উগ্ৰ খঙত কৈছিল বোলে তেওঁক পত্নী বুলি স্বীকাৰ কৰাৰ আগেয়ে গড্ফ্ৰে-ই মৰণকে বাঞ্ছা কৰিব। তেওঁ জানিছিল যে সেইদিনা উকৰাৰ বাবে 'ৰংঘৰ'ত ডাঙৰ ভোজ হব আৰু তাতে তেওঁৰ স্বামীয়ে হৃদয়ত তেওঁৰ অস্তিত্ব গোপন কৰি ফুৰ্ত্তি কৰিব। এনে সময়তে আহি তেওঁ গড্ফ্ৰেৰ সকলো ফূৰ্ত্তি ধূলিসাৎ কৰি দিব; গা-ত ফটাকানি মেৰাই এসময়ত অতি সুন্দৰ—এতিয়াৰ বিবৰ্ণ মুখখন লৈ, কোলাত বাপেক-গঢ়ী কেচুৱাটি লৈ তেওঁ কেচ্ ডাঙৰীয়াৰ বৰ বোৱাৰীৰূপে দেখা দিবহি—এয়ে আছিল গড্ফ্ৰেৰ পত্নী মলি ফেৰেনৰ অভিপ্ৰায়।

নিজ স্বামীৰ আওহেলাৰ কাৰণে যে ফটা কানি-কাপোৰ

পিন্ধা নাছিল বৰং সৰ্ব্বনশীয়া কানিৰূপী বিহ খোৱাই যে তেওঁৰ দুৰৱস্থাৰ কাৰণ এই কথা মলিয়ে জানিছিল। মলিৰ উমি উমি জ্বলি থকা মাতৃস্নেহেই অনশন অৰ্দ্ধাশনত মৃতপ্ৰায় কেচুৱাটি গড্‌ফ্ৰে-ৰ হাতত সমৰ্পণ কৰাত বাধা জন্মাইছিল। তথাপি সময়ে সময়ে তেওঁৰ অৱশ চৈতন্য, অভাৱ আৰু অধঃপতনে তেওঁক গড্‌ফ্ৰে-ৰ ওপৰত প্ৰতিশোধ লবলৈ উত্তেজিত কৰি তুলিছিল। গড্‌ফ্ৰে নিজে ধনী মানুহ আৰু পত্নীস্বৰূপে গ্ৰহণ কৰিলে মলিও ধনী-গৃহিণী হব পাৰে; কিন্তু যেতিয়া গড্‌ফ্ৰে-ৰ গুপ্ত-বিবাহৰ কাৰণে অনুতাপ আৰু যন্ত্ৰণাৰ কথা তেওঁৰ মনলৈ আহে, তেতিয়াই তেওঁৰ প্ৰতি-শোধৰ হেপাহ বাঢ়ি উঠে। শুভ বুদ্ধি আৰু প্ৰেমাকাঙ্ক্ষাৰ দৰে পৱিত্ৰ ভাৱবোৰ যে কলুষিত অতিথিশালা এখনৰ লিগিৰী মলি ফেৰেনৰ অন্তৰত জাগি নুঠে—ই তো স্বাভাৱিক কথা!

মলিয়ে নিচেই দোকমোকালিতে ওলাই আহিছিল; মাথোন কানীয়াৰ স্বভাৱ-সুলভ এলাহত বৰফপৰা বন্ধ হবলৈ বাটৰ কাষৰ এটা ঘৰত বৈ আছিল। ৰওঁতে ৰওঁতে ভাগে-খিনি সময় পাৰ হৈ যোৱাৰ পাছত যেতিয়া তেওঁ বৰফে ঢকা বাটলৈ ওলাই আহিল, প্ৰতিশোধৰ উত্তেজনাতো তেওঁৰ অন্তৰত ব্যৰ্থতাই দেখা দিলে। তেতিয়া গধুলি সাতোটা বাজিছিল; ৰেভ্‌লো গাওঁ পাবলৈ আৰু বেছি দুৰ নাছিল; কিন্তু অকোৰা-পকোৰা বাটবোৰ নজনাৰ কাৰণে তেওঁ যে গন্তব্য ঠাইৰ ওচৰ চাপিছে—এই কথা ধৰিব নোৱাৰিলে।

তেতিয়া তেওঁৰ অতি আৱশ্যক হৈছিল—সকাহৰ, জিৰণিৰ। চোলাৰ বুকুৰ মাজত লুকাই থোৱা 'ক'লা হুলাহুল'ৰ টেমাটোৱেই যে সেই সকাহ দিব পাৰে এই কথা ভাবি তেওঁ কিছু পৰ ব'ল আৰু তাৰ পাছত টেমাটো উলিয়াই গভীৰ অৱসাদ দূৰ কৰিবলৈ বৰবিহৰ শেহতীয়া বড়িটো মুখৰ ওচৰলৈ আনিলে; কিন্তু সেই মুহূৰ্ত্ততে মাতৃ-হৃদয় সচেতন হৈ উঠিল—জানোচা কানিৰ বাগীত অৱশ হৈ হাতদুখনেৰে আলফুলকৈ বুকত সাৱটি লোৱা—আঁচলৰ ধন—কেচুৱাটিৰ পৰশ হেৰুৱায়! নাই! তাতোকৈ অৱসাদৰ যাতনাও ভাল! পিছ মুহূৰ্ত্ততে তেওঁ টেমাটো দলিয়াই পেলালে—কিন্তু তেতিয়া টেমাটো শুদা! তেতিয়া বৰফ পৰা শাম কাটিছে। হাড়-কঁপোৱা এজাক হিম-বতাহ মাৰি হাত-ভৰি জঠৰ কৰি পেলাইছিল; আকাশৰ মেঘৰ সুৰুঙাইদি দুই এটি তৰা দেখা গৈছিল। মলি যাবলৈ ধৰিলে; কিন্তু সেই খোজ—কলাঘুমটীয়া মানুহৰ ভৰিৰ বুলনৰ দৰে ক্ৰমাৎ অস্থিৰ হৈ আহিল আৰু বুকৰ শুই থকা কেচুৱাটিক মাথোন যন্ত্ৰৰ দৰে তেওঁ দুহাতেৰে আবৰি লৈ যাবলৈ ধৰিলে।

কানিৰ বাগীৰ প্ৰতিক্ৰিয়া আৰম্ভ হ'ল; জাৰ আৰু ভাগৰে তাক বঢ়াই তুলিলে। ভবিষ্যতৰ কামনা-বাসনাক ধুৱঁলি কুৱঁলি কৰি মাথোন কৰবাত কাতি হৈ এঘুমটি মাৰিবৰ ইচ্ছা প্ৰবল হৈ উঠিল। তৰাৰ পোহৰতো জোপাৰ মাজে মাজে তন্দ্ৰাতুৰ অৱস্থাত খপিয়াই ফুৰি মলিয়ে শেহত

এজোপা কাঁইটীয়া জোপাত শিতান দি কোমল ববফৰ ওপৰত কাতি হৈ পৰিল। ববফৰ চেঁচা পৰশ সেই অসাৰ দেহে অনুভৱ নকৰিলে; জাৰত কেচুৱাটিয়ে সাৰ পাই যে কান্দি উঠিব—এই কথাও তেওঁৰ মোহাচ্ছন্ন মনত নেখেলালে। সেই অৱস্থাতো আঁকোৱালি লোৱা ছুহাতৰ বান্ধ সুলকি নপৰিল; তাতে সেই অজ্ঞান পোনাটিয়ে পৰম শান্তিৰে টোপনি যাবলৈ ধৰিলে।

শেহত মৃত্যু-শীতল আগ-জাননী আহিল; আঙুলিবোৰ, হাত ছুখন ঠৰঙা হৈ আহিবলৈ ধৰিলে; মুৰটো একতীয়া হৈ তৰাভৰা আকাশৰ ফালে চকু ছুটা মেল খাই ৰ'ল। জাৰত সাৰ পাই কেচুৱাটিয়ে 'মা···মা' কৈ কান্দি উঠিল আৰু আকৌ মাকৰ ছুই বাহুৰ আশ্ৰয়ত বুকত সোমাবলৈ চেষ্টা কৰিলে। কিন্তু মাকৰ কাণৰ শক্তি তেতিয়া অসাৰ; আৰু সংজ্ঞাহীন শৰীৰটোও ঢলি পৰিল। ছুহাতৰ মাজৰ পৰা ববফত তিতিবুৰি ক্ৰমাৎ কোলালৈ নামি পৰাত, সেই চালুকীয়া কেচুৱাটিৰ চকুযুৰি বগা ববফৰ ওপৰত তিৰবিৰাই থকা পোহৰৰ ওপৰত পৰিল। শিশু-বুদ্ধিৰে তেওঁ বুজিলে যে তাৰ ফালে আগুৱাই পোহৰখিনি আদ্‌বাটতে থমকি জিল্‌মিল্ কৰি আছেহি। তেওঁ ভাবিলে—পোহৰটো ধৰিবই লাগিব আৰু যেনে ভৰা তেনে কাম। ক্ষন্তেকতে নামি গৈ তেওঁ আঠু কাঢ়ি হাত মেলি পোহৰ ধৰিবলৈ আগ বাঢ়ি গ'ল। কিন্তু ই কি? ই কেনে পলৰীয়া পোহৰ? তেওঁ

মূৰ তুলি চালে—পোহৰ নো ক'ৰ পৰা আহিছে! দেখিলে—অলপ দূৰতে এডোখৰ উজ্জ্বল পোহৰৰ পৰা ফালৰি কাটি এই পোহৰ পৰিছেহি। গতিকে পোনাটিয়ে দুই ভৰিত ঠিয় দি থৰক্-বৰককৈ ৰৰফৰ মাজেদি 'এ···খুজি···দু···খুজি' কৰি যাবলৈ ধৰিলে। তেওঁৰ গা-ত মেৰাই থোৱা মলিয়ন ফটা-চিটা কেঁথাখন চুচৰি গ'ল; মূৰৰ টুপিটো খোল খাই ওলমি পৰিল। খোজ লৈ লৈ পোনাটি চাইলাচ্ মাৰ্ণাৰৰ পঁজাৰ মুকলি দুৱাৰ পালেহি আৰু দুৱাৰ-দলিয়েদি—শুকান কাঠেৰে দপ্দপ্কৈ জ্বলি থকা জুহালৰ ওচৰত উপস্থিত হ'ল। জুহালৰ ওচৰতে ইটাৰ ওপৰত চাইলাচৰ পুৰণি এবেহা হলো চোলাটো দলিচাৰ দৰে শুকাবলৈ মেলি দিয়া আছিল। আগেয়ে মাক নোহোৱাত অকলে থকা অভ্যাস কৰা অকণিটিয়ে দলিচাৰ ওপৰত বহিলগৈ আৰু মুখেৰে নানা শব্দ কৰি জুইকুৰাৰ ফালে অতি আৰামত হাত মেলি দিলে। জুইৰ উমত পোনাটিৰ টোপনি ধৰিলে; তেওঁৰ সোণোৱালী চুলিৰে মূৰটো ঢলি পৰিল আৰু নীলা চকুযুৰিৰ পতা জাপ খাই গ'ল।

এই সময়খিনিৰ ভিতৰত চাইলাচ পঁজাৰ ভিতৰতে আছিল কিন্তু পোনাটি তেওঁৰ চকুত পৰা নাছিল। ধন চুৰ হোৱাৰ পাছৰ পৰা যোৱা কেই সপ্তাহমান ধৰি পঁজাৰ দুৱাৰখন মেলি ঘনে ঘনে পতি বাহিৰলৈ চাই থকা তাৰ অভ্যাস হৈ পৰিছিল—কিজানিবা তাৰ হেৰোৱা ধন কিবাৰূপে আকৌ ঘূৰি আহেই; নাইবা কিজানি তাৰ কিবা গুং-সূত্ৰ

বা সন্তেদ সমুখৰ আলিবাটেদি তাৰ চকুত বা কাণত পৰেহিয়েই। ৰাতি যেতিয়া সি তাঁতত লাগি নাথাকে— সেই সময়ত সি এই অদ্ভুত পৰ্য্যবেক্ষণত লাগি থাকে। সেই কাৰ্য্যটো তাৰ মানত যদিও অহেতুক যেন লাগে; তথাপি প্ৰিয়তম সম্পদ হেৰুৱা লোকসকলৰ বাহিৰে তাক আনে বুজা টান। এইদৰে দিনৌ মুনিচুনি পৰত আৰু তাৰ পাছতো ৰাতি জোনাক হ'লে চাইলাচে সমুখৰ শিলেৰে বন্ধোৱা খালটোলৈ চাই, কাণ পাতি নিৰাশ অন্তৰেৰে বৈ থাকে; তেতিয়া মনত লানি নিছিগাকৈ হেপাহ আৰু অতৃপ্ত ভাৱৰ ঢৌবোৰ ইটোৰ পাছত সিটো উঠে আৰু মাৰ যায়।

সেইদিনা ৰাতিপুৱা কোনোবা ওচৰচুবুৰীয়াৰ মুখে চাইলাচে শুনিলে যে সেইদিনা ন'বছৰৰ উকৰা; সি উজাগৰে থাকি পুৰণি বছৰক বিদায় দি নতুন বছৰক আদৰি অনা— গীৰ্জ্জাৰ ঘণ্টালৈ যেন কাণ দিয়ে; কাৰণ তেনে কৰিলে তাক সৌভাগ্যই লাগ দিব আৰু কোনে জানে—হয়তো তাৰ হেৰোৱা ধনো ঘূৰি আহিব। অৱশ্যে বেভ্‌লোৰ টেট্‌কুটীয়া লোকে কৰাইচ্ চাইলাচক এই কথা ৰহইচ কৰি কোৱাহে; কিন্তু সেই আশ্বাসে চাইলাচৰ মনত উগুল-থুগুল লগালে। সেই ভাৱতে সাঁজ লগাৰ পৰা সি বাৰে পতি দুৱাৰখন মেলি চাবলৈ ধৰিলে আৰু বাহিৰখন বৰফেৰে চাটি থোৱা দেখি আকৌ দুৱাৰ জপাই দিলে। শেহৰ বাৰ দুৱাৰ মেলি দেখে যে বৰফ পৰা শাম কাটিছে আৰু আকাশত ডাৱৰবোৰ ছপৰা

চপৰা হৈ ভাহি আছে। সি ঠিয় হৈ বহুপৰ কাণ পাতি চাই ৰ'ল। কিবা এটা যেন আলিবাটৰ পৰা তাৰ ফালে আহিছে—এনে ক্ষীণ যোৱা নিস্তব্ধতা আৰু বাহিৰৰ সীমা হেৰাই যোৱা বগা বৰফৰ চামনিয়ে তাক বেছি অকলশৰীয়া কৰিলে আৰু তাৰ মনৰ আশাক নিৰাশাৰ পৰশে চেঁচা কৰি পেলালে। সি আকৌ ঘৰৰ ভিতৰ সোমাই দুৱাৰ জপাবলৈ বুলি সঁচাৰ কাঠি ডাঙ্গত হাত দিলে; কিন্তু দুৱাৰ জপোৱা নহ'ল—এনেতে, তাৰ হাত দুখন জঠৰ হৈ গ'ল আৰু আগৰ সেই মূৰ্চ্ছা ৰোগৰ নাগপাশে তাৰ শৰীৰ, সংজ্ঞা এনেদৰে বান্ধি পেলালে যে চকু মেলা অৱস্থাতো অন্ধৰ দৰে শিলৰ মূৰ্ত্তি যেন হৈ আগন্তুক অভ্যাগত নাইবা বিপদক বাধা দিয়াৰ শক্তি তাৰ লোপ পালে।

পুনৰায় জ্ঞান পাই সি দুৱাৰখনত বাহুলী সচাঁৰ লগালে আৰু দেখিলে যে জুহালৰ জুইকুৰা নুমাই গৈছে। তাৰ যে মূৰ্চ্ছা হৈছিল আৰু সংজ্ঞাহীন অৱস্থাত কিছু সময় পাৰ হৈছে—সেই কথা তাৰ মনলৈ নাহিল; মাথোন গোটেই শৰীৰটো জাৰত ঠেটুৱা লাগি অৱশ হোৱা যেন পালে। দুৱাৰ-দলিয়েদি বাহিৰলৈ চাই বহু পৰ থকা বুলি ভাবি সি জুহালৰ আধা নুমোৱা জগা কাঠ দু'ডোখৰ আগ বঢ়াই দি জুই কুৰা ডাঙৰকৈ জ্বলাবলৈ বুলি জুহালৰ কাষত বহিলগৈ। ইকি! টিমিক-টামাক পোহৰত সি যেন জুহালৰ দাঁতিৰ মজিয়াৰ ওপৰত সোণ দেখিলে! সোণ! তাৰ



“……সোণ ! তাৰ কেৰোম্বা সোণ”

হেৰোৱা সোণ ? এবাৰ চুৰ কৰি নিয়তিয়ে তাৰ সোণ আকৌ ঘূৰাই আনিছে ? তাৰ বুকুখন ধৰ্ ফৰাবলৈ ধৰিলে। কিছু সময় তাৰ হাত মেলি হেৰোৱা ধন আনিবৰ শক্তি নহ'ল। সেই সোণৰ দ'মটো তাৰ ভ্ৰান্ত দৃষ্টিত ক্ৰমাৎ বাঢ়ি আহিবলৈ ধৰিলে। শেহত অলপ হালি সি হাতেৰে ছুই দেখে যে—ই কঠোৰ সোণৰ মোহৰৰ পৰশ নহয় ! ই যে মৃদু কোমল উম থকা একোছা সোণোৱালী চুলি !

চৰণ ভাগি পৰা যেন হৈ চাইলাচে সেই আচৰিত বস্তুটো ভাল দৰে চাই দেখে যে সোণোৱালী চুলিৰে নিপোতল এটি ধুনীয়া কেচুৱা শুই আছে। সি সপোনত তাৰ শৈশবতে মৰা অকণমানি ভনীয়েকক দেখিছে নেকি ? সি আকৌ উঠি শুকান কুটা আৰু ছলি-খৰি জুইত দি জুইকুৰা জ্বলাই দিলে। জুইৰ পোহৰত মাথোন মলিয়ন কানি-কাপোৰ পিন্ধা এটি সুগঢ়িত শিশু সি দেখিবলৈ পালে। অকণমানি ছোৱালীটী তাৰ ভনীয়েকৰ দৰে ! সি আচৰিত হৈ বহি বহি মনৰ ভিতৰতে অহা-যোৱা কৰা পুৰণি সোঁৱৰণি বোৰ লুটিয়াবলৈ ধৰিলে। কিন্তু ছুৱাৰ মুখৰ পৰা তো সি আঁতৰা নাছিল ; তেন্তে কেচুৱাটি কোন সময়ত আৰু কি দৰে ঘৰলৈ আহিল ?

তাৰ পুৰণি ঘৰ—লেণ্টাৰ্ণ ইয়াৰ্ডৰ পাহৰা কথাবোৰ একোখন ছবিৰ দৰে এটা এটাকৈ মনত পৰিবলৈ ধৰিলে। হেৰোৱা বন্ধু-ভাৱৰ দৰে এইবোৰো উৰণীয়া ভাৱ ! কিন্তু তাৰ এনে লাগিল যেন সুদূৰ সেই অতীতৰ এটা বাণী—এই

শিশুটিয়ে লৈ আহিছে। এই বাণীয়ে—বেভ্‌লোৰ তাৰ নীৰৱ হৈ যোৱা অন্তৰ-বীণাত এক সুকোমল ঝঙ্কাৰ পুনৰায় বজাই তুলিলে! জীৱন-বিধাতাৰ প্ৰতি তাৰ সেই পূৰ্ব্বৰ ভয়-ভক্তি আকৌ জাগি উঠিল! কিন্তু শিশুৰ আকস্মিক আৱিৰ্ভাৱৰ কোনো কাৰ্য্য-কাৰণ সম্বন্ধ সি ভাবি উলিয়াব নোৱাৰিলে।

কেচুৱাটিয়ে সাৰ পাই 'মা···মা' কৈ কান্দি উঠিল; সেই কান্দোনত চাইলাচৰ চিন্তাৰ সূতাগছি ছিগি গ'ল। সি উঠি আথেবেথে শিশুটি কোলাত ললে আৰু কেচুৱাটিয়েও হঠাৎ টোপনি ভগাত কান্দি কান্দি 'মা···ম্মা' আৰু তেনে নানা অদ্ভুত শব্দ কৰি তাৰ ডিঙিত সাৱটি ধৰিলে। সি কেচুৱাটিক বুকত সাৱটি লৈ নিচুকাবলৈ লাগিল। তাৰ মনত পৰিল—অলপ পায়স কৰা আছে; তাকে অলপ তপতাই কেচুৱাটিক খুৱাব লাগিব।

কেচুৱাৰ আল মাৰোঁতে চাইলাচৰ ভালেখিনি সময় গ'ল। নাখাই সাঁচি থোৱা চেনিৰ টোপোলাটোৰ পৰা চেনি আনি পায়সখিনিত মিহলাই চামুচেৰে সি কেচুৱাটিৰ মুখত দিবলৈ ধৰিলে; কেচুৱাটিয়েও নীলা চকুযুৰিৰে তালৈ চাই চাই খাবলৈ লাগিল; অলপ পাছতে কোলাৰ পৰা নামি 'খু·· জি' 'খু···জি' কৰি কোঠালিটোত ফুৰিবলৈ ধৰিলে। পৰি দুখ পায় বুলি চাইলাচো পিছে পিছে গ'ল। কিন্তু আকৌ থোপোচ্‌ কৰে বহি কেচুৱাটিয়ে ঠেন্-ঠেনাই ভৰিৰ জোতাযোৰ আজুৰিবলৈ ধৰিলে। অগত্যা সি কেচুৱাটিক

কোলাত তুলি ললে ; তথাপি তাৰ ঠেন্-ঠেননি মাৰ নগ'ল। কেচুৱাৰ মোল নজনা চাইলাচে আমনি কৰাৰ কোনো কাৰণ পোনতে বিচাৰি নাপালে। শেহত যেনিবা চেপামৰা জোতাযোৰেই অশান্তিৰ মূল বুলি ধৰিব পাৰি আঁভজা হাতেৰে কোনো মতে খুলিলে ; কেচুৱায়ো সকাহ পাই নিজৰ ভৰিৰ আঙুলিকেইটা লিৰিকি বিদাৰি কিবা গবেষণা কৰিবলৈ লাগিল আৰু কিবিলি মাৰি চাইলাচকো চঁপাকলি যেন আঙুলিকেইটিত লুকাই থকা মাধুৰীৰ ৰহস্য উপভোগ কৰিবলৈ কিবা অফুট ভাষাৰে নিমন্ত্ৰণ কৰিলে।

জোতাযোৰ তিতা দেখি চাইলাচৰ বুজিবলৈ বাকী নাথাকিল যে কেচুৱাটিয়ে নিশ্চয় বৰফৰ ওপৰেদি খোজ কাঢ়ি আহিছিল। সেই অনুমানতে নিৰ্ভৰ নকৰি সি কেচুৱাটি বুকত লৈ দুৱাৰখন মেলিলতে কেচুৱাটিয়ে আগেয়ে কন্দাৰ দৰে 'মা···ম্মা' কৈ কান্দিবলৈ ধৰিলে। জুমি চাই বৰফৰ ওপৰত জিলিকি থকা সৰু খোজবোৰ সি দেখিবলৈ পালে আৰু খোজৰ চিনে চিনে গৈ কাঁইটীয়া জোপাৰ ওচৰ পালেগৈ। তেতিয়া কেচুৱাটিয়ে চাইলাচৰ কোলাৰ পৰা নামিবলৈ চেষ্টা কৰি 'মা··ম্মা' কৈ দুগুণে কান্দিবলৈ ধৰিলে। সি তেতিয়াহে ধৰিব পাৰিলে যে কাঁইটীয়া জোপাবোৰত কিবা নিশ্চয় আছে ;—এটা মৰা শ জোপা এটাত ডিঙি পেলাই দীঘল দি পৰি আছে আৰু শ-টোৰ ওপৰত ৰৰষি থকা বৰফৰ এখন বগা ঢাকনি !

( ১২ )

## নতুন অধ্যায়

কেচ্ ডাঙৰীয়াৰ ঘৰ 'ৰং-ঘৰ'ত তেতিয়া ভোজ শেষ হৈছে। আলহীসকলে আৰম্ভণিৰ সংকোচ এৰি পেঁপাৰ চেৱত নাচি নিজৰ গুণৰ বিষয়ে সচেতন হৈ উঠিল। কেচ্ ডাঙৰীয়াই চিঞৰ-বাখৰকৈ কথাপাতি, ধঁপাত গুৰি উজাই, আলহীসকলৰ পিঠিত চপৰিয়াই অতিথি সংকাৰ কৰিবলৈ ধৰিলে। দদাই কিম্বলে তাচ খেলত বিৰূপ ভাৱেৰে প্ৰতিদ্বন্দ্বীসকলক দুৰ্ঘোৰ সন্দেহৰ চকুৰে চোৱাত লাগিল। ৰাতি গহীন হোৱাৰ লগে লগে লিগিৰা-লিকচৌবিলাকৰ লাচনি-পাচনিৰ কাম শেষ হোৱাত সিহঁতে ঘৰৰ পিছফালটো নিজান কৰি নাচ চাবলৈ বুলি চ'ৰাঘৰত জুম পাতিলেহি।

চ'ৰাঘৰটোৰ দুয়োখন দুৱাৰ বতাহ চলাচলৰ কাৰণে মেলি থোৱা আছিল। পিছফালৰ দুৱাৰত লিগিৰাহঁতে জুম পাতিছিল আৰু আগ দুৱাৰখনত মানুহ নাছিল। সুমলীয়া ল'ৰা বৰ কেচে পেঁপাৰ চেৱত নাচিবলৈ ধৰিলত পিতাক কেচ্ ডাঙৰীয়াৰ মুখত সুমলীয়া পো-ৰ যহ আৰু তেওঁৰ নিজৰ ডেকা বয়সৰ কথা নধৰা হৈছিল। নাচ চোৱা আলহীসকলৰ দলটো আগ দুৱাৰখনৰ কিছু ওচৰত আছিল। গড্ ফ্ৰেই অলপ আঁতৰত নাচৰ কাষতে ঠিয় হৈ—দেউতাকৰ

ওচৰত বহি থকা নান্সীক চকুত চকু দি চাই আছিল। কেচ্ ডাওৱীয়াৰ আসন্ন বিবাহৰ ইঙ্গিতবোৰ আৰু নান্সী লেমেটাৰৰ সৌন্দর্য্যৰ গুণগানত নিজকে সাঙুৰি নেপেলাবলৈ তেওঁ আঁতৰি ৰ'ল। লগতে ইও কাৰণ আছিল যে পেঁপাৰ চেও শেষ হোৱাৰ লগতে তেওঁ নান্সীৰে সৈতে নাচিবলৈ পাব আৰু তেনেদৰে আঁতৰি থাকিলে নান্সীৰ প্ৰতি—অৱশ্যে কোনেও মন নকৰাকৈ—পূর্ণদৃষ্টি কৰিব পাৰিব।

নান্সীৰ পৰা চকু ঘূৰাই গড্‌ফ্ৰে-ই এক ভৌতিক দৃশ্য দেখিলে। সেই দৃশ্য ৰ'দ আৰু জনদৃষ্টিৰ অন্তৰালত থকা গুপ্ত আন্ধাৰ বাটৰ দৰে—তেওঁৰ গুপ্ত জীৱনৰ এখনি চিত্ৰ! তেওঁ দেখিলে যে চাইলাচে তেওঁৰ শিশু-সন্তানটি কোলাত লৈ আছে। কেইমাহমান সন্তানটি নেদেখিলেও নিঃসন্দেহে তেওঁৰ মনত সেই ধাৰণাই হ'ল; কিন্তু হয়তো কিবা ভ্ৰমেই হৈছে—এনে আশা কৰোঁতেই তেওঁ দেখিলে যে ক্ৰেকেনথৰ্প আৰু লেমেটাৰ এই আচৰিত আৱিৰ্ভাৱত আগুৱাই গ'ল। নিজকে শান্ত কৰিবলৈ চেষ্টা কৰি—কিনো কয়—শুনিবৰ ইচ্ছাৰে গড্‌ফ্ৰেও গ'ল। তেওঁৰ কঁপনি আৰু শেতা মুখ যাৰে তাৰে চকুত পৰিব—এই কথাও তেওঁ তেতিয়া ভাবিছিল।

সকলোৰে চকু তেতিয়া চাইলাচ মার্ণাৰৰ ওপৰত। কেচ্ ডাওৱীয়াই উঠি গৈ খঙত কৰবলৈ ধৰিলে, "ই কেনে কথা? কি হৈছে? এনেকৈ ইয়ালৈ আহি কি কৰিছ?"

জয়জয়তে ক্রেকেনথৰ্পলৈ চাই চাইলাচে ক'লে—"মই ডাক্তৰজনক বিচাৰি আহিছোঁ—ডাক্তৰক লাগে।"

তেওঁ ক'লে, "কি হৈছে, মাৰ্ণাৰ? ডাক্তৰ ইয়াতে আছে। তেওঁক কিয় বিচাৰিছা, শান্ত হৈ কোৱাচোন।"

গড্‌ফ্ৰে ওচৰ চাপি আহিল; চাইলাচে ফোপাই-জোপাই লাহেকৈ ক'লে, "এজনী তিৰোতা মানুহ—মোৰ ঘৰৰ কাষতে—শিলৰ খালৰ দাঁতিত বৰফৰ ওপৰত পৰি আছে,—বোধ কৰোঁ মৰিলেই।"

গড্‌ফ্ৰেৰ বুকৰ কঁপনি উঠিল; ভয় হ'ল জানোবা মানুহজনী মৰা নাই। তেওঁৰ মৰমী অন্তৰতো এই পাপ আশঙ্কা জন্মিল; তাৰ কাৰণ হয়তো এয়ে যে তেওঁৰ সুখ এতিয়া নিৰ্ভৰ কৰিছে এই প্ৰতাৰণাৰ ওপৰত আৰু এই পাপ কামনা তেওঁৰ অন্তৰৰ পৰা আঁতৰোৱা স্বাভাৱিকতে অসম্ভৱ।

ক্ৰেকেনথৰ্পে চাইলাচক ঘৰৰ ভিতৰলৈ আহিবলৈ দি ডাক্তৰজনক বিচাৰি গ'ল আৰু কথাটো থোৰতে কেচ্‌ ডাণ্ডৰীয়াক উলুকিয়াই খাটিলে যেন সমাজৰ তিৰোতাসকলক কথাৰ ভেদ ভাঙি নকয়।

ইতিমধ্যতে তিৰোতাসকলে হেচা-ঠেলা কৰি সেই নিঠৰুৱা তাঁতীটোৰ অকস্মাতে অহা কাৰণটো অনুসন্ধান কৰিবলৈ আগ বাঢ়ি আহিল। তেওঁলোকে কোলাৰ চিকুণী ছোৱালীটো হেপাহেৰে চাবলৈ লাগিলত ছোৱালীটিয়ে পোহৰ আৰু মানুহৰ হেন্দোলদোপত, মৰমৰ মাত আৰু হাতৰ

পৰশত এবাৰ মুখ উলিয়াই, এবাৰ মুখ লুকাই নানা ভাৱ-ভঙ্গী দেখুৱাবলৈ ধৰিলে।

নান্সী লেমেটাৰ প্ৰমুখ্যে তিৰোতাসকলে গড্‌ফ্ৰেলৈ চাই একেটা প্ৰশ্ন তুলিলে, "কেচুৱাটি কাৰ ?"

গড্‌ফ্ৰে-ই অতি কষ্টেৰে সমিধান দিলে, "মই ঠিক নাজানো ; বোধ কৰোঁ কোনোবা দুখীয়া তিৰোতাৰ কেচুৱা—ৰৰফৰ ওপৰত পাই আনিছে।"

তেতিয়া দয়ালু শ্ৰীমতী কিম্বলে কেচুৱাটি বুকত লবৰ হেপাহত ক'লে, "মাৰ্ণাৰ, তেন্তে পোনাটিক ইয়াতে থৈ যোৱা। মই লিগিৰী এজনীক আনিবলৈ কৈ দিওঁ।"

চাইলাচে টপৰাই উত্তৰ দিলে, "ওঁহো নাই। মই ইয়াক এৰিব নোৱাৰোঁ। ই মোৰ ওচৰলৈ আহিছে যেতিয়া ইয়াক ৰাখিবৰ স্বত্ব মোৰ আছে।" কেচুৱাটি নিয়াৰ প্ৰস্তাৱ যেনে আকস্মিকভাৱে কৰা হৈছিল, তেনেকুৱা আকস্মিক আবেগত উত্তৰ দি মাৰ্ণাৰৰ মনত নিজৰ কথাবোৰো অন্তৰৰ অভিব্যক্তি যেন লাগিল, কাৰণ সি অলপ সময়ৰ আগতে শিশুটি ৰখা-নৰখাৰ বিষয়ে মন বন্ধা নাছিল।

মাৰ্ণাৰৰ উত্তৰত অলপ আচৰিত হৈ শ্ৰীমতী কিম্বলে ওচৰৰ তিৰোতাসকলক ক'লে, "কৰবাত এনে ধৰণৰ কথা কেতিয়াবা আপোনালোকে শুনিছিল নে বাৰু ?"

তেনে সময়তে কিম্বল ডাঙৰীয়া তাচ খেলাঘৰৰ পৰা ওলাই খেলাত ব্যাঘাত হোৱাত বিৰক্তিৰে—অসময়ত ৰোগী

চাবলৈ যোৱা অভিজ্ঞতাৰ সূৰত তিৰোতাসকলক এদতীয়া হৈ ঠিয় হবলৈ ক'লে। জমিদাৰ কেচেও সহানুভূতি দেখুৱাই মাত দিলে, "কথাৰ গতি বিষমেই হ'ল দেখিছোঁ। এঃ! কিবা বোলেনে—ই দেখোন তোমাৰ সহকাৰী ডাক্তৰ ল'ৰাটোকে বিচাৰিবগৈ পাৰিলেহেতেন, কি বোলা ?"

কিম্বলে বিৰক্তিৰে উত্তৰ দি লগত চাইলাচ্, ক্রেকেনথৰ্প আৰু গড্‌ফ্রে-ক লৈ যাবলৈ ওলাল। যোৱাৰ আগতে গড্‌ফ্রে-ক ডাঠ জোতা এযোৰ আনিবলৈ আৰু উইনথ্রপৰ ঘৰৰ পৰা ডলিক মতাবলৈ ক'লে। বেনৰ বিচাৰ ওলালতে মাৰ্ণাৰ কলে, "ডাঙৰীয়া, মই তেওঁক লগ পাইছোঁ; কিন্তু তভাতৈয়াকৈ সোধাত তেওঁ—ডাক্তৰ ইয়াতে আছে বুলি ক'লে। ময়ো বেগাই ইয়ালৈ আহি ঘৰৰ পাছফালে কাকো নেদেখি সমাজৰ মাজলৈ আহিলোঁ।"

পোনাটিয়ে পোহৰ আৰু তিৰোতাসকলৰ হাঁহিত ভয় নাখাই বিশ্বাসেৰে মাৰ্ণাৰৰ ডিঙিত সাবটি 'মা···ম্মা" বুলি মাতিবলৈ ধৰিলে। এই সময়তে গড্‌ফ্রে-ই জোতাযোৰ লৈ আহি মাতটো শুনি এনে অনুভৱ কৰিলে যেন শিশুটিৰ সেই ধ্বনিয়ে তেওঁৰ অন্তৰৰ তাঁৰবোৰ আঁটি-আঁটি টানি পেলাইছে। উইনথ্রপ-গৃহিণী ডলিক মাতিবলৈ গড্‌ফ্রে উপযাচি ওলাল; ক্রেকেনথৰ্পেও সহায় যাচিলে; কিন্তু ডাক্তৰ কিম্বলে সেই কথালৈ কাণ নিদি তেতিয়া খোজ লৈছে। গড্‌ফ্রে-ই টুপি আৰু চোলাটো আনি ডাঠ বৰকেদি পাতল জোতাযোৰ

পিন্ধিয়েই ঘৰৰ বাহিৰ ওলাল; তেওঁ ক্ষন্তেকৰ কাৰণে ভাবিলে যে ভাৱৰ থৌকি—বাথোকিত তেওঁ নিজকে বাহিৰে উত্তেজিত দেখুৱাব নালাগে।

অলপ পাছতে গডফ্ৰে-ই ডলি উইনথ্ৰপক লগত লৈ শিলৰ খালৰ ফালে যাবলৈ ধৰিলে। দয়াৰ কামত তৎপৰ ডলিৰ কাৰণে জাৰ আৰু বৰষুণৰ কষ্ট একো কষ্ট নহয়; কিন্তু তেওঁ—ডেকা ডাঙৰীয়াজনে উত্তেজনাৰ প্ৰৰোচনাত পৰি বৰষুণত ভৰি তিয়াই অহাটো ভাল নাপালে। তেওঁ গডফ্ৰে-ৰ পানী লাগি অসুখ কৰিব বুলি ঘূৰি যাবলৈ খাটিলে আৰু নানা কামৰ অনুৰোধ কৰি ঘূৰাই পঠাবলৈ চেষ্টা কৰিলে।

গড্ফ্ৰে-ই আগত মাৰ্ণাৰৰ পজাঁটো দেখি ক'লে, "নহয়, মই ইয়াত থাকিম। এবাৰ আহিলোঁ যেতিয়া মই বাহিৰত বৈ থাকিম। মই কিবা কৰিবলগীয়া থাকিলে মোক কৈ যাবাহি।"

ডলিয়ে ভুৱাৰৰ ফালে গৈ ক'লে, "বোপাদেও, আপুনি বৰ সাধু; আপুনি দয়ালু।"

এনে শলাগনিলৈ আওকাণ কৰি গড্ফ্ৰে-ই বিবেকৰ দংশনত মনতে চাটিফুটি কৰি আছিল। সকগাঁঠি তলযোৱা বৰষুণত ঘূৰি ফুৰাৰ কথা পাহৰি বা আন সকলোলৈ পিঠি দি তেওঁ উদ্‌গ্ৰীৱ হৈ আছিল—পঁজাটোৰ ভিতৰৰ কাৰ্য্যকলাপলৈ আৰু তেওঁৰ ভাগ্য-পৰিবৰ্ত্তনৰ নানা সম্ভাৱনালৈ। অন্তৰৰ কোনোবা নিভৃত কোণত তীব্ৰ কামনা আৰু আশঙ্কাত দ্বন্দ্ব

হোৱা এটা ভাৱৰ উদয় হৈছিল। কোনো সম্ভাৱনাত নির্ভৰ কৰি নিজৰ কর্ম্মফল ভুঞ্জিবলৈ তেওঁ বুকু ডাঠি আগবাঢ়ি অহা উচিত; তেওঁৰ নিজৰ দুখিনী ভার্য্যা, নিজৰ অসহায় সন্তানক মোৰ বুলি সামৰি লোৱা তেওঁৰ কর্ত্তব্য। আনহাতে নাস্নীৰ আশাত জলাঞ্জলি দিয়াৰ সাহ তেওঁৰ কাৰণে সম্ভৱ নহয়। সেই ত্যাগৰ প্রতিবন্ধক—তেওঁৰ মানসিক দুর্ব্বলতাত পৰি বিবেকৰ অশান্তি ভোগ কৰাৰ বাহিৰে উপায় নাই। এই মুহূর্ত্ততে সেই নাগ-পাশৰ পৰা মুক্তি পোৱাৰ এক আকস্মিক আশাত তেওঁৰ অন্তৰ কঁপি উঠিল।

তেওঁৰ গোপন মনৰ মাজত সকলো তল পেলাই গুণাগঁথা চলিবলৈ ধৰিলে, "তেওঁ মৰিল নে কি? তেওঁ মৰিলে নাস্নীক বিয়া কৰাই সৎপথত জীৱন যাপন কৰিম; আৰু কোনো গুপ্ত কথা মোৰ নাথাকিব; শিশুটিৰো কিবা উপায়ে ৰক্ষণা-বেক্ষণ কৰিব পাৰিম।…কিন্তু যদি তেওঁ নমৰে?… মোৰ সকলো শেষ হৈ যাব।"

কিমান সময় তেওঁৰ এইদৰে গ'ল তেওঁ গম নাপালে। এনে সময়তে কিম্বল ওলাই আহিলত মনৰ উত্তেজনা দমাই তেওঁ বাতৰি শুনিবলৈ আগবাঢ়ি গ'ল। দদায়েক কিম্বলৰ মুখত গম পালে যে মানুহজনী কোনোবা অস্থিচর্ম্মসাৰ মগনীয়া গাভৰু; গা-ত ফটা-চিটা কাপোৰ, হাতত বিবাহিতাৰ চিন—আঙঠি। মানুহজনী মৰা ভালেমান পৰ হৈছে। মনৰ আৱেগত গড্ফ্রে-ৰ মুখৰ বৰণ সলনি হ'ল; তথাপি তাঁৰ

সংযত কৰি ক'লে, "কালি তেনে মানুহ এজনী দেখা মোৰ মনত পৰিছে। মই এবাৰ চাই আহোঁ। আপুনি আগবাঢ়ক।"

কিম্বল গুচি গ'লত গড্‌ফ্রে পঁজাৰ ভিতৰ সোমাল। গাৰুত মূৰ দি তেওঁৰ সুদীৰ্ঘ ষোল বছৰৰ লগৰী—দুখিনী, ঘৃণাৰ পাত্ৰী—মলি ফেৰেন চিৰনিদ্ৰাত মগ্ন। ওচৰত ডলিয়ে মুখখন মচি আছে।

তাৰপৰা জুহালৰ ওচৰত কেচুৱাটি লৈ নিচুকাই থকা চাইলাচৰ ওচৰলৈ গড্‌ফ্রে গ'ল। দেখিলে, টোপনি নাহিলেও কেচুৱাটি শান্ত; চকুযুৰি মেলি স্থিৰভাৱে গডফ্রেলৈ চালে। কিন্তু চিনি পালে জানো? শিশুটিৰ জন্মদাতাৰ ওপৰত যদি কিবা স্বত্ব আছে—মাত-কথাৰে তাৰ কোনো ইঙ্গিত দিব নোৱাৰিলে। অনুশোচনা আৰু আনন্দৰ দোমোজাত গড্‌ফ্রেৰ অন্তৰত এটি আচৰিত মিহলি ভাৱ জন্মিল, তেওঁৰ মনৰ ঈৰ্ষাৰ কালিমা সনা কামনাৰ কোনো সন্নিধান—সেই অকণি হিয়াখনিৰ পৰা ওলাই নাহিল। শেহত নীলা চকুহুটি ঘূৰাই কেচুৱাটিয়ে তাঁতী চাইলাচৰ—চাই চাই তন্ময় হোৱা—আগঢ়ী মুখলৈ চালে আৰু সৰু হাত এখনিৰে অজান চেনেহত সোতোৰা গালখনিত খামুচিবলৈ ধৰিলে।

গড্‌ফ্রে-ই নিৰ্বিকাৰভাৱে চাইলাচক সুধিলে, "তুমি কাইলৈ কেচুৱাটি অনাথ আশ্ৰমলৈ নিবা নেকি?"

মাৰ্ণাৰে টান সুৰত উত্তৰ দিলে, "কোনে কৈছে নিম বুলি? সিহঁতে তাৰে ইয়াক নিবলৈ বাধ্য কৰিবনে কি?"

গড্‌ক্ৰেই ক'লে, "তোমাৰ দৰে ডঙুৰা মানুহ এটাই ছোৱালীটী ৰাখিবলৈ ভাল পাবা জানো ?"

মাৰ্ণাৰে ক'লে, "যেতিয়ালৈ আন কোনোৱে স্বত্বৰ বলত মোৰ পৰা কাঢ়ি নিনিয়ে, তেতিয়ালৈকে ৰাখিম। ইয়াৰ মাক তো মৰিলেই, বোধকৰোঁ বাপেকো নাই। ই নিঠৰুৱা, ময়ো নিঠৰুৱা। · ···মোৰ ধন গ'ল······কলৈ গ'ল নাজানো ; ই আহিল······কৰ পৰা আহিল নাজানো······। মই একো নাজানো······মোৰ বৰ আচৰিত লাগিছে।"

"আই ঐ দেহি ! কাপোৰ-কানিৰ কাৰণে অলপ কিবা লোৱাঁ।" বুলি গড্‌ক্ৰেই জেপৰ পৰা আধা গিনি উলিয়াই চাইলাচৰ হাতত গুজি দি কিম্বলৰ লগ ধৰিবলৈ বেগাবেগিকৈ পঁজাৰ বাহিৰ ওলাল।

কিম্বলৰ লগ ধৰি গড্‌ক্ৰে-ই ধুনীয়া কেচুৱাটি, কৃপণ চাইলাচৰ কেচুৱাটি ৰাখিৰৰ হেপাহ আৰু তেওঁৰ যৎসামান্য দানৰ কথা উন্নুকিয়ালে। চুবুৰীৰ বাইজে যে কেচুৱাটি ৰখাৰ স্বত্ব লৈ চাইলাচৰ লগত বাদ-বিসম্বাদ নকৰিব—এই সম্ভাৱনাৰ কথা ক'লে।

কিম্বলে ক'লে, "একালত ময়ে কেচুৱাটি ডাঙৰ কৰিবলৈ কাজিয়া লগালোঁহেতেন। এতিয়া আৰু বয়স নাই। ধৰা, ······কেচুৱাটি আনিলোঁ······আৰু ই বগুৰা বাই জুইৰ শুখি পালেগৈ······তোমাৰ খুৰীয়েৰাই হাতী যেন গা-টোৱে ভাক লৰি লৈ দাঙি ধৰিব খোৱালে······খুৱে মোচি—কছি

ৰহিয়েই মাইকী গাহৰিৰ দৰে ঘোঁত-ঘোঁতাই থাকিব।...... কিন্তু......নাচৰ সাজ-পোচাকেৰে এনেদৰে আহি তুমি ভীষণ ভুল কৰিলা......গডফ্রে বোপা। আজিৰ সন্ধিয়াত তোমাৰ ঘৰত তুমি দেখোন প্ৰধান নায়ক! বোলোঁ, হেৰা ডেকা, কিয় এইবোৰ চেৰা-বলিয়ালি কৰিছা? নান্সী আইটী তোমাৰ ওপৰত বিৰূপ নেকি? আৰু বোলোঁ......তুমি এইদৰে ধৰফৰাই ভাগৰি পোটক তুলিছা নেকি?"

গড্ফ্রে-ই যেন নাচৰ ৰং-ধেমালিত বিৰক্ত হৈছে এনে ভাব দেখুৱাই এটা উত্তৰ দিলে। কিন্তু এনে ফাংমৰা কথা —হিয়াৰ আবেদন আৰু শুদ্ধ আকাঙ্ক্ষাৰ আগত—টিকিব নোৱাৰে; সময়ত কামকো মিছা পেলাই তেনে প্ৰৱঞ্চনা ততালিকে উৰি যাব।

গড্ফ্রে-ই আকৌ শুকান জোতা পিন্ধি চ'ৰা ঘৰত ওলালহি। দৰাচলতে তেওঁৰ মনত—মুক্তিৰ আৰাম আৰু আনন্দই নিৰানন্দক তল পেলাই দেখা দিছিল। সুবিধা পালে তেওঁ হয়তো নান্সী লেমেটাৰক মধুৰ সম্বোধন কৰিব পাৰিব; হয়তো তেওঁৰ মনৰ মতে নিজকে গঢ়ি তুলিবলৈ প্ৰতিজ্ঞাও কৰিব পাৰিব। এতিয়া; মৰা ঘৈণীয়েকক চিনি পোৱাৰ ভয় নাই; সেই দিনত তদন্তৰ আশঙ্কাও নাছিল। বিয়াৰ সাক্ষী—বিবাহ-দলিলখন বহুত দূৰত দলিল-বহীৰ মাজত সোমাই আছে আৰু তাত তেওঁৰ নিজৰ বাহিৰে কাৰো কৌতূহল থাকিব নোৱাৰে। যুৰি আহিলে "অৱশ্যে

ডান্‌চিয়ে গুপ্ত ৰহস্য প্ৰকাশ কৰিব পাৰে; কিন্তু ডান্‌চিৰো মুখ বন্ধ কৰিবৰ উপায় হ'ব।

বিপদৰ আশঙ্কা দূৰ কৰি ঘটনাচক্ৰ এনে অনুকূল হ'লে হয়তো ইয়াকে সূচায় যে তেওঁৰ কাম সিমান দূষণীয় আৰু গৰ্হিত হৈ উঠা নাই। আমি ভাল ব্যৱহাৰ পালে ভাবোঁ যে আমাৰ গুণ নথকা নহয়। তেতিয়া মাথোন নিজকে ভালদৰে চলাই আমি দুৰ্ভাগ্য মাতি আনিব নালাগে। তেন্তে অতীত কাহিনী স্বীকাৰ কৰি তেওঁৰ নিজৰ আৰু লগতে নান্সী লেমেটাৰৰ সুখ নষ্ট কৰাৰ কি লাভ? নান্সীয়ে তেওঁক ভাল পায় এই বিশ্বাস কিছু পৰিমাণে তেওঁৰ আছে। কেচুৱাটিৰ কাৰণে পিতৃত্বৰ পৰিচয় দিয়াৰ বাহিৰে—তেওঁ সকলো কৰিবলৈ সাজু। হয়তো পিতাকৰ চিনাকি নোপোৱাকৈয়ে শিশুটি জীৱনত সুখী হ'ব। কি হ'বগৈ তাক কব নোৱাৰিলেও ই নিশ্চিত যে তেওঁ শিশুটিক সন্তান বুলি স্বীকাৰ নকৰি বহুগুণে সুখী হ'ব পাৰিব।

---

# দুখীয়াৰ ধন

সেই সপ্তাহৰ ভিতৰতে বেভ্‌লোত দীন-দুখীৰ উপযোগী মৃতদেহৰ সংকাৰ হৈ গ'ল। মানুহে মাথোন ইয়াকে জানিলে যে ক'লা চুলিৰ তিৰোতাজনী আৰু ধুনীয়া কেচুৱাটি ওচৰৰ এখন ঠাইত কেইদিনমান থাকি কৰবালৈ গ'লগৈ। মলি ফেৰেন লোকদৃষ্টিৰ অন্তৰালত লুকাল—সাধাৰণভাৱে মানুহে ইয়াকে জানিলে। প্ৰিয়জনৰ অশ্ৰুতৰ্পণৰ পৰা বঞ্চিত এই মৃত্যু দেখাত অকিঞ্চিৎকৰ হ'লেও—ই কেইবাটাও জীৱনৰ শোক-দুখ নিৰ্ণয় কৰি ভাগ্যলিপি মচিব নোৱাৰাকৈ থৈ গ'ল।

দুখীয়াৰ কেচুৱা'টি তুলি-তালি ডাঙৰ কৰিবলৈ মাৰ্ণাৰে থিৰ কৰিলে। এই কাৰ্য্যই মানুহক কিছু পৰিমাণে আচৰিত কৰি কথন-মথনৰ সজুলি যোগালে। মাৰ্ণাৰৰ ধন হেৰোৱাৰ দিন ধৰি তাৰ অকলশৰীয়া জীৱনৰ প্ৰতি সৰ্ব্বসাধাৰণে সন্দেহ, বিৰাগেৰে পুতৌ কৰিছিল। সেই ভাৱ—এই নতুন অৱস্থাত অধিক সহানুভূতিৰ ৰূপ ধৰি সকলো মানুহৰ—বিশেষকৈ তিৰোতাসকলৰ মনত জাগি উঠিল। ল'ৰা-ছোৱালীৰ মোল বুজা আৰু ল'ৰা-ছোৱালীৰ জঞ্জাল মাৰিব নজনা—কাজী-অকাজী দুয়ো ধৰণৰ মাকবিলাকে নানা

অনুমান কৰি পৰামৰ্শ দিবলৈ সাজু হ'ল। ডুবছবীয়া কেচুৱা এটিৰ—চাইলাচৰ দৰে ডাঙৰ মানুহে—আলপৈচান ধৰোঁতে কি কৰিব লাগিব—সেই পৰামৰ্শ আহিল আহিঁ মাকবিলাকৰ পৰা; ল'ৰাৰ আল মাৰিব নজনা মাকহঁতে—চাইলাচে নো কি কি কৰিব নালাগিব—সেইকথা ন-দি ক'লে।

শ্ৰীমতী ডলি উইন্‌থ্ৰপৰ সহায় পৰামৰ্শত উপদেশৰ আউল নাছিল বাবে চাইলাচে তেওঁৰ পৰামৰ্শ লৈছিল। সি গড্‌ফ্ৰে-ই দিয়া ধনখিনিৰে পোনাটিৰ কানি-কাপোৰ কিনাৰ কথা সুধিলে। ডলিয়ে ক'লে বোলে চাওঁতে চাওঁতে কেচুৱাটি লহপহকৈ বাঢ়িব; তেতিয়া হ'লে ধনখিনি অথলে যাব, গতিকে তেওঁৰ পুতেকৰ সৰুকালৰ চোলা-কাপোৰ কেইটা-মানেৰেই কাম চলাব পৰা হব।

সেইদিনাই ডলিয়ে কাপোৰ-কানিবোৰ বগলি পাখি যেনকৈ ধুই মেলি, জাপি লৈ আহিল। তাৰ পাছত এখন এখনকৈ কাপোৰবোৰ মাৰ্ণাৰক উলিয়াই দেখুৱালে। তাৰ পাছত আহিল—কেচুৱাটিক চাবোনেৰে ঘঁহি-পিহি গা ধুউৱাৰ আড়ম্বৰ। গা-পা ধুই ন সাজ পিন্ধি কেচুৱাই চিকুণতকৈও চিকুণ হৈ ডলিৰ কোলাত বহি—নিজৰ আঙুলিবোৰ পিটিকি, হাত চাপৰি—কিৰিলি মাৰি নানা কাৰ্য্যকলাপেৰে নিজক আবিষ্কাৰ কৰিবলৈ লাগি গ'ল; 'গি…গি…গা…গা' 'মা…ম্মা'…ম্মা' আদি মইনা-মাত মুখত আখৈ ফুটাদি ফুটিবলৈ ধৰিলে। 'মা…' মাতটি কেচুৱাটিৰ—অশান্তি বা

ভোক-পিয়াহৰ জাননী নাছিল ; মৰমৰ মাত বা হাত-বুলনিৰ আশা নাথাকিলেও সেই কথাফাকি অকণি অন্তৰৰ নিষ্কাম ভাষা হৈ জন্মগত অভ্যাসৰ ফলত ওলাই আহিছিল।

ডলিয়ে সোণোৱালী চুলিকোছা লাৰি-চাৰি চুমা-চাতি খাই কেচুৱাটিৰ বিষয়ে চাইলাচৰ লগত পৰামৰ্শ কৰিবলৈ ধৰিলে ; কেচুৱা তোলাৰ নানা সংকেত চাইলাচেও তেওঁৰ পৰা আগ্ৰহেৰে বিচাৰিলে, যাতে সি নিজহাতে খুৱাই-বুৱাই যত্ন কৰিলে কেচুৱাটিয়ে আপোন বুলি ভাবিবলৈ শিকে। ডলিয়ে কেচুৱাক কিদৰে আলফুলকৈ চোলা পিন্ধাব লাগে দেখুৱালে। এনেতে পোনাটিয়ে চাইলাচৰ মূৰটো দু'হাতে ধৰি তাৰ মুখত সৰু সৰু ওঁঠ দুটি লগাই কল্‌কলাবলৈ ধৰিলে।

চাইলাচে ডলিৰ হাতৰ পৰা কেচুৱাটি নিজৰ কোলাত লৈ এক অবৰ্ণনীয় ভাৱত অভিভূত হৈ গ'ল। তাৰ ধন-সোণ চোৰে নিলে! তাৰ সলনি সি এই অমোল ধন পালে! তাৰ হেৰোৱা ধন এই শিশুৰ ৰূপত সি আকৌ ঘূৰাই পালে! সি তেতিয়া চোলা-কাপোৰবোৰ আপোন হাতে আথেবেথে ডলিয়ে দেখুৱামতে পিন্ধাবলৈ ধৰিলে ; মাথোন মাজে মাজে কেচুৱাটিৰ 'কুস্তি'ত সি অলপ বৰ লগা হৈছিল।

তাৰ পাছত কথা হ'ল—তাঁত বওঁতে চাইলাচে কেচুৱাটি কি কৰিব ?. ইয়াৰতো দিনক দিনে বেচি দুষ্টালি বাঢ়িব! চাইলাচে ঠিক কৰিলে যে দীঘল জৰী এডালেৰে তাঁতৰ

খুটাত বান্ধি থব, যাতে পৰি দুখ নাপায়। লাগিলে সময়ত ডলিয়ে ছোৱালীটীক কাপোৰ সিয়া আদি কামো শিকাব পাৰিব।

চাইলাচে কেচুৱাটি কি মতে লোকক এৰি দিব? অৱশ্যে ডলিয়ে আশ্বাস দিলে যে তাৰ কেচুৱা কোনেও নিনিয়ে।

কিন্তু ধৰ্ম্মমতে গীৰ্জ্জাত কেচুৱাটিক শৰণ দিয়াই এটা নাম দিব লাগিব নহয়? চাইলাচৰ শেতা মুখ নতুন চিন্তাত ৰঙাচঙা পৰিল। এৰা তো—সিও হয়তো এটা দৰকাৰী কাম! গা ভালে ৰাখিবলৈ যেনেকৈ চিটা দিয়া দৰকাৰ, আগন্তুক জীৱনত আত্মাৰ সদগতিৰ কাৰণে শৰণ দিওৱাও আৱশ্যক। চাইলাচৰ মূৰত খেলিমেলি লাগিল; 'শৰণ দিওৱা' কি? শৰণ নিদিয়ালে কেচুৱাটিয়ে ৰাইজৰ আদৰ নাপাব নে? ডলি আচৰিত হ'ল—চাইলাচক মাক-বাপেকে প্ৰাৰ্থনা কৰিবলৈ শিকোৱা নাছিল নে? চাইলাচৰ মন ঘূৰি গ'ল—সুদূৰ অতীতলৈ আৰু তাৰ ঘৰলৈ। এৰা! যদি মঙ্গলৰ কাৰণে হয়, দেশদস্তুৰ মতে সি যি লাগে কেচুৱাটিৰ কাৰণে কৰিব। মেচি কাকতীক ডলিয়ে কব যাতে যাজক-দেউক শৰণৰ বিষয়ে সোধে; ইতিমধ্যে কেচুৱাটিৰ শৰণ দিলে এটা নাম লাগিব নহয়? চাইলাচৰ মাকৰ নামটো বাইবেল শাস্ত্ৰৰ পৰা অনা হ'লেও—নামটো টান; চাইলাচৰ ভনীয়েকৰ নাম আছিল—এপি, যদিও ডলিৰ মতে নামটো

বেয়া নহব। ডলিয়ে শৰণ দিওৱাৰ দিহা কৰিবলৈ গাত ললে। কেচুৱাটিৰ কানি-কাপোৰ ধোৱা-মেলাৰ বিষয়ে চাইলাচে ডলিৰ ওপৰতে এৰি দিব পাৰে। পুতেক এৰণক পুতলা গাৰী আৰু পখৰা কুকুৰ পোৱালীটোৰে এদিন আনিব বুলি তেওঁ কৈ গ'লগৈ।

কেচুৱাক শৰণ দিয়া হৈ গ'ল; যাজকজনে লগতে চাইলাচকো দীক্ষা দিয়াটো উচিত বুলি ভাবিলে। সেইদিনা চাইলাচে গা-পা ধুই নিকা সাজ-কাপোৰ পিন্ধি প্ৰথমবাৰ নৱজাত সোমাল আৰু ওচৰ-চুবুৰীয়াসকলৰ লগত সেই অনুষ্ঠানত যোগ দিলেগৈ। তাৰ পুৰণি বিশ্বাস আৰু বেভ্‌লোৰ ধৰ্মানুষ্ঠানৰ মাজত সি মিল নাপালে। কথাতকৈ গভীৰ সহানুভূতিৰে আগেয়ে সি তেনে মিল বিচাৰি পাব পাৰিলেহেতেন কিন্তু বহুত দিন সেই ভাৱ তাৰ অন্তৰত সুপ্ত হৈ আছে। শিশুটিৰ কাৰণে যে সেই অনুষ্ঠান কল্যাণজনক এই কথা সি স্পষ্টকৈ বুজিব পৰা নাছিল; কিন্তু দিনৰ পাছত দিন, সপ্তাহৰ পাছত সপ্তাহ, মাহৰ পাছত মাহ বাগৰি যোৱাৰ লগে লগে তাৰ জীৱন আৰু সি আঁতৰাই থোৱা বাহিৰৰ মানুহৰ জীৱনৰ মাজত নতুন নতুন যোগসূত্ৰৰ সৃষ্টি কৰিবলৈ ধৰিলে। তাৰ ধন-সোণ আছিল মাটিৰ বুকৰ আন্ধাৰত; তাক আদৰ কৰিব লাগিলে গোপনে আদৰ কৰিব লাগিছিল। ই চৰাইৰ গান বা মানুহৰ মাতত বিচলিত হোৱা বস্তু নাছিল। তাৰ ঠাইত সি পালে এপিক। এপিৰ স্নেহৰ আবেদন আৰু

কামনা জীৱন্ত; ৰ'দ-পোহৰ এপিৰ লগৰীয়া; মানুহৰ জীৱন্ত মাত আৰু গতি এপিৰ কাম্য; সকলো বস্তুকেই এপিয়ে পৰীক্ষা কৰি চায়; নতুন আনন্দত এপিয়ে হিয়া ঢালি দিয়ে আৰু মানুহৰ অন্তৰত চেনেহৰ কঁপনি তোলে। ধনৰ মোহত সি নিজতে পোত গৈ আছিল; এপিয়ে আহি তাৰ মনটোক বাহিৰলৈ টানি আনিলে। তাৰ কল্পনাত এপি এদিন ডাঙৰ হ'ব, পিতাকৰ আদৰ-যতনৰ কথা বুজিব আৰু হয়তো ওচৰ-চুবুৰীয়াৰ পৰিয়ালবোৰক উপকাৰ কৰিলে তাক মনত পেলাব। আগেয়ে ধনে তাক—তাৰ তাঁতত তাৰ মন-আত্মা বন্দী কৰি ৰাখিছিল। এতিয়া এপিয়ে তাক তাঁতপাটৰ পৰা বাহিৰলৈ নি তেওঁৰ শিশু-জীৱনৰ আনন্দেৰে তাৰ জীৱনটো পৰিপূৰ্ণ কৰিছে।

কেতিয়াবা দিন দীঘল হ'লে ফৰকাল বতৰত যেতিয়া সোণালী বনৰীয়া ফুলবোৰ ঘাঁহনিৰ মাজে মাজে ফুলি জাতিষ্কাৰ হৈ থাকে, চাইলাচে শুদা মূৰেৰে এপিক লৈ বাহিৰ ওলায়; কেতিয়াবা সাঁজৰ আন্ধাৰ পৰাৰ লগে লগে এপিৰ লগত শিলৰ খালৰ সিফালে ফুৰিবলৈ যায়। ফুলি থকা ফুল বিলাকৰ ওচৰত খালৰ এটা পাৰত চাইলাচ বহেগৈ আৰু এপিয়ে ফুল, পখিলাবোৰৰ লগত কথা কৈ মাজে মাজে 'দা···দা ··তা'ক ফুল ছিঙি আনিবলৈ পাচে। কেতিয়াবা কোনো চৰাইৰ মাত শুনি এপিয়ে কাণ পাতিলে চাইলাচে মনে মনে থাকি ভাল দৰে শুনিবলৈ অদ্ভুত শব্দ কৰি এপিক

ৰং লগায়। এপিয়ে ৰঙত চৰাইৰ মাত শুনি কিৰিলিয়াবলৈ ধৰে। মাজে মাজে চাইলাচে ঘঁাহনিত পুৰণি কালত জনা বন-দৰবৰোৰ বিচাৰি ফুৰে আৰু সোঁৱৰণিবোৰে জুমুৰি দি ধৰা দেখিলে তাৰ দুৰ্ব্বল মনটোৱে আকৌ এপিৰ এধানমানি পৃথিবীখনলৈ আহি আশ্ৰয় লয়।

এপিৰ শিশু-মনত জ্ঞানৰ পোহৰ পৰাৰ লগে লগে চাইলাচৰ মনতো সুখ-সোঁৱৰণিৰ জিলিকনি পৰিবলৈ ধৰিলে; এপিৰ জীৱন-কমল এপাহি এপাহিকৈ ফুলাৰ লগতে একালত জীৱনৰ অন্ধকূপত বন্দী তাৰ অন্তৰখনো লাহে লাহে সজাগ হৈ ঠন্ ধৰি উঠিল। প্ৰতিটো বছৰ যোৱাৰ লগে লগে চাইলাচৰ হৃদয়ৰ নিমাত সুৰবোৰ স্পষ্ট প্ৰতিধ্বনি বিচাৰি বাজিবলৈ ধৰিলে। এপিৰ মনত বস্তু আৰু শব্দই স্পষ্টৰূপ লৈ দেখা দিয়াৰ লগতে তেওঁৰ 'দা…দা …তা'য়ো সেইবোৰ মন কৰিব লগা হ'ল। তিনি বছৰত ভৰি দিয়াৰ লগে লগেই এপিৰ দুষ্টালি বাঢ়িল আৰু নানা অনৰ্থ কৰাৰ ক্ষমতা বাঢ়ি অহাত চাইলাচেও ধৈৰ্য্য, তীক্ষ্ণ দৃষ্টি আৰু সতৰ্কতা বঢ়াব লগাত পৰিল। কোনো সময়ত এপিৰ দুষ্টালিয়ে চাইলাচৰ স্নেহক কঠোৰ পৰীক্ষাত পেলায়। ডলি উইনথ্ৰপে কয় বোলে ল'ৰা-ছোৱালী ডাঙৰ কৰিবলৈ হলে সুবিধা বুজি বন্ধ কৰি থব লাগে বা ঢকাটো, মুকুটিটো মাৰিবই লাগে; তেওঁৰ মতে এপিৰ বয়সত শাসনৰ বৰ দৰকাৰ; নহলে এপি হয়তো দুৰ্দ্দান্ত হৈ উঠিব।

ডলিৰ যুক্তি ভালদৰে বুজিলেও এই শাস্তিৰ দুবিধ প্ৰণালী তাৰ মনত ভাল নালাগিল। এপিক দুখ দিয়াৰ কল্পনাই তাৰ মনত বেজাৰ দিলে। এক মুহূৰ্ত্তৰ শাসনৰ ফলত যদি এপিৰ চেনেহ অলপো টুটি যায়—এই কথা কল্পনা কৰি সি শিয়ৰি উঠিল। কিন্তু দেখা গ'ল যে এপিয়ে মন কৰিলে দুষ্টালিৰ সুযোগ বুজি 'দে···তা'ক চাইলাচক নাকী লগাই নচুৱাব পাৰিব।

এটা উদাহৰণ দিয়া যাওক। এবাৰ তাঁতৰ কামত লাগিব লগা হোৱাত এডোখৰ দীঘল পাট-কাপোৰৰ ফিতা এপিৰ কঁকালত পেটী বন্ধাদি বান্ধি চাইলাচে তাঁতৰ খুটাত এটা মূৰ বান্ধিলে। সূতাৰ জালি কাটিবৰ কাৰণে কেচিখন ঘনে পতি কামত লগাত এপিয়ে ঢুকি নোপোৱাকৈ সি আঁতৰাই থলে। কেচিখনৰ জপোৱা 'কিচ্‌কিচ্‌' শব্দটোৱে এপিৰ মনত শিশু-দৰ্শনৰ নানা তথ্য যোগাইছিল। এবাৰ খটাখট্‌ শব্দ কৰি তাঁত বৈ থাকোঁতে এপিয়ে—চাইলাচে ভকিব নোৱাৰাকৈ—কেচিখন নি বিচনাত বহিল গৈ আৰু কেচি চলাই কঁকালৰ ফিতাডাল কাটি ততালিকে মুকলি দুৱাৰেদি বাহিৰৰ ব'দলৈ লৰ মাৰিলে। কেচিখন লগা হোৱাত চাইলাচে কেচি বিচাৰোঁতে দুৰ্ঘটনাটো গম পাই অজান-আতঙ্কত "এপি ··এপি ··" বুলি চিঞৰি বাহিৰলৈ গ'ল। কিজানিবা খালত পৰিল! সি খালবোৰত বিচাৰিলে, বগুচুৰা পানীত ভয়ে ভয়ে চালে। এপিৰ কোনো চিন নাই!



“.........কিসে ই কি?”

আশঙ্কাত চাইলাচৰ কপাল ঘামিবলৈ ধৰিলে। এপিৰ যোৱা কিমান পৰ হ'ল, সি কব নোৱাৰে। মাথোন আশা একমাত্র এয়ে হয়তো তেওঁলোকৰ সচৰাচৰ ফুৰা বাটেৰে এপিয়ে জপনাখন পাৰ হৈ ঘাঁহনিত সোমাইছে। ওখ ঘাঁহ ডবাৰ মাজেদি অকণি এপিক দেখা পোৱা অসম্ভৱ; হয়তো লোকৰ শইচৰ পথাৰত সোমাবগৈও লগা হব। ঘাঁহনিখন পিতাপিতকৈ বিচাৰি জপনাখন পাৰ হৈ চাইলাচে ওচৰৰ পথাৰখনত সোমাই খৰালি শুকাই থকা পুখুৰীটোৰ বঙা বোকাত চালেগৈ। কিন্তু ই কি? হাতত এপাট জোতা লৈ জোতাপাটেৰে পানী আনি গৰু খোজৰ চিনত ঢালি এপিয়ে খিল্‌খিলাব লাগিছে আৰু শুদা ভৰিখন শেলাই বন্ধা বোকাত সুমাই বহি আছে। সিফালে জোপা এটাৰ মাজেদি আতঙ্কিত দৃষ্টিৰে এটা বঙা দামুৰিয়ে এপিলৈ চাই আছে।

শৰণ দিয়া এটি শিশুৰ কাৰণে এই কামটো বৰ অন্যায় হৈছে। শাস্তিও দৰকাৰ। কিন্তু হেৰোৱা ধন ঘূৰাই পাই বঙত উত্রাৱল হৈ চাইলাচে একে থাপে এপিক কোলাত তুলি ললে আৰু উচুপি উচুপি চুমাৰ পাছত চুমাৰে কোমল গাল দুখনি ওপচাই দিলে। ঘৰলৈ লৈ যোৱাৰ পাছত চাইলাচৰ মনত পৰিল যে ধুৱাই দিয়াৰ আগতে এপিক শাসন কৰা দৰকাৰ; কেতিয়াবা হয়তো এইদৰে গৈ ছোৱালীটীৰ বিপদ হব পাৰে—এই কথা ভাবি থিৰ কৰিলে যে এপিক বন্ধ কোঠালি এটাত সুমুৱাই শাস্তি দিব লাগিব।

এপিক আঠুৰ ওপৰত লৈ তেওঁৰ কাপোৰ-কানি আৰু হাত-ভৰিৰ বোকাবোৰ দেখুৱাই চাইলাচে বুজাবলৈ লাগিল, "এপি···দুষ্ট···দুষ্ট ! কেচি···কেচেক্···কেচেক্···কাটে ·· সৌপিনে গুচি যায় ··দুষ্ট···এপি দুষ্ট···এপি···কোঠালিত বন্ধ···বন্ধ ··থাকিব···দে-ডা ·····কোঠালিত······এপিক বন্ধ কৰিব।" চাইলাচে ভাবিছিল যে এপিয়ে এই ককৰ্থনাত কান্দি পেলাব ; কন্দা দূৰত যাওক—তেওঁ আঠুৰ ওপৰত নাচি নাচি প্ৰস্তাৱটোত আনন্দ প্ৰকাশ কৰি হাঁহিবলৈহে ধৰিলে। চাইলাচে চৰম শাস্তি দিবলৈ মন বান্ধি বন্ধ কোঠালি এটাত এপিক সুমুৱাই দুৱাৰখন জপাই দিলে ; ভাবিলে যে তাৰ শাস্তি বিহা হৈছে। ভিতৰত অলপ পৰ টলকা মাৰি এপিয়ে অ···পি···অ · পি' বুলি কান্দিবলৈ ধৰাত চাইলাচে কোঠালিৰ পৰা উলিয়াই আনি ক'লে, "এপি···আৰু দুষ্ট ·· নহয়। এপি···দুষ্ট হ'লে বেয়া···বেয়া কোঠালিত···বন্ধ··· হব।" সি ভাবিলে যে এই শাস্তিৰ পৰা এপিৰ শিক্ষা হ'ল আৰু এতিয়া ধুৱাই মচি নিকা এসাজ কাপোৰ পিন্ধাওঁতেই বহুত সময় যাব।

এপিক চাফ-চিকুণ কৰি চাইলাচে কঁকালত জৰী নাবান্ধি ভাবিলে যে এপিয়ে আৰু দুষ্টালি নকৰে। কোনোবা পাকত এপিয়ে বন্ধ কোঠালিটোত সোমাই ছায়ে মাকটিয়ে ক'লা-ম'লা হৈ ওলাই আহি মাত দিলে, "দে···ডা, এপি ·· ছু···ডা···ই,···বন্দ ··বন্দ !" নিৰুপায় হৈ চাইলাচে দেখিলে

যে বন্ধ কৰি শাস্তি দিয়া নিষ্ফল। শ্ৰীমতী ডলি উইনথ্ৰপক সোধোঁতে পৰামৰ্শ দিলে যে ল'ৰা-ছোৱালীৰ দুষ্টালি থাকিবই ; কথাতে কয়, "ছৱাল-ছোৱালী বান্দৰ পোৱালী"। গতিকে ভয় দেখুৱাই শাসন কৰিব নোৱাৰিলে বস্তু-বাহানি এপিয়ে চুকি নোপোৱাকৈ সাৱধানে থলেই হব।

এইদৰে কোনো শাস্তি নোপোৱাকৈ এপি ডাঙৰ দীঘল হবলৈ ধৰিলে। চাইলাচেও অসীম ধৈৰ্য্যেৰে এপিৰ সকলো দৌৰাত্ম্য সহি যোৱাত—এপিৰ মানত ঘৰটো 'সুখৰ ··মাটিৰ সৰগ' হৈ পৰিল ; তাৰ দূৰত থকা কোলাহলময় সংসাৰখনৰ ডাবিছুকি, অনাদৰে তেওঁক স্পৰ্শিব নোৱাৰিলে।

কেতিয়াবা আঁতৰলৈ সূতা বা কাপোৰৰ গধুৰ বোজা লৈ যাওঁতেও এপিক তাৰ ঘৰত অকলে নাইবা মৰমিয়াল ডলিৰ লগত থৈ নগৈ···চাইলাচে কোলাত তুলি লৈ গৈছিল। গাৱঁত আৰু আন ঠাইতো ঘৰে ঘৰে কেঁকোৰা সোণোৱালী চুলিৰ এপি—সকলোৰে আদৰৰ ধন হৈ পৰিছিল। ইতিপূৰ্ব্বে চাইলাচ মানুহৰ চকুত আছিল—কৌতূহল আৰু ঘৃণাৰ পাত্ৰ ; অদ্ভুত স্বভাৱৰ এটা সামান্য মানুহ। তাৰ লগত কোনেও ঘনিষ্ঠতা নেদেখুৱাইছিল ; সি যাদু কৰিব বুলি ভয়ত মানুহে কেতিয়াবা এডোখৰ মঙহ নাইবা বাৰীৰ শাক-পাচলি দি দূৰতে বিদূৰ কৰিছিল, কাৰণ কাপোৰ-কানি লাগিলে—চাইলাচ নহ'লে নচলে। কিন্তু ·এতিয়া—এপিক লৈ গ'লে মানুহে তাক সাদৰে সোধ-পোচ কৰে, লাগা

পৰামৰ্শ দিয়ে আৰু মাকৰ দৰে তাৰ মৰম-যতন দেখি তাৰ শলাগ লয়। বয়সিয়াল গিৰিহঁত-গিৰিহঁতনীসকলে কেচুৱা তোলাৰ দুখ-কষ্টৰ কথা উনুকিয়াই—এপিৰ কুন্দত কটা লাৱনী হাত-ভৰিবোৰ পিটিকি কয় বোলে তাই একালত এটী ধুনীয়া সুগঢ়িত ছোৱালী হৈ উঠিব; হয়তো চাইলাচৰ বুঢ়া বয়সত তায়ে 'কণাৰ লাখুটি' হবগৈ। লিগিৰী গাভৰুহঁতে এপিক বোকোচাত লৈ কুকুৰা নাইবা বাৰীৰ পকাজামু পাৰি দেখুৱায়; সৰু সৰু ল'ৰা-ছোৱালীয়ে পোনতে সন্তৰ্পণে চাই-চিতি এপিক একোটিকৈ চুমা যাচি যায়। এতিয়া চাইলাচ ল'ৰা-ছোৱালীৰ মানত 'চকু টেলেকা বুঢ়া' নহয়। এপিয়ে তাক আৰু বাহিৰৰ জগৎখনক চেনেহৰ জিঞ্জিৰিৰে বান্ধি পেলাইছে। এপি আৰু তাৰ চেনেহৰ কটকটীয়া বান্ধোনে—ৰূপ-ৰস-গন্ধ-স্পৰ্শেৰে ভৰা প্ৰেমময় লোকালয়ক তাৰ অন্তৰৰ ওচৰ চপাই দিছেহি।

চাইলাচে—বৰ্ত্তমানে বেভ্‌লো-বাসৰ কথা অকল এপিৰ লগত সম্পৰ্ক ৰাখি ভাবিবলৈ ধৰিলে; এতিয়া বেভ্‌লো গাৱঁৰ সকলো ভাল বস্তু, ভাল কথাৰে এপিৰ জীৱন গঢ়িব লাগিব। যোৱা পোন্ধৰ বছৰে বাহিৰ জগতক আচৰিত বস্তু বুলি সি আঁতৰি আছিল; এতিয়া সি যেন এজোপা গছ-পুলি আনি নতুন মাটিত কই—পুলিজোপা বঢ়াৰ কাৰণে ৰৰষুণ, ৰ'দ-বতাহৰ চিন্তাত নিমগ্ন, আৰু তাৰ শিপাৰ আহাৰ যোগোৱা উপায় আৰু তাৰ কুঁহি, ফুলকলিক 'অকালতে

মৰহি নোযোৱাৰ সকলো প্ৰতিবিধান—সি শিকিব লাগিব। এবছৰ আগেয়ে তাৰ ধনৰ ক্ষতিয়ে ভূইকঁপে ভঙা ঘৰৰ দৰে —তাৰ সঞ্চয় প্ৰবৃত্তিটোক মষিমূৰ কৰি থৈ গ'ল। কিন্তু তাৰ সাঁচনীয়া ধনৰ পৰিবৰ্ত্তে সি এপিক পাইছে; এপিয়ে তাৰ অন্তৰ ক্ৰমবৰ্দ্ধমান নতুন উত্তম, আশা আৰু আনন্দেৰে পৰিপূৰ্ণ কৰিছে। কিন্তু তাৰ এই নতুন ভাৱে—তাৰ ধনৰ স্পৃহাক চেৰাই গৈছে।

দেৱদূতে হেনো কেতিয়াবা মানুহক ধ্বংসৰ পৰা মুক্তিৰ বাটলৈ হাতত ধৰি লৈ যায়হি। চাইলাচৰ মানতো—এপি এটি তেনে দেৱদূত, যি তাক সকলো বিপদ, সকলো অকল্যাণৰ পৰা আনন্দৰ নতুন স্বৰ্গলৈ হাতত ধৰি নিব লাগিছে।

( ১৪ )

## শুভ বুদ্ধি

চাইলাচৰ আদৰ-যত্নত লহপহ কৰে বাঢ়ি অহা এপিৰ জীৱনটো আৰু এজন মানুহে বৰ হেপাহেৰে লক্ষ্য কৰিছিল। দুখীয়া মানুহ এটাৰ তোলনীয়া ছোৱালী এজনীক যিমানখিনি মনযোগ তেওঁৰ দৰে ধনী ডেকা ডাঙৰীয়া এজনে দেখুৱাব লাগে তাতকৈ সৰহ অনুগ্ৰহ দেখুৱা সাহ গড্‌ফ্ৰে কেচৰ নাছিল। কেতিয়াবা বপুৰা চাইলাচক বাটে পথে লগ পালে নানা বস্তু দিয়াৰ ইচ্ছাও জন্মে; কিন্তু তেওঁ মনতে ভাবিছিল যে ভবিষ্যতে হয়তো সন্দেহৰ পাত্ৰ নোহোৱাকৈ তেওঁৰ নিজৰ সন্তানৰ উন্নতিত সহায় কৰিব পাৰিব। শিশুটিৰ ভৰণ-পোষণত ক্ৰুটী হোৱা নাই; আৰু দুখীয়া অৱস্থাত হ'লেও ধনী মানুহৰ ল'ৰা-ছোৱালীতকৈ বেচি যত্ন পাইছে। গতিকে সেইকথা লৈ গড্‌ফ্ৰেৰ মনত যে অশান্তিৰ সৃষ্টি হৈছিল— এনে কথা কোৱা টান। আপোন সন্তানৰ প্ৰতি কৰ্ত্তব্যত বিমুখ হোৱাৰ অনুশোচনাই যে গড্‌ফ্ৰেৰ দৈনন্দিন জীৱনত বিশেষ বাধা জন্মাইছিল এনে আশঙ্কা কৰাও অমূলক।

গড্‌ফ্ৰে কেচৰ আনন্দ দিনক দিনে মুখ আৰু চকুৰেদি বিৰিঙি ওলাল। তেওঁৰ লক্ষ্যত এতিয়া ছেদ নাই কাৰণে তেওঁৰ কৰ্ত্তব্য তেওঁ নিৰূপণ কৰিলে। ডানচি তেতিয়াৰ পৰা

ঘূৰি অহা নাই। কোনোৱে কয় যে তেওঁ 'চিপাহী ভৰ্ত্তি' হ'ল নাইবা দেশান্তৰী হ'ল। ডাঙৰ বংশৰ কথা কাৰণে কোনেও ডান্‌চিৰ বিষয়ে বিশেষ বিচাৰ নকৰিলে। ডান্‌চিৰ আতঙ্ক দূৰ হোৱাত গড্‌ফ্ৰেৰ এতিয়া অন্তৰৰ সাঁচি থোৱা কামনাই সিদ্ধিৰ বাটত আগুৱাবলৈ ধৰিলে। দেখা লোকে কৈছিল বোলে গড্‌ফ্ৰে বোপা সজ বাটলৈ আহিল আৰু তেওঁক প্ৰায়েই লেমেটাৰৰ ঘৰলৈ আহ-যাহ কৰা দেখি শুভ পৰিণতিৰ সম্ভাৱনাও বহুতে দেখিছিল। দিন থিৰ হোৱাৰ কথা কোনোবাই ৰহইচ কৰি সুধিলে তেওঁ আশাসূচক আশ্বাসৰ হাঁহি মাৰে। এতিয়া প্ৰলোভনৰ হাত সাৰি তেওঁ নতুন জীৱন পোৱাদি পালে। ভবিষ্যৎ জীৱনৰ সুখৰ মানস ছবিখন কল্পনাত ভাহি উঠিলে তেওঁ বাধা অতিক্ৰম কৰাৰ কথা ভাবিব নালাগে। এতিয়া মানসপটত ঘকৱা সুখভোগৰ ছবি আৰু তেওঁৰ লগত ৰং-ধেমালি কৰি ফুৰা সন্তানবিলাকলৈ চাই নাৰীৰ মধুৰ হাঁহি তেওঁ দেখিবলৈ পায়।

কিন্তু—ঘৰৰ বাহিৰত থকা সন্তানটিক তেওঁ পাহৰিবনে? তাৰ ভৰণপোষণ আৰু ভবিষ্যতৰ কাৰণে সকলো দিহা তেওঁ ভালদৰে কৰিব। জন্মদাতাস্বৰূপে ই তেওঁৰ অৱশ্য কৰ্ত্তব্য।

# ( ১৮ )

## পিতা আৰু কন্যা

ষোল বছৰ পাছত—শৰতৰ এটি ৰাতিপুৱা; সেইদিনা দেওবাৰ। বেভ্‌লো গাৱঁৰ গীৰ্জ্জাঘৰৰ ঘণ্টাৰ আনন্দদায়ক ধ্বনি শুনা গৈছে। এইমাত্ৰ পুৱাৰ উপাসনা ভাগিছে। ধৰ্ম্মভিৰীয়া ছুৱাৰ মুখেদি পৰস্পৰক নমস্কাৰ জনাই, কথা-বতৰা পাতি গাৱঁৰ ধনী লোকসকল ধীৰ খোজেৰে বাহিৰ ওলাইছে। তেতিয়াৰ গাৱঁৰ দস্তুৰ মতে ধনী-মানীসকল আগেয়ে গীৰ্জ্জাৰ পৰা যাঁৱ আৰু আন সাধাৰণলোকে পিছ পৰি কোনো ডা-ডাঙৰীয়াৰ চকুত পৰিলে নমস্কাৰ একোটি জনাই শেহত বাহিৰ ওলাব। সাজে পোচাকে ভব্য লোকসকলৰ মাজত—যোলবছৰৰ আগৰ চফল ডেকা—দীঘল গৌৰবৰ্ণৰ সেয়া গড্‌ফ্ৰে কেচ্‌; তেওঁৰ বয়স ছকুৰি বছৰ হলেও চেহেৰাৰ বিশেষ সলনি হোৱা নাই; মাথোন গা-ত মঙহ ধৰিছে। কিন্তু চকুত ডেকা বয়সৰ সেই জেউতি নাই। তেওঁৰ গা-তে গা লগাই অহা সেইগৰাকী ধুনীয়া তিৰোতা—তেওঁৰ ভাৰ্য্যা—এতিয়া নান্সী কেচ্‌। গাভৰু কালৰ গালৰ গোলাপী বোল এতিয়া তেওঁৰ মুখত সদায় দেখা নাযায়। তেওঁৰো বিশেষ পৰিবৰ্ত্তন হৈছে যেন লাগে। তথাপি সময়ে তেওঁৰ মুখৰ লাৱণ্য টুটাব পৰা নাই। তেওঁৰ শান্ত মুখখন, তেওঁৰ পিতল

চকুযুৰিৰ সৰল চাৱনিয়ে তেওঁৰ উদাৰ স্বভাৱ আৰু অন্তৰৰ গুণাৱলীৰ চিনাকি দিয়ে। সাজ-পোচাকতো তেওঁৰ সুৰুচি, পৱিত্ৰতাৰ আভাস বুজা যায়।

( বুঢ়া কেচ্ ডাওৰীয়াৰ দেহান্তৰৰ পাছত সম্পত্তি ভাগ হোৱাত আৰু 'জমিদাৰ' উপাধিটোৰো মৰণ ঘটাত ) এতিয়াৰ শ্ৰীযুত গড্ ফ্ৰে কেচ্ আৰু শ্ৰীমতী কেচে—পাছত অহা আলৰ বুঢ়া দেউতাক আৰু সাধাৰণ সাজপিন্ধা তিৰোতাগৰাকী অৰ্থাৎ তেওঁৰ এসময়ৰ ৰচকী ভনীয়েক প্ৰিচিলালৈ বাট চাই —শেষত তেওঁলোকৰ বাসস্থান 'ৰংঘৰ'ৰ ফালে আগুৱাই গ'ল।

সৌৱা—কুজা, পকাচুলিৰে চাইলাচ মাৰ্ণাৰক দেখিয়ে চিনিব পাৰি। পঁচপন্ন বছৰ বয়সতে চাইলাচক অতি বুঢ়া যেন দেখি। তেওঁৰ ওচৰতে ভৰপূৰ গুৱনী মুখখনিৰে ওঠৰ বছৰীয়া গাভৰু এপি। পচোৱা বতাহত অশান্ত হৈ টো তুলি থকা সোণোৱালী চুলিকোছা নাচিব লাগিছে। সকলো কথা আৰু কামত বেহা ভালপোৱা এপিৰ দুখ অকল অবাধ্য কেঁকোৰা চুলিকোছাৰ কাৰণে। বগলি পাখি যেন কমাল-খনত উপাসনাৰ পুথিখন কেনে ধুনীয়াকৈ বান্ধি তেওঁ লৈ গৈছে—মন কৰাচোন! এপিৰ পাছত অহা চফল ডেকাটিৰ চুলিৰ বিষয়ে বিশেষ মত নাই; কিন্তু এপিয়ে কেতিয়াবা সুধিলে মন বুজি তেওঁ উত্তৰ দিয়ে যে চুলি কেঁকোৰা মহলক ভাল; কিন্তু এপিৰ চুলিকোছা আনৰ দৰে হোৱাটোও বেয়া! তথাপি ডেকাটিয়ে বুকত সাহ বান্ধি এপিহঁতৰ শাৰীৰ জুলং,

ধৰে ; এপিয়ে পিতাক চাইলাচৰ লগত নানাকথা গুণ্ গুণ্ কৈ পাতি যায়।

এপিৰ বহুদিনৰ হেপাহ—শ্ৰীমতী ডলি উইনথ্ৰপৰ দৰে এখনি ফুলনি কৰে। মাটি আনি গাঁত পুৰাই ফুলনি কৰা —বুঢ়া দেউতাকে পাৰিবনে ? ওঁহো, নোৱাৰে।

চাইলাচে কয়, "তোক ফুলনি লাগিলে মই নোৱাৰিম কিয়, আই ? গধূলি গধূলি মাটি আনি গাঁত পুৰাই দিলে পুলি কেজোপামান ফুল কৰ পৰা হব। ৰাতিপুৱাত দেখোন তাঁতত বহাৰ আগত কোৰেৰে তুই এচাৰ মাৰিবও পাৰোঁ। তোক ফুলনি লাগে—মোক আগতে নকলি কিয়, মা ?" তেনে সময়তে কাষৰ—সাজে-পোচাকে ফিট্‌ফাট্—ডেকাটিয়ে ভাল মাটি আনি গাঁত ভৰাই ফুলনি কৰি চাইলাচক দিবলৈ গাত ললে। নকলেও হব—এপিৰ কথাত ব্যস্ত থাকি ডেকা একণক চাইলাচে মন কৰাই নাছিল। ভাল হ'ল তেও—এৰণে সহায় কৰিলে ফুলনিখন সোনকালে পাতিব পৰা হব। চাইলাচে অনুমতি দিলে এৰণে সেইদিনাই গধূলি আহি ফুলনিখন জোখমাখ কৰি যাব আৰু পাছদিনা দোক-মোকালিতে উঠি ফুলনিৰ কামত লাগিব।

এপিয়ে মাথোন চাইলাচক ক'লে, "দেউতা, তুমি হ'লে টান কাম নকৰোঁ বুলি মোক কথা দিব লাগিব। (তাৰ পাছত লাজ আৰু দুষ্টামিৰে ) সিদিনা ডলি পেহীয়ে কৈছিল বোলে এৰণ বৰ ভাল—আৰু..."

( এৰণৰ কথা পাতিবৰ সুবিধা ওলাল। ) এৰণে ক'লে, "আয়ে নোকোৰাকৈয়ে তুমি জানিব লাগিছিল। মাৰ্ণাৰ ককাইটিয়ে জানে মই যি কোনো কাম তেওঁৰ কাৰণে কৰিব পাৰোঁ আৰু কৰিবলৈ হেপাহো কৰোঁ। মোৰ হাতৰ পৰা কাঢ়ি নি তেওঁ নিজে কৰিলে মই দুখ পাম হ'লে।"

তেতিয়া বন্দবস্ত হ'ল যে মাৰ্ণাৰে ফুলনিত টান কাম কৰিব নোৱাৰিব; মাথোন ফুল-পুলি বোৱা গাঁতবোৰৰ চিন দিব আৰু ফুল-পুলি কৰ। শিল-খালৰ পাৰত গোন্ধ থকা, গোন্ধ নথকা ফুল কলে ঠাইডোখৰ জাতিষ্কাৰ হৈ পৰিব। এপিয়ে ভাবে—ফুলে দেখে আৰু তেওঁৰ ফুলনিৰ ফুলেও তেওঁলোকৰ কথা-বতৰা শুনিবলৈ পাব। এৰণে 'বংঘৰ'ৰ ফুলনিৰ পৰা সুগন্ধি ফুলৰ পুলি আনি দিবলৈ গাত ললে। কিন্তু মাৰ্ণাৰে আপত্তি কৰিলে। গড্ৰে কেচ্ বোপাই মৰমত তেওঁৰ পঁজা-টোৰ এছোৰা সাজি দিছে; বিচনা-পাটী, আন আন বস্তু দিছে। তাৰ ওপৰত তেওঁক ফুল-পুলিৰ কাৰণে আমনি কৰা ভাল নহয়। এৰণে মাথোন ক'লে যে লগাতকৈ ফুল-গছ বেচি আছে কাৰণে দুই এটা ফুল-পুলি আনিলে তেওঁ-লোকে আমনি নাপায়।

জিলি আলি পাওঁতেই এৰণে বিদায় ললে। এপিয়ে শ্ৰীমতী ডলিক মাতিবলৈ ক'লে যাতে তেওঁৰ বুদ্ধি-পৰামৰ্শ নোলোৱাকৈ ফুলনিৰ দিহা কৰা নহয়।

এৰণে ফুলনি পাতি দিব এই কথা এপিয়ে জানায়ে

জানিছিল। ফুলনি তো হ'বই! এপিয়ে ফুলনিৰ আনন্দত মাৰ্গাৰক সাৱটি, চুমা খাই উত্রাৱল হৈ পৰিল। চেনেহেৰে ভৰ-পক এই বয়সত, শান্ত মৃদু আনন্দৰ পৰশত চাইলাচে ক'লে, "আই, তোৰ ইমানটি মূৰত ইমান কথা আছেনে? পিছে আই, এৰণক শলাগ আৰু মৰমেৰে তই বান্ধিব লাগিব হ'লে।"

লাজ আৰু ভাও জোৰা খণ্ডত নাচি নাচি এপিয়ে ক'লে, "ওঁহো, সেই কাম মোৰ দ্বাৰা নহব। এৰণে কাম কৰিবলৈ এনেয়ে ভাল পায় দেখোন।"

এপিৰ উৎপাতত মাৰ্গাৰে তেওঁৰ হাতৰ উপাসনা-পুথিখন লৈ হিয়াৰ অৰুণোদয়ৰ এই মনোৰম সুৰত তন্ময় হ'ল।

লাহে লাহে তেওঁলোক পঁজাৰ দুৱাৰমুখ পালেহি। দুৱাৰ মুখৰ অলপ আঁতৰত 'ডাকু' বন্ধা এটা গাধই চিনাকী এপিক দেখি চাবলৈ ধৰিলে। এপিয়ে দুৱাৰৰ তলা খুলি সোমালতে ভিতৰত থকা মুগা কুকুৰটোৱে নানা ঠেও-ঠমকেৰে আদৰ জনালেহি। বগা মেকুৰীজনীয়ে খিৰিকি মুখত বহি লোৱাৰ পৰা উঠি এপিৰ হাতৰ আদৰ পোৱাৰ আশাত মূৰ ঘূৰাই চালে।

শিলৰ পঁজাটোত ইয়াত বাজেও আন পৰিবৰ্তন দেখা গ'ল। বহা কোঠালিত 'এতিয়া আগৰ খাটখন নাই; তাৰ ঠাইত ধুনীয়া চকী, মেজ, পালেং আদি ডলি উইব্রথ্ৰৰ অন্তৰখানত চকুত লগাকৈ সজোৱা আছে। সেইবোৰ গড্‌ৰে

কেচে 'ৰং-ঘৰ'ৰ পৰা—অনাথ পোনাটিৰ যত্ন কৰাৰ কাৰণে—তাঁতী মাৰ্ণাৰক দি সহায় কৰিছে। সৰ্ব্বহাৰা তাঁতী মাৰ্ণাৰৰ এতিয়া বয়স হৈছে ; তাঁতৰ কাপোৰৰ বেপাৰো ভাল নহয়। সেই কাৰণে গড্‌ফ্ৰে কেচৰ এই মহানুভৱতা গাওঁৰ লোকে শলাগিছিল। মাৰ্ণাৰক গাওঁৰ সকলোৱে এতিয়া মৰমৰ চকুৰে চাইছিল আৰু সহায় কৰিবলৈকে আগবাঢ়ি আহিছিল। এতিয়াৰ আলৰ বুঢ়া—মেচি কাকতীয়ে কৈছিল বোলে মাউৰা পোনাটিক ইমান যত্ন কৰাৰ পুণ্যৰ বলত হেৰোৱা ধন এদিন মাৰ্ণাৰে ঘূৰাই পাবই। এই দৰে মাৰ্ণাৰৰ বিষয়ে গাওঁৰ লোকৰ সংস্কাৰে নতুন ৰূপ ধৰিলে।

এপিয়ে নিপুণ গৃহিণীৰ দৰে জুহালত তপতকৈ থোৱা আহাৰ আনি যতনাই দিওঁতে চাইলাচে বহি বহি ৰ লাগি এপিকে চাইছিল। ঘৰৰ নতুন সংস্কাৰত আধুনিক 'চৌকা' সাজিবলৈ সি দিয়া নাছিল। পুৰণি—ইটাৰ জুহালখনৰ ওচৰতে সি এপিক পাইছিল ; গতিকে সেই জুহাল আৰু মাটিৰ ঢেকেলিটো তাৰ বৰ মৰমৰ। সেই জুহালতে তাৰ ভাগ্যদেৱতা অধিষ্ঠিত—এই বিশ্বাসক যেন ধৰ্ম্মৰ নতুন বিশ্বাসে উৰাই দি তাৰ মূলত আঘাত নকৰে !

খোৱাৰ অন্তত এপিয়ে মেকুৰী পোৱালী আৰু কুকুৰটোৰ লগত বিবিধ খেল কৰি মৰম কৰি হাঁহি নাচি মাৰ্ণাৰক বিভোল কৰি ৰাখিলে। কিন্তু অলপ পাছতে মনত পৰিল—মাৰ্ণাৰে ৰাহিৰত ব'দ লৈ এহোপা ধঁপাত খোৱাৰ সময়

হৈছে। কিছুদিনৰ পৰা মার্ণাৰে ধঁপাত হোপাত্ত ধৰিছে—কোনো নিছা বুলি নহয়, নানা ভাৱেৰে ধুঁৱলী-কুঁৱলী তাৰ মনটোৰ আউল ভাঙিবলৈ। ধঁপাত হুপি বহি থাকোঁতে অতীতৰ সোঁৱৰণিবোৰ, তাৰ পুৰণি ধৰ্ম্মবিশ্বাসৰ কথা, বর্ত্তমান পৰিবর্ত্তন আদি কথাই তাৰ মনত জুমুৰি দি ধৰেহি। সি সৰলচিতীয়া ডলিৰ লগত লেণ্টার্ণ ইয়ার্ডত হোৱা তাৰ ঘটনা-বোৰৰ কেতিয়াবা আলোচনা কৰে। ডলিয়ে তেওঁৰ গভীৰ ধৰ্ম্মবিশ্বাসত পৰমেশ্বৰৰ অনিৰ্ব্বচনীয় ইচ্ছা বুলি চাইলাচক বুজাবলৈ চেষ্টা কৰে।

এপি ডাঙৰ হোৱাৰ লগে লগে চাইলাচে এপিক হিয়া উবুৰিয়াই কথাবোৰ জনাবলৈ উদ্‌গ্ৰীৱ হৈ উঠিল। গাৱঁৰে পঢ়াশালিত এপিয়ে সকতে কিছু লিখা-পঢ়া শিকিছে; এতিয়া জনা-বুজাও হৈ উঠিছে। চাইলাচৰ নিজৰ আৰু এপিৰ মাজত—ডুয়োৰে অতীত কাহিনীবোৰে এখন সংকোচৰ বেৰা যাতে নোতোলে, সেই উদ্দেশ্যে চাইলাচে কোনো কথা লুকুৱাকৈ এপিক সকলো ক'লে। তাৰ স্নেহে এপিক—তাৰ পাছৰ পৰা—তাৰ অন্তৰৰ ওচৰলৈ বেচিকৈ চপাইছে আনিলে। মাকৰ কথা ভাবি এপিৰ ইচ্ছা হ'ল—পিতৃ-পৰিচয় পাবলৈ। চাইলাচে মৰা মাকৰ আঙুলিৰ পৰা খুলিৰে থহাই ৰখা বিয়াৰ আঙঠিটো এপিক দেখুৱালে; কিন্তু একনিষ্ঠ স্নেহেৰে আৱৰি ডাঙৰ দীঘল কৰা 'দেউতাক' চাইলাচক—আন ল'ৰা-ছোৱালীৰ বাপেকতকৈ—তেওঁৰ অতি

আপোন নহয়নে ? মাক কোন—তেওঁ কৰ-পৰা আহি কি কাৰণত নিৰাশ্ৰয় অৱস্থাত মৰিব লগা হ'ল—এইবোৰ চিন্তা এপিৰ মনত খেলাইছিল। অৱশ্যে ডলি উইনথ্ৰপক দেখি তেওঁ মাকৰ অভাৱ অনুভৱো কৰিছিল। মাকৰ চেহেৰা-পাতিৰ কথা, জোপাৰ কাষত মাকক পোৱাৰ কথা চাইলাচক তেওঁ বাৰে বাৰে সুধিছিল। শেহত এপিয়ে থিৰ কৰিলে যে মাকৰ শেষ শয্যা—সেই জোপাটো তুলি নি তেওঁলোকৰ ফুলনিত কই তাৰ চাৰিওফালে শিলৰ এটা ভেটী সাজি দিব। কথা-বতৰা পাতি দুয়ো শিলৰ খালটোৰ পাৰত হাতত ধৰাধৰিকৈ বহিলগৈ। অলপ পৰৰ পাছত এপিয়ে লাহেকৈ ক'লে, "দেউতা, মোৰ যদি বিয়া হয় তেন্তে আইৰ আঙঠিটো পিন্ধিবলৈ পাম নে ?"

এই প্ৰশ্নত চাইলাচে আচৰিত হৈ সুধিলে, "কিয় আই, বিয়াৰ কথা তই ভাবিছ নেকি ?"

সৰল ভাৱে এপিয়ে ক'লে বোলে এৰণে তেওঁক ইতিমধ্যে বিয়াৰ কথা কৈছে। এৰণৰ চৌবিশ বছৰ হ'ল ; গীৰ্জাত ভাল কাম এটা পোৱাৰ আশাও হৈছে। এৰণে ক'লে বোলে এপিকে তেওঁৰ বিয়া কৰিবৰ মন ; এদিন তো মানুহ মাত্ৰই বিয়া কৰাব লাগিব। এপি আচৰিত হ'ল—ক'তা ? দেউতাকে দেখোন বিয়া কৰোৱা নাই ? আগেয়ে দেউতাক অকলশৰীয়া আছিল ; কিন্তু বিয়া হ'লেও তেওঁলোকৰ এৰা-এৰি নহয়। এৰণে কৈছে যে তেওঁ দেউতাকক একো কাম-

কাজ কৰিবলৈ নিদি পুত্ৰৰ দৰে যত্ন কৰিব। এপিৰো ভাত মত আছে। তেন্তে এৰণৰ মাক—এপিৰ ধৰ্ম্ম-মাক—ডলি উইলথ্ৰপকো চাইলাচে সুধি-পুচি এটা নিশ্চিত কৰিব লাগিব।

ধোঁৱা খোৱাটো আঁতৰাই মনৰ আবেগ লুকাব নোৱাৰি চাইলাচে ক'লে, "মোৰ আই! দিন তো সদায় একেদৰে নাথাকে! আমি যিহকে ভাবোঁ বা নাভাবোঁ, সকলোৰে পৰিবৰ্ত্তন হবই। তই যে মোক যত্ন নকৰিবি এনে নহয়—ময়ো তো দিনক দিনে বেচি বুঢ়া আৰু অকামিলা হৈ যাম। মই আঁতৰি নাথাকিলে তোৰ কষ্ট হব নহয়! তোৰ ওৰেও জীৱন যত্ন লবলৈ—সবল সুঠাম এৰণ থাকিব—এই কথা ভাবিয়েই মই সুখ পাম।"

কঁপা মাতেৰে এপিয়ে সুধিলে, "দেউতা মোৰ বিয়াত তোমাৰ মত আছেনে?"

চাইলাচে টানি ক'লে, "তোৰ সুখত মই অমত নকৰোঁ, বাছা। তথাপি ডলি আইটীৰ লগত কথা হম; তেওঁ নিশ্চয় তোৰ আৰু পুতেক এৰণৰ মঙ্গল চিন্তা কৰিব।"

এনেতে ডলি আৰু এৰণক সেই ফালেই অহা দেখি চাইলাচ আৰু এপিয়ে আগ বঢ়াবলৈ গ'ল। কিন্তু সেই দিনাখন চাইলাচে—মন পাতলোৱা, হিয়াৰ জুৰণি অনা—বুঢ়া বয়সৰ লগৰীয়া ধোঁৱাখোৱাটো আঁতৰাই থ'লে।

## সুখীৰ দুখ

আজিকালিৰ 'ৰংঘৰ'ত গড্‌ফ্ৰেৰ ডেকা বয়সৰ দৈন্য বা বিশৃঙ্খলা নাই। গড্‌ফ্ৰেৰ নিপুণ গৃহিণী নান্সীয়ে 'ৰংঘৰ'লৈ শ্ৰী, শৃঙ্খলা, শান্তি লৈ আহিছে। এতিয়া প্ৰতিটো বস্তু ধুনীয়াকৈ পৰিপাটীকৈ ঠায়ে ঠায়ে সজোৱা পোৱা যায়। আজি পোন্ধৰ বছৰে সেই শ্ৰী ইয়াত বিৰাজ কৰিব লাগিছে।

বুঢ়া লেমেটাৰ ডাঙৰীয়া আৰু তেওঁৰ ঘৰণী স্বৰূপা—আৰিয়ে সৰু জীয়াৰী প্ৰিচিলাই ৰং-ঘৰৰ চ'ৰাঘৰত বহি কথা-বতৰা পাতি আছে। জিৰাই-শঁতাই উঠি চাহ-জলপান খাই পাছতো দেউতাকেৰে সৈতে ঘৰলৈ যাবলৈ নান্সীয়ে প্ৰিচিলাক বুজাইছে। কিন্তু প্ৰিচিলা—লেমেটাৰ ডাঙৰীয়া আৰু তেওঁৰ সা-সম্পত্তিৰ ওপৰত সৰ্ব্বেসৰ্ব্বা; প্ৰিচিলা আইদেওৰ কথাৰে দেউতাক চলে; সাংসাৰিক বিষয়তো তেওঁৰ কথাই বজে। গতিকে ঘৰৰ কাম এৰি আৰু দেউতাকৰ কাৰণে এটা অনিয়ম হ'বলৈ নিদি তেওঁ ঘৰলৈহে যাবলৈ ঠিক কৰিলে। প্ৰিচিলা আইটীৰ মুখ আগৰ পৰাই চোকা; তাতে আজিকালি বিয়া-বাৰু আদি দাম্পত্য বিষয়ৰ নামত জুইতো খেৰ নিদিয়া যেন হৈছে।

গতিকে ফুলনিৰ মাজেদি তেওঁলোকে কথাপাতি যাবলৈ

ধৰিলে। প্ৰিচিলাই গৰু-গাই পোহা বৰ ভাল পায়; গতিকে নান্সীকো পৰামৰ্শ দিলে যাতে ঘৰ সজোৱা এৰি তেৱোঁ ভিনিহিদেৱেকৰ লগতে গাইপোহাৰ ফালে বেচি যত্ন কৰে। কিন্তু সাধ্বী তিৰোতাৰ দৰে নান্সীয়ে ক'লে যে মতা মানুহক তেনে কামে নুশুজে; গড্‌ফ্ৰে কেচে নতুনকৈ গৰু-গাই পোহাত অলপ দিনৰ পৰা লাগিছে হয়—কিন্তু তেওঁ পাৰিব জানো? থকা বস্তু-সম্পত্তিখিনি লৈ গড্‌ফ্ৰে সুখী হোৱা হ'লেই নান্সীৰো সুখ হ'লহেতেন। মতা মানুহবিলাকৰ এই অথিৰ স্বভাৱটো দেখিলে প্ৰিচিলা আইদেওৰ অসহ্য হয়। মতা-মানুহবিলাক যে কি! (অৱশ্যে তেওঁৰ দেউতাকৰ কথা বেলেগ)। ভাগ্যে ঈশ্বৰে প্ৰিচিলাক আগচী কৰি উদ্দণ্ড মতামানুহৰ সঙ্গৰ পৰা ৰক্ষা কৰিছে! নান্সীয়ে তেতিয়া ক'লে, "তেনেকৈ নকৰা, ভনীটি। আমাৰ 'তেখেত'ৰ স্বভাৱত দোষ কোনেও নাপায়। আমাৰ সন্তান নাই; তেখেতৰ সেয়ে দুখ। পুৰুষৰ তো এটা অৱলম্বন লাগে—এটা কাম লাগে। তেওঁলোক অলপতে সন্তুষ্ট হয়। আন মানুহ হোৱা হ'লে ভিনিহিদেৱেৰাতকৈ বেচি বিচাৰি হাবাথুৰি খালে-হেতেন। গৃহস্থ স্বৰূপে ভিনিহিদেৱেৰা আদৰ্শ।" গিৰিহঁতৰ গুণগান ভৈণীৰ মুখত শুনি প্ৰিচিলাই ইতিকিং কৰি ক'লে, "হৈছে, হৈছে—মই কিবা ভৈণীসকলৰ ধৰণবোৰ নাজানো নে? তেওঁলোকেই গিৰিহঁতৰ গুণবোৰ—বেপাৰীয়ে বেচিবলৈ দিয়া বস্তু শলগাৰ দৰে—আকৌ উজুতি লৈ বখানিব।....."

বাটৰ মুখ পাই তেওঁলোক বৈ থকা ঘোৰাগাড়ীখনৰ ফালে গ'ল। প্ৰিচিলাই ভিনিহিদেৱেকক—সভাৰ্য্যে নিমন্ত্ৰণ জনাই —দেউতাকৰে সৈতে ঘৰমুৱা হ'ল।

সচৰাচৰ দেওবাৰৰ দিনা গড্‌ফ্ৰে-ই অকলে মাটিবাৰী চাবলৈ ওলাই যায়। সেইদিনাও শিল-খালৰ পানীবোৰ সিঁচি পেলোৱা কিমান দূৰ হৈছে—চাবলৈ তেওঁ শিল-খালৰ ফালে ওলাল। যাওঁতে নান্সীক কৈ গ'ল বোলে এঘণ্টামানৰ পাছতে তেওঁ চাহ খাবলৈ পাবহি।

নান্সী আইদেও সাধাৰণতে গড্‌ফ্ৰে-ৰ লগত প্ৰায়েই নাযায়। ঘৰুৱা কাম-বন থাকে আৰু কাম-বন কৰা হ'লে লগত প্ৰিচিলা নাথাকিলে বাইবেল-শাস্ত্ৰ আগত লৈ বহে। অলপ পঢ়াৰ পাছত মনটোক নানা চিন্তাত উটি-ভাহি ফুৰিবলৈ এৰি দিয়ে। তেওঁৰ সবল জীৱন আৰু শাস্ত্ৰৰ বিধানৰ সম্বন্ধ ফঁহিয়াব পৰা শাস্ত্ৰ-জ্ঞান তেওঁৰ নাছিল সঁচা; কিন্তু স্বভাৱৰ বলত নিজৰ অতীতটো বিশ্লেষণ কৰি তেওঁ চাইছিল। বিশেষকৈ যোৱা পোন্ধৰ বছৰৰ বিবাহিত জীৱনটোৰ প্ৰতিটো কথা, প্ৰতিটো কাম, প্ৰতিটো ঘাত-প্ৰতিঘাত সুঁৱৰি নিজকে প্ৰশ্ন কৰিছিল—'মোৰ দোষ-ক্ৰুটী আছে নে?' ভাবি চালে দেখা যাব যে এই ধৰণৰ আত্ম-জিজ্ঞাসা—বাহিৰৰ কৰ্ম্ম-ব্যস্ততা আৰু প্ৰীতিভাৱৰ পৰা আঁতৰি থকাটো উদাৰ অন্তৰৰ নিঃসন্তান এগৰাকী নাৰীৰ কাৰণে স্বাভাৱিক। ফুলচিত প্ৰিচিলাৰ লগত পঢ়া কথাবোৰ আলচি—তেওঁৰ স্বামীৰ

পক্ষ লৈ কোৱা কথাবোৰ ভাবি—তেওঁ অপুত্ৰক জীৱনৰ দুখত শান্তিৰ প্ৰলেপ দিবলৈ চেষ্টা কৰিছিল। মনত পৰে— আজিৰ পৰা চৈধ্য বছৰ আগেয়ে এটি দেৱ-শিশুৰ কাৰণে বাট চাই তেওঁ অকণি অকণি নানা ধৰণৰ সাজ-পোচাক কৰি পেৰা ভৰাই থৈছিল; কিন্তু সময়ত তাৰে এটি পোচাক লগতে কবৰত দিয়া হৈছিল। গড্ফ্ৰেৰ তেতিয়াৰ হেপাহ আৰু তাৰ পাছৰ আশাভঙ্গৰ দুখ তেওঁ বুজে। স্বামীৰ শুশ্ৰূষাত তেওঁ নিজকে সন্তুষ্ট কৰি ৰাখিব পাৰে; কিন্তু গড্ফ্ৰে জানো সন্তুষ্ট হৈছে? গড্ফ্ৰে-ৰ অন্তৰৰ অভাৱ দূৰ কৰিবলৈ নান্সীয়ে জানো সকলো প্ৰকাৰৰ চেষ্টা কৰিছে?

এটি তোলনীয়া সন্তান লোৱাৰ ভাবো মনত খেলাইছিল। কিন্তু অনন্ত বিধানক মানি ললে যে নিজৰ আচৰণৰ ধাৰা— এটি সুনিৰ্দ্দিষ্ট নীতিৰ বাটত চলাই নিব লাগিব এয়ে— আছিল নান্সীৰ বিশ্বাস। যদি সন্তান-সুখৰ পৰা বঞ্চিত কৰাই বিধাতাৰ ইচ্ছা—তেন্তে সেই অনন্ত ইচ্ছাৰ বিৰুদ্ধে লোকৰ সন্তানক নিজৰ সন্তান কৰি তুলি লোৱাৰ ফল ভাল হব জানো? যদি সেই তোলনীয়া সন্তানটি দুখৰ কাৰণ হয়? গড্ফ্ৰে-ই এবাৰ তাঁতীৰ ছোৱালী এপিক তুলি লোৱাৰ প্ৰস্তাৱ কৰোঁতে নান্সীয়ে সেই একে যুক্তিকে দেখুৱাইছিল। তাঁতী মাৰ্ণাৰে নিবিচৰাকৈয়ে ছোৱালীটো পাইছে। তাৰ বুকৰ পৰা কাঢ়ি অনাটো অন্যায় হব। গড্ফ্ৰেৰ কাৰণে দুখৰ কথা; কিন্তু ই পৰমেশ্বৰৰ বিধান। গড্ফ্ৰে-ই বিনা ওজৰে

এই বুজনি মানি লৈছিল কাৰণে নান্সীয়েও নিজৰ যুক্তিক ন্যায়সঙ্গত বুলি মনকে প্ৰশ্ৰয় দিছিল। সুদীৰ্ঘ পোন্ধৰটাকৈ বছৰ এনে পত্নীৰ লগত কটাই তেওঁৰ প্ৰেম আৰু নীতি-বিশ্বাসক সুবুজা বা শ্ৰদ্ধা নকৰাটো গড্‌ফ্ৰে-ৰ সম্ভৱ নাছিল। এপিক অনাৰ পাছত যদি তেওঁলোকৰ জীৱনত অশান্তিৰ সৃষ্টি হয়—তেন্তে? তেৰেঁা তেওঁৰ ডেকা বয়সৰ গুপ্ত কথা অন্তৰত লুকাই ৰাখিও নান্সীক পত্নীৰূপে লাভ কৰি ধন্য হৈছিল।

কিন্তু এনে মনোৰমা পত্নী থাকোঁতেও গড্‌ফ্ৰে—ঘৰত ল'ৰা-ছোৱালীৰ অভাৱত অস্থিৰ হৈছে কিয়? এপি তেওঁৰ নিজৰ সন্তান; সেই কাৰণে তেওঁৰ বিবেকে—এই শিশু-বিহীন ঘৰৰ ভিতৰত থাকিলে—তেওঁক অনুশোচনাত অস্থিৰ কৰিছিল। সময় পুৰণি হৈ যোৱাৰ লগে লগে—নান্সীৰ আপত্তিৰ কাৰণেই—নিজ সন্তান এপিৰ প্ৰতি তেওঁ কৰা অবিচাৰৰ প্ৰতিকাৰ ক্ৰমাৎ টান হৈ আহিবলৈ ধৰিলে। আন হাতে নান্সীয়েও সন্দেহ কৰিছিল যে বয়স বাঢ়ি অহাৰ লগে লগে তেওঁৰ স্বামীয়েও সন্তানৰ অভাৱ বেচিকৈ অনুভৱ কৰিব। কিন্তু তেৰেঁা যদি মৰে—তেওঁৰ স্বামী অকলশৰীয়া নহবনে? যিয়েই হওক, বৰ্ত্তমানতেই তেওঁ তেওঁৰ কৰ্ত্তব্য প্ৰাণপণে কৰি যাব।

এই চিন্তাৰ লগতে তেওঁ সজাগ হৈ উঠি হাতৰ ধৰ্ম্ম-পুথিখনৰ নপঢ়া পাতটোলৈ চালে। তেনে সময়তে লিপিৰ-

জনীয়ে চাহ-জলপান লৈ সোমালহি। তাই গিৰিহঁত অহা নাই বুলি খবৰ দিয়াৰ লগতে ক'লে বোলে চুবুৰীৰ সকলো মানুহক তাই একেফালে লৰি-ঢাপৰি যোৱা খিৰিকিৰে দেখিছে। গতিকে নিশ্চয় কৰবাত কিবা দুৰ্ঘটনা হব পায়। নান্সীয়ে অনুমান কৰিলে কিজানি গাৰঁৰ সেই দুৰ্দ্দান্ত ষাঁড় গৰুটোৱে কোনোবা মানুহক জখম কৰিলে। তেওঁৰ গড্‌ফ্ৰেৰ কাৰণে চিন্তা লাগিল। দুশ্চিন্তাত উঠি গৈ তেওঁ সমুখৰ খিৰিকিখনেদি চাই পঠিয়ালে। ক'তা—কেও ক'তো নাই দেখোন! এই লিগিৰীজনীয়ে সদায় এটা এটা কথাকৈ ভয় খুৱায়! গীৰ্জ্জাৰ আগৰ চোতালখনতো জনপ্ৰাণী এটা নাই। গড্‌ফ্ৰে কেতিয়া ঘূৰি আহে—তালৈকে বাট চাই থাকোঁতে সেই নিমাত-নিজান অৱস্থাত তেওঁৰ মনটো অজান ভয়ত কঁপি উঠিল।

( ১৮ )

## সত্যমেৱ জয়তে—নানৃতম্

এনেতে কোনোবাই তুৱাৰ মেলা শব্দ শুনা গ'ল। গড্‌ফ্রে কেচ্ আহিল বুলি বুজি নান্সীৰ ভয় মাৰ গ'ল ; তেওঁ আগ বাঢ়ি গৈ ক'লে, "মোৰ বৰ চিন্তা লাগিছিল ; ভালে ভালে যে পালেহি……"

গড্‌ফ্রেৰ মুখ বিৱৰ্ণ, চকুত অদ্ভুত চাৱনি ; তেওঁ কঁপি কঁপি চকী এখনত বহিল। চাহ লৈ অহা লিগিৰীজনীক পঠিয়াই দিবলৈ কৈ গড্‌ফ্রে-ই কবলৈ ধৰিলে, "নান্সী, বহাঁচোন। আনৰ মুখৰ পৰা তুমি শুনাৰ আগেয়ে মৱে প্ৰথমে কবলৈ লৰি আহিছোঁ। মোৰ কাৰণে ই ডাঙৰ আঘাত ; তুমিও মনত ডাঙৰ আঘাত পাবা বুলি মোৰ চিন্তা হৈছে।" নান্সীয়ে ভাবিলে জানোচা দেউতাক বা প্ৰিচিলাৰ কিবা দুৰ্ঘটনা হ'ল। গড্‌ফ্রে-ই ক'লে, "কথাটো কোনো জীয়াই থকা মানুহৰ বিষয়ে নহয়। ডান্‌ষ্টান—ষোল বছৰ আগেয়ে নিৰুদ্দেশ হোৱা—মোৰ ভাই ডান্‌ষ্টানৰ দেহাটো—জঁকাটো—পোৱা গৈছে।" নান্সীয়ে স্বস্তিৰ নিশ্বাস পেলাই শান্তভাৱে শুনিবলৈ ধৰিলে, "পানী সিঁচি পেলোৱাত হঠাতে শিলৰ খালটো শুকাই গৈছে। দুটা ডাঙৰ শিলৰ মাজত—সি পৰি আছে—যোৱা ষোল বছৰে পৰি আছে। তাৰ ঘড়ি



"......আজি নিজ মুখে তোমার আগত কম।"

আৰু মোৰ পৰা লৈ যোৱা—মোৰ নাম লিখা—বেতডাল ওচৰতে পোৱা গৈছে। সি নিশ্চয় আত্মহত্যা কৰা নাই; ঘটনাক্রমে তাত পিছলি পৰি প্ৰাণ হেৰুৱাইছে। আৰু সিয়েই চাইলাচৰ ধনবোৰ চুৰ কৰি নিছিল।” কেচ্ বংশৰ এই কলঙ্কত আৰু বিশেষকৈ গড্‌ফ্ৰে-ৰ মনৰ আঘাত অনুমান কৰি নান্সীৰ মুখ লাজ-দুখ আৰু পুতৌৰে ৰঙাচঙা পৰিল। গড্‌ফ্ৰে-ই কৈ গ'ল, “ওচৰতে তাঁতী চাইলাচৰ ধনখিনিও পোৱা গৈছে। সেই ঠাইত লোকে লোকাৰণ্য; এতিয়া জঁকাটো ‘ৰামধনু’—আলহীঘৰলৈ নিছে। তুমি কথাটো জনা উচিত বুলি মই কবলৈ ঘূৰি আহিলোঁ।”

গড্‌ফ্ৰে অলপ পৰ টলকা মাৰি বল। আৰু কিবা কব খোজা দেখি নান্সীয়ে সান্ত্বনা দিবলৈ গৈও মনে মনে থাকিল। পাছত নান্সীলৈ একে থৰে চাই গড্‌ফ্ৰে-ই কবলৈ ধৰিলে, “নান্সী, ঈশ্বৰৰ ইচ্ছা এয়ে যে এদিন নহয় এদিন আমাৰ গোপন কথাবোৰ প্ৰকাশ হবই। মোৰ মনৰ গোপন ৰহস্য এটা ইমান দিন মনতে আছে। সেই ৰহস্য যেন কোনোৱে তোমাক কবলৈ নাপায় বা মোৰ মৃত্যুৰ পাছতো তোমাৰ কাণত নপৰে। গোটেই জীৱন ‘কম, নকম'কৈ কটালোঁ। আজি নিজ মুখে তোমাৰ আগত কম।”

নান্সীৰ দূৰ হোৱা আশঙ্কা আকৌ জাগি উঠিল; তেওঁলোকৰ ছেদ নপৰা দাম্পত্য-জীৱনৰ এই সঙ্কটত তেওঁ ভয়াতুৰ দৃষ্টিৰে গড্‌ফ্ৰে-ৰ মুখলৈ চাই থাকিল। গড্‌ফ্ৰেই

লাহে লাহে আকৌ কবলৈ ধৰিলে, "নান্সী, তোমাক বিয়া কৰাওঁতে এটা কথা মই লুকাইছিলোঁ। অৱশ্যে তোমাক কথাটো কোৱা উচিত আছিল। তেন্তে শুনা—যিজনী অভাগিনীক—মাৰ্ণাৰে বৰফৰ ওপৰত মৰি থকা পাইছিল—তেৱেঁই এপিৰ মাক—মোৰ ভাৰ্য্যা; এপি মোৰ সন্তান···।" গড্‌ফ্ৰেই এই ৰহস্য প্ৰকাশৰ প্ৰতিক্ৰিয়ালৈ ভয় কৰিছিল; কিন্তু চকুযুৰি তললৈ নমাই শিলৰ মূৰ্ত্তিৰ দৰে বিৱৰ্ণ মুখেৰে নান্সী স্তব্ধ হৈ বহি থাকিল। গড্‌ফ্ৰেই তেতিয়া বিহ্বল মাতেৰে ক'লে, "ইয়াৰ পাছত তুমি মোক আগৰ দৰে ভাবিব নোৱাৰিবা।"

তথাপিও নান্সী নিমাত। "সন্তানটি মই মোৰ সন্তান বুলি জনাজাতকৈ সাৱটি লব লাগিছিল আৰু তোমাকো লুকোৱা উচিত নাছিল। কিন্তু······কিন্তু এই সকলো কৰিব লগা হ'ল—তোমাক হেৰুওৱাৰ ভয়ত। আগৰ সেই বিয়া মই বাধ্য হৈ কৰিছিলোঁ আৰু তাৰ ফলো হাতে হাতে ভুগিছিলোঁ।" স্বামীৰ মুখত এই কথা শুনিও নান্সী তলমূৰকৈ নিমাত হৈ থাকিল। গড্‌ফ্ৰে-ই ভাবিলে যে নান্সীৰ দৰে নীতি-পৰায়ণা ভাৰ্য্যাৰ চকুত এই দোষ অমাৰ্জ্জনীয়; হয়তো তেওঁ দেউতাকৰ তালৈ যাবলৈ ওলাব!

কিছু পৰ বৈ নান্সীয়ে মুখলৈ চাই কবলৈ ধৰিলে—তেওঁৰ কথাত খঙৰ সলনি এটা গভীৰ অনুশোচনাৰ সুৰ আছিল, "যদি মই কথাটো ছবছৰ আগেয়ে জানিলোঁহেঁতেন, ছোৱালীটিৰ

প্ৰতি আমি দুয়ো আমাৰ কৰ্ত্তব্য নিশ্চয় কৰিলোঁহেতেন। মোৰ স্বামীৰ সন্তান বুলি জনা হ'লে মই তেওঁক তুলিবলৈ কেতিয়াও অমান্তি নহলোঁহেতেন।......আৰম্ভতে আপুনি ছোৱালীটো অনা হ'লে ইমান দিনে মোক মাক বুলি ভাল পাবলৈ শিকিলেহেতেন, আমাৰো দিন সুখেৰে গ'লহেতেন। মোৰ অকালতে হেৰুৱা কেচুৱা সন্তানৰ শোকো মই সহিলোঁহেতেন আৰু আমাৰ মনে পতা সুখৰ জীৱনো ঘূৰাই পালোঁহেতেন।" হিয়াৰ বান্ধ ভাঙি তেওঁৰ চকুপানী বৰলৈ ধৰিলে; তেওঁ নিমাত হৈ ৰ'ল।

অনুশোচনাত আৰু নিজকে সমৰ্থন কৰি গড্‌ফ্ৰে-ই ক'লে, "মই কোৱা হ'লে হয়তো তোমাৰ-মোৰ বিয়া নহ'লহেতেন। এতিয়া এনেদৰে ভাবিলেও তেতিয়া হয়তো নাভাবিলাহেতেন। দেউতাৰাৰ আৰু তোমালোকৰ বংশগৌৰৱক কলঙ্ক দি মোৰ কথাত তোমালোকে মোক ত্যাগ কৰিলাহেতেন।"

"কি কৰিলোঁহেতেন এতিয়া আৰু কব নোৱাৰোঁ। হয়তো মোৰ আৰু বিয়া নহ'লহেতেন। কিন্তু সেই বুলি মোৰ কাৰণে কোনোৱে ভুল কৰিব—মই তাৰ উপযুক্ত নাছিলোঁ। আগতে বৰ ভাল বস্তুটোও পাছলৈ সিমান ভাল হৈ নাথাকে—আমাৰ বিয়াখনো তেনে নহয় জানো?" —শেহৰ কথাষাৰ কওঁতে নান্সীৰ মুখত এটি বেজাৰৰ হাঁহি ওলাল।

গড্‌ফ্ৰে-ই কঁপা মাতেৰে ক'লে, "নান্সী, মোৰ বিষয়ে

তোমাৰ যি পূৰ্ব্বৰ ধাৰণা, তাতকৈ মই বেচি বেয়া। মোক কেতিয়াবা ক্ষমা কৰিব পাৰিবানে?"

নান্সীয়ে ক'লে, "মোক বিশেষ অবিচাৰ আপুনিতো কৰা নাই। কিন্তু যোৱা পোন্ধৰ বছৰে আদৰ্শ স্বামীৰ দৰে মোৰ প্ৰতি আপোনাৰ কৰ্ত্তব্য কৰি আপুনি ক্ষতিপূৰণ কৰিছে। কিন্তু যি জনৰ প্ৰতি অবিচাৰ হৈছে, তেওঁৰ ক্ষতি পূৰণ কৰিব পাৰিবনে?"

"মই এতিয়া এপিক লব পাৰোঁ! গোটেই জগতে জানিলেও মই আৰু সংকোচ নকৰোঁ। মোৰ জীৱনৰ বাকী ছোৱা সবল আৰু মুকলি হৈ থাকিব।"—এই বুলি গড্‌ফ্ৰেই ক'লে।

দুখেৰে মুৰ জোকাৰি তেতিয়া নান্সীয়ে ক'লে, "ওহোঁ, এপি এতিয়া ডাঙৰ হ'ল; গতিকে এতিয়া এপিক আনিলে ভবাতকৈ বেলেগ হব। কিন্তু এপিক নিজৰ ছোৱালী বুলি চিনাকি দি তেওঁৰ ভৰণ-পোষণৰ দিহা কৰা আপোনাৰ কৰ্ত্তব্য। মই তেওঁৰ প্ৰতি মোৰ কৰ্ত্তব্যও কৰিম; ঈশ্বৰে যেন মোলৈ তেওঁৰ ভালপোৱা জন্মায়।"

শেহত স্থিৰ হ'ল যে সেইদিনাই তেওঁলোক দুয়ো—শিল-খাল নিজান হ'লে—ৰাতিৰ পৰত—চাইলাচ্ মাৰ্ণাৰৰ তালৈ যাব।

( ১৯ )

# পিতৃৰ আহ্বান

আবেলিৰ সেই আচৰিত ঘটনাৰ পাছতো উত্তেজনা যোৱা নাছিল। শ্ৰীমতী উইন্‌থ্ৰুপ আৰু এৰণেও আন দিনাৰ দৰে চাইলাচৰ ওচৰত বহিলহেতেন; কিন্তু চাইলাচক তেতিয়া নিৰ্জ্জনতাৰ আৱশ্যক বুলি জানি তেওঁলোক গ'লগৈ। চাইলাচ আৰু এপি মাথোন অকলে থাকিল। উত্তেজনা শাম নাকাটিলেও বাহিৰৰ লগ-সঙ্গ তেতিয়া চাইলাচৰ ভাল নালাগিল; মাথোন অন্তৰৰ নিভৃত চিন্তাবোৰে গুজৰি গুমৰি চাইলাচৰ মুখখন এক নতুন জেউতিৰে পোহৰ কৰি তুলিলে।

চাইলাচে এপিৰ ফালে চাই আছিল; আঠুৰ ওচৰতে বহি এপিয়েও দেউতাকৰ হাত দুখন ধৰি চকুলৈ চাই আছিল। ওচৰৰ মেজখনতে চাকিটোৰ পোহৰত সেই ধন-সোণখিনি দ'ম হৈ পৰি আছিল। দিনৌ ৰাতি ধনখিনি দেখি আনন্দ পোৱাৰ কথা, ধনখিনি চোৰে নিয়াত তাৰ নিৰালম্ব জীৱনৰ কথা আৰু এপিক পোৱাৰ পাছত নতুন পূৰ্ণ সুখৰ সোঁৱৰণিবোৰ চাইলাচে কৈ গ'ল। পোনতে চাইলাচৰ এনে ভাৱ হৈছিল যেন এপি আকৌ তাৰ হেৰোৱা সোণ হৈ পৰিব, যেন সি আকৌ ধনৰ পৰশত আগৰ আনন্দ দুৰাই পাব। এবাৰ তাৰ এনে লাগিছিল যেন ধনখিনি

আকৌ পাই যদি সি এপিক হেকৰাব লগা হয়, যদি এপিৰ মৌ-সনা মাত, কোমল আঙুলিৰ পৰশ হেকৰাব লগা হয়— তেন্তে সেই ধনে তাক আনন্দ দিয়ক চাবি যাতনাহে বঢ়াব। তেতিয়া কেচুৰা এপিয়ে চাইলাচৰ এই হেপাহ, এই আনন্দৰ গম নাপাইছিল; কিন্তু এপিয়ে এতিয়া বুজিছে—যে দেউতাক চাইলাচে বুকত সাৱটি নোলোৱা হ'লে এপিক হয়তো অনাথ-আশ্ৰমলৈ লৈ গ'লহেতেন। তেতিয়া চাইলাচে ক'লে, "মোৰ সোণ, সেই সুখ মোৰ কাৰণে আহিছিল। তই আহি মোক উদ্ধাৰ নকৰা হ'লে হয়তো দুখে মোক মৰণৰ মুখলৈ লৈ গ'লহেতেন। ধনখিনি যিদৰে যথাসময়ত মোৰ পৰা নিলে, তেনেকৈ তোৰ কামত লগাকৈ ধনখিনি ঘূৰাই পালোঁ। আচৰিত—আমাৰ জীৱনটোৱেই আচৰিত!… এতিয়া ধনৰ মোহে মোৰ মনটোক বশ কৰিব নোৱাৰিব। এপি, মোৰ আই, এতিয়া তোক হেৰুৱালেও ধনে যে মোক সুখ দিব, মই কব নোৱাৰোঁ। হয়তো তেতিয়া মই নিজকে অতি দুখী বুলি ভাবিম আৰু হয়তো ঈশ্বৰৰ অপাৰ দয়াৰ কথাও ভাবিব নোৱাৰিম।"

এনে সময়ত দুৱাৰত কোনোবাই টুকুৰিওৱা শব্দ শুনা গ'ল। চল্‌চলীয়া চকু আৰু ৰঙা মুখখনিৰে এপিক সুন্দৰ দেখা গৈছিল। এপিয়ে দুৱাৰ মেলি নান্সী কেচ্ আৰু গড্‌ফ্ৰে কেচক দেখি লাজ-সংকোচত আৰু ৰঙাচঙা পৰি নমস্কাৰ জনালে।

নাম্সী কেচৰ মুখখন শেতা আৰু দেখাত তেওঁক অখিৰ অবিৰ যেন লাগিছিল। মৰম আৰু প্ৰশংসাৰ চকুৰে চাই তেওঁ এপিৰ হাতত ধৰি ক'লে, "তোমালোকক বৰ অসময়ত আমনি কৰা হ'ল, আইটী।"

বহাৰ পাছত গড্‌ফ্ৰে-ই গহীন ভাৱে চাইলাচৰ ধনখিনি ঘূৰাই পোৱাত সন্তোষ দেখুৱাই কথাৰ পাতনি মেলিলে। তেওঁৰ বংশৰ এজনে চাইলাচৰ এই অপকাৰ কৰিছে এই কথাই তেওঁক বৰ দুখ দিছে আৰু তাৰ ক্ষতিপূৰণ কৰিবলৈকো তেওঁ সাজু। চাইলাচক যদি তেওঁ কিবা উপকাৰো কৰে, কেৱল এই নীচ চুৰিৰ কাৰণে হ'লেও চাইলাচৰ ঋণ পৰিশোধ কৰিবলৈহে কৰিব। আন কথাৰ কাৰণেও তেওঁ চাইলাচৰ শলাগ লব।

তেওঁলোক দুয়ো আগতেই স্থিৰ কৰি আহিছিল তেওঁ পিতা বুলি পৰিচয় দিওঁতে বৰ সাৱধানে কথাটো উলিয়াব লাগিব; নহলে এপিয়ে আচল পিতাক আৰু মাকৰ বিসদৃশ সম্বন্ধৰ কথা ভাবি এই চিনাকিত মনত আঘাত পাব।

চাইলাচৰ হ'লে গড্‌ফ্ৰে-ৰ দৰে ডাঙৰ-দীঘল সুশ্ৰী ডাঙৰীয়া শ্ৰেণীৰ লোকৰ লগত কথা পতাটো 'সহজ' নাছিল। সেইবাবেই চাইলাচে থোৰতে গড্‌ফ্ৰে-ক তেওঁ কৰা উপকাৰৰ কাৰণে ধন্যবাদ জনাই ক'লে, "ডাঙৰীয়া, ধন চোৰে নি মোৰ ক্ষতি কৰা নাই বুলি ভাবোঁ; আৰু ভাবিলেও মোৰ উপায় নাছিল। ইয়াৰ বাবে আপুনি তো দায়ী নহয়।"

"মাৰ্ণাৰ, তুমি তেনেদৰে ভাবিলেও মই ভাবিব নোৱাৰোঁ। গতিকে মই আশা কৰোঁ মোৰ মনৰ ভাৱ অনুসৰি মোক এফেৰি উপকাৰ কৰিবলৈ সুবিধা দিবা। মই জানো—তুমি সন্তোষীয়া, আৰু গোটেই জীৱনে কেৱল কঠোৰ পৰিশ্ৰম কৰিছা।"

মাৰ্ণাৰে চিন্তা কৰি ক'লে, "ডাঙৰীয়া, হয়; কাম নোহোৱা হলে মোৰ তিষ্ঠাই টান হ'লহেঁতেন। কামেহে মোক সেই লোকচানতো জীয়াই ৰাখিলে।"

মাৰ্ণাৰৰ কথাতে গড্‌ফ্ৰেই কৈ উঠিল, "এৰা, এই অঞ্চলত তোমাৰ কাৰণে তাঁতৰ কামটো লাভজনক ব্যৱসায়; বহুত কাপোৰো তুমি ব'ব লগা হয়। পিছে তোমাৰ এতিয়া কামৰ বয়স গ'ল; এতিয়া কাম এৰি জিৰণি লবৰহে সময়। বৰ বয়স নহলেও তোমাক কিন্তু বৰ বুঢ়া যেন দেখি মাৰ্ণাৰ, নহয়নে?"

"মই জনাত মোৰ তুকুৰি পোন্ধৰ বছৰ বয়স"—মাৰ্ণাৰে ক'লে।

গড্‌ফ্ৰে—"বুঢ়া মেচি কাকতীৰ দৰে তুমি হয়তো আৰু ত্ৰিশ বছৰ জীয়াই থাকিবা। সৌ মেজৰ ওপৰৰ ধনখিনিৰে —সুদলৈ ধাৰ দিলেও নাইবা খোৱা-বোৱাত খৰচ কৰিলেও— তোমাক নাঁতিব; অকলে থকাহেঁতেনো এই ধন নাথাকিবহেঁতেন; আৰু ভালেমান বছৰলৈ তোমালোক দুয়ো চলিব লাগিব নহয়!"

গড্‌ফ্ৰে-ৰ কথা চাইলাচৰ মনত নালাগিলগৈ। চাইলাচে ক'লে, "ডাঙৰীয়া, অভাৱৰ ভয় মোৰ নাই। সৰহ বমুৱা লোকৰেই ইমানখিনি সাঁচনীয়া ধন নাই; ডা-ডাঙৰীয়া সকলৰ কথা মই কব নোৱাৰোঁ। কিন্তু ইয়াৰে এপি আৰু মোৰ চলি যাব। মোৰ মানত ইমান ধনেই যথেষ্ট আৰু আমাৰ দৰে লোকক বৰ বেচি নালাগে।"

"কিয়, দেউতা, এখন ফুলনি লাগে নহয়?" এই বুলি কৈ এপি লাজতে ৰঙাচঙা পৰিল।

এই সুযোগতে কথাৰ মোৰ-টো আচল কথালৈ গডফ্ৰে-ক ঘূৰাবৰ সুবিধা দি নান্সী কেচে মাত দিলে, "তুমি ফুলনি ভাল পোৱা, আইটী? দেখিছোঁ তোমাৰে মোৰে ৰাপ একে ধৰণৰ। ময়ো ফুলনিৰ কামত বহু সময় কটাওঁ।"

পোনতে সহজ যেন লগা আচল কথাটোলৈ আহিব নোৱাৰি অলপ আচৰিত হৈ গড্‌ফ্ৰে-ই কবলৈ ধৰিলে, "এৰা, আমাৰ ৰংঘৰত ফুলনিৰ কাম বৰ বেচি।··পিছে, মাৰ্ণাৰ, তুমি যোৱা যোল বছৰে এপিৰ হকে বহুত কৰিলা। এপি দেখাত স্বাস্থ্যৱতী আৰু সুন্দৰী; তেওঁক দেখাত বমুৱাৰ ছোৱালী যেনো নালাগে। তেওঁ জানো টান কামৰ কাৰণে উপযুক্ত? কোনো ধনীলোকে তেওঁৰ ব্যৱস্থা কৰি ডাঙৰ মানুহৰ ছোৱালীৰ দৰে ডাঙৰ দীঘল কৰক এনে ইচ্ছা তুমি নকৰানে? এপি—টান কাম কৰাতকৈ সুখতহে ডাঙৰ

হোৱাৰ উপযুক্ত; নহলে আৰু কেবছৰমান পাছত হয়তো তেওঁ টান কাম কৰি জীৱন কটাব লগা হব।"

চাইলাচৰ মুখৰ বৰণ সলনি হ'ল; এই অসম্ভৱ কথাত এপিও আচৰিত। মনত দুখ পাই অশান্তিৰে চাইলাচে ক'লে, "আপুনি কি কৈছে মই একো বুজিব পৰা নাই, ডাঙৰীয়া!"

মূল কথালৈ অহাৰ সংকল্পত গড্ফ্ৰে-ই কলে, "মাৰ্ণাৰ, মই কব খুজিছোঁ যে আমাৰ ভৰপূৰ সুখৰ ঘৰখনৰ শূন্যতা পূৰাবলৈ আমাৰ ল'ৰা-ছোৱালী নাই। আমাৰ যি আছে— সি আমাৰ প্ৰয়োজনতকৈ বেচি; তাক ভোগ কৰিবলৈকো কোনো নাই। আমাৰ নিজৰ ছোৱালী বুলি কাৰোবাক— এপিক পোৱা হ'লে বৰ ভাল পালোঁহেতেন আৰু নিজৰ সন্তানৰ দৰে আদৰেৰে ৰাখিলোঁহেতেন। ইমান দিনে ইমান কষ্ট আৰু যত্নেৰে তুলি-তালি এতিয়া এপিক ভাল অৱস্থাত থকা দেখি তোমাৰ বুঢ়া বয়সত নিশ্চয় শান্তি পাবা আৰু তাৰ কাৰণে তুমি উপযুক্ত প্ৰতিদান পোৱাও নিতান্ত উচিত। মোৰ মনে এপিয়েও ইয়াৰ বাবে তোমাক ভাল পাব আৰু চিৰকাল তোমাৰ শলাগ লব। অৱশ্যে এপিয়ে মাজে সময়ে তোমাক চাই যাবহি আৰু আমাৰ কৰ্ত্তব্য হব যেন তুমি সুখে-স্বচ্ছন্দে থাকিব পাৰা।"

গড্ফ্ৰে-ৰ দৰে পোনপটীয়া মানুহৰ এনেধৰণে কথা কওঁতে টান লাগিছিল আৰু কথাবোৰো শুনোতাৰ মনত

ভাল নালাগিব পাৰে। তেওঁ কথা কৈ থাকোঁতে এপিয়ে হাতেৰে লাহেকৈ চাইলাচৰ মুখটো সাৱটি ধৰিলে; দেউতাকৰ এই মনোকষ্ট আৰু দুৰ্দ্দশা দেখি এপিৰ মন গৈছিল—দেউতাকৰ এই অন্তৰৰ দুখ—সান্ত্বনা—কোমল মাতেৰে জুৰ কৰিবলৈ; কিন্তু চাইলাচৰ মনত এটা ভয়ৰ ভাব জাগি উঠিল। চাইলাচে দুৰ্ব্বল মাতেৰে মাথোন ক'লে, "এপি, মোৰ বাছা, তই কি কৰ খোজ, ক'। মই কেতিয়াও তোৰ ভৱিষ্যৎ উন্নতিত বাধা নজন্মাওঁ।"

এপিয়ে হাতখন দেউতাকৰ মুখৰ পৰা আঁতৰাই আনিলে। মনৰ থৌকি বাথৌকিত তেওঁৰ গাল দুখনি ৰঙা পৰিল। বিনা সংকোচে উঠি গৈ কেচ্ দম্পতীক এটি নমস্কাৰ জনাই এপিয়ে ক'লে, "ডাঙৰীয়া, আইদেও, আপোনালোক দুয়োকে ধন্যবাদ। মোৰ পিতাক মই এৰিব নোৱাৰোঁ। তেওঁৰ বাহিৰে মোৰ কোনো আপোন নাই। আপোনালোকক ধন্যবাদেৰে আকৌ নমস্কাৰ জনাই কওঁ যে ডাঙৰ মানুহৰ ঘৰৰ মহিলা হবৰ মোৰ ইচ্ছা নাই। সদায় পাই অহা মোৰ নিজৰ মানুহক মই ত্যাগ কৰিব নোৱাৰোঁ।" এইবুলি কঁপা ওঁঠেৰে এপিয়ে আকৌ গৈ চাইলাচক ডিঙিত সাৱটি ধৰিলে; চাইলাচেও উচুপি এপিক আঁকোৱালি ললে।

নান্সীৰো চকুত পানী; এপিৰ লগতে তেওঁৰ স্বামীলৈকো পুতৌ জন্মিছিল। ইমান দিনৰ পৰা অনুতাপত দগ্ধ হৈ ভুলৰ পশ্চাটিত কৰিবলৈ সংকল্প কৰি গড্ফ্ৰে-ৰ মনটো আত্ম-

গৌৰৱৰ ভাবেৰে পূৰ হৈ আছিল আৰু সংকল্পত বাধাৰ সৃষ্টি কৰিলত চাইলাচৰ মনোভাৱ বুজিব নোৱাৰি তেওঁৰ খং উঠিল। তেওঁ ক'লে, "এপি, তোমাৰ ওপৰত মোৰ এটাইতকৈ বেচি দাবি আছে। মাৰ্ণাৰ, এপিক মোৰ নিজৰ সন্তান বুলি ৰক্ষণাবেক্ষণ কৰাটো মোৰ কৰ্ত্তব্য। এপি মোৰ সন্তান; তেওঁৰ মাক মোৰ বিবাহিতা পত্নী আছিল। গতিকে মোৰ পিতৃত্বৰ দাবি সকলোৰে ওপৰত।"

এই আকস্মিক সম্ভেদত এপি চক্ খাই শেতা পৰি গ'ল। কিন্তু ইতিমধ্যে এপিৰ উত্তৰত চাইলাচৰ মন পাতলিছিল; সেইকাৰণে গড্‌ফ্ৰে-ৰ কথাত তেওঁৰ মনত বিৰোধিতাৰ ভাৱে মূৰ দাঙি উঠিল; মনৰ শঙ্কিত তিক্ততা আৰু পিতৃত্বৰ স্বত্বৰ সুৰত চাইলাচে ক'লে, "তেন্তে ডাঙৰীয়া, আজি ষোল বছৰ আগেয়ে এই কথা আপুনি নকলে কিয়? এপিক মই মৰমত বুকুলৈ লোৱাৰ আগতে আপুনি আপোনাৰ এই দাবি কৰিব পাৰিলেহেঁতেন। আপুনি এতিয়া এপিক বিচাৰিছে; তাতোকৈ মোৰ বুকুফালি মোৰ কলিজাটো কাঢ়ি নিলেও ভাল। আপুনি পিঠি দিয়াৰ কাৰণেই ঈশ্বৰে তাইক মোৰ হাতত দিলে। ঈশ্বৰৰ চকুত এপি এতিয়া মোৰ; তাইৰ ওপৰত আপোনাৰ কোনো স্বত্ব নাই। ঈশ্বৰৰ বৰ হাতত পাওঁ ঘূৰাই দিলে, সেই বৰ অৱশ্যে আনৰ হাতত পৰিবই।"

'মাৰ্ণাৰৰ চোকা কথাৰ উত্তৰত গড্‌ফ্ৰে-ই ক'লে, "মাৰ্ণাৰ,

মোৰ ভুল হৈছিল—মই স্বীকাৰ কৰোঁ। সেই বিষয়ে মোৰ কাৰ্য্যৰ কাৰণে অনুতাপো কৰিছোঁ।"

মাৰ্ণাৰ উত্তেজিত হৈ উঠিছিল; তেওঁ উত্তৰ দিলে, "শুনি সুখ পালোঁ, ডাঙৰীয়া; কিন্তু ষোল বছৰে যি মৰম আমাৰ দুয়োৰে অন্তৰত গঢ়ি উঠিছে—তাক আপোনাৰ পিতৃত্বৰ দাবিয়ে এতিয়া সলনি কৰিব নোৱাৰে। মাত ফুটাৰ লগে লগে মোক এপিয়ে 'দেউতা' বুলি মাতিবলৈ শিকিছে!"

তাঁতী মাৰ্ণাৰৰ মুখত এনে পোনপটীয়া সঁচা কথা শুনি গড্‌ফ্রে-ৰ মনটো দমি গ'ল; তেওঁ ক'লে, "কথাটো অলপ দকৈ তুমি ভাবি চালে ভাল হয়। এপিক চিৰকালকৈ লৈ যাম, বা এপিৰ লগত তোমাৰ দেখা নহব—এনে ভবাটো অমূলক হৈছে। তেওঁ তোমাৰ ওচৰতে থাকিব, প্ৰায়েই তোমাক চাবলৈ আহিব আৰু তোমাৰ প্ৰতি তেওঁৰ মনৰ ভাব একেদৰেই থাকিব।"

তিক্তভাৱে মাৰ্ণাৰে কৈ উঠিল, "কি? মনৰ ভাব একেদৰেই থাকিব? এতিয়া একেখন থালতে আহাৰ আৰু একেটা পিয়লাত পানী খাই, দিনৰ পাছত দিন ধৰি একে ধৰণৰ মনৰ কথা পাতি—এপিয়ে ইয়াৰ পাছত মনৰ ভাব কেনেকৈ একেদৰে ৰাখিব? মনৰ ভাব একেদৰে থকা কথাটো—হবই নোৱাৰে। আপুনি আমাৰ দুয়োকে কালি দুডোখৰ কৰি বেলেগ কৰিব খুজিছে!"

১৮ এই ধৰণৰ অভিজ্ঞতা নথকাত—মাৰ্ণাৰৰ সৰল কথাবোৰত

খং উঠি গড্ফ্ৰে-ই ভাবিলে যে তাঁতী চাইলাচ আপোন-পেটীয়া; এপিৰ ভবিষ্যৎ মঙ্গলৰ কাৰণে তাৰ চিন্তা নাই। তথাপি নিজৰ পিতৃত্বৰ স্বত্ব—এপিৰ মঙ্গলৰ হকে—দেখুৱাবলৈ তেওঁ টানি ক'লে, "মই ভাবোঁতে ত্যাগ স্বীকাৰ কৰিও—এপিৰ মৰমত তুমি তেওঁৰ মঙ্গলৰ হকে আনন্দ পাব লাগিছিল। নাপাহৰিবা—যে তুমি সৰহ দিন নাথাকিবা; নিজৰ পিতাকৰ ঘৰত নাথাকিলে—এই বয়সত এপিৰ অৱস্থা বেলেগ ধৰণৰ হব পাৰে। এপিৰ যদি কোনো সাধাৰণ চহা বনুৱাৰ লগত বিয়া হয়, মই চেষ্টা কৰিলেও তেওঁৰ কাৰণে ভাল ব্যৱস্থা কৰিব নোৱাৰিম। তুমি ইমানখিনি কৰাৰ পাছত তোমাৰ মনত দুখ দি মই বেয়া পাইছোঁ; কিন্তু মোৰ নিজৰ সন্তানৰ প্ৰতি মোৰ অপূৰ্ণ কৰ্ত্তব্য কৰিবই লাগিব। সেইকাৰণেহে মোৰ সন্তানৰ ভাৰ মোক দিবলৈ টানি অনুৰোধ কৰিছোঁ!"

গড্ফ্ৰে-ৰ কথাত—এপ্পি আৰু চাইলাচৰ ভিতৰত কাৰ মনত ভাৰে বেচি ডাঙৰ ঢৌ তুলিছিল—কোৱা টান। পুৰণি মৰমৰ পিতাক আৰু নতুন অচিনাকী পিতাকৰ কথা শুনি এপিৰ কল্পনাত—মাকৰ হাতৰ আঙুলিত আঙঠি পিন্ধাই দিয়া অস্পষ্ট মূৰ্ত্তিৰ ছায়া এটা ভাহি উঠিছিল। মনতে নানা অনুমান আৰু কল্পনা কৰি—গড্ফ্ৰে-ৰ শেহৰ কথাবোৰ শুনি এপিৰ ধাৰণা ক্ৰমাৎ স্পষ্ট হৈছিল। চাইলাচৰ প্ৰতিটো কথা তেওঁৰ অন্তৰত এনেকৈ লাগিল যে তেওঁ সংকল্প স্থিৰ

কৰি পেলালে; পিতৃত্বৰ এই নতুন আহ্বান, ভবিষ্যৎ ভাগ্যোদয়ৰ আশা আৰু নতুন পিতাকৰ প্ৰতি তেওঁৰ এটা বিৰাগ ভাৱ জন্মিল। আন হাতে চাইলাচৰ অন্তৰত এটা অপৰাধৰ ভাৱে তোলপাৰ কৰিছিল! কিজানিবা এপিৰ ভবিষ্যৎ মঙ্গলৰ বাটত হেঙাৰ দিয়া কথাটো গড্‌ফ্ৰে-ই কোৱাৰ দৰে ঠিক হয়—এই ভয়টো ন্যায়নিষ্ঠ চাইলাচৰ মনত খেলাবলৈ ধৰিলে। মনৰ কথাবোৰ খুলি কব নোৱাৰি কিছুপৰ তেওঁ নিমাত হৈ থাকিল; শেহত বৰ কষ্টেৰে ক'লে, "মই আৰু একো নকওঁ। যেনে ভাল দেখে, কৰক। এপিক—যি লাগে কওক। মই একোতে হুকাবধা নকৰোঁ।"

নান্সীয়েও গড্‌ফ্ৰে-ৰ দৰে চাইলাচৰ জেদটো অমূলক বুলি ভাবিলে। সৰুৰে পৰা সুখত আলাসৰ লাক হৈ উঠি দুখীয়াৰ সুখ—আকাঙ্ক্ষাৰ কথা বুজিব নোৱাৰিলে; বৰং তেওঁৰ মতে ইমান দিনে নোপোৱা সন্তানৰ স্বত্ব পাই এপিৰ নিশ্চয় ভাল হব। মাৰ্ণাৰৰ পাছৰ কথাবোৰত গড্‌ফ্ৰে-ৰ লগতে তেওঁ স্বস্তিৰ নিশ্বাস পেলাই ভাবিলে যে তেওঁলোকৰ উদ্দেশ্য সিদ্ধি হ'ল।

গড্‌ফ্ৰে আৰু নান্সী কেচে এপিক আশ্বাস দিলে যে তেওঁলোক দুয়োৰে পৰা এপিয়ে সন্তানৰ মৰম-আদৰ পাব; পিতাস্বৰূপে গড্‌ফ্ৰে-ই একমাত্ৰ সন্তান এপিৰ ভবিষ্যৎ সংস্থান কৰিব; মাতৃহাৰা এপিয়ে নান্সীক এগৰাকী স্নেহময়ী মাতৃস্বৰূপে পাব। এপিয়ে চাইলাচৰ প্ৰতি আজীৱন স্নেহ

আৰু কৃতজ্ঞতা ৰাখক—তেওঁলোকেও ইয়াকে ইচ্ছা কৰে। চাইলাচৰ শেহ বয়সটো যাতে সুখৰ হয় তাৰ সকলো দিহা কৰা হব।

এই কথাত এপিয়ে তাঁতী চাইলাচৰ খহটা হাতখনত ধৰি দৃঢ় সংকল্পেৰে উত্তৰ দিলে, "আইদেও, ডাঙৰীয়া—আপোনালোকে উদাৰতাৰে যচা দান—মোৰ আশা-আকাঙ্ক্ষাই ঢুকি পোৱাৰ বাহিৰত। তথাপি তাৰ বাবে আপোনালোকক ধন্যবাদ। মই আঁতৰি গ'লে মোৰ দেউতাই ঘৰত বহি বহি অকলশৰীয়া হৈ মোৰ কথা ভাবি থাকিব—এই কথাত মই জীৱনত কেতিয়াও শান্তি নাপাওঁ। জীৱনৰ প্ৰতিটো দিন দুয়ো একেলগে সুখত কটাই—মই মোৰ মৰমৰ দেউতা নোহোৱাকৈ সুখী হোৱা কথা কেতিয়াও ভাবিব নোৱাৰোঁ। মোক নোপোৱালৈকে তেওঁৰ সংসাৰত কোনো নাছিল ; মই আঁতৰি গ'লেও তেওঁৰ সংসাৰত কোনো নাথাকিব। প্ৰথম দিনৰ পৰা পিতাৰ সকলো স্নেহ আৰু যত্ন তেওঁৰ পৰা মই পাইছোঁ ; তেওঁ যিমান দিন থাকে সিমান দিন মই তেওঁক সাৱটি ধৰিম। তেওঁ আৰু মোক কোনেও আঁতৰা-আঁতৰি কৰিব নোৱাৰে।"

চাইলাচে লাহেকৈ ক'লে, "আই অ,' তোৰ মন ঠিক কৰি ল। ধন আৰু ভোগ হাতত পায়ো তই দুখীয়াৰ লগত, দুখীয়াৰ দুখ-অনাটন বাচি লৈ পাছলৈ বেজাৰ নকৰ তো ? এপি তোৰ মন ঠিক কৰি ল।"

এপিৰ সাদৰ উত্তৰত চাইলাচৰ অন্তৰ উথলি উঠিল,—"দেউতা, যি ভোগ মই সকৰ পৰা পোৱা নাই তাৰ চিন্তা বা আশা মই নকৰোঁ। ভাল সাজ-পোচাক পিন্ধি, গাড়ীত উঠি, গীৰ্জ্জাত ভাল আসনত বহি—দুখীয়াৰ ছোৱালী হৈ মই বৰলোকৰ অযোগ্যহে হম। বৰলোক বা সুখৰ ভোগলৈ মোৰ হেপাহ নাই। গতিকে পাছলৈ কেতিয়াও মই বেজাৰ নকৰোঁ।"

গড্‌ফ্ৰে-ই তলমূৰকৈ হাতৰ লাখুটিডাল ঘূৰাবলৈ ধৰিলে; নান্সীয়ে তেওঁৰ মুখলৈ চালে; কিন্তু এষাৰ কথা কোৱা উচিত বুলি ভাবি ক'লে, "আইটী, তোমাক ডাঙৰ-দীঘল কৰা জনলৈ তোমাৰ আকৰ্ষণ থকা স্বাভাৱিক; কিন্তু তোমাৰ বিধি-সম্মত পিতাবাৰ প্ৰতিও এটা কৰ্ত্তব্য আছে। বহুত বিষয়ত মানুহে কেতিয়াবা ত্যাগ স্বীকাৰ কৰিব লাগে। তোমাৰ নিজ পিতাৰাই তোমাক তেওঁৰ ঘৰলৈ আদৰি নিবলৈ আহিছে। সেই সাদৰ আহ্বানলৈ পিঠি নিদিয়াহে তোমাৰ উচিত হব।"

চল্‌চলীয়া চকুৰে ভাৱৰ আবেগত এপিয়ে উত্তৰ দিলে, "মোৰ এইজনা পিতাৰ বাহিৰে যে কোনো পিতা আছে মই ভাবিব নোৱাৰোঁ! মোৰ নিজৰ ঘৰত মোৰ এইজনা পিতা থাকিব; মই তেওঁৰ সেৱা-শুশ্ৰূষা কৰিম। আক আন ঘৰ মোৰ নাই। মই ভদ্ৰ-মহিলা হবলৈ ইচ্ছা নকৰোঁ, কাৰণ মই দুখীয়াৰ ঘৰত ডাঙৰ হৈছোঁ। দুখীয়া মানুহ, তেওঁলোকৰ আহাৰ-বিহাৰ মই ভাল পাওঁ। মই পিতাৰ

সেৱা কৰি লগতে থাকিব খোজা এজন বন্ধুৱা ডেকাক স্বামীৰূপে বৰণ কৰিবলৈ কথা দিছোঁ।”

গড্‌ফ্ৰে-ই নিৰাশাৰে, দুখ-বেজাৰেৰে নান্সীৰ চকুলৈ চালে। তেওঁৰ জীৱনৰ এটা ডাঙৰ কলঙ্ক মচিবলৈ সংকল্প কৰি তেওঁ আহিছিল ; কিন্তু সেই উদ্দেশ্য ব্যৰ্থ হোৱাত সেই ঠাই তেওঁৰ কাৰণে অসহ্য হৈ উঠিল। তেওঁ সককৈ ক'লে, “আমি যাওঁ বলা।”

যাবৰ সময়ত নান্সীয়ে ক'লে, “এই বিষয়ে আজি আৰু কথা নহওঁ। এপি, মাৰ্ণাৰ, আমি তোমালোকৰ শুভাকাঙ্ক্ষী। আকৌ আমি তোমালোকক লগ ধৰিম। এতিয়া ৰাতি হ'ল।'

গড্‌ফ্ৰে-ই নিমাত হৈ হঠাৎ যাবলৈ ওলোৱাত · অস্বস্তিৰ ভাৱটো—নান্সীৰ এই কথাই অলপ পাতলাই দিলে।

## বঞ্চিতৰ সান্ত্বনা

ওৰেও বাটে দুয়ো তৰা-বছা আকাশৰ তলেদি নিমাত হৈ গৈ থাকিল। ঘৰত সোমাই গড্‌ফ্ৰে হতাশ ভাবেৰে বহিল; নান্সীয়েও ওচৰত ঠিয় হ'লগৈ। দুয়ো দুয়োৰে চকুলৈ চালে; দুয়োৰে চকুত—সংকটৰ মুহূৰ্ত্তত যেন ভাষাহীন আশ্ৰয় বা জিৰণি ফুটি ওলাল। অলপ পাছত গড্‌ফ্ৰেই নান্সীৰ হাতত্তে হাত লগাই মাত দিলে, "ইয়াতে তাৰ সামৰণি পৰিল!"

নান্সীয়ে সাদৰে উত্তৰ দিলে, "বোধকৰোঁ তেওঁক সন্তান-ৰূপে পোৱাৰ আশা আমি এৰিব লাগিব। ইচ্ছাৰ বিৰুদ্ধে, তেওঁক আনি তেওঁৰ আগৰ শিক্ষা-দীক্ষা আৰু জীৱনৰ আমি পৰিবৰ্ত্তন কৰিব নোৱাৰিম।"

গড্‌ফ্ৰে-ই নতুন সংকল্পৰ সুৰত ক'লে, "নহয়, সুদ দি, ধনৰ ঋণ পৰিশোধ কৰাৰ দৰে এই ঋণ পৰিশোধ কৰা অন্তৰ। এতিয়া পাছলৈ থওঁতে ঋণ ঠালে-ঠেঙুলিয়ে ডাঙৰ হৈ পৰিল; আৰু পৰিশোধৰ সময় নাই। মাৰ্ণাৰে ঠিকেই কৈছে—জীৱন-দেৱতাৰ বৰ এজনে শিশু পাতি নললে সেই বৰ আনৰ শিৰত পৰিব। একালত মই অপুত্ৰক হৈ থাকিবলৈ

বিচাৰিছিলোঁ ; এতিয়াও ইচ্ছাৰ বিৰুদ্ধে হ'লেও অপুত্ৰক হৈ থাকিব লাগিব।"

নান্সীয়ে অলপ পৰ বৈ ক'লে, "এপি যে আপোনাৰ সন্তান, এই কথাটো আনক জানিবলৈ দিব নে?"

গড্‌ফ্ৰে—"নাই, তাৰপৰা কাৰবাৰ কিবা লাভ হব জানো? বৰং ক্ষতিৰহে সম্ভাৱনা। এপিয়ে বাচি লোৱা জীৱনতে যি পাৰোঁ এপিৰ কাৰণে কৰিম। পাছে, এপিৰ ভাৱী স্বামী কোন—বিচাৰ কৰিব লাগিব।"

নান্সীয়ে ক'লে, "দহে জানিলেও কাৰো একো লাভ নহয় সঁচা। ডান্‌চিৰ কথাটোৰ বাহিৰে অতীতৰ কথাবোৰ দেউতা আৰু প্ৰিচিলাকো নজনালে ভাল পাম। অৱশ্যে ডান্‌চিৰ কথাটো তেওঁলোকে নুশুনাকৈ নাথাকিব।"

ভাবি ভাবি গড্‌ফ্ৰে-ই ক'লে, "মোৰ দান-পত্ৰত মই এই কথাটো উল্লেখ কৰিম, পাছলৈ যাতে মানুহে এই কথা —ডান্‌চিৰ ঘটনাটোৰ দৰে আবিষ্কাৰ কৰিবলৈ নাপায়। এতিয়া কথাটো জনোৱাৰ পৰা অসুবিধা আছে। তথাপি এপিৰ অৱস্থাতে এপিক সুখী ৰাখিবলৈ যি হয় ব্যৱস্থা কৰিম।......বোধকৰোঁ এপিৰ ভাৱী স্বামী এৰণ উইন্‌থ্ৰপ ল'ৰা ডেকাটিয়েই হব। তেওঁক গীৰ্জাৰ পৰা যাওঁতে চাইলাচ আৰু এপিৰ লগত দেখা মোৰ মনত পৰিছে।"

কথাটো পাতলাবলৈ নান্সীয়ে আনন্দৰে ক'লে, "ল'ৰাটি হ'লে বৰ নম্ৰ আৰু পৰিশ্ৰমী।"

অলপ সময় চিন্তা কৰি গড্‌ফ্রে-ই কৈ উঠিল, “ন্যান্সী, এপি বৰ স্নুন্দৰী, নহয়নে ?”

নান্সী—“এৰা, ঠিকেই কৈছে। এপিৰ চকু যুৰি আৰু চুলি ঠিক আপোনাৰ দৰে। মোৰ এতিয়াহে কথাটো মনত খেলাইছে।”

গডফ্রে—“মই পিতা বুলি দাবি কৰোঁতে এপিয়ে যেন মোৰ প্ৰতি বিৰূপ হৈ উঠিল, এনে লাগিল। মই তেওঁৰ ভাব পৰিবৰ্ত্তন হোৱা লক্ষ্য কৰিছিলোঁ।”

স্বামীৰ দুখ নবঢ়াবলৈ নান্সীয়ে ক’লে, “মাৰ্ণাৰ যে পিতাক নহয়, এই কথা সহ্য কৰিবলৈ এপিয়ে টান পাইছিল।”

গড্‌ফ্রে-ই গভীৰ হতাশাৰ স্নুৰত কবলৈ ধৰিলে, “এপিয়ে ভাবিছে যে মই মাক আৰু তেওঁৰ প্ৰতি অবিচাৰ কৰিছোঁ। মোৰ ওপৰত এপিৰ বিৰূপ ধাৰণা জাগি উঠিছে ; ঠিকেই হৈছে। তেওঁ তো সকলো কথা নাজানে! মোৰ নিজৰ সন্তানে মোক ঘৃণাৰ চকুৰে চাব—ই মোৰ উপযুক্ত শাস্তি! সেই বিয়াখনৰ ফলাফল অমঙ্গলৰ বাহিৰে একো নহয়—ইয়াকেই মাথোন মই আশা কৰিব পাৰোঁ ; তদুপৰি পিতাৰ কৰ্ত্তব্যত আওহেলা কৰাৰ ফলো মই হাতে হাতে পাইছোঁ।”

অন্তৰৰ পৰা ওলোৱা অনুশোচনাৰ কথাত নান্সীয়ে সান্ত্বনা দিদি নিমাত হৈ থাকিল। অলপ পাছতে কোমল স্নেহৰ স্নুৰত—অনুশোচনাৰে গড্‌ফ্রে-ই ক’লে, “কিন্তু, যিয়েই

নহওক, মই যে তোমাৰ দৰে মনোমত ভাৰ্য্যা পাইছোঁ, নান্সী! শান্তি বুলি ভাবি লৈ মই আন সুখ নোপোৱাৰ কাৰণে মিছাতে অশান্তি ভুগিছোঁ।”

—“মোৰ দেৱতা, মোৰ মানত আপুনিয়েই সকলো। আপুনি যদি ভাগ্যৰ ওচৰত নিজকে সমৰ্পণ কৰে, তেন্তে মোৰ কোনো দুখ নাই”—এই বুলি পতিব্ৰতা নান্সীয়ে আশ্বাস দিলে।

গড্‌ফ্ৰে-ই মাথোন ক'লে, “এৰা, সেই দৰে জীৱনটো গঢ়ি লোৱাৰ সময় এতিয়াও উকলি যোৱা নাই; কিন্তু আন কিছুমান কথা হ'লে নতুনকৈ পাতিবৰ সময় আৰু নাই —দহজনে লাগে যিহকে বোলে বোলক……।”

( ২৭ )

# লেণ্টার্ণ ইয়ার্ডত

পাছদিনা পুৱা চাহ-জলপান খাওঁতে চাইলাচে অকস্মাতে প্ৰস্তাৱ কৰিলে যে লেণ্টার্ণ ইয়ার্ডৰ পৰা আহিলেগৈ বেয়া নহয়। যোৱা তুবছৰে কথাটো চাইলাচৰ মনত খেলাই আছে। এতিয়া ধনো ঘূৰাই পাইছে। বতৰো ফৰকাল। ঘৰ-তুৱাৰবোৰ ডলি উইন্‌থ্ৰপক চাবলৈ দি যাব পাৰি। যোৱা ৰাতি তেওঁ ঠিক কৰিছে যে পাছদিনাই তেওঁলোক যাব।

এবাৰ যদি লেণ্টার্ণ ইয়ার্ডৰ পুৰোহিতজনক চাইলাচে লগ ধৰিব পাৰে, তেন্তে হয়তো তেওঁৰ আগৰ চুৰিৰ অপবাদৰ পৰা মুক্ত হবও পাৰে। পুৰোহিত দেউজনা জ্ঞানী মানুহ; তেওঁৰ লগত মণ্ডল চোৱা আৰু গাৱঁৰ ধৰ্ম্মবিশ্বাস সম্পৰ্কে অলপ আলোচনা কৰিবলো চাইলাচৰ মন আছে।

নতুন ঠাই চোৱাৰ হেপাহত আৰু ঘূৰি আহি সকলো বিবৰণ এৰণক শুনাব পাৰিব বুলি এপিৰ বং চায় কোনে? এৰণে কথা বহুত জানে; কিন্তু এৰণক নতুন কথা শুনাবৰ এয়ে সোণালী সুযোগ! শ্ৰীমতী ডলিৰ মনত বাট-পথৰ বিপদৰ ভয় থাকিলেও তেওঁ শুনি ভাল পালে যে চাইলাচে পুনৰপি ঠাইলৈ গৈ নিজৰ দোষখালন কৰিব পাৰিব।

পাছে তেওঁ দঢ়াই দঢ়াই চাইলাচক ক'লে যেন তেওঁলোক ঘোৰাগাড়ী যিমান দূৰলৈ যায়, তাৰ পাৰ হৈ নাযায়।

লেণ্টাৰ্ণ ইয়াৰ্ড পাওঁতে চাৰিদিন লাগিল। এপি আৰু চাইলাচে চাক-চিকুণ একোসাজ পোচাক পিন্ধি—নীলা ৰুমাল এখনত এটা টোপোলা বান্ধি লৈ চতুৰ্থ দিনা কল-কাৰখানাৰে ভৰা এখন নগৰৰ বাটেদি যাবলৈ ধৰিলে। যোৱা ত্ৰিশ বছৰৰ ভিতৰত জন্মভূমিৰ ইমান পৰিবৰ্ত্তন দেখি চাইলাচ অবাক হ'ল। কিজানিবা ঠাইৰ ভুলেই হৈছে—সেইবাবে বাটত মানুহক চাইলাচে ঠাইখনৰ কথা সুধি যাবলৈ ধৰিলে। নগৰত কিয় দি বাট পাবলৈ নোহোৱা মানুহৰ অহাযোৱা, হাই-উৰুমিত চাইলাচৰ কেনেবা লাগিল।

অতি কষ্টেৰে, ঘূৰি-পকি, মানুহক সুধি সুধি শেহত তেওঁ-লোক আগৰ ফাটেকৰ মুখ পালেগৈ। এইবাৰ ঠাইখন চিনাকী যেন লাগি চাইলাচৰ বিশ্বাস হ'ল যে এয়ে তেওঁৰ জন্মভূমি। বাওঁহাতে ঘূৰি গ'লেই আগৰ ঠাই পোৱা হব। ঠাইডোখৰ অতি লেতেৰা; ওচৰৰ দোকানবোৰো আগতকৈ বেলেগ হৈছে। মাথোন তিনটা পাক বাওঁহাতলৈ ঘূৰি অলপ গ'লেই সৰু এটা বাট; ওচৰতে পানী বৈ যোৱা খালৰ চুকটো পোৱা যাব—পুৰণি চিনবোৰ চাইলাচৰ মনত পৰিবলৈ ধৰিলে।

সৰু বাটটোৰ মুৰ পাই দুৰ্গন্ধত, ঠাহ মৰা অসংখ্য ঘৰ আৰু মানুহৰ সমাগমত এপিৰ অশান্তি লাগিল। ইয়াৰ্ডকৈ

শিল-খালৰ তেওঁলোকৰ ঘৰটোৱেই বহুগুণে শান্তিপূর্ণ। চাইলাচৰ চকুত ঠাইডোখৰ বিশৃঙ্খল লাগিল ; আগেয়ে ইয়াত এনে দুর্গন্ধ নাছিল!

সক বাটটোৱেদি এই দিন-দুপৰত গীৰ্জ্জাৰ পৰা ওলোৱাৰ দৰে হেজাৰ-বিজাৰ মানুহ লা-নি পাতি অহা দেখি চাইলাচ অবাক। চাইলাচৰ এই দুৰৱস্থা দেখি এপিৰ ভয় লাগিল। ইকি! এটা ডাঙৰ কাৰখানাৰ পৰা দুপৰীয়া খোৱা ছুটী পাই বনুৱা মতা-তিৰোতাবিলাকৰ সোঁত—ভেটা ভগা পানীৰ দৰে যাব লাগিছে! চাইলাচৰ মুখখন দেখি হাতখনত ধৰি এপিয়ে কি হৈছে সুধিলে। মনৰ উত্তেজনাত চাইলাচে কিছু পৰ বৈ মাত লগালে, "নাই, আই, লেণ্টার্ণ ইয়াৰ্ড আৰু নাই। সেই খিৰিকিখনৰ সমুখৰ পুৰণি ঘৰ সোটো—একেদৰে আছে। এইখিনি ঠাই এতিয়া শুদা। নাই, আগৰ গীৰ্জ্জা আৰু পুৰণি চিন একোটোৱেই নাই।"

এই ভাবাবেগ দেখি আগৰ মূৰ্চ্ছা হয় বুলি এপিয়ে তেওঁক ওচৰৰ 'বুকজৰ দোকান' এখনলৈ নি বহুৱালে। দোকানীজন তালৈ অহা মাথোন দহ বছৰ হৈছে ; তেওঁ কাৰখানাটো সজা কৰ পাৰে কিন্তু চাইলাচে নাম কোৱা পুৰণি বন্ধুবিলাক আৰু তাৰ পুৰোহিত জনৰ কথা নাজানে।

গতিকে বিফল মনোৰথ হৈ এপিৰ লগত চাইলাচ নিজৰ ঘৰলৈ ঘূৰি আহিল। অহাৰ দিনা গধূলি কথাই কথাই চাইলাচে দুখেৰে ডলিক ক'লে বোলে তেওঁৰ পুৰণি ঘৰ আৰু

তাৰ চিন-চাব একো নাপালে। এতিয়া তেওঁৰ ঘৰ একে-খনেই। তেওঁৰ অপবাদ দূৰ হোৱাৰ বাতৰি নাইবা পুৰোহিতদেৰে মঙল চাই কি পালে—তাৰ বাতৰি পাবৰ এতিয়া আৰু উপায় নাই। চাইলাচৰ জীৱনৰ এই মিছা অপবাদটো চিৰকাললৈ আন্ধাৰত থাকি যাব।

ডলি উইন্থ্ৰপৰ শান্ত আৰু পৰিণত মুখখনিত গভীৰ ঈশ্বৰ-বিশ্বাসেৰে ভৰা সান্ত্বনাৰ বাণী ওলাল, "মার্ণাৰ ককাইটি, আমাৰ কাৰণে ঈশ্বৰৰ বহুত ইচ্ছা—আন্ধাৰত সুবুজা হৈয়ে থাকে। বহুত কথা ঈশ্বৰৰ ইচ্ছাত আমি জানিবও পাৰোঁ; আমাৰ জীৱনৰ দৈনিক কামৰ ফল বোৰো আমি দেখা পাওঁ। তুমি জীৱনত বহুত পৰীক্ষাত পৰিছা, মার্ণাৰ ককাইটি; কিন্তু তাৰ কাৰণ চেষ্টা কৰিও বুজিব নোৱাৰিবা। তথাপি ঈশ্বৰৰ ন্যায্য-বিচাৰ নোহোৱাকৈ নাথাকে, লাগে সি আন্ধাৰতেই থাওক।"

চাইলাচে ক'লে, "এৰা, এৰা। এপিক পাই, এপিক মৰম কৰি মই বিশ্বাস ঘূৰাই পাইছোঁ। এতিয়া এপিয়ে কৈছে—তাই মোক কেতিয়াও এৰি থৈ নাযায়। মঁয়ো ভাবোঁ মোৰ অন্তৰৰ বিশ্বাস মৰণ কাললৈকে থাকিব।"

( ২২ )

## মধুৰেণ সমাপয়েৎ

বছৰৰ এটা সময়ক বেভ্‌লো গাঁৱত বিয়াৰ উপযুক্ত বতৰ বুলি মানুহে ভাবিছিল। সেই বতৰত গাঁৱৰ ফুলনিত ৰঙা, হালধীয়া ফুলবোৰ ফুলি ৰমক-জমক হৈ থাকে; গোহালিয়ে গোহালিয়ে গাই-গৰুবিলাকৰ কঁৰিয়া ভৰি অমৃত যেন গাখীৰ ওলায়। সেই বতৰত গাখীৰৰ পৰা পনিৰ কৰিবলৈ, ঘাঁহ-বন কাটি ফুলনিবোৰ শুৱনী কৰিবলৈ মানুহৰ যথেষ্ট সময় আছিল। ইয়াত বাজেও সেই বতৰত কইনাই বিয়াৰ সাজটো পিন্ধি দিপ্‌লিপ্‌জনী হ'লে চাই চকু জুৰোৱা মানুহৰো আটক নাছিল।

সেইদিনা ফুলৰ থোপাই থোপাই ৰ'দালিৰ জিল্‌মিলনি বেচিকৈ পৰিছিল। সেইদিনা—সেই ফৰকাল বতৰত—এপিৰ বিয়া। এপিৰ কইনাৰ সাজটোও সেইদিনা জিঞাৰ পাখিৰ দৰে পাতল আৰু 'ছাঁতে ওলোৱা মুঠিতে লুকোৱা' ধৰণৰ হৈছিল। এপিয়ে আগতেই মনে মনে বিয়াৰ সাজটো ভাবি লৈছিল। শ্ৰীমতী নাল্লী কেচে মৰমেৰে সাজটো দিব বুলি ৰৰকৈ কোৱাত এপিয়ে আগেয়ে ভৰাৰ দৰে এটা নিচেই সাধাৰণ অথচ ধুনীয়া পোচাক বাচি ললে।

সোৱা চোৱা—এপি গীৰ্জ্জাৰ আগচোতালেদি গাৱঁৰ ফালে

গৈছে। গা-ত তেওঁৰ শুধ বগা এটি সাজ; মূৰৰ সোণোৱালী চুলি টাৰি দেখিবলৈ—এপাহি বগা পদুমৰ ওপৰত সোণ-পানী চৰোৱা যেন হৈছে। তেওঁৰ এখনি হাত তেওঁৰ স্বামীৰ হাতৰ মুঠিত; আনখন হাত দেউতাক চাইলাচৰ হাতত। তেওঁ বিয়াৰ আগতে দেউতাকক কৈছিল, "দেউতা, তুমি তো মোক উলিয়াই নিদিয়া? এৰণ-কহে তুমি তোলনীয়া পো কৰি আনিবা!"—দৰা-কইনাৰ পিছত উইন্থ্ৰপ-দম্পতী গৈছিল আৰু এইকেজনেৰে বিয়াৰ মানুহৰ দলটো!

কিন্তু বিয়াৰ এই এধানি সমদল চাওঁতা মানুহ বহুতো। আবিয়ৈ প্ৰিচিলা আৰু বুঢ়া লেমেটাৰ ডাঙৰীয়াই কথমপি 'ৰংঘৰ'ৰ দুৱাৰমুখ পায়েই দৰা-কইনা দেখিবলৈ পাই ৰং পালে। সিদিনা বিশেষ কামত গড্ফ্ৰে আঁতৰলৈ যোৱাত দেউতাক-ভনীয়েকে নান্সীৰ লগত সময়খিনি কটাবলৈ আহিছিল। তাঁতী মাৰ্ণাৰ আৰু এপিক ভাল পোৱা কাৰণে তেৰোঁ নিশ্চয় ক্ৰেকেনথৰ্প, অচ্গুড আদি ভদ্ৰলোকসকলৰ দৰে 'ৰামধনু' আলহীঘৰৰ বিয়াৰ ভোজত উপস্থিত হ'ল-হেতেন। প্ৰিচিলা আৰু বুঢ়া লেমেটাৰে আশা কৰিছিল যে গৰু-ছাগলি তোলাতকৈ এটি তেনে ছোৱালী তুলি লোৱা হ'লে নান্সীৰ পাছৰ বয়সত অলপ আনন্দ হ'লহেতেন। এনেতে নান্সীয়ে দেউতাক আৰু ভনীয়েকক আগবঢ়াবলৈ ওলাই আহিল; ইতিমধ্যে বিয়াৰ দল'টো 'ৰংঘৰ' পাৰ হৈ গাৱঁৰ মাজলৈ সোমাল।

ঘৰৰ দুৱাৰমুখত চকীত বহি থকা আলৰ বুঢ়া মেচিক' দেখা পাই ডলিয়ে সমদলটোক ক'লে—"মেচি কাকতীয়ে এষাৰ কথা হব খুজিছে হবলা। বেচেৰা বাত-বেমাৰত পৰি আছে; তেওঁক নমতাকৈ আগেদি গ'লে তেওঁ বেয়া পাব।"

দৰা-কইনা প্ৰমুখ্যে সকলোৰে সম্ভাষণ জনোৱাৰ পাছত মেচি কাকতীয়ে বহুদিন আগতে পাঙি থোৱা কথাবোৰ জুকিয়াই সম্বোধন কৰি এটা অভিভাষণ দিলে, "মাৰ্ণাৰ, মই আগেয়ে কোৱা কথা ফলিওৱা দেখিবলৈ জীয়াই আছোঁ। তোমাৰ চাৰনিবোৰ মানুহে ভুল বুজিলেও—ময়েই সৰ্ব্বপ্ৰথমেই কৈছিলোঁ যে তুমি নিৰীহ-নিপানী-মৰাসাপ দেই নোযোৱা বিধৰ মানুহ, আৰু ময়েই সৰ্ব্বপ্ৰথমে কৈছিলোঁ যে তুমি হেৰোৱা ধন ঘূৰাই পাবা, কাৰণ তুমি তোমাৰ ধন ঘূৰাই পোৱা নিতান্ত উচিত। মই পাৰিলে বিয়াৰ সভাত গৈ এজোলোকা আশীৰ্ব্বাদ দিও আহিলোঁহেতেন; আনে আশীৰ্ব্বাদ দিছে; তথাপি মই আশা কৰোঁ তোমালোকৰ ভাগ্য সুপ্ৰসন্ন নোহোৱাকৈ নাথাকিব।"

ভোজলৈ তেতিয়াও সময় আছে; তথাপিও 'ৰামধনু'ৰ আগচোতাল আলহীৰে গম্‌গমাই আছিল। আগতে অহাৰ সুবিধা এয়ে হ'ল যে ভোজৰ আনন্দৰ আগজাননী তেওঁলোকে বঢ়িয়াকৈ উপভোগ কৰিবলৈ পালে। তদুপৰি চাইলাচৰ আচৰিত কাহিনী চৰ্চ্চা কৰিবলৈ সময়ো ভালেমান

ওলাল; এটা অনাথ মাউৰী ছোৱালীৰ পিতাক হোৱাৰ কাৰণে তেওঁৰ যে মঙ্গল হৈছে এই কথাও অৱশ্যে, কথাৰ মাজতে সকলোৱে কব পাৰিলে। আন কি সেই দন্দুৰা গৰু-ডাক্তৰ জনেও তৰ্ক মুজুৰি 'কোনে পাৰে মিছা বোলক' বুলি কোনোবা কাল্পনিক বিপক্ষক তৰ্কলৈ আহ্বান জনালে; কিন্তু মিছা বুলি কওঁতা হ'লে নোলাল। তেতিয়া শ্ৰীযুত স্নেলে কোৱাৰ দৰে সকলোৱেই এক কথাৰে মত দিলে যে এজন মানুহক সৌভাগ্যই লাগ দিলে ওচৰ-চুবুৰীয়াই তেওঁৰ মঙ্গল কামনা কৰা কৰ্ত্তব্য।

দৰা-কইনাৰে সৈতে দলটো আগবাঢ়ি অহাৰ লগে লগে 'ৰামধনু'ৰ আগচোতালত জয়ধ্বনিৰ খলকনি উঠিল; খুহতীয়া বেন্ উইন্থ্ৰপে আগবাঢ়ি সোমাই ৰাইজৰ ধন্যবাদ জোলোকা প্ৰতিনিধিৰূপে গা-ত পাতি ললেগৈ; আগতীয়াকৈ শিল-খালত জিৰাই ভোজসভাৰ কাৰণে তেওঁ গা-টো টঙাই আহিবলৈহে মাথোন নহ'ল।

এপিৰ ফুলনিখন এতিয়া পূৰ্ব্বৰ আঁচনিতকৈ বহুত ডাঙৰ। শ্ৰীযুত গড্ফ্ৰে কেচে—চাইলাচৰ নতুনকৈ বাঢ়ি উঠা ডাঙৰ পৰিয়ালটোৰ কাৰণে খৰচ-পাতি কৰি ঘৰ-দুৱাৰৰ ভালেমান সাল-সলনি কৰিছে; কাৰণ চাইলাচ আৰু এপিয়ে শিল-খালৰ ঘৰ এৰি কোনো নতুন ঘৰলৈ নাযাবলৈ মন বান্ধি আছিল। ফুলনিখনৰ দুয়োকাষে শিলেৰে বন্ধোৱা বেৰ; আগফালে এখন মুকলি বেৰ। নতুন পৰিয়ালটো

ফুলনিৰ ওচৰ চপাৰ লগে লগে বেৰৰ স্থুকওাইদি বাৰবৰণীয়া ফুলবোৰে জক্মকাই হালিবলৈ ধৰিলে।

এপিয়ে ক'লে, "দেউতা অ', আমাৰ ঘৰখন কেনে ধুনীয়া —চোৱাচোন। আমাতকৈ স্থখী কোন আছে বাৰু?"

THE ... MAR 195

সমাপ্ত

THE ... RARY ...
- 1 MAR 195
GAUH . TI

## পুনৰালোচনাৰ সংকেত

১। তাঁত-কল ওলোৱাৰ আগতে ইংলণ্ডৰ গাঁৱলীয়া বিশ্বাসবোৰ কেনে আছিল ?

২। ৰেভ্‌লোলৈ অহাৰ আগতে চাইলাচৰ চমু জীৱন-কাহিনী কওক।

৩। চাইলাচ মাৰ্ণাৰৰ নিসঙ্গ জীৱনৰ আনন্দ বৰ্ণনা কৰক।

৪। গড্‌ফ্ৰে কেচৰ চৰিত্ৰৰ আলমত তেওঁৰ মানসিক অশান্তি কঁহিয়াই দেখুৱাওক।

৫। কেচ্ পৰিয়ালৰ পিতা-পুত্ৰ, ভাই-ককাইৰ সম্বন্ধ আৰু তাৰ কাৰণৰ বিষয়ে আলোচনা কৰক।

৬। নাঙ্গী লেমেটাৰৰ এটি বৰ্ণনা দিয়ক।

৭। ধন-চুৰি আৰু তাৰ পাছৰ ঘটনাবোৰ এটা এটাকৈ কওক।

৮। চাইলাচে এপিক পোৱাৰ পাছত হোৱা পৰিবৰ্ত্তনৰ বিষয়ে কওক আৰু এই পৰিবৰ্ত্তনৰ লগত আগৰ ধনতৃষ্ণা তুলনা কৰক।

৯। এপিৰ শৈশৱৰ আলম লৈ ল'ৰা-ছোৱালী ডাঙৰ কৰাৰ বিষয়ে এটা মত দিয়ক।

১০। হেৰোৱা ধন পাঁয়ো গড্‌ফ্ৰে কেচৰ দাবি চাইলাচে প্ৰত্যাখ্যান কৰাৰ যুক্তি আলোচনা কৰক।